
# মঙলদৈ মহাবিদ্যালয়

# আলোচনী



সম্পাদক - জয়ন্ত ডেকা

## মঙলদৈ মহাবিদ্যালয়

# আলোচনী

বাৰ্ষিক প্ৰকাশ

২০০৭-০৮ বৰ্ষ


তত্বাৱধায়ক
ড০ বিজয় কুমাৰ শৰ্মা

সম্পাদক
জয়ন্ত ডেকা

**"MAGAZINE":** *The Annual House Journal of MANGALDAI COLLEGE published by the Magazine Department on behalf of Mangaldai College students' Union, Mangaldai, Darrang. Edited by **Joyanta Deka** secretary of Magazine Department 2007-2008 Academic Session.*

## মঙলদৈ মহাবিদ্যালয় 'আলোচনী'
## সম্পাদনা সমিতি

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ছাজাদুৰ ৰহমান |
| উপদেষ্টা | ঃ | শ্রীযুত বিচিত্র কুমাৰ মেধি |
| | ঃ | ড০ কুমুদ চন্দ্র শর্মা |
| | ঃ | শ্রীযুত মতিৰাম মেধি |
| | ঃ | ড০ প্রণৱ কুমাৰ শর্মা |
| | ঃ | শ্রীযুতা মঞ্জু কলিতা |
| | ঃ | শ্রীযুত ঘনকান্ত বৰুৱা |
| | ঃ | শ্রীযুত অচ্যুত চন্দ্ৰ শর্মা |
| তত্বাৱধায়ক | ঃ | ড০ বিজয় কুমাৰ শর্মা |
| সম্পাদক | ঃ | জয়ন্ত ডেকা |
| সদস্য / সদস্যা | ঃ | মোন্নাফ আলি |
| | ঃ | ঋতুপর্ণ কলিতা |
| | ঃ | ভূপেন কলিতা |
| | ঃ | জয়শ্রী বৰঠাকুৰ |
| | ঃ | মৌচুমী কলিতা |
| | ঃ | পিনাকী প্রসাদ শাণ্ডিল্য |
| বেটুপাট / স্কেচ্ | ঃ | জয় প্ৰকাশ মহন্ত |
| সামগ্রিক পৰিকল্পনা | ঃ | সম্পাদক |
| মুদ্রণ | ঃ | পাৰামাউণ্ট কম্পিউটাৰ চেণ্টাৰ, বৰদৌলগুৰি, দৰং। |


### বিশেষ কৃতজ্ঞতা স্বীকাৰ

- ভাৰপ্ৰাপ্ত অধ্যক্ষ, ছাজাদুৰ ৰহমান
- তত্বাৱধায়ক, ড০ বিজয় কুমাৰ শর্মা
- গীতিকাৰ প্ৰভাত চৌধুৰী
- নিবন্ধকাৰ চন্দ্ৰ চহৰীয়া
- ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড০ কুমুদ চন্দ্ৰ শর্মা
- প্রবক্তা আছিৰউদ্দিন, বিজয়া বৰা
- শ্ৰদ্ধাৰ শিক্ষাগুৰু মণ্ডলী
- ছাত্র একতা সভাৰ উপসভাপতি, সাধাৰণ সম্পাদক প্রমুখ্যে বিষয়ববীয়াসকল।
- সম্পাদনা সমিতিৰ বিষয়ববীয়াসকল
- বিভিন্ন দিশত সহায় কৰা জগত শর্মা, সুদীপ বিশ্বাস, ইজাজুল হক, লিপিকা ডেকা, মানসজ্যোতি ডেকা, অনিমা চহৰীয়া, ৰাজীৱ কুমাৰ দেৱ শর্মা, জ্যোতিময় কলিতা, প্ৰাঞ্জল কুমাৰ নাথ, পাৰ্থ হাজৰিকা, গৌতম কুমাৰ চহৰীয়া।
- ছাত্রী নিবাসৰ উপদেশিকা
- সমূহ ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী তথা অগ্ৰজ অনুজ সকল
- পাৰামাউণ্ট কম্পিউটাৰ চেণ্টাৰৰ স্বত্বাধিকাৰী এফ, আৰ, ফাইজ আৰু কৰ্মকৰ্তা সকল
- মঙলদৈ মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যলৈ।

-সম্পাদক

# শ্বহীদ প্ৰণামো তোমাক



"আয়ে দিয়া বিহু গামোচাৰে
গুলি খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতা গছি
পুনৰ সপ্তম সাজু হৈছো আই
দিবলৈ জীৱন দান।।"

-ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

# শ্ৰদ্ধাঞ্জলি

*নিয়তিৰ পৰিহাস স্বীকাৰ কৰি আমাৰ মাজৰ পৰা অকালতে অনন্ত লোকলৈ গমন কৰা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ভূপেন তালুকদাৰ, প্ৰবক্তা ৰুদ্ৰ কলিতা, কৰ্মচাৰী মুকুন্দ ডেকা, মনোৱাৰ আলী, ছাত্ৰ ৰূপম ভৰালী আৰু ছাত্ৰী সংগীতা ৰাজবংশীৰ বিয়োগত আমি ম্ৰিয়মান হৈছো। এওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনাৰে এই ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।*

*লগতে বিভিন্ন কাৰণত নিহত হোৱা প্ৰতিজন জ্ঞাত অজ্ঞাত ব্যক্তিৰ পুণ্যাত্মাৰ সদ্‌গতিৰ অৰ্থে শ্ৰদ্ধা নিবেদিছোঁ।*

## শ্ৰদ্ধাৰে সুঁৱৰিছোঁ



ডঃ ভূপেন তালুকদাৰ
মুৰব্বী অধ্যাপক,
পদাৰ্থ বিজ্ঞান বিভাগ



ৰুদ্ৰ কলিতা
প্ৰবক্তা, দৰ্শন বিভাগ



মুকুন্দ ডেকা
কৰ্মচাৰী



ৰূপম ভৰালী
ছাত্ৰ, স্নাতক ১ম বৰ্ষ



সংগীতা ৰাজবংশী
ছাত্ৰী, স্নাতক ১ম বৰ্ষ

*- মহাবিদ্যালয় পৰিয়ালবৰ্গ*



## মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ

### ছাজাদুৰ ৰহমান

**অধ্যক্ষৰ আসনৰ পৰা ঃ**

মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। আলোচনী এখনে উচ্চ মানদণ্ডৰ সংস্কৃতি আৰু সাহিত্যৰ স্বাক্ষৰ বহন কৰে। যি দৰে সাগৰৰ অন্ধকাৰ অতল গহ্বৰত মণি মুক্তা লুকাই থাকে সেইদৰে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজতো সুপ্ত প্ৰতিভা লুকাই থাকে। এই প্ৰতিভাক বিকশিত কৰিবলৈ আলোচনীখনে প্ৰেৰণা যোগাওঁক। এয়েই মোৰ আশা।

২৭/১০/০৮



## সম্পাদকীয় চিন্তা

### "আমাক এটা বৌদ্ধিক বিবৰ্তন লাগে"

সাম্প্ৰতিক সময়ত গোটেই [illegible] আৱৰি ধৰিছে প্ৰযুক্তিৰ নতুন নতুন উ[illegible]। [illegible] প্ৰযুক্তিৰ জয়যাত্ৰা। সদায়ে নৱ নৱ সামগ্ৰী আ[illegible] আছে আমাৰ মাজত। প্ৰযুক্তিৰ উত্তৰণে আমি [illegible] সৃষ্টিৰ [illegible] পৰা হ'ল। কি অভিনৱ প্ৰযুক্তিৰ প্ৰায়োগি[illegible] স্বপ্নৰ ৰেল গাড়ীখনে সফল[illegible] মাজত [illegible] দুৰন্ত বেগত। কিন্তু ক্ৰমান্বয়ে আমি [illegible] আহিছো কিবা এটা কৰাৰ মানসিক[illegible] চেপাত বিলীন হৈ গ'ল। এতিয়া সময়ৰ নাটনি কিবা এটা লিখিবলৈ, পঢ়িবলৈ ? জীৱনটো য[illegible]

সাহিত্য সৃষ্টিৰ মাজত জীৱনৰ অফুৰন্ত গতি চেকুৰি গৈ থাকে। এই সৃষ্টি[illegible] সৌন্দৰ্য্য-চি[illegible] আদি। বিভিন্ন ৰস-ৰূপ, উপমাৰে শিল্প সাহিত্যৰ ভিন্ন উপাদানবোৰ। যি বোৰত সো[illegible] আছে- প[illegible] বিহংগ, গাঁৱৰ নৈখন, বসন্ত বিহাৰ আৰু তোমাৰ কল্পনাবোৰ। এইবোৰ উকা কাগজ[illegible] গতি কুলু কুলু সুৰেৰে বৈ অহা নিজৰা এটিৰ দৰে, সাহিত্য সৃষ্টিৰ জোনাকৰ মাজত জীৱনক উদ্ভাসিত কৰিবলৈ [illegible] সকলোৱে।

জ্যোতিপ্ৰসাদৰ লুইতৰ পাৰৰ সপোনৰ ডেকা দল আজি পথভ্ৰষ্ট হোৱাৰ উপক্ৰম। যুৱ প্ৰজন্মক উশৃংখলতাই হাত বাউলি মাতিছে। সময় থাকোতে উশৃংখলতা ৰোধ কৰিব নোৱাৰিলে ই আমাৰ বাবে বিপজ্জনক হৈ পৰিব। আমি কলেজত ডিগ্ৰীটো লোৱাৰ পিছত চাকৰি বিচাৰি হতাশ হওঁ। আমাৰ আবেগ আছে কিন্তু কাম কৰিবলৈ লাজ কৰো। চৰকাৰী সংস্থাপনৰ বাহিৰেও কিবা এটা কৰাৰ দুৱাৰ মুকলি আছে সেইটো নাভাবো। কেৱল ধিক্কাৰ চৰকাৰ... হৰতাল... অসম বন্ধ ইত্যাদি কাৰ্যসূচী পালন কৰো। সংস্কৃতিও যে আজি ধ্বংসৰ মুখত সেই কথা সকলোৱে দেখিছো। ভাবিবলৈ কাৰো সময় নাই। জাতীয় জীৱনৰ পৰিচয় জ্ঞাপক অনুষ্ঠানে হ'ল কৃষ্টি সংস্কৃতিবোৰ। এতিয়া চোন হেৰাই যাব আমদানিকৃত বেপৰুৱা সংস্কৃতিৰ আগমনত জাতীয় জীৱনৰ সাংস্কৃতিক ঐক্য। বৰ্তমান বৰগীতৰ ভৱিষ্যত কি ? বিহুগীতৰ ভৱিষ্যত কি ? এইবোৰ যেন একো একোটা ডাঙৰ প্ৰশ্ন। ইয়াৰ সুদুত্তৰ নাই। কাৰণ বেপৰুৱা সংস্কৃতিলৈ আমাৰ দৰদ বাঢ়ি গৈছে। সংস্কৃতি সুৰক্ষিত হৈ থাকিলেহে জাতীয় জীৱনৰ ঐক্য সম্প্ৰীতি জীয়াই থাকিব। সমস্যা বহুল সময়ত কিছুমান ক্ষেত্ৰত নেতৃত্বৰ অভাৱেও সমস্যাবোৰ বৃদ্ধি কৰে। নেতা সকলে কেৱল ক্ষমতা বিচা[illegible] ব্যক্তিস্বাৰ্থ বিকাশৰ বাবে। মাজে সময়ে দেখা পাওঁ শান্তিৰ নামত আহত মানুহৰ ক্ৰন্দন কিম্বা মৃত্যুৰ মৌন সমদল। সেয়ে আমাৰ মাজত এতিয়া দৰকাৰ দিল্লীৰ মছনদ্ কপাব পৰা যোগ্য প্ৰতিনিধিৰ।

এখন সম্প্ৰীতি একতাৰ সমাজ হবলৈ হলে এক বিবৰ্তনৰ প্ৰয়োজন। বিবৰ্তন হব লাগিব প্ৰত্যেকজন ব্যক্তিৰ উৎকৰ্ষ সা[illegible], সুস্থ চিন্তাৰ সমাজ গঢ়াৰ। ইয়াৰ বাবে লাগিব চেষ্টা আৰু সাধনা। সাধনা আৰু চেষ্টা হব সৃষ্টিৰ বাবে, যি সৃষ্টিত লুকাই [illegible] সংগ্ৰামৰ বীজ-মন্ত্ৰ। সাধনা যদি নিৰন্তৰ হয় সফলতা জোনাকৰ মাজত বকুল ফুল হৈ সৰিব। জাতীয় জীৱনৰ সাহিত্য স[illegible]তি উত্তৰণৰ বাবে এই বিৰ্বতন উৎসৰ্গিত। য'ত বিচাৰি পাম আমি স্বপ্নৰ সমাজখনক, সেই সমাজখনতে থাকিব শান্তি সম্প্ৰীতি [illegible]নাজীৰ বানী। এই আশা আমাৰ দিগন্ত ব্যাপি, আলোকসন্ধানী বিহংগৰ দৰে।

যি সকল মহান ব্যক্তিৰ মহান চিন্তা তথা প্ৰাণ স্পৰ্শত প্ৰকাশৰ বাট দেখিছিল এই 'আলোচনী'খনে সেই সকল ব্যক্তিলৈ মই সশ্ৰদ্ধ সেৱা যাঁচিলো। লগতে মোৰ প্ৰতিটো ক্ষেত্ৰত যাৰ পৰশে অধিক উৎসাহিত কৰিছিল তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ তথা ঋণী। শেষত, এটি আহ্বান

"মৃত্যু যদিও দেখিছা
ভয় নাখাবা, সাগৰ নীলা দুচকুত
এই সংগ্ৰাম অপৰাজেয়..।"

24/10/08

## মহাবিদ্যালয় সংগীত ঃ

ৰচনা ঃ শ্ৰীপ্ৰভাত চৌধুৰী

সুৰ আৰু স্বৰলিপি ঃ কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল ঃ দাদ্ৰা ( ভাতখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ।। ১।।
অজ্ঞনতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জিৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি।। ২।।
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।

# সূচীপত্ৰ

**গল্প...**



*"কিনো আছে এইবোৰত কবিবোৰ যেন একো একোজন মানসিক ৰোগী। নহলেনো শুকান নগুঠা গছডালতো নৈ-সৰ্গিক সৌন্দৰ্য বিচাৰি পায়নে"*


* পিঞ্জৰা । মুন্না ডেকা । ৯ *
* প্ৰকৃত মাতৃস্নেহ। লীনা শইকীয়া। ১৪*
* অশ্ৰু নদী নিৰবধি। জগত শৰ্মা। ১৬*
* সেই চিনাকি হাতখন। কৰবী শৰ্মা। ১৯*
* নাপাওঁ। নৱজ্যোতি শৰ্মা। ২১*
* হৃদয়ৰ কেনভাচৰ আধা ডুখৰীয়া ছবি। পাপৰি কৌশিক। ২৩*
* আশা। আৰেশ শৰ্মা। ২৬*
* নিসংগ জীৱন। কাকলি নাথ। ২৮*
* নিস্তব্ধতাৰ শিকলি। হৰেন্দ্ৰ চন্দ্ৰ নাথ। ৩০*
* হেৰুৱা প্ৰেমৰ সুবাস। পুলিন কুমাৰ নাথ। ৩১*
* নৈৰ পাৰত গধূলি হ'ল। নিলয় নীলিম ডেকা। ৩৩*
* নীৰৱ প্ৰেমত বন্দী পখীৰ বিলৈ। ৰেখা দেৱী।৩৭*


**প্ৰবন্ধ...**



*"আমি জীৱশ্ৰেষ্ঠ মানৱে এই ৰোকাৰ পদুম দেৱদাসী নৃত্যক সুৰুচিপূৰ্ণ ভাৱে জনসমাজলৈ আদৰি আনিব নোৱাৰো জানো।"*


* দৰঙী কলা-কৃষ্টি আৰু সামাজিক সংহতি। মতিৰাম মেধি।। ৩৮*
* অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহ। ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা। ৪২*
* সদানন্দৰ কলা ঘূমটি আৰু নিজে গঢ়া মানুহ লম্বোদৰ বৰা। চন্দ্ৰ চহৰীয়া। ৪৫*
* কেইবিধমান পৰম্পৰাগত ঘৰুৱা বনৌষধ। ড০ খগেন্দ্ৰ কুমাৰ নাথ। ৪৮*
* আহাৰ আৰু স্বাস্থ্য। দীপাৱাণী দেৱী। ৫০*
* পথৰুঘাটৰ কৃষক বিদ্ৰোহ আৰু জনজীৱনত ইয়াৰ প্ৰভাৱ। নয়নমণি ভূএগ্ৰা। ৫১*
* Human Immune System And Diseases/ Dr. Pranab Kr. Sarma/ 53*
* Shaping the career in the right way to the youth/ Sachin Saharia/ 55*
* Difficult words and terms/ Girish Sarma/57*
* Great Indian Poet/ Munnaf Ali/ 58*
* বিস্মৃত বৈভৱ ঃ দেৱদাসী নৃত্য। প্ৰিয়দা ডেকা। ৫৯*
* বিশ্বাস, পৰম্পৰাগত লোক বিশ্বাস, অন্ধবিশ্বাস আৰু আমিবোৰ..। আমিনুল হক। ৬১*
* অসম সাহিত্য সভা- এটি ৰূপৰেখা। মৌচুমী কলিতা। ৬৪*
* নৱ প্ৰজন্মৰ বাবে অসমীয়া সংস্কৃতি। ভূপেন কলিতা। ৬৬*
* ক্লʼনিং ঃ জীৱ সৃষ্টিৰ এক ব্যতিক্ৰমী পৰিঘটনা। কৰ্মেশ্বৰ ডেকা। ৬৭*
* নৱ প্ৰজন্মৰ দৃষ্টিত ড০ ভৱেন্দ্ৰ নাথ শইকীয়া। প্ৰণামিকা শৰ্মা। ৬৯*
* দুৰ্যোগ আৰু সাৱধানতা। পিনাকী প্ৰসাদ শাণ্ডিল্য। ৭০*
* উদ্যোগ জ্যোতি আঁচনিৰ এচেৰেঙা মিঠা পোহৰ। হিমাক্ষী ডেকা। ৭২*
* নিৰ্মল প্ৰভাৰ কবিতা। ডিম্পল কাশ্যপ। ৭৪।*
* চিত্ৰকৰ্ম অজন্তাৰ ইতিহাস। জয়প্ৰকাশ মহন্ত। ৭৬*
* গাঁৱৰ সৌন্দৰ্য্য। কৰুণা শৰ্মা। ৭৭*



**কবিতা...**



*"তুমি প্ৰাণ পালেই সকলোবোৰ জীপাল হৈ উঠে, পূৰ্ণিমাৰ ৰাতি পকি থকা সুমথিৰাৰ দৰে জোনটোৰ পৰাও শব্দ নিগৰে নৈঃশব্দত।"*


* ড০ কুমুদ চন্দ্ৰ শৰ্মা । ৮১
* Tanushree Sarma * * Debadasi Barman * * Rakesh Sarma * * Sangeeta Sarma । ৮২
* কুন্তল কুমাৰ নাথ ** মানবেন্দ্ৰ নাৰায়ণ কোঁৱৰ। ৮৩ ** ৰঞ্জন জ্যোতি শৰ্মা ** জ্যোতিৰ্ময় কলিতা ** সাগৰিকা শৰ্মা। ৮৪ ** বিচিত্ৰ বৰদলৈ ** ইউচুফ আনচাৰী।। ৮৫ ** সুব্ৰজিৎ কুমাৰ নাথ। ৮৬ ** হৃদয়াশ্ৰী ৰাভা ** দিপালী কলিতা।। ৮৭ ** দ্বীপ কিশোৰ শইকীয়া ** প্ৰণৱ কুমাৰ শীল ** ভাৰ্গৱ কুমাৰ বৰুৱা। ৮৮ ** বিনয় দাস ** বাবুল নাথ ** লতিকা বৰা। ৮৯ ** ধনদা ডেকা ** তৃষ্ণা ননী দাস ** দীপান্বিতা শৰ্মা। ৯০ ** বিপুল চহৰীয়া ** ৰিজু বৰুৱা ** ইজাজুল হʼক। ৯১ ** মনিষা কলিতা ** অৰ্পনা ডেকা। ৯২ ** বিশ্বজিৎ ডেকা ** বিপ্লৱ গোঁহাই। ৯৩


**বেটুপাতৰ সোঁমাজৰ অৰ্থ...**



*"মাজনিশা তৰালিৰ চিক্‌মিক্ পোহৰৰ মাজত নিগৰিত কিছু শব্দই হৃদয় দাপোণত স্পৰ্শ কৰি দিকচৌ বনলৈ গৈছে। তাৰেই সৃষ্টিত এই চিত্ৰকল্প।"*


** ভিন্ন শিল্প। ৯৪
** সম্পাদকীয় প্ৰতিবেদনসমূহ। ৯৫-১০০।।

গল্প

# পিঞ্জৰা

মুন্না ডেকা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)



*"অন্তৰত সঞ্চাৰিত কিছুমান
অনুভূতিৰ মুক্ত প্ৰকাশৰ
যশশ্ৰুতিতে নিগৰি আহে
বাস্তৱিক বা কাল্পনিক কল্পলোক
এখনৰ চিত্ৰ।
তাৰ পৰাই সৃষ্টিৰ অন্তঃ সলিলা
ফল্গু ধাৰাত ৰস বিয়পাই গল্পৰ
ৰূপ লয়।"*

দুৱাৰখন খুলিলেই মামৰে ধৰা কব্জাৰ কেৰেক কৈ শব্দ এটা হয়। বৰ আচহুৱা ঠাইত ঘৰটো। এনেহেন আবেলিত বাহিৰত যৎ সামান্য শব্দ এটাও নাই। একেবাৰে গছবন নোহোৱা ফাইলং জেগা। চকীখনত আউজি বহি হাতত থকা জুইত সেকা মাকৈত একামোৰ মাৰি অম্লান বৰুৱাই আকৌ এবাৰ ভাবিলে- 'এই ঘৰটো ভাড়াত লৈ বাৰু ঠিক কৰিলেনে? আন কোনো উপায় নাই। অৱশ্যে কেইদিন মানৰ বাবেহে, চলি যাব। দুইদিন মানৰ বাবে ভাড়াত দিব খোজা আন ঘৰ নাই। ইয়াততো থকা হোটেলো পাবলৈ নাই। ৰুমটোৰ চাৰিবেৰৰ ফালে এবাৰ চকু ফুৰালে। বেৰত ধূলিৰ এটা পাতল প্ৰলেপ। ওপৰৰ চিলিং ফেনখনত এসোপা মকৰাৰ জালে সাৰুট মাৰি ধৰিছে। বাদ দে সেইবোৰ, চাফা কৰিলেই ঠিক হৈ যাব। ইয়াত চাৰ্কাচ শেষ হলেই ৰুম এৰি আকৌ আন ঠাইলৈ যাব লাগিব। অম্লানে চাৰ্কাচত কাম কৰে। এনেকৈ ইখনৰ পিছত সিখন ঠাই ভ্ৰমি ফুৰে। তেওঁ ভাবিলে- এই ঠাইডোখৰ বা কেনেকুৱা। দিন দুপৰতে হত্যা লীলা ৰচা ঠাই যেনহে লাগে। এনে আপদীয়া ঠাইতনো বাৰু থাকিব পাৰিনে? অৱশ্যে চাৰ্কাচৰ কামত ঘূৰি ফুৰোতে ঠিক এনেকুৱা ধৰণৰ ঠাইতে বহুদিন কটাই আহিছে। তথাপিও ঠাইডোখৰ মৰা মৰা হ'লে মনটোও কিবা মৰা মৰা যেন লাগে। কিছুসময় তেওঁ চকীখনতে গুম হৈ বহি থাকিল। ভিতৰত ৰান্ধনি মিলিয়ে বাচনৰ খুট খাট শব্দ কৰি

মাছ ভজাত ব্যস্ত। ইয়াৰৈ আহোতে আগবেলা বাছৰ পৰা নামি হোটেল এখনত যি দুখন ৰুটি খাই আহিছে তাৰ বাদে পেটত এতিয়ালৈকে একো এডাল পৰা নাই। খাবৰ সময়কে উলিয়াব পৰা নাই। চাৰ্কাচৰ কেম্পলৈ গ'লে তাতেই ভাত কেইটা খাই আহিব পাৰে। কিন্তু তালৈ যাব তেওঁৰ মন নাই। কাৰণ স্বৰূপে বিশেষকৈ ইমান সোপা মানুহৰ সংগত থাকি আজিকালি তেওঁ ভাল নাপায়। কিছু সময় হলেও অকলশৰে কটাব বিচাৰে। ভাল নাপায় উগ্র কোলাহল, মুক্ত হাঁহি, চৰাইৰ কিচমিচ শব্দ। বিতৃষ্ণা জন্মিছে এইবোৰৰ প্ৰতি। সকলো ঠাইতে তেওঁ আত্মীয়াকৈ এটা ভাড়া ৰূম লয়েই।

ৰূমটোৰ সামান্য গড়গতি লগাওতেই বেলিটো পাৰ হ'ল। এতিয়া বান্ধনি মিলিক বজাৰৰ পৰা কেইপদমান বস্তু আনিবলৈ কৈছে। সি বেচেৰাই কিনকিনীয়া বৰষুণজাক ফালি গৈ বজাৰ কৰি আনিছে। মিলিক বান্ধনি হিচাপে ঘৰৰ মালিকেই ঠিক কৰি দিছে। বঙালী মানুহ। ভাল বান্ধে। এই ৰূমত আগতে ভাড়াত থকা মানুহবোৰকো হেনো সিয়েই বন্ধা-বঢ়া কৰি দিছিল। মিলিক ঠিক ল'ৰা মানে ল'ৰা বুলিব নোৱাৰি। বয়স যথেষ্ট হৈছে। মাত্র দেহটো কিটিঙিয়া হোৱাৰ বাবে দেখাত বয়স কম যেন লাগে।

পোৱা মাঁকৈত শেষ কামোৰটো মাৰি অম্লান বৰুৱা চকীখনৰ পৰা উঠিল। বিচনাখনত নিস্পৃহভাৱে পৰি থকা বেগটো হাতত তুলি লৈ তাৰ চেইনডাল খুলিলে। হাতখন বেগটোৰ ভিতৰলৈ নি উলিয়াই আনিলে মাক আৰু মৰমৰ ভনীয়েকৰ সৈতে তেওঁৰ এখন সংযুক্ত ফটো। ফটোখন স্থিৰে চাই থাকিব নোৱাৰে তেওঁ। মনত নিগনিটোৰ দৰে কুৰুকি কুৰুকি সোমাই আহে এসোপামান শোক, যন্ত্রণা। মুহূর্ততে তেওঁ তন্ময় হৈ পৰে। বুকুৰ চাৰিওফালে হয় কাৰোবাৰ নিষ্ঠুৰ চুৰিকাঘাত। নিশাৰ টোপনি দূৰতে বিদূৰ হয়। গিজগিজাই থাকে মনটো। কিছু সময়ৰ বাবে মানুহজন পাগলৰ দৰে হৈ পৰে। ফটোখন তেওঁ পুনৰ বেগটোত ভৰাই চেইনডাল মাৰি দিলে। মূৰটো মুহূর্ততে আচন্দ্ৰাই কৰা যেন লাগিল। নিৰ্বিকাৰ ভাৱে বহি ৰ'ল কিছুপৰ।

ভিতৰৰ পৰা ৰান্ধনি মিলি ৰূমটোলৈ সোমাই আহিল। হাতত এখন থালত ভজামাছ আৰু পানীৰ গিলাচ, লগতে চালাড অলপ আনি অম্লানৰ আগত থকা গোলাকাৰ টেবুলখনত সাৱধানে থলে।

ঃ বাবু, খাই লওক। একদম টাটকা লোকেল চিতল মাছ ভজা। চালাডটা বাবু আমি আপোনাৰ বাবেই বনাইচি। পেটটা অল্প শান্ত কৰিয়া লওক।- সি যিমান পাৰে অসমীয়া ভাষাটো শুদ্ধকৈ কবলৈ চেষ্টা কৰিছে। কিন্তু তাৰ জিভাই বঙালী শক সুৰ যেন এৰি দিব খোজা নাই। থালখন থৈ সি নিজৰ বাবেও ভিতৰলৈ গৈ দুচকল ভজা মাছ আনি মুঢ়াটোতে বহি ললে।

অম্লানে এচকল ভজামাছ প্লেটখনৰ পৰা আনি একামোৰ মাৰিলে। ভজামাছ আৰু চালাডৰ পৰা পোৱা সোৱাদৰ প্ৰচ্ছায়া এটা মিলিৰ মুখ মণ্ডলত ফুটি উঠিল। অম্লান বাবুই ভজা মাছৰ গুণ বখানি কিবা এটা ক'ব বুলি মিলিয়ে বাট চাই থাকিল। অম্লানে একো নকলে। মাত্র দাঁত আৰু ওঁঠৰ সামান্য শব্দ কৰি খোৱাত ব্যস্ত হ'ল। মুহূর্ততে মনত স্পষ্ট হৈ আহিল এবেলিৰ জীৱনৰ নষ্ট দিনবোৰ।

নৈৰ পাৰত এখন ঘৰ আছিল। ঠিক ছবিত থকা ঘৰখনৰ দৰে। তাত তিনিটা জীৱ- মাক, পুতেক আৰু জীয়েক। পুতেকজন হ'ল অম্লান বৰুৱা। গোটেই অঞ্চলটোৰ এটা পৰিচিত মৰমৰ নাম। এজন কম বয়সীয়া সক্রিয় সমাজ কৰ্মী, সুনিপুণ বাঁহী বাদক। বয়স তেতিয়া তেওঁৰ বিছ নে একৈছ বছৰ। চফল ডেকা। অম্লানৰ বাঁহীৰ সুৰত যেন সমগ্ৰ নৈৰ পানী উথলি উঠে। শৈল হৃদয় কপকপকৈ কঁপি যায়। ভনীয়েক নিৰ্জুনিশা আৰু মাকৰ সৈতে ঘৰখন বেছ সুখৰ। ফুলনিৰ দৰে আছিল ঘৰখন। ভনীয়েকক অম্লানে বৰ মৰম কৰিছিল। নিৰ্জুই সামান্য দুখ পালে অম্লানে দিনটোৰ বাবে ভোক পিয়াহ ত্যাগ কৰিছিল। এটা বস্তুও ভনীয়েকক এৰি খোৱা তেওঁৰ মনত নাই। নিৰ্জু অকল ভনীয়েকেই নহয়, অম্লানৰ বাবে এজনী আপোন বান্ধৱীৰ চৰিত্রয়ো ৰূপায়ন কৰিছিল। ভণীয়েকৰ লগত সকলো কথা মুকলি মনেৰে আলাপ কৰিছিল- 'সেই ল'ৰাজন বৰ ভাল জানা..., আজি জানা দাদা, ল'ৰাটোৱে মোক জোকাইছিল।' তাই সুযোগ পালেই দাদায়েকৰ আগত গীতৰ কলি গুণ গুণাই ছিল- 'দাদা মানি বেগত কোন সেইজনী...।' দাদাকে কৈছিল- 'ঐ নাই অ', আজিলৈকে এজনীয়েও তোৰ নবৌ হ'বলৈ নোখোজে দেখোন, তই আকৌ মানি বেগত কাৰ ফটো দেখা পাবি? অৱশ্যে এখন আছে। কাৰ জান'- মোৰ মৰমৰ ভণ্টীজনীৰ। দুয়োৰে কথাৰ চুপতি মৰা শুনি মাকে মনে মনে হাঁহি থাকিছিল। মগজুৰ শক্তিত হ'লে অম্লানে নিৰ্জুক কাহানিও হৰুৱাব নোৱাৰিছিল। পঢ়াতো তাই বেছ চোকা আছিল। বিহু মঞ্চত অম্লানে বাঁহী বজাইছিল, ভনীয়েকে নাচিছিল। শেষত দৰ্শকৰ ঘন ঘন হাত চাপৰি।

দাদাক কোনোবা দূৰৰ ঠাইলৈ গ'লে- পৰীক্ষা নাইবা ইনটাৰভিউ থাকিলে নিৰ্জুই চোতালৰ আগত থকা গোঁসাইৰ থানত দাদাকৰ নামত এগছি বন্তি জ্বলাই তুলসী পাতৰ নিৰ্মালি আনি কাণত গুজি দিয়ে। দাদাকক কেতিয়াবা তাই ভালকৈ দাবী দিয়ে, ঠিক মাকৰ দৰে। অম্লানে তেতিয়া মনে মনে নিজ কামত ব্যস্ত হৈ পৰে। তাতো নীৰৱে সোমাই থাকে অদৃশ্য নিভাজ মৰম। ছবিৰ দৰে আছিল ঘৰখন- মৰমবোৰ। মাকৰ

সৈতে তিনিও কেতিয়াবা আবেলি নদৈৰ পাৰত বহি ৰেডিঅ'ৰ গীত শুনিছিল- ঢোপ খেলিছিল- মন খুলি হাঁহিছিল। কিন্তু এদিন নষ্ট হ'ল সেই হাঁহি- ফুলনি- গীত। মেৰমেৰাই ভাঙি গ'ল ছবিৰ দৰে ঘৰখন।

মৰমৰ চোতালত উমলি জামলি থাকোতে নির্জু এদিন হেৰাল। অম্লান আৰু মাকৰ কলিজাৰ এটুকুৰা আচম্ভিতে নোহোৰা হ'ল।

স্নাতক মহলা পাৰ কৰি অম্লানে তেতিয়া স্নাতকোত্তৰ মহলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় পালেগৈ। হোষ্টেলত থাকি পঢ়ে। স্বৰ্গগামী দেউতাকৰ পেন্সনৰ পইচাৰে ঘৰখন চলে আৰু পঢ়াৰ খৰচো তাৰ পৰাই জোৰে। নির্জুনিশাই ঘৰৰ কিছু দূৰৰ কলেজ খনতে স্নাতক প্ৰথম বৰ্ষত নাম লগালে।

এদিন অসময়ত হোষ্টেলৰ টেলিফ'নটোলৈ এটা ফোন কল আহিল। অম্লানৰ ফোন কল বুলি গম পাই বিচিভাৰটো উঠাই ললে।

ঃ হেল্ল' অম্লান বোপা নেকি?

ঃ অ' মই, কওঁকচোন....

ঃ মই ৰত্ন বৰদেউতাৰাই কৈছো। তুমি পলম নকৰি ঘৰলৈ আহাচোন।

ঃ কিয় বৰদেউতা, এতিয়া.... অসময়ত.... কি হৈছে কওঁকচোন।

ঃ নির্জু মাজনী যোৱা কালিৰ পৰা ঘৰত নাই। মাৰাই বৰকৈ কন্দাকটা কৰি আছে।

কথাষাৰ শুনিয়েই অম্লানৰ ধমনীৰ তেজ উথলি উঠিল। এটা নাম বিহীন আশংকাই বুকুতে খুন্দা মাৰি ধৰিলে। একে দৌৰতে গৈ ৰুমৰ পৰা বেগটো খুলি কেইটামান টকা পকেটত সুমুৱাই লৈ তেওঁ বাছত উঠিলগৈ। দ্বিধা শংকাৰে নিস্তেজ হৈ পৰা মনটো লৈ নিমিষতে ঘৰ পালেহি।

মাকে ঘৰত চিঞৰি চিঞৰি কান্দি আছে। গাঁৱৰ মানুহ ঘৰত উজান উঠিছে। তাৰ মাজতেই কোনোবাই কাৰোবাক কলে- 'হয়তো কোনোবা আলহী ঘৰলৈও যাব পাৰে।' কোনোৱে ক'লে- তাইতো কাৰোবাৰ লগত পলাই যোৱা বিধৰ ছোৱালী নহয়। এনে আজলি ছোৱালীজনী কোনোবাই হয়তো অপহৰণ কৰি নিবও পাৰে। আন কোনোবা এজনে ক'লে- কোনোৱে হেনো ৰঙা কাৰ এখনত অকলশৰে ছোৱালী এজনী দেখিছিল। অম্লানৰ মূৰটোৱে সঠিকভাৱে কাম কৰিব নোৱাৰা হৈছিল। 'আধাবলিয়া মানুহজনৰ দৰে যাবে তাৰে ঘৰত ভনীয়েক নির্জুক বিচাৰি ঘূৰি ফুৰিছিল। কিন্তু ইমান বিশাল দেশখনত বিচাৰি পাব ক'ত?

নির্জু হেৰোৱা কেইবাদিনো হ'ল। ক'তো একো খা-খবৰ নাপালে। দিনৰ পিছত দিন, দিন-ৰাতি একাকাৰ কৰি ইখনৰ পিছত সিখন ঠাই, ইঘৰৰ পিছত সিঘৰ বিচাৰি ফুৰিছে, ক'তো নাই। ঘৰত মাকে ভাত পানী খোৱা এৰি শুকাই খীনাই গৈ দেহত মাত্ৰ জীৱটো আছেগৈ। গাঁৱৰ মানুহেও নানা বুজনি দিছে, সকলোৱে বিচাৰ খোচাৰ কৰিছে, নাই, নিৰৰ্থক। বাতৰি কাকতৰ এপৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে ছপা হৈছে- 'নির্জুনিশা বৰুৱা নিৰুদ্দেশ'। লগতে উল্লেখ কৰা হৈছে অলপতে নিৰুদ্দেশ হোৱা দহ-বাৰ জনীমান ছোৱালীৰ কথা- নাৰী ব্যৱসায়ৰ কথা- উদ্ধাৰ হোৱা নাৰীৰ কথা।

মাক শুকাই খীনাই বেমাৰত পৰি এদিন ঢুকাই থাকিল। মৰিবৰ সময়তো নির্জু নির্জু কৰিয়েই প্ৰাণ এৰিলে। অম্লান বৰুৱাৰ মূৰৰ বিকৃতি ঘটিল। মানুহজন পাগল হ'ল। অত ত'ত যেনি তেনি আৰ তাৰ ঘৰত ঘূৰি ফুৰা কৰিলে। দুই এজন মানুহৰ মুখত অম্লান বৰুৱা নামটো গুচি অম্লান পাগল হ'ল। চিনাকি দুই এঘৰ মানুহে কেতিয়াবা তেওঁক এসাজ খুৱায়। তাৰ বাদে খোৱা লোৱাত মন কাণ নাই। দেহতো হাড় কেইডাল জক জককৈ ওলাই পৰিছে। মানুহজনে দিন ৰাতি চিন চাব নোহোৱাকৈ ইখনৰ পিছত সিখন ঠাই ঘূৰি ফুৰে। তেওঁৰ মাত কথাৰ লাগ বান্ধ হেৰাইছে। গাঁৱৰ মানুহ কেইজনমানে তেওঁক জোৰ কৰি নি মেনটেল হস্পিটালত ভৰ্তি কৰালেগৈ। প্ৰায় ডেৰ বছৰ পাৰ হ'ল। অম্লানৰ মগজুৰ শক্তি কিছু উন্নত ঘটিল। ভাল হ'ল মূৰৰ বিকৃতি। এদিন ঘৰলৈ যাবলৈ অনুমতি দিয়া হ'ল। কিন্তু থাকি গ'ল হৃদয়ৰ নিভৃত কোণত সোমাই টক-টককৈ জ্বলি থকা আঙঠাবোৰ। যিবোৰে দেহটো নিষ্ঠুৰ ৰূপত জ্বলি পুৰি অস্থিৰতা আদৰি আনে। যি জুইৰ উত্তাপ নিপীড়িত জনেহে অনুভৱ কৰিব পাৰে ই কিমান যান্ত্ৰণা দায়ক - কিমান উত্তপ্ত।

নৰকাসুৰৰ দৰে অভিশপ্ত অসময়ত শুনা নিৰাশাৰ ডাকে সকলোবোৰ থেৰো গেৰো কৰি পেলাইছে। জীৱনত ধ্বংস হৈ গৈছে সপোনৰ দৌৰাত্ম্য। এই কোঙা জীৱনক পাহৰণিৰ গৰ্ভত ঠেলি দি তেওঁ এটা নতুন জীৱন আৰম্ভ কৰিব নোৱাৰে। মুহূৰ্ততে অগাদেৱা কৰি থাকে মাক-ভনীয়েকৰ মুখ কেইখন। সেই ফুলনিৰ দৰে ঘৰখন। এতিয়া অৱশিষ্ট একমাত্ৰ ভেটিটো, য'ত বাস কৰে সাপ, বেং- গজিছে বন ঘাঁহ, ঢেকীয়া।

অম্লান এদিন চাৰ্কাচত সোমাল। বাঘ ভালুকৰ খেল দেখুৱায় তেওঁ। সৰু চাৰ্কাচখন তেওঁ বেছ জনপ্ৰিয় কৰি তুলিলে। চাৰ্কাচ দেখুৱাই আজি ইখন ঠাই কাইলৈ সিখন ঠাই এনেকৈ ঘূৰি ফুৰে। যাযাবৰ তেওঁ। ঘৰৰ চিন চাব নাই। যতেই ৰাতি ত'তেই কাতি। ৰাতি চাৰ্কাচ দেখুৱায়। দিনৰ দিনটো চাৰ্কাচ হোৱা ঠাই ডোখৰৰ চৌদিশে অলৌ তলৌকৈ ঘূৰি ফুৰে। মানুহৰ ঘৰে ঘৰে সোমাই সুধি ফুৰে - 'নির্জুনিশা নামৰ ছোৱালী এজনী বাৰু চিনি পায় নেকি? বগাকৈ, চুলি দীঘলকৈ... মৰমীয়াল ছোৱালী এজনী...।' মানিবেগতে থকা নির্জুৰ ফটোখন

দেখুৱায়। কিন্তু ক'তো নাই। আজি পাঁচ বছৰ পিছতো নির্জুৰ একো খা-খবৰ নাই। মাটিৰ সৈতে বাৰু মিলি গল নেকি ছোৱালীজনী। নাই, সেয়া হ'ব নোৱাৰে। তাই কৰবাত নহয় কৰবাত আছে। ভগৱান যদি আছে তাইয়ো আছে। এদিন হলেও বিচাৰি পামেই। অম্লানে চাৰ্কাচ আৰম্ভ কৰাৰ আগমুহূৰ্তত দৰ্শকৰ সন্মুখত হেৰোৱা নির্জুনিশাৰ বিষয়ে কয়। ফটোখন দেখুৱায়। কৰবাত দেখা পালে জনাবলৈ দুহাত জুৰি অনুৰোধ কৰে। চাৰ্কাচ শেষ হয়। আন ঠাইত আকৌ আৰম্ভ হয়। আকৌ একে অনুৰোধ। বছৰৰ পিছত বছৰ পাৰ হয়।

অম্লানে ভজামাছৰ থালখন খালি কৰি পকেটৰ পৰা চিগাৰেট এডাল উলিয়ালে। পেট্ৰোল মেছটোৰ একাষে টিপা এটা মাৰি ওঁঠৰ একাষৰীয়াকৈ লোৱা চিগাৰেট ডাল জ্বলালে। ওঁঠৰ আন কাষেৰে এসোপা ধোৱা ওলাই কুণ্ডলী পকাই বায়ুত হেৰাই গ'ল। ৰান্ধনি মিলিয়েও থালৰ ভজা মাছ কেইটুকুৰ বৰ জুতিৰে খাই শেষ কৰিলে। সি ধোক ধোককৈ এগিলাচ পানী গিলিলে। মিলিৰো ধোঁৱা খোৱাৰ তীব্ৰস্পৃহা জাগিছিল। কিন্তু সি অম্লানক চিগাৰেট খুজিবলৈ সাহস গোটাব নোৱাৰিলে। ক্ষন্তেক সময় দুয়ো নীৰৱে বহি থাকিল।

ক্ষন্তেকৰ নীৰৱতা আঁতৰাই অম্লানে মিলিক শুধিলে-

ঃ মিলি, ইয়াত কৰবাত চেৰাব তেৰাব পোৱা নাযায় নে?

ঃ পোৱা যায় অম্লান বাবু, কিন্তু দোকানটো অল্প দূৰ হয়। আপুনি যদি খাইকিনে বেয়া নাপায়, একদম লোকেল মাল, ঘৰুৱা মাল একটা আনি দিব পাৰো। খালে বেছ নিছা ধৰে। - মিলিয়ে পৰম উৎসাহেৰে ক'লে।

ঃ বাৰু তাৰেই চলি যাব। সন্ধিয়া দুই পোৱা মান আনি দিবি। নহলে নিশাটো বৰ অকলশৰীয়া লাগে অ'। কিবা কিবিয়ে বৰকৈ আমনি কৰে। ইফালে আজি নিশা চাৰ্কাচো নাই।

ঃ বাবু আপুনি চাধি কৰিছে, কথাটো বাৰু ঠিকনে আৰু আপোনাৰ ঘৈণী বহু দূৰত থাকে, হয় কি নহয়?

কথাষাৰ কৈ মিলিয়ে কিছু সময় অম্লানলৈ চাই ৰ'ল।

ঃ নহয়, মই বিবাহ কৰোৱা নাই।

ঃ সেইটোৱেটো আচল কথা, অত' বয়স, কিন্তু আপুনি চাধি কৰোৱা নাই। অকলশৰীয়া লাগিবই। বয়স গলেও যৱানি নাযায় না। আমিতো পূৰ্বতে চাধি কৰি পাঁচটা চেৰা-চেৰী জন্ম দিলাম। তথাপি যৱানি যৱানি হৈয়ে আছে। আপুনিটো কোবাৰা মানুহ। মনে আমনি নকৰিব কিয়? অকলশৰীয়া নালাগিব কিয়?

মিলি বেছ কথা কোৱা মানুহ। কথাৰ আত এডাল পাই টানি দীঘল কৰি লৈ গল। অম্লানে নিস্পৃহভাৱে মাত্ৰ শুনি গ'ল। তেওঁৰ পৰা কোনো 'হো' 'ও' সঁহাৰি নাপাই সি গ'ল গেঙেৰণি এটা মাৰি আকৌ আৰম্ভ কৰিলে-

ঃ আপুনি বাৰু চেৰাব তেৰাব নো খায় কিয়? এইবোৰ খাৰাব বস্তু। আপুনি হয়তো গম পায়না কি এই লোকেল চেৰাবটাত সামান্য ইউৰিয়া মিছ্ কৰা থাকে। ই কলিজা খাই কিনে চেচ কৰিয়া দিব পাৰে। আমাৰ বাৰীতেই বনাও। কিন্তু আমিতো খায় নাৰে বাবু। আমি মাত্ৰ চেৰাবৰ বিজনিজ কৰি।

মিলিৰ সুপদেশ শুনি অম্লানৰ কিছু বিৰক্তি লাগিছিল। তথাপিও নিমাতে থাকিল। তেওঁৰ মনত এতিয়া নিজে জীয়াই থকাৰ যুক্তিকে বিচাৰি নাপায়। দেহ-চেহ চব জহন্নামে যাওক। জীৱনটো গৈছে যেতিয়া এইটোনো কি? এতিয়া মদৰ বটলৰ সাফৰৰ ভিতৰত আবদ্ধ থাকি জীয়াই থকাৰ শক্তি অন্বেষণ কৰা জীৱনটো মিলিয়ে উলিয়াই আনিব খোজা দেখি তেওঁৰ হাঁহি উঠিল। এইবোৰ নহলে বুকুৰ একোণত জ্বলি থকা আগুঠাটোৱে বৰকৈ পোৰে। কাঁড়বিদ্ধ পশুটোৰ দৰে চটফটাই থাকে তেওঁ। নোপোৱাৰ বেদনাতকৈ যে পাই হেৰুৱাৰ বেদনা যে হাজাৰ গুণে বেছি যন্ত্ৰণাদায়ক সেই কথা উপলব্ধি হয়। নি:সাৰ হৈ পৰে তেওঁৰ বুকুৰ স্পন্দন।

মিলিয়ে বহি থকা মূঢ়াটো অম্লানৰ কিছু ওচৰলৈ টানি নি কওঁ নকওঁকৈ কলে-

ঃ আৰে বাবু আপোনাক আমি চাবাবৰ থাকিয়া ভাল বস্তু একটাৰ কথা কম। আপুনি বেয়া নাপাইতো?

ঃ বাৰু ক'চোন - অম্লানৰ উদাস চাৱনি।

ঃ একদম আপোনাৰ আনন্দৰ কথা কম। আপোনাৰ ৰাতিটো সুন্দৰ কৰিয়া কাটি যাব। অকলশৰীয়াও নালাগিব। একদম কম খৰচতে আপোনাৰ স্বৰ্গৰ সুখে সংগ দিব।- মিলিয়ে কোনো বিশেষ গোপনীয় কথা ফুচ ফুচাই কোৱাৰ দৰে ক'লে।

ঃ মানে মই ভালদৰে বুজি পোৱা নাই। কি বস্তুৰ কথা কৈছা? - অম্লানে প্ৰশ্নবোধক দৃষ্টিৰে মিলিৰ মুখলৈ চাই ৰ'ল।

ঃ সেই চামনেৰ বস্তিৰ কথা কৈছো। সেই ঠাইত বহু মানুহ যায়। নিশাটো থাকি আহে।

ঃ কথা কিয় পকাই আছ', পোনে পোনে ক'চোন কি আছে তাত?

ঃ তেনেহ'লে আপুনি সত্যকৈয়ে সেই কথা শুনা নাই। একটা মস্ত বিল্ডিং আছেৰে বাবু। বহুত কামৰা। পঞ্চাচ-ষাঠি টা মান চুকৰি। কোনটো লাগিব আপোনাক। একশ-ডেৰশ টাকাত এক ৰাতি ফ্ৰী। এক নে দুই জন চৰদাৰ আচে। দৰদাম সেই সবে কৰে। আপুনি যদি মন কৰে....।

কথাৰ আৰু আগ নাবাঢ়ি মিলি

ঘপককৈ বৈ গ'ল।

মুহূৰ্ত চেবেকৰ বাবে অম্লান চিৎকাৰ কৰি উঠিল। কিছু সময়ৰ বাবে তন্ময় হৈ পৰিল তেওঁ। হঠাৎ আতঙ্কিত হৈ পৰিল। মনত নানা ভাৱনাই দোলা দিব ধৰিলে। সেই অজান ভাৱনাৰ সামান্য প্ৰচ্ছায়া এটাও কিন্তু মিলিয়ে অম্লানৰ মুখত ফুটি উঠা নেদেখিলে। কি কয় সি! পঞ্চাচ ষাঠিটা বেশ্যাৰ বেশ্যালয়। নাৰীৰ অস্তিত্বৰ এশ ডেৰশ টকা দাম। পতিতালয়ৰ চৰ্দাৰ। কয় কি সি! তাক তেওঁ অবাইচ মাতেৰে গালি পাৰি খেদি পঠিয়াব মন গৈছিল। মূৰৰ লাও খোলাটোৰ ভিতৰত ওলোটাই পালোটাই ঘূৰি থকা মগজুৰ কিছু স্থিৰিতা আনিবলৈ চেষ্টা কৰিলে। পুনৰ চিগাৰেট এডাল জ্বলালে। তাৰ পিছত কিছু বজ্ৰ গম্ভীৰ কণ্ঠৰে মিলিক সুধিলে-

ঃ এই বোৰ যে পতিতালয় পাতিছে, মুক্তভাৱে নাৰীৰ নাৰীত্ব সতীত্ব ধ্বংস কৰি পেলাইছে। ইয়াৰ পুলিছ মিলিটাৰিয়ে একো ব্যৱস্থা নলয় নেকি?

ঃ কিনো ব্যৱস্থা লব বাবু! সেই চৰদাৰটা বেছ হাত লম্বা মানুহ। পুলিচে কিছু ক্ষতি কৰিব পাৰেনা। আৰু একটা কথা কি জানে, বহু কেইটা পুলিচ মিলিটাৰিয়েই সেই ঠাইলৈ যায়। আনকি ছোট বৰ দুই একটা মন্ত্ৰীও যায়। ৰাতিটো কটায়। মই সেই সব খবৰ ৰাখো। তাৰ চামনেৰ পাণ দোকানটা আমাৰ দোস্তেৰ দোকান। সিয়ে মোক খবৰ দি থাকে। এক দিনাখন না বাবু, একটা চাকৰিয়াল মানুহ এই বিজনিজটা বন্ধ কৰিবলৈ থানাত গোচৰ তৰিছিল। সেই থানাৰ ডাঙৰ চাবে তেতিয়া মানুহটোক কি কৈছিল জানে? কৈছিল- 'এইটো বিজনিজ বন্ধ কৰি দিলে এই গণিকা বোৰক ক'ত সংস্থাপন দিব। সিহঁতৰ ভাত কাপোৰ কোনে দিব। ইফালে সমাজৰ লাঞ্চনাৰ ভয়ত সিহঁতবোৰে তাৰপৰা ওলাই আহিব নোখোজে। চৰকাৰে একো ব্যৱস্থা নললে আমিনো কৰিম কি?' মানুহজনে আনকি এই ঠাইৰ সাংসদৰ চামনেও কথাটা কৈছিল। সাংসদজনে কৈছিল- বিষয়টো তেওঁ এইবাৰ সংসদত উত্থাপন কৰিব। কিন্তু আজিলৈ খবৰ খাতি নাই।

ঃ এই ব্যৱসায় চলা আজি কিমান দিন হ'ল?

ঃ হ'ল দহ-বাৰ বছৰ মান।

ঃ এই ছোৱালীবোৰ বাৰু কৰ পৰা অহা?

ঃ অহা নহয় বাবু, অনা হয়। ইয়াৰ বাবে এক্লটা মানুহ আছে। একতৰহৰ মানুহে ছোৱালী অপহৰণ কৰে, নহলে চাধি কৰি আনি এক সপ্তাহ মানৰ পাছত এই ঠাইত বিক্ৰী কৰি দিয়ে। একদম দানৱ তৰহৰ মানুহ। খালি টাকা চিনি পায়। এটাৰ বিনিময়ত দহ পোন্ধৰ হাজাৰ টকা লৈ যায়। একবাৰ এই ঠাইত ঘুচিলে দ্বিতীয়বাৰ ওলাব নোৱাৰে। সেইটা একটা পিঞ্জৰা। যমপুৰী যেন ঠাই। ইফালে সিহঁতে যদি কামত গাফিলতি কৰে তেতিয়া খাব নাপায়।

অম্লানে আধাপোৰা চিগাৰেটডাল টেবুলৰ ওপৰত পৰি থকা এছট্ৰেত হেচি দি বাওঁহাতখনেৰে তাৰ ওপৰত এক প্ৰচণ্ড আঘাত কৰিলে। চিনামাটিৰ এছট্ৰেটো তিনি টুকুৰ হৈ পৰিল। দাত মুখ কৰচি উঠিল তেওঁ। কথাবাৰে অম্লানক ম্ৰিয়মান কৰি তুলিলে। মিলিয়ে হঠাৎ অম্লান বাবুৰ কি হ'ল অনুমান কৰিব নোৱাৰিলে। সম্বিৎ বিহীন মানুহৰ দৰে কিছুসময় সি নিথৰ হৈ ৰ'ল। সি মুখেৰে টু-শব্দ এটাও কৰিবলৈ সাহস নকৰিলে।

হঠাৎ গুলিৰ শব্দ শুনা বাঘটোহে যেন। অম্লানে মজিয়াত জোতাৰ গুৰুপ গুৰুপ শব্দ কৰি দুৱাৰৰ পিনে আগবাঢ়িল। দুৱাৰখন ঘৰং কৈ শব্দ কৰি খুলি তেওঁ ওলাই গ'ল। কিম্বা অদ্ভুত উগ্ৰমূৰ্তি দেখি মিলিয়ে কিবা এটা কৰ খুজিও জিভাত কামোৰ মাৰি ধৰিলে। অস্ত বেলিয়ে পোহৰ বিলাবলৈ বিফল হোৱা কেঁচা বাট এটাৰে অম্লান দপদপাই আগবাঢ়িল। কিনকিনিয়া বৰষুণ। ফেঁৰফেৰীয়া বতাহ। কপাহী কফি কালাৰৰ চোলাটো তিতি কজলা হ'ল। যিমানেই খোজ আগবঢ়াইছে সিমানেই অধিক সজল হৈ পৰিছে ভনীয়েক নিৰ্জুৰ আজলী মুখ মণ্ডলৰ এখন নিখুত ছবি। দুখতো হাঁহিব পৰা ছোৱালীজনী দাদাক মাকৰ সৈতে এটা সামান্য বগৰীকো ভগাই খোৱা সেই স্নেহ-অভিন্ন জন্মলগ্ন বান্ধোন- এদিন তাই ঘৰত নাথকিলেই উদং উদং লগা ঘৰখন- আজি পাঁচ বছৰে তাইৰ এষাৰো মাত নুশুনা অন্তৰখন। কৰবাত যদি তায়ো কোনোবা আন্ধাৰ কোঠাত আবদ্ধ হৈ আছে। ওলাই আহিবলৈ বাট নাপাই যদি তাই কান্দি কান্দি দিন কটাইছে, তাই যদি ইয়াৰ সেই বিল্ডিংটোতে আছে- তাইক যদি বেশ্যা সজোৱা হৈছে...। তেওঁৰ দাঁতৰ এক কৰকৰণিৰ শব্দৰ সৃষ্টি হ'ল। নিস্পলক চকুহাল টকটককৈ ৰঙা হৈ পৰিল। বৰষুণ জাকৰ নিষ্ঠুৰ আক্ৰমন অনুভৱ কৰিবলৈ তেওঁৰ স্নায়ু বিফল হৈ পৰিছিল।

নিৰন্ধ্ৰ অন্ধকাৰে সমগ্ৰ জগত আচ্ছন্ন কৰি তুলিছে। আপদীয়া বৰষুণ জাকে ঠাইডোখৰ তিতাঁই পেলাইছে। অম্লানে বিল্ডিংটোৰ ওচৰ চাপিয়েই দেখিলে সন্মুখৰ তৰ্জাবেৰ দিয়া সৰু ৰূম এটা। দুজন হৃষ্টপুষ্ট মানুহ তাত বহি তাচ খেলি আছে। সদম্ভে সোমাই গ'ল তেওঁ। ওচৰ চাপিয়েই দুয়োকে গুলিয়াই থকা সৰকা কৰি দিবৰ মন গ'ল। কিন্তু মনৰ অস্থিৰতা তেওঁ মুহূৰ্তৰ বাবে হেচি ৰাখিলে। ঘপককৈ মিলিয়ে কোৱা কথা এষাৰলৈ মনত পৰিল- 'ইয়াৰ পুলিচ মিলিটাৰী চব ইহঁতৰ হাতৰ মুঠিত।'

ঃ তাৰ ফটোত চাই ল', কোনটো লাগে?

- বেৰত ওলোমাই থোৱা এসোপা ফটোলৈ আঙুলিয়াই এজনে ক'লে।

অম্লানৰ ধমনীত যেন বিদ্যুৎৰ সোঁত প্ৰৱাহিত হ'ল। কিছুপৰ তেওঁ স্থানুৰ দৰে ৰৈ থাকিল। ইমানবোৰ সহ্য কৰি অস্থিৰ মানুহটো এই দুই দানৱৰ আগত কেনেদৰে থিয় দি আছে তাকে ভাবি তেওঁ নিজে আচৰিত হ'ল। অত'বোৰ নাৰী এটা পিঞ্জৰাত আবদ্ধ হৈ থকা দেখি তেওঁ নিৰ্বাক হৈ পৰিল। বেৰত আৰি থোৱা ফটোবোৰ তেওঁ পিট্‌পিটাই চালে। কৰবাত নিৰ্জুৰ ফটোখন আছে নেকি? তাত তাইৰ ফটো নোলাল। কিন্তু ইয়াত নহ'লেও মৰমৰ ভনীজনী কৰবাত এনেকুৱা পিঞ্জৰাত যে আবদ্ধ হৈ থাকিব নোৱাৰে তাৰ কি নিশ্চয়তা? মূৰটোৰে তেওঁৰ আচন্দ্ৰাই কৰিলে। এবাৰ ভাবিলে বেৰত আৰি থোৱা এই ফটোবোৰৰ তেজ মঙহৰ ৰূপটোতো এই বিল্ডিংটোতে আবদ্ধ হৈ আছে; সিহঁত বোৰকো ইহঁত দানৱবোৰে কাৰোবাৰ মাকৰ বুকুৰ পৰা কাৰোবাৰ ককায়েকৰ হাতৰ পৰা কাঢ়ি আনিছে। আপোনজনৰ বাবে সিহঁতেও হয়তো প্ৰাণটাকি চিঞৰি আছে।


ইহঁতক মই শূলত দি মাৰি পেলাম।

- অম্লানৰ মুখত কথাষাৰ অৰ্দ্ধপ্ৰস্ফুটিত হ'ল। নিজকে তেওঁ অসহায় অনুভৱ কৰিলে।

আত্মাটোৱে সহায় সহায় বুলি বতাহত পিয়াপি দি ফুৰিলে। দুৰ্জেয় সাহস থুপৰাবলৈ চেষ্টা কৰিলে। ববৰব মানুহৰ দুৱাৰে দুৱাৰে এবাৰ ভুকিয়াই চালেগৈ। কিন্তু সকলো নীৰৱ। নিশা এতিয়া সকলোৰ টোপনি মাৰিছে। নিশাচৰ বাদুলীয়ে কাৰোবাৰ বাৰীত কল খাইছে। সিহঁতে টোপনি যোৱাৰ ভাওঁ জুৰিছে। সিহঁতো সাৰ পাব, যেতিয়া নিশাচৰ বাদুলীয়ে আহি নিজৰ বাৰীতেই কল খাব। □□□

# প্ৰকৃত মাতৃস্নেহ


লীনা শইকীয়া
জ্যেষ্ঠ প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

বহাগ বিহুৰ সময়। সমুখৰ নাৰিকল জোপাত ফুলা, চালে চকুৰোৱা কপৌফুল দুডালে আৰু ওচৰৰে মানুহঘৰত ফুলা তগৰ ফুলৰ সুবাসে ৰীমাক অৱশ্যে এই খবৰ প্ৰথমে দিছে। বিহু বুলিলে যি হেঁপাহ, আনন্দ সেয়া ৰীমাৰ এইবাৰ নাই। চাৰিমাহ আগেয়ে দেউতাক ঢুকাইছে! এতিয়া আকৌ ভায়েক কুনাল এটা মটৰ দুৰ্ঘটনাৰ পিছত জি.এন.আৰ.চি.ত ভৰ্ত্তি হৈছে। অৱশ্যে চিন্তাৰ একো কাৰণ নাই বুলি ডাক্তৰে কৈছে। ৰাতি ৰখা মানুহ আছে যদিও ৰীমা সদায় ৰাতিপুৱা কিবা অলপ বনাই হাস্পতাললৈ লৈ যায় আৰু আবেলি ঘৰলৈ উভতি আহে কিয়নো মাকৰো গাটো ভাল নহয়।

ইয়াৰ মাজতে এদিন মিলিজুলি মইনা পাৰিজাতৰ ৰঙালী বিহু উদ্‌যাপনৰ আগভাগ লোৱা মুনহঁত আহি ৰীমাক দেউতাকৰ নামত এখন শ্বিল্ড দিয়াৰ কথা ক'লে। ৰীমাহঁতৰ ঘৰৰ কাষতে 'মিলিজুলি মইনা পাৰিজাত'। প্ৰতিবছৰে অইন নহ'লেও তাত সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। মইনা পাৰিজাত বুলি ক'লেই ৰীমাই এক নষ্টালজিয়াত ভোগে। কৈশোৰৰ সেই দিনবোৰলৈ মনটো উৰা মাৰি যায়। সেই যে চৰকাৰী হাস্পতালৰ কাষৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ পাৰ্কত প্ৰতি দেওবাৰে মইনা পাৰিজাতলৈ বুলি বগা ফ্ৰকটো পিন্ধি ঢাপলি মেলিছিল; বুলবুল ছাৰ, ভাগৱতী ছাৰ আৰু মাজে মজে বিজয়া চক্ৰৱৰ্ত্তী বাইদেউ আহি যে তাহাতক নানা ধৰণৰ কথাবোৰ শিকাইছিল — আবৃত্তি কৰা, আকস্মিক বক্তৃতা দিয়া, জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ গীত আদি। তাৰ মাজতে সিহঁতে যে নিজা খেলবোৰ খেলিছিল, সেই যে — "এইটো কাৰ দ'ল, ৰজাৰ দ'ল, ভাঙিম নে নাভাঙিম, নাভাঙিবা।" "ইমান ইমান পানী, ৰজাৰাণী/ইমান ইমান বোকা, চাহাব

দাদা ....”

“বাইদেউ শ্বিল্ডখন আপুনিয়ে কিনিবনে? আপোনাৰ যদি অসুবিধা পইচাখিনি দিলে আমিয়ে কিনি আনিব পাৰিম।” ল’ৰা কেইজনৰ মাজৰ পৰা মুনে কোৱা কথাষাৰত ৰীমাই সাৰ পোৱা যেন পালে। ল’ৰা কেইজনকে দামটো দি শ্বিল্ডখন কিনি অনাৰ দায়িত্বটো দিলে। তেওঁলোকে ৰীমাক পুৰস্কাৰ বিতৰণৰ সময়ত যেনেতেনে যাবলৈ অনুৰোধ কৰিলে। ৰীমায়ো ভাৱিলে — এবা, পুৰস্কাৰ লাভ কৰা মইনাজনীক নিজ হাতে শ্বিল্ডখন তুলি দিব পাৰিলে বেছি ভাল লাগিব। পুৰস্কাৰ ল’বলৈ ষ্টেজত উঠি যোৱা এজনী সৰু ছোৱালী বা সৰু ল’ৰাৰ মনত কেনে উৎসাহ, উদ্যম আৰু প্ৰেৰণাৰ ঢৌৱে খেলা কৰে তাক ৰীমাই পূৰামাত্ৰাই অনুভৱ কৰিব পাৰে। এনে বহু স্মৃতিয়ে ৰীমাক দুখ আৰু হতাশাৰ সময়ত মনটো পুনৰ আশা আৰু উৎসাহেৰে ভৰাই তোলে!

বটা-বিতৰণীৰ দিনা ৰাতিপুৱাই ৰীমাই বজাৰলৈ গৈ মাগুৰ মাছ অলপ আনি নৰসিংহৰ জোলেৰে ভাত কেইটা বনাই কুনালৰ বাবে লৈ গ’ল। সি ভাত খোৱাৰ পিছত ৰীমাই কথাটো উলিয়ালে। কুনালেও ৰীমাক সোনকালে যাব দিলে। এনেয়ো তাৰ বন্ধু-বান্ধৱেৰে কোঠাটো ভৰি আছে বাবে ৰীমা নিশ্চিন্ত হৈ ঘৰলৈ উভতিল। ঘৰ পাই ৰীমাই বেগটো থৈয়েই মইনা পাৰিজাতলৈ ওলাল — কাৰণ বটা-বিতৰণী সভা আৰম্ভ হৈছে। ৰীমাৰ লগত আকৌ নিকিও ওলাল — ৰীমাৰ ভনীয়েকৰ তিনি বছৰীয়া ছোৱালীজনী। সভাত ৰীমা সমুখৰ চকী কেইখনত বহিব নুখুজি পিছফালেই থিয় হৈ থাকিল, কিয়নো আগত বহিলে সভাখন শেষ নোহোৱাকৈ উঠি অহাটো বেয়া দেখিব। তাইৰ আজি অলপ বেছিকৈয়ে ভাগৰ লাগিছে। এনেতে নিকিয়ে ৰীমাক খুচিব ধৰিলে — “জেঠি, মোক এটা চকলেট দিয়া, জেঠি, মোক এটা চকলেট দিয়া।” প্ৰথমে ৰীমাই বুজি পোৱা নাছিল। নিকিৰ খেচখেচনিৰ মাত্ৰা বাঢ়ি যোৱাত পিছলৈ ঘূৰি চাই দেখে কিছু আঁতৰত এগৰাকী তিৰোতাই এখন সৰু টেবুলত তামোল-পাণ, চকলেট আদিৰে এখন অস্থায়ী দোকান দিছে। টুলখনত বহি থকা কণমাণিজনীয়ে গৌৰৱেৰে এটা বাবুলগাম ফুলাই আছে — হয়তো মানুহগৰাকীৰ ছোৱালী।

ৰীমা কিছু অপ্ৰস্তুত হ’ল। তাইতো সুদা হাতেৰে গুছি আহিছে কেৱল শ্বিল্ডখন দিয়া দায়িত্বটোৰ বাবেহে। সেই কথা নিকিক বুজালে তাই জানো বুজিব! এনেতে ৰীমাই মাইকত দেউতাকৰ সোঁৱৰণত দিব ওলোৱা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীৰ নাম আৰু পুৰস্কাৰটি প্ৰদান কৰিবলৈ ৰীমাক অনুৰোধ কৰাৰ ঘোষণাটো শুনা পালে। লগে লগে ৰীমা আগবাঢ়ি গৈ প্ৰতিযোগী মইনাজনীক শ্বিল্ডখন দি মৰমেৰে গালত হাত বুলাই সভাৰ পৰা ওলাই ৰাস্তালৈ ঢাপলি মেলিলে।

কিন্তু পিছফালৰ পৰা “বাইদেউ, বাইদেউ” বুলি কোনোবাই চিঞৰি মতা শুনি ৰীমাই ঘূৰি চাই দেখে যে সেই দোকান দিয়া মানুহগৰাকী তাহাঁতৰ ফালে প্ৰায় দৌৰি আহিছে। ৰীমাহঁত বৈ দিয়াত তিৰোতাজনীয়ে নিকিক চকলেট দুটা দিলে। “কিন্তু মই যে পইচা অনা নাই, অৱশ্যে ওচৰতে ঘৰ”— ৰীমাৰ মুখৰ পৰা কথাষাৰ ওলাবহে পালে মানুহগৰাকীয়ে তৎক্ষণাৎ কলে — “নাই, নাই; মই তেতিয়াৰ পৰাই মাইনাজনীয়ে আপোনাক মোৰ দোকানৰ ফালে দেখুৱাই চকলেটৰ বাবে আমনি কৰি থকা দেখিছোঁ। ময়ো এজনী মাকহে, বুজি পাওঁ। চকলেট দুটাৰ বাবে ঘৰৰ পৰা পইচা আনি দিলে মই কিন্তু খুব দুখ পাম।” নিকিয়ে ইতিমধ্যে মুখত চকলেট ভৰাইছে।

শিল পৰা কপৌৰ দৰে অৱস্থা হ’ল ৰীমাৰ! এজনী অশিক্ষিতা, সাধাৰণ অথচ অসাধাৰণ মাতৃ সুলভ আচৰণৰ সমুখত ৰীমাৰ দৰে শিক্ষিতা, স্বাৱলম্বী নাৰীৰ যেন হতভম্ব হোৱাৰহে এক মুহূৰ্ত্ত! ৰীমাৰ মনত পৰিল অলপতে পিকনিকত যাওঁতে যে নিজৰ ছোৱালীৰ লগত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ছোৱালীজনীক বহিব দিয়া নাছিল। লগৰে প্ৰৱক্তা সুনন্দাই যে ঘৰত কাম কৰা সৰু ছোৱালীজনীক সাধাৰণ কথাতে মাৰোতে ৰীমাই একো হাক দিয়া নাছিল অথচ ৰীমাহঁতেইতো শিশু নিৰ্যাতনৰ ওপৰত কত ভাষণ লেকচাৰ মাৰে। দুপইচা লাভৰ বাবে তিনিদিনৰ বাবে এনে দোকান দিব লগা হোৱা মাকগৰাকীৰ ওচৰত ৰীমাহঁতৰ দৰে মোটা দৰমহা পোৱা মাকবোৰ সঁচা মাক হোৱাৰ দাবীদাৰৰ ক্ষেত্ৰত তেনেই দুখীয়া নহয়নে? এক অদ্ভুত লজ্জাবোধে ৰীমাৰ কাণ-মূৰ গৰম কৰি পেলালে।

“বহুত ধন্যবাদ” — বুলি কোনোমতে কৈ ৰীমা লৰালৰিকৈ ঘৰলৈ খোজ দিলে। ইতিমধ্যে বেলি লহিয়াইছে। দিনটো পোহৰ দি ভাগৰুৱা বেলিটোৱে যোৱাৰ আগে আগে যেন শেষ পোহৰখিনিও পৃথিৱীক ঢালি-বাকি উজাৰি দিব ওলাইছে। কেইজনীমান কণমাণি ছোৱালী ফুটুকা-ফুটুকী ফ্ৰক পিন্ধি মইনা পাৰিজাতলৈ আহি আছে। হয়তো বটা-বিতৰণী অনুষ্ঠানৰ পিছৰ সাংস্কৃতিক অনুষ্ঠানৰ বাবে। ৰীমাই দেখিলে আবেলিৰ ৰঙচুৱা পোহৰ পৰি সিহঁতৰ মুখবোৰ আৰু বেছি উজলি উঠিছে!!

□□□

# অশ্রু নদী নিৰবধি

জগত শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

(এক)

তুমিটো জানাই
এই কবিৰ আৰু একো নাই
এটাই মাথোঁ কামিজ
তাৰো ছিগোঁ ছিগোঁ চিলাই
প্ৰেম নিশ্চয় এনেকুৱাই
আবৰণ খুলি হৃদয় জুৰায়।
- হীৰু দা

ছোৱালী জনীলৈ চালো। চকুৱে চকুৱে পৰাত তললৈ মূৰটো নমালে তাই। কি আছিল বাৰু সেই চাৱনিত! আস্ কি যে বাংময় হৈ গৈছিল তাইৰ দুচকু। লাজতে তলৰ ওঠটো কামুৰি বৈ গলো মৱো। কি বা ভাবিছে তাই। মোক বাৰু চঞ্চল ল'ৰা বুলি ভাবিছে নেকি তাই!! মোৰ দৰেই উগুল থুগুল লাগিছেনে তাইৰ মনত!!!

কবি সাহিত্যিকৰ মন বলীয়া কৰিব পৰাকৈ ধুনীয়া নহলেও ছোৱালীজনীক অজানিতে ভাল লাগি গ'ল মোৰ। ক'লা শকত এটা 'DISEL' নামৰ বেগ কান্ধত ওলোমাই অনা ছোৱালী জনীৰ বিশেষত্ব বুলিবলৈ তাইৰ মৰম লগা ডিঙিটো। মঙহাল ডিঙিটো দেখিয়েই মই তাইৰ এটা মস্ত দিৱানা বনি গ'লো। বন্ধু মহলৰ মাজত তাই বনি গ'ল 'ডিজেলৱালী'।

ঃ হেল্লো।

ঃ হেল্লো, শুনা নাই নেকি?

ঃ শুনিলোৱে যেনিবা কাণ দিবলৈ গৰজ পৰা নাই নহয়।

ঃ মানুহে মাতিলে মাত দিয়াতো সৌজন্য।

ঃ সেই সৌজন্যৰ মানসিকতা 'ৰেগিঙ'ৰ সময়তে ভাবিব লাগিছিল।

ঃ তুমি কি মিন্ কৰিব বিচাৰিছা?

ঃ তেতিয়া মোক হাৰাশাস্তি কৰা ৰেগিং মাষ্টৰজন যে আচলতে এটা ইমান সৌজন্যপ্ৰিয় ল'ৰা মোৰ চিনাত অলপ পলম হ'ল! ছ'ৰি।

ঃ তুমি মোক ইতিকিং কৰিছা নেকি?

ঃ নহয়, পেংলাই কৰিছো। এই শ্ৰেণীৰ ল'ৰাক পেংলাই কৰাৰ বাহিৰে শ্ৰদ্ধা কৰিব পৰাকৈ মোৰ মানসিকতাও নাই।

ঃ ষ্টপ ইট্!

ঃ হেই মিষ্টাৰ অযথা চিঞৰি ডিঙিটো ফুলাব নালাগে।

ঃ মিষ্টাৰ নহয়। আই এম ৰূপজ্যোতি শৰ্মা।

ঃ অহ ছৰি, মই আকৌ নামটো কুৰূপজ্যোতি বুলিহে ভাবিছিলোঁ। যিকি নহওক মোক ডিষ্টাৰ্ব নকৰিলেই মই ভাল পাম। মই এনেবোৰ অভাৰ স্মাৰ্ট ল'ৰাৰ লগত কোনো ধৰণৰ সম্পৰ্ক ৰাখিব নিবিচাৰো। মোৰ নামটোও আপুনি জানি থওঁক কেতিয়াবা নামটো শুনিলেই হয়তো মনটো কোচ খাব। ৰূপা মোৰ নাম ৰূপা দেৱী। এতিয়া আহোদেই... বাই..।

ছোৱালীজনী গুছি গ'ল দপ দপাই। মই থৰ পৰি ৰলো ঠাইতে। তাই বাৰু মোকো আন বহু ল'ৰাৰ থকা বেয়া গুণ বোৰৰ অধিকাৰী বুলি ভাবিলে নেকি? ছেঃ আচলতে আমিবোৰে ধেমালি কৰিবলৈহে ছোৱালীজীক মাতি নিছিলো। আমিতো কোনো ধৰণৰ অশালীন অথবা অশোভনীয় কাৰ্য্য কৰা নাই। তথাপি...

চকু দুটা সেমেকি উঠিল মোৰ। নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। ভৰি দুখন যেন পংগু হৈ গ'ল। মই লৰচৰ কৰিব নোৱাৰি থিয় হৈ ৰলো।

ঃ হেই ৰূপ কি কৰি আছ। আহ আহ্ কাম এটা আছে। কাৰোবাৰ চিঞৰত টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে চমকি উঠিলো। ঘূৰি চাই দেখো যে জয়ন্ত। টি-চাৰ্ট, নীলা জিনচ্ পেণ্ট, চকুত গগলচ লগোৱা ক্ষীণকায় ল'ৰাটোৱে মোক হাতবাউলি মাতিছে। মই লাহে লাহে জয়ন্তৰ ওচৰ পালো।

ঃ হেই ৰূপ, বিৰাট কাহিনী।

ঃ কাহিনী! কি কাহিনী!

ঃ তয়ো এটা বেল। দুনীয়াৰ একো খবৰ নাৰাখ। প্ৰেম, বুজিছ, আমাৰ জ্যোতি যে। সি ডিম্পিৰ বাবে পাগল। আজি সকলো ফাচ হৈ গ'ল। আফটাৰ অল পাৰ্টি এটা হ'ব লাগে। মই সকলোকে গোটি খুৱাই থৈ আহিছো, তই মাথো জ্যোতিক কাবু কৰ। আমি তাক নোৱৰো যিহে একাচেকা সি। ব'ল, ব'ল। মোক একপ্ৰকাৰ জোৰকৈ লৈ গ'ল সি।

জ্যোতিও যে প্ৰেমত পৰিব পাৰে! তাৰ হৃদয়তো যে প্ৰেম থাকিব পাৰে আমি কোনেও ভাবি পৰা নাছিলো। যি নহওঁক বহুদিনৰ মূৰত এটা ভাল খবৰ। দুয়ো লগ হৈ জ্যোতিক বিচৰাত লাগিলো।

ঃ হেই ৰূপ, জ্যোতি আহিছে

সৌটো। পেটৰ ফালে চালো তাৰ স্বভাব সিদ্ধ ওপৰলৈ মূৰ কৰি চকু দুটা ডাঙৰ ডাঙৰকৈ মেলি আহি আছে। যেন কোনোবা অদি মানৱ। প্ৰয়োজনতকৈ ডাঙৰ গগলচ জোৰে গিলি ধৰিছে তাক।

ঃ হেই জ্যেতি, আহ আহ তোকে বৈ আছো আমি। আজি এটা বিৰাট খবৰ আছে। ব'ল ব'ল কেণ্টিনত সকলো বৈ আছে। পাৰ্টি হব বুজিছ, বিৰাট পাৰ্টি।

পাৰ্টিৰ কথা শুনি জ্যোতিৰ হয়তো জিভাৰ আগোৰে পানী পৰিব ধৰিলে। আনৰ পাৰ্টি খোৱাটো বেচ চখ তাৰ। আমাক দুয়োজনকে পিছ পেলাই সিয়ে আগবাঢ়িল। সেই একে খোজ, অতি মানৱীয়।

তিনিওটাকে দেখি কেণ্টিনত আগৰ পৰা বৈ থকা মৌচুমী, ইজাজুল, ৰিংকু, তৃষ্ণা, লতিকা, দীপিকা, সাগৰিকা, ববিতা, লিপিকা আৰু বেছমা আটাইয়ে চিঞৰ বাখৰ হৈ হাল্লা লগাই দিলে। আমি তিনিও তিনিখন আসন কৰি ললো।

ঃ হেই পাৰ্টি কাৰ, কিয় নজনাকৈ আমি এনেদৰে বোন্দাপৰ দি বহি থাকিম নেকি? মৌচুমী একপ্ৰকাৰ অধৈৰ্য্য হৈ খেংখেঙাই উঠিল। মৌচুমীৰ কথালৈ গুৰুত্ব নিদিয়াকৈ জয়ন্তই আৰম্ভ কৰিলে সকলোৰে বাবে উৎসুক ঘটনাটি।

ঃ আমাৰ ফ্ৰেইণ্ড চাৰ্কোলৰ এটা নীতি নিৰ্ধাৰণ কৰা আছে যে কাৰোবাৰ জীৱনলৈ প্ৰেম অহা মানেই পাৰ্টী। ইতিমধ্যে আমাৰ কেইজন মানে এই নীতিৰ নিয়মমতে পকেটৰ এশ টকীয়াৰ শৰাধ কৰিছে। যদি কোনো সদস্যই এই নিয়ম ভাঙিবলৈ চেষ্টা কৰে তাৰ গতি হয় আমাৰ ফ্ৰেইণ্ড চাৰ্কোলৰ পৰা স্বইচ্ছাৰে পদত্যাগ নহলে এশ টকীয়া খনৰ লগত এখন পঞ্চাছ টকীয়া ফাইন। ইতিমধ্যে মই বহুত অনুসন্ধানৰ মূৰত এজন সদস্যই আমাৰ নিয়ম ভাঙিবলৈ চেষ্টা কৰাটো ধৰা পেলাইছো, গতিকে তাৰ দশা কি হ'ব?

এশটকীয়াৰ লগত পঞ্চাছটকীয়া ফ্ৰি ফিজ্। আটায়ে সমস্বৰে চিঞৰি উঠিল।

ঃ জ্যোতি তয়ে ক কথাটো, তই আৰম্ভ কৰিবি নে মই কৰিম। - জয়ন্তই জ্যোতিক ক'লে।

ঃ কি কথা? জ্যোতিৰ উৎসুক দৃষ্টি।

ঃ কি কথা মানে, তই হবলা গমেই নেপাব যে আমাৰ ফ্ৰেইণ্ড চাৰ্কোলৰ সদস্য জ্যোতিৰ্ময় কলিতা ডিম্পি নামৰ ছোৱালী জনীৰ বাবে আচিক্ আৱাৰা।

ঃ কি? কোনে ক'লে তহঁতক! জ্যেতি একপ্ৰকাৰ জপিয়াই উঠিল।

ঃ লাভ নাই বোপা। মিছা মাতি সাৰি যাম বুলি ভাবিছ যদি ভুল কৰিছ। মোৰ নাম জয়ন্ত বুজিছ, জয়ন্ত। আটায়ে জ্যোতিক বেৰি ধৰিলে। সি বুজি পালে এতিয়া সৰাৰ উপায় নাই। সি ইজাজুললৈ দুখ মনে চাই থাকিল। তাৰ দৃষ্টিত 'বোপাই অ' আজিতো তয়ে মোক ফচালি'। ইজাজুলে মুখচেপি হাঁহি থাকিল মিচিক মিচিককৈ। হঠাতে জয়ন্তই কৈ উঠিল প্ৰিয় সতীৰ্থবৃন্দ, আমাৰ জ্যোতিৰ পৰা পাৰ্টি হ'ল যেতিয়া আটাইৰে এতিয়া এটাই টাৰ্গেট, 'অপাৰেচন ডিম্পি'। আটাইবোৰে হাত ওপৰলৈ উঠাই চিঞৰি উঠিল 'অপাৰেচন ডিম্পি'।

(দুই)

বুকুত আজুৰি আজুৰি
বিচাৰি চাওঁ বুকু
তেজত লুতুৰি পুতুৰি হিয়া
নিঃসাৰ দি পৰি থাকে
দিনৰ পিছত ৰাতি
ৰাতিৰ পিছত ৰাতি।।

- (মায়া কোঁচ)

ঃ ৰূপ?

ঃ হা, কিবা কৰা ৰূপা?

ঃ তুমি কি ফুল ভাল পোৱা?

ঃ ফুলৰ কথা সুধিছা?

ঃ ও।

ঃ পাওঁতে বহু ফুলেই ভাল পাওঁ, তথাপি প্ৰিয় বুলি কলে কব লাগিব 'বগৰী ফুল'।

ঃ ইচ্ যোৱা সকলো সময়তে ধেমালি।

ঃ ধেমালি নহয় মই সঁচাকৈয়ে কৈছো।

ঃ বগৰী ফুলৰ কিবা সৌন্দৰ্য্য আছে নেকি?

ঃ সৌন্দৰ্য্য নাথকিলে হাজাৰ হাজাৰ মৌ মাখিয়ে তাৰ ওপৰত কিৰিলি পাৰে কিয়?

ঃ তাৰ মৌ পান কৰিবলৈ।

ঃ এৰা সকলোৰে একে বস্তু প্ৰিয় হ'ব নোৱাৰে। গোলাপ ফুল ধুনীয়া কিন্তু মৌ মাখিয়ে গোলাপলৈ ঘূৰিকে নাচায়। বগৰী ফুলৰ ৰূপ নাই কিন্তু তাৰ গুণে হাজাৰ হাজাৰ মৌ-মাখিক বলিয়া কৰি তোলে।

ঃ ৰূপ?

ঃ হো।

ঃ আমাৰ কলেজত ইমান ধুনীয়া ছোৱালী থকাৰ পিছতো তুমি মোক প্ৰপ'জ কৰাত মই আচৰিত হৈছো। মোৰ ৰূপ কিম্বা গুণ একো নাই।

ঃ তেনেকৈ নকবা ৰূপা। আনৰ দৃষ্টিত তুমি যিয়েই নোহোৱা মোৰ দৃষ্টিত তুমি অনন্যা। বগৰী ফুলৰ ৰূপ নাথাকিলেও যিদৰে মৌ মাখি বলিয়া ঠিক সেইদৰেই ভাবিব পাৰা মোৰ ভাল পোৱাক। ডাণ্টেৰ দৃষ্টিত বিয়েট্ৰিছ যিমান ধুনীয়া মোৰ দৃষ্টিত তুমিও তাতকৈ কোনো গুণে কম নহয়। পাৰ্থক্য কেৱল ডাণ্টেৰ প্ৰেম বিয়োগাত্মক, মোৰ প্ৰেম যোগাত্মক।

ঃ ইমানবোৰ প্ৰেমৰ সংজ্ঞা নাজানো। মোৰ ভয় হয় যদি তুমি মোৰ পৰা

আঁতৰি যোৱা ভুল বুজি।

ঃ আঁতৰি যোৱাকৈ মই ভীৰু অথবা কাপুৰুষ নহয়।

ঃ বহু সাহসী পুৰুষে পৰিস্থিতিৰ লগত মোকাবিলা কৰিব নোৱাৰি পিচ হুহকি যোৱা উদাহৰণ কিন্তু কম নহয়।

ঃ বহুতে আকৌ কণ্টক পূৰ্ণ পৰিৱেশ আঁতৰাই একোটা কক্ষপথতে গতি কৰি আহিছে।

ঃ সেয়া তেনেই তাকৰ। এপাচি শাকত এটা ভোট জলকীয়া।

ঃ অহ্ ৰূপা এইবোৰ অবান্তৰ কথা বাদ দিয়া। মই তোমাৰ বাবে এটা বস্তু আনিছো, নোচোৱা কিয় ?

ঃ কি বস্তু ৰূপ ?

ঃ কবিতা কেৱল তোমাৰ বাবে।

ঃ মই কবিতা চবিতা এইবোৰ ভাল নাপাওঁ। মোৰ বাবে এটা কবিতাতকৈ এটা কেড্‌বেৰিজ চক্‌লেটৰ মূল্য বেছি।

ঃ তুমি তাৰ মানে মোৰ কবিতাক ঠাট্টা কৰিছা ?

ঃ নাই কৰা। মই যে একো বুজি নাপাওঁ কবিতাবোৰ।

ঃ বুজি নোপোৱা নহয় আচলতে বুজিবলৈ চেষ্টা নকৰা।

ঃ কিনো আছে এই বোৰত। কবিবোৰ যেন একোজন মানসিক ৰোগী। নহলেনো শুকান নঙঠা গছডালতো নৈসৰ্গিক সৌন্দৰ্য্য বিচাৰি পায়নে ?

ঃ এয়াইতো অনুভূতি। মানুহৰ সূক্ষ্মতম অনুভৱ। যাৰে তাৰে এই অনুভৱ নাথাকে, নহলে সকলোৱে কবি হ'লহেঁতেন। সকলোৱে সাহিত্যিক হ'লহেঁতেন।

ঃ বাদ দিয়া এইবোৰ। এতিয়া কোৱাচোন, তুমি কিমান ভাল পোৱা মোক ?

ঃ এক কিলো।

ঃ ধেৎ, সকলো সময়তে ধেমালি।

ঃ কিয় আকাশত যিমান তৰা আছে, সাগৰত যিমান পানী আছে সিমান বুলি কব লাগিছিল নেকি ?

ঃ ও। তেনেকুৱাই কিবা এটা।

ঃ তুমি জানানে ৰূপ আকাশৰ তৰা, সাগৰৰ পানীৰ সতে নিজৰ প্ৰেম জুখিব বিচৰা এই সকলো বোৰ মিথ্যাচাৰী। কোন জন মহাপুৰুষে আকাশৰ তৰা গণিব পাৰিব অথবা সাগৰৰ পানী জুখিব পাৰিব। মই বাস্তৱবাদী মানুহ। আকাশৰ তৰা গণিবলৈ মোৰ চেষ্টা কৰাৰ সময় নাই। তাতেকৈ মোৰ ত্ৰুটিহীন এক কিলো নিৰ্ভেজাল প্ৰেমে ভাল।

ঃ তোমাৰ কথাবোৰ দাৰ্শনিকৰ দৰে।

ঃ দাৰ্শনিক নহয়, যুক্তিবাদী।

ঃ দৰ্শন যুক্তিৰ ওপৰত নিৰ্ভৰ নকৰে জানো।

ঃ যিয়েই নহওঁক। মই তোমাক আজি এটা ঘটনা কম। আশা কৰো তুমি চিঁৰিয়াচলি মাইও নকৰা।

ঃ কি ঘটনা ?

ঃ শুনা ৰূপ, মই তোমাক সদায় এজন ভাল বন্ধু হিচাপে ভাবি আহিছো। প্ৰেমৰ আসনত মই তোমাক বহুৱাব নোৱাৰো। ইতিমধ্যে মই এন্য এজনৰ হৈ গৈছো। তুমি পাৰিলে মোক ক্ষমা কৰিবা।

ঃ ক্ষমা মই আগতেই কৰি থৈছো। কাৰণ মই জানো যে মই হাজাৰ চেষ্টা কৰিলেও তোমাক মোৰ নিজৰ কৰি লব নোৱাৰো। প্ৰেম জোৰকৈ আদায় কৰিব নোৱাৰি। মই যে এই বহুৱালিবোৰ কৰো সেয়া কেৱল মোৰ হৃদয়খন শাঁত পেলাবলৈ। আকাশৰ দৰে ঐশ্বৰ্য্যশালী প্ৰেমিক এজন থাকোতে কোনে বাৰু মোৰ দৰে চালচিগা ভিকহু এজনক ভাল পাব। যাৰ মাথো 'এক কিলো' প্ৰেম কিনাৰ বাহিৰে সামৰ্থই নাই। 'ৰিপোজ'ৰ সন্মুখত ঘণ্টাই ঘণ্টাই প্ৰেমালাপ কৰিব পৰাকৈ মোৰতো পকেট মানি নাই। মোৰ প্ৰেমত পৰি তুমি চাৰিজনৰ দৃষ্টিত নিঃকিন হব নালাগে। মোৰ বাবে তুমি আনৰ ওচৰত হেয় হোৱাৰ প্ৰয়োজন নাই। সেইটো মই কোনো দিনে কামনা নকৰো।

ঃ তুমি ইমানবোৰ কথা জনাৰ পিছতো.....

ঃ এৰা ইমানবোৰ জনাৰ পিছতো মই তোমাক ভাল পাওঁ। তাৰবাবে হয়তো তুমি মোক পাগল বুলিও ভাবিব পাৰা।

ঃ তুমি সঁচাকৈয়ে আচৰিত ৰূপ। ইমান ডাঙৰ কথা এটা কিদৰে ইমান সহজতে হজম কৰিব পাৰা ?

ঃ প্ৰতিজন মানুহে জানে মৃত্যু অবধাৰিত। তথাপিও মানুহে ঘৰ-বাৰী, গাড়ী-মটৰৰ পিছে পিছে দৌৰাৰ ৰহস্য ক'ত ? ভাবিব পাৰা বিয়য় বাসনাত লেটি পেটি খাই থকা মই এজন মডাৰ্ণ 'আদাম ইভৰ' সতে বছৰৰ পিছত বছৰ একেলগে থকাৰ পিছতো 'প্ৰেম' কি, কিয় লাগে তাকে বুজি নাপালো। ৰূপা তুমি মোক ভুল নুবুজিবা। তোমাৰ অনিষ্ট হোৱাকৈ একো কামকে নকৰো মই। মই বিচাৰো তোমাৰ সুখ। তুমি যতে থাকা সুখেৰে থাকা, সেয়ে মোৰ কামনা।

ঃ হেই ৰূপ, তই ইয়াতে বহি আছ মই বিচাৰি চলাথ কৰিছো। হেল্লো ৰূপা ডিষ্টাৰ্ব কৰিলো নেকি ? জয়ন্ত উধাতু খাই দৌৰি আহি ক'লে।

ঃ নাই, নাই, কি ডিষ্টাৰ্ব কৰিলি ? আচলতে আমি এনেয়ে কথাৰ মহলা মাৰিছো। তই আহিলি ভালে হ'ল। ব'ল ব'ল একাপ একাপ চাহকে খাই লওঁ।

ঃ চাহ মানে অকল চাহে নহয়, তাৰ লগত ধেৰ কিবাকিবি। আজি পাৰ্টি মই দিম।

ঃ তই পাৰ্টি দিবি ? কিবা ভাল খবৰ ?

ঃ প্ৰেম হৈ গ'ল, বুজিছ আই মিন

লাভ। যোৱা চাৰি বছৰৰ ধৈৰ্য্যৰ মূৰত আজি নীহাৰিকা বৰদলৈৰ পৰা 'গ্ৰিণ কাৰ্ড' লাভ কৰিলোঁ। আজি মই বহুত সুখী। তহঁত আহি যা, মই বাকী বোৰকো খবৰ কৰো। জয়ন্ত কোবাকুবিকৈ আঁতৰি গ'ল। মই চাই ৰলো সি যোৱালৈ।

ঃ হেই ৰূপ।

ঃ হো।

ঃ তোমাৰ বেয়া লাগিছে নহয়!

ঃ বেয়া! নাইতো!!

ঃ আই এম ছৰি ৰূপ। হঠাৎ ফেকুঁৰি উঠিল ৰূপা। তাইক শান্ত্বনা দিব পৰা নাই, কাৰণ মই যে নিজেই অশান্ত হৈ গৈছো। মোৰ বুকুত কিবা এটাই উকমুকাই আছে। ভীষণ কষ্ট হৈছে মোৰ। মই জানো এই উকমুকনি আন একো নহয় এশোঁতা দুখৰ ভ্ৰূণ।

তুমি যোৱাৰ পিচতো
নিশা জোনাক ফুটে
পোহৰত দিন, দিনত পোহৰ
কলিজা হেৰোৱাৰ পিছতো
হাচনাহানাৰ বিগলিত সুবাস
ৰ'দে হাঁহে, বেলিয়ে হাঁহে...

(ৰশ্মিপতি)

□□□

# সেই চিনাকি হাতখন

কৰবী শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



বাতিপুৱা শুই উঠিয়েই ৰাখীৰ খৰ-ধৰ লাগিল। জেঠায়েকৰ ছোৱালীৰ বিয়া। আচলতে তাই বিয়াৰ এসপ্তাহমান আগতেই যাব লাগিছিল, নহ'লেও জোৰোণৰ আগদিনা যাব লাগিছিল। কিন্তু কলেজৰ ক্লাছ শেষ নোহোৱাৰ বাবে আজি বিয়াৰ দিনা যাবলৈ ওলাইছে। ইফালে জেঠায়েকৰ ঘৰলৈ যাবলৈ মাত্ৰ দুখনহে বাছ। তাকো সময়ত গৈ বাছ নাপালে মুদাই মৰিল। জেঠায়েকৰ ঘৰলৈ যাবলৈ আৰু দ্বিতীয় উপায় নাই। বাছৰ সময় ৭ (সাত) বজাত। সেয়েহে তাই বাতিপুৱা পাঁচ বজাতে উঠি খৰ-ধৰ কৰিলে। ইফালে মনত কিমান যে কল্পনা। বহুত দিনৰ মূৰত তাই তাইৰ শৈশৱৰ গাঁওখনলৈ যাব ওলাইছে।

ৰাখীহঁত আগতে জেঠায়েকৰ ঘৰৰ ওচৰতে অৰ্থাৎ মধুপুৰত আছিল। চহৰৰ পৰা ভালেখিনি ভিতৰত। বাট-পথৰ অসুবিধা, স্কুল কলেজৰ অসুবিধাৰ বাবে ৰাখীয়ে মেট্ৰিক পাছ কৰাৰ পিছতেই সিহঁত আটাইকেইটা চহৰলৈ গুচি আহিল। আটাইকেইটা মানে ৰাখী, মাক, দেউতাক আৰু একমাত্ৰ ভায়েক ৰাহুল। বৰ্তমান ৰাখী গুৱাহাটীৰ কটন কলেজত পঢ়ে আৰু ভায়েক ৰাহুলে চহৰৰ স্থানীয় স্কুলত দশম শ্ৰেণীত পঢ়ে। জেঠায়েকৰ ছোৱালী মণি আৰু তাই সৰুৰে পৰা নলে গলে লগা

বান্ধবী। দেখিবলৈও প্ৰায় একেই কাৰণে বহুতে সিহঁতক বাই ভনী বুলিয়েই ভাবিছিল। ইটোই সিটোক এৰি ক'লৈকো নগৈছিল। কিন্তু জেঠায়েকৰ ছোৱালী মণি পঢ়াত সিমান ভাল নাছিল আৰু সেইবাবে মেট্ৰিক পাছ কৰি উঠি গাঁৱৰে এখন ভেন্সাৰ কলেজত নাম লগাইছিল। ৰাখী কিন্তু পঢ়াত বেছ চোকা আছিল। তাই মেট্ৰিকত ষ্টাৰ নম্বৰ লৈ উত্তীৰ্ণ হৈ চহৰৰ কলেজৰ পৰা হায়াৰ ছেকেণ্ডাৰীতো ষ্টাৰ নম্বৰ লৈ গুৱাহাটীৰ কটন কলেজত অৰ্থনীতিত মেজৰ লৈ পঢ়ি আছে।

বিয়ালৈ বুলি মাক আৰু ভায়েক আগতেই গৈছিল। দেউতাকহে তাই অহালৈ বাট চাই আছিল। ৰাতিপুৱাৰ কাম বনখিনি কৰি গা ধুই চাহ জলপান খাই ওলোৱালৈকে ৬-৩০ হৈছিল। ইফালে গাড়ী সাত বজাত। গতিকে খৰ ধৰকৈ টালি টোপোলা সোপা লৈ দেউতাক আৰু তাই বাছ ষ্টপেজলৈ গ'ল। ষ্টপেজ গৈ পোৱাৰ দহ মিনিট মান পিছতেই গাড়ী আহিল। গাড়ীত একেবাৰে ওপৰে তলে সমান মানুহ। দুখন মাত্ৰ গাড়ী চলাৰ বাবে মানুহৰ ভিৰ বেছি। কোনোমতে বেগ কেইটাৰে সৈতে মানুহ দুটা উঠিল। বাছৰ ভিতৰত ইমান ভিৰ যে ৰাখীৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছিল। এই অসুবিধাৰ বাবে ৰাখীয়ে জেঠায়েকৰ ঘৰলৈ খুব কমকৈ আহে। এটা ষ্টপেজত দুজন মানুহ নমাৰ পিছত গাড়ীৰ মানুহবোৰে অকণমান গা-লৰাব পাৰিলে। চিটটো পাবলৈ নায়েই তথাপি ভালকৈ অকণমান থিয় হব পাৰিলেও বহুত। ৰাখীয়েও এই ছেগতে এটা খিৰিকীৰ ওচৰত থিয় হৈ ল'লে। বাছখন ইতিমধ্যে পূৰ্ণ গতিত চলি আছে। ক'ৰবাত ৰৈছে আকৌ গৈছে। ৰাখীৰ এইবোৰলৈ ভ্ৰূক্ষেপ নাই, মাত্ৰ বাহিৰলৈ চাই কিবা বাবে বিৰিংবোৰ ভাবি গৈ আছে। শৈশৱৰ কথাবোৰ তাইৰ এটা এটাকৈ মনত পৰি গ'ল। জেঠায়েকৰ ঘৰলৈ ডেৰ ঘণ্টাৰ ৰাস্তাৰ ইতিমধ্যে এক ঘণ্টা পাৰ হলেই; আৰু বেছি সময় নাই। গাড়ীৰ ভিৰ কিন্তু একেই আছে। হঠাৎ এবাৰ এজন মানুহৰ হাত তাইৰ হাতত লগাত তাই সপোন ৰাজ্যৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। এই বাৰ তাই গাড়ীৰ মানুহবোৰক চাবলৈ ধৰিলে। হেণ্ডিমেনে পইচা লৈ আছে। ভাড়াৰ হৈ এজন যাত্ৰীয়ে তৰ্কা-তৰ্কি কৰি আছে। বাছত এইবোৰ সদায় ঘটা ঘটনা। এইবোৰ চাই ৰাখীয়ে খুব আমোদ পায়।

এনেতে তাইৰ হাত এখনত চকু পৰিল। হাতখনৰ তৰ্জনী আঙুলিত এটা সোণৰ মুকুতাৰ আঙঠি। খুব ধুনীয়া হাতখন। ল'ৰা মানুহৰ হাত। হাতখন তাইৰ চিনাকি চিনাকি লাগিল। ইমান পৰে তাইৰ ওচৰতে থকা হাতখন তাইৰ চকুত পৰা নাছিল। চকুত পৰাৰ পিছৰে পৰা তাই থৰ লাগি চাই থাকিল।

তাইৰ হায়াৰ চেকেণ্ডাৰী স্কুলৰ কিছুমান ঘটনা মনত পৰিল। লাহে লাহে তাইৰ সেই সময়ৰ বন্ধু বান্ধৱী বোৰৰ মুখবোৰো এখন এখনকৈ মনত ভাঁহি আহিল। সিহঁতৰ লগবোৰে প্ৰায়ে অফ ক্লাছৰ সময়ত আড্ডা মাৰিছিল। আড্ডাৰ ভিতৰত হাত চাই ভৱিষ্যৎ বাণী কৰা ধেমালিটো প্ৰায়ে হৈছিল। ৰাখীহঁতৰ গ্ৰুপটোত প্ৰণৱ নামৰ ল'ৰা এজন আছিল। এদিন এই প্ৰণৱৰেই হাত চোৱাৰ পাল পৰিছিল ৰাখীৰ। ৰাখীয়ে প্ৰণৱৰ হাতখন চাই কৈছিল- 'তোৰ হাতখন ইমান ধুনীয়া, তই এদিন ডাঙৰ মানুহ হবি। তোৰ ওচৰলৈ মানুহ যাব ভয় কৰিব।'

ৰাখীৰ ঘপকৈ মনত পৰি গ'ল। এইখন সেই প্ৰণৱৰেই হাত নহয়তো। কটনলৈ যোৱাৰ পিছত তাই তাক এবাৰো লগ পোৱা নাই। কিন্তু সি ইয়াত কিয়? তাইৰ মনত আছে প্ৰণৱৰ ঘৰ এইফালেই ক'ৰবাত, কিন্তু ক'ত সঠিককৈ নাজানে। আকৌ এবাৰ হাতখন চাব খোজোতেই হাতখন আগৰ ঠাইত নাই। ইতিমধ্যে বাছখন এটা ষ্টপেজত ৰৈছিল। ইয়াৰ পিছৰ ষ্টপেজটোতে জেঠায়েকৰ ঘৰ। ৰাখীয়ে বাছৰ পৰা নমা মানুহবোৰলৈ দৃষ্টি নিক্ষেপ কৰিলে আৰু বাছত থকা বোৰলৈও চালে। কিন্তু 'হাতখন' অৰ্থাৎ তাই ভবা প্ৰণৱক দেখা নাপলে। হয়তো ইয়াৰ আগৰ ষ্টপেজতে নামিল। তাইৰ আৰু প্ৰণৱক মতা নহ'ল।

বাছখন ইতিমধ্যে মধুপুৰ ষ্টেচনত ৰখাইছিল। ৰাখী আৰু দেউতাক বাছৰ পৰা নামিল। ইতিমধ্যে ৮-৩০ বাজি গৈছিল। বিয়াৰ ঘৰ গৈ পোৱাৰ লগে লগে মণিয়ে বহুত দিনৰ মূৰত ৰাখীক পাই সাৱটি মাৰি ধৰিলে। বিয়া ঘৰত দিনটো সকলো কাম সুচাৰুৰূপে আৰু উলহ মালহেৰে পৰিচালিত হ'ল। দিনত বিয়াৰ সকলো কাম শেষ হোৱাৰ পাছত আটায়ে দৰা অহাৰ অপেক্ষাত ৰৈ আছিল। মণ্ডপ সজোৱাই মণ্ডপ সজাইছিল, ভোজ বন্ধাই ভোজ ৰান্ধি আছিল। ৰাখীহঁত আটাইকেইজনী অৰ্থাৎ গাঁৱৰে আন ছোৱালী কেইজনীমান, মাহীয়েক আদিয়ে কইনা সজাই নানা ধৰণৰ ধেমালি কৰি আছিল। সময় তেতিয়া ৰাতি ১১-৩০ মান হৈছিল। ইফালে দৰা অহা সময় ১২ বজা। সকলো ইতিমধ্যে সাজু হৈছিলেই দৰা আদৰিবৰ বাবে। তেনেতে বাটত গাড়ীৰ শব্দ শুনা গ'ল। সকলোৱে দৰা অহা বুলি ভাবিলে। কিন্তু দৰাৰ পৰিবৰ্তে সেই গাড়ীখনত আহিছিল এটা ডকাইতৰ দল। আহিয়েই কইনাৰ ৰুমত অৰ্থাৎ ৰাখীহঁত থকা ৰুমটোত সোমাল। সিহঁতৰ আটাই কেইজনৰ মুখতে ক'লা কাপোৰ বন্ধা, হাতত মৰণাস্ত্ৰ। সিহঁতে মণিৰ হাতৰ, কাণৰ, গলৰ সকলো অলংকাৰ লৈ যাবলৈ ওলাইছিল। ইফালে কইনা ঘৰত হুলস্থুল লাগিছিল। ডকাইতৰ দলটোৱে খৰ-ধৰ কৰোতেই সিহঁতৰ এজনৰ হাতৰ পৰা পিষ্টলটো পৰি গ'ল। পিষ্টলটো তুলিবলৈ ধৰা হাতখন দেখি ৰাখীৰ বুকুখন চিৰিংকৈ গ'ল। এইখন দেখোন সেই ৰাতিপুৱা গাড়ীত দেখা মুকুতাৰ আঙঠি পিন্ধা ধুনীয়া হাতখন। তাৰমানে ই প্ৰণৱ...। ৰাখীৰ মূৰটো ঘূৰোৱা যেন লাগিল আৰু কলেজত কোৱা কথা কেইষাৰলৈ মন পৰিল- 'এদিন তই ডাঙৰ মানুহ হবি। তোৰ ওচৰলৈ মানুহ যাব ভয় কৰিব।'

□□□

# নাপাওঁ

নৱজ্যোতি শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)



দুৱাৰখন মেলি পৰাগে ভৱা মতেই দেখিলে। মাকে তাৰ সকলোবোৰ বস্তু ইতিমধ্যেই ঠিকঠাক কৰি থৈছে। বিচনাখনো পাৰি থোৱা আছে। যোৱা বছৰ ব'হাগত কিনা ফুলাম আঠুৱাখনো তৰি থোৱা আছে। মাজনিশা প্ৰায়ে তাৰ ঠাণ্ডা লাগে। গতিকে মাকে এখন ব্লেংকেটো বিচনাত থৈ দিছে। গাৰুটোও ঠিক ঠাইত আছে। বিচনাখন দেখি তাৰ নৱবিবাহিত দম্পতিৰ ফুলশয্যা যেনহে লাগিল। তাৰ গাটো ৰিমজিম কৰি উঠিল। দিনতে জাৰি জোকাৰি ব'দত দি থোৱা তাৰ এডিডাচৰ বেগটোও ওচৰৰ চকীখনতে আছে। ডেনিম আৰু বেংলাৰৰ লংপেণ্ট চাৰিটা, তাৰ আটাইতকৈ প্ৰিয় স্পৰ্টিঙৰ লগতে কটনৰ চাৰ্ট চাৰিটাও জাপি থৱলৈ মাকে পাহৰা নাই। টুথপেষ্ট, টুথব্ৰাছ আদিবোৰো তাৰ টেবুলখনৰ ওপৰতে পৰি আছে। 'সৰু মইনা, সোনকালে শোৱা আকৌ। কাইলৈ পুৱা পাঁচ বজাতে সাৰ পাব লাগিব। নহ'লে ট্ৰেইনখন পাবা জানো? মাকে কাচৰ গিলাচ এটাত পানী এগিলাচ টেবুলখনতে থৈ গুছি গ'ল। সি ঘড়ীটোলৈ চালে। এহ্ দহ বাজিছেহে মাত্ৰ। এতিয়াইনো শুব পাৰিবনে? শুলেও টোপনি আহিব জানো? সৰুৰে পৰা তাৰ পলমকৈ শুই পলমকৈ উঠা অভ্যাস। গতিকে আজিনো সি সোনকালে কেনেকৈ শুব? এৰা, সি কাইলৈ পুৱাই ওলাব কানাডালৈ বুলি। সি চাকৰি কৰা মাল্টিনেচনেল কোম্পানীটোৰ তৰফৰ পৰা উচ্চ কাৰিকৰী প্ৰশিক্ষণ দিয়াবৰ বাবে তাক কানাডালৈ পঠাইছে। সম্পূৰ্ণ এবছৰৰ বাবে। কাইলৈ ৰাতিপুৱা ১০ বজাত ট্ৰেইন আছে। প্ৰথমে দিল্লী আৰু তাৰ পৰা পোনে পোনে বিমানেৰে কানাডা। গতিকে সি পুৱা সোনকালে উঠিব লাগিব। সেয়ে মাকৰ তাগিদা। সোনকালে শুব লাগে। কিন্তু তাৰ টোপনি ধৰা নাই। কি কৰিব সি? সি বাৰু কম্পিউটাৰটোকে অন কৰিব নেকি? নাই ইচ্ছা নাই। সি আৰামী চকীখনত থকা বেগটো মজিয়াত থৈ তাতে বহিল। খিৰিকীখনৰ কাচেৰে বাহিৰৰ পূৰ্ণ জোনটোলৈ চালে। সঁচাকৈয়ে বৰ ধুনীয়া দেখা হৈছে আজি জোনটো। এক অপূৰ্ব মাদকতা সানি দিছে এই জোনটোৱে তাৰ মনত। সৰুতে পঢ়া এটি কবিতা তাৰ আওৰাবৰ মন গ'ল- জোনবায়ে এৰা এটি দিয়া এটি তৰা নালাগে দুটি তৰা দিয়া।' কিন্তু জোনটোৱে জানো তৰা দিবলৈ সক্ষম? তথাপি তাৰ অবুজ মনটোৱে খুজিছিল কিজানি দিয়েই। সৰুৰে পৰা সি বিচৰা বহু বস্তুৱেই পোৱা নাই। যেনেদৰে সি এতিয়াও পোৱা নাই বা হয়তো কোনো কালেই নাপাব স্মিতাৰ ভালপোৱা।

বৰ ভাল পায় সি স্মিতাক। মানে পাইছিল। এতিয়া আৰু সি স্মিতাক মনত পেলাব নিবিচাৰে। চাৰিবছৰৰ চিনাকি মাথো এটা শব্দতেই নিঃশেষ হৈ গৈছিল। আজি বহুবছৰৰ মূৰত তাৰ পুৰণি কথাবোৰ পুনৰ মনত পৰিছে। মানে Flashback ঘটিছে। আৰামী চকীখনত বহি সি এইবোৰকে ভাবিছে। সি চকুহাল মুদি দিছে। জোনটো নেদেখা হৈছেহি। হয় স্মিতাৰ কাৰণেই সি পল্লবীৰ মৰমো দলিয়াই পেলাইছিল।

সচৰাচৰ ছোৱালীবোৰে ল'ৰাবোৰক প্ৰপোজ নকৰে। সিহঁতে বিচাৰে ল'ৰাই সিহঁতক প্ৰপোজ কৰক। কিন্তু পল্লবী আছিল ব্যতিক্ৰম। তাই Msg. পঠিয়াইছিল, 'ডিয়েৰ পৰাগ। মই তোমাৰ প্ৰতি ভীষণ দুৰ্বল হৈ পৰিছো। হয়তো মই তোমাক ভাল পাই পেলাইছো। অ' মই তোমাক ভাল পাওঁ। তুমি বাৰু মোক ভাল পোৱানে? প্লিজ না নকৰা। Reply দিবা।' পৰাগৰ অলপ খং উঠিছিল, অলপ বেয়াও লাগিছিল। সি লিখিছিল, 'পল্লবী তুমিতো সকলো জানা। তথাপি...। তুমি মোক কাইলৈ চুপহিত লগ ধৰা।' ৰাতিটো তাৰ টোপনি অহা নাছিল। হয়তো পল্লবীৰো। পিছদিনা পৰাগে তাইক লগ ধৰিছিল। দুয়ো সন্মুখা-সন্মুখিকৈ বহিছিল। কিন্তু সি তাইৰ চকুৰ পিনে চাব পৰা নাছিল। কোনোৱে কয় আত্ম বিশ্বাস নাথকিলে হেনো চকুৱে চকুৱে চাব নোৱাৰি। সি নাজানে তাৰ আত্মবিশ্বাস নাছিল নে সাহস। হয়তো সি তাইৰ চকুত বিষাদৰ ঢৌ নাচি থকা দেখিব বুলি ভয় খাইছিল। হয়তো সেই ঢৌৱে তাক ডুবাই পেলাব বুলি ভয় খাইছিল। সি তাইক সকলো কৈছিল। সি যে কেৱল আৰু কেৱল স্মিতাকহে ভালপায়। তাইক সি মাত্ৰ আটাইতকৈ ভাল বান্ধবী বুলিহে ভাবে। বহু সময় সি তাইৰ ফালে নোচোৱাকৈয়ে কথাবোৰ কৈ আছিল। সি অনুভৱ কৰিছিল তাই তেতিয়াও তাৰ ফালেই নিথৰ হৈ চাই আছে। তাইৰ চকু চলচলীয়া হৈছে। তাই কৈছিল, 'পৰাগ, তুমিয়েইটো এদিন কৈছিলা, 'আমি কাক ভাল পাওঁ সেয়া ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল আমাক কোনে ভাল পায়।' সেয়েহে জানি শুনিও মই তোমাক মনৰ কথাখিনি কৈ দিলো। কাৰণ নকলে যে মই শান্তি নাপাওঁ। কিন্তু তুমি মোক নুবুজিলা। বাৰু তুমি মোক ভাল নোপোৱা কোনো কথা নাই। কিন্তু তুমি এতিয়াও স্মিতাক মনৰ কথাবোৰ কোৱা নাই কিয়? আশাকৰো তাইতো তোমাকেই ভাল পায়। তাই সঁচাকৈয়ে ভাগ্যবান। অৱশ্যে মই তোমাৰ বাবে অপেক্ষা কৰিম।' স্মিতা ভাগ্যবান নে সিহে দুৰ্কপলীয়া সেই কথা সি আজিও নুবুজিলে। পল্লবীয়ে তাৰ কাৰণে অপেক্ষা কৰিবনে নাই সেই কথাও সি নাজানে। পল্লবীক দুখ দি তাৰ বেয়া লাগিছিল। বেচেৰীয়ে সকলো জানি শুনিও তাক প্ৰেমৰ প্ৰস্তাৱ দিছিল। কিন্তু সি জানো জানিছিল যে স্মিতাই যে আন কাৰোবাকহে...। তাৰ চকুহাল মেল খাই গ'ল। অ' লাইট গ'ল। কোঠাটো এন্ধাৰে ছাটি ধৰিলে। তাৰ অনুভৱ হ'ল এই এন্ধাৰখিনি যেন তাৰ বিষাদৰ এন্ধাৰখিনিতকৈ বহু উজ্বল। কোঠাটোৰ এচুকত জোনটোৱে তাইৰ বগা পোহৰ সিঁচি দিছে। কিন্তু এই পোহৰখিনি সি অনুভৱ কৰিব পৰা নাই। সি পুনৰ চকুহাল মুদি দিলে।

সীমা। অ' সীমা কাশ্যপ। তাইৰ লগতো সি বন্ধুত্ব হে কৰিছিল নেকি? নিশা এক বজালৈ ফোনত ফুচুক ফাচাককৈ কথা পাতি থাকোতে সি কেতিয়া তাইক আকৰ্ষিত কৰি ললে সি নিজেই নাজানে? প্ৰথমতে তাইয়ে তাক কিবা এটা কথা কম কম বুলি বহুদিন নোকোৱাকৈ আছিল। সি জানিছিল তাই কি কব বিচাৰি আছে। শেষত এদিন সিয়ে কৈছিল- I Love U সীমা।' উস্ তৎক্ষণাৎ সন্মতি। তাই কৈছিল, 'ইমান দিনে তোমাৰ মুখৰ পৰা এইশাৰী বাক্যকে শুনিব বিচাৰি আছিলো। ময়ো তোমাক ভাল পাওঁ। বহুত ভাল পাওঁ।' সি ভাবিছিল এয়া বাৰু সি ভাল কাম কৰিলেনে? সি বাৰু তাইক সঁচাই ভাল পায় নে? নাই, নাপায়। সি কেৱল স্মিতাকহে ভাল পায়। কেইবামাহো তাৰ এই প্ৰেম (?) চলিল। দুয়ো ৰেষ্টুৰেণ্টলৈ যায়। পাৰ্কত বহি ঘণ্টাৰ পিছত ঘণ্টা মনৰ কথা পাতে। সি বুজিলে সি এয়া ভাল কাম কৰা নাই। তাৰ আটাইতকৈ ভাল বান্ধবী ছায়াক সি কথাবোৰ খুলি কলে। সি তাইক সকলোবোৰ কথা ক'ব পাৰে। পথ প্ৰদৰ্শক হিচাপে তাই তাক উচিত মাৰ্গ দেখুৱায়। ছায়াই শুনিলে। তাই তাৰ ভুল হোৱা বুলি ক'লে। পল্লবীৰ কথাটোৱো সি ছায়াক কৈছিল। ছায়াই বুজিছিল। এইবাৰো ছায়াই বুজিছে। হয়তো সেয়েহে তাৰ ভুল হোৱা বুলি কৈছে। প্ৰেম খেলা নহয়। ই এনে এটা অনুভূতি যিয়ে মানুহৰ ভিতৰ মাজতো অকলশৰীয়া কৰি তুলিব পাৰে। বন্ধ চকুৱেই নিজৰ প্ৰেমাস্পদক দেখা যায় কেৱল তেওঁৰ প্ৰতি নিজৰ হৃদয়ত থকা অফুৰন্ত মৰমৰ বাবে। গতিকে এই প্ৰেমক লৈ খেলা কৰা অনুচিত। সি সীমাৰ লগত ঘনিষ্ঠতা কমাই দিলে। হয়তো তায়ো বুজিলে। তাই আঁতৰি গ'ল। কিন্তু স্মিতা, স্মিতাক যে সি কেতিয়াও কোৱা নাছিল তাৰ মনৰ কথাবোৰ। হয়তো ভালেই কৰিছিল। নহয় এশ শতাংশই ভাল কৰিছিল। নকলে হয়তো সি স্মিতাই তাক ভাল নোপোৱাৰ মনোবেদনাখিনি অনুভৱ কৰিবলগীয়া নহ'লহেঁতেন। ছায়াই বুজাইছিল, মই বুজি নাপাও পৰাগ। তুমি তাইক কিয় প্ৰপোজ নকৰা। চাবা পিছত বহু পলম হৈ যাব। তেতিয়া তাইক পিছত আনৰ স'তে দেখিলে tragedy ফালিব লাগিব। সি কৈছিল- সকলো ল'ৰাই বিচাৰে তাৰ প্ৰেয়সীজনী আটাইতকৈ ধুনীয়া হোৱাটো। সেইদৰে সকলোবোৰ ছোৱালীয়েও বিচাৰে তাইৰ প্ৰিয়তমজন সুন্দৰ সুঠাম চেহেৰাৰ অধিকাৰী হোৱাটো। স্মিতা ধুনীয়া। তাই বাৰু এনে নিবিচাৰিবনে? তাই বাৰু মোক কিয় বাচি ল'ব? উত্তৰত ছায়াই মাথো কৈছিল- প্ৰেমে কোনো চৰ্ত নামানে। নহলেনো ৰবিতাই পুলকেশৰ নিচিনা ল'ৰাজনৰ প্ৰেম অগ্ৰাহ্য কৰি অনিলক আকোঁৱালি লয়নে?

যাৰ তুলনা পুলকেশৰ লগত মুঠেও নহয়। ববিতা, পুলকেশ, অনিল তিনিও পৰাগৰ কলেজীয়া বন্ধু। সিহঁতৰ ত্ৰিকোণ প্ৰেমৰ কাহিনী কেৱল আৰু কেৱল সিহে ভালদৰে জানে। অকল এয়ে নহয়। সি আন বহুতৰে প্ৰেমৰ কাহিনী জানে। কাৰোবাৰ যদি প্ৰেমৰ সাগৰত উটি ভাহি যোৱা ৰোমাণ্টিক কথা, কাৰোবাৰ আকৌ হৃদয় ভাঙি থান বান কৰি যোৱা প্ৰতাৰণাৰ ধুমুহা। তাতকৈ দহ বছৰ ডাঙৰ অথবা পাঁচ বচৰ সৰু বন্ধুবোৰেও তাক সিহঁতৰ প্ৰেমৰ কথাবোৰ কয়। সি আগ্ৰহৰে শুনে। ছোৱালীবোৰ যে মিছলীয়া, প্ৰতাৰক সেই কথা সি তেতিয়াৰে পৰা বুজি আহিছে। নহ'লেনো গীতা নামৰ ছোৱালীজনীয়ে তাৰ বন্ধু ধ্ৰুৱক সাগৰ সমান মৰমকো পাহৰি কেৱল ধনী ঘৰৰ ল'ৰা বুলি প্ৰাঞ্জলৰ লগত প্ৰেমলীলা চলায় নে? সি গীতাক চিনি নাপায়। চিনি পোৱা হ'লে হয়তো তাইক বহু গালি পাৰিলেহেঁতেন। একমাত্ৰ তাইৰ কাৰণেই সি তাৰ বন্ধু ধ্ৰুৱক চিৰদিনৰ বাবে হেৰুৱাব লগা হ'লহেঁতেন। সি যে এসোপা শ্লিপিং টেবলেট খাই আত্মহত্যা কৰিব ওলাইছিল যিদিনা সি গম পাইছিল যে গীতাই তাক বাদ দি এতিয়া প্ৰাঞ্জলকহে ভাল পাব ধৰিছে। অথচ তাইয়ে তাক প্ৰথমে প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল। শ্লিপিং টেবলেট খাই ধ্ৰুৱ যেতিয়া হস্পিতালত পৰি আছিল তেতিয়াই পৰাগে তাক এটা পূৰ্ণহতীয়া চৰ শোধাইছিল আৰু কৈছিল- মৰিবলৈ আহিছ! মৰ যদি নিজৰ দেশৰ বাবে, নিজ মাৱৰ বাবে মৰ। এজনী প্ৰতাৰক ছোৱালীৰ বাবে নহয়। সকলোৰে পৰাগক টানি বাহিৰলৈ উলিয়াই আনিছিল। তাৰ চকুপানী বৈছিল। এতিয়া ধ্ৰুৱই Airforce ত চাকৰি পাইছে। অসমৰ বাহিৰত পোষ্টিং। মোটা দৰমহা। মাজে মাজে সি ফোন কৰে। সুন্দৰ জীৱন। এক কথাত BINDAS LIFE। এতিয়া সি কোনো গীতাক চিনি নাপায়। পৰাগেও যদি কোনো স্মিতাক চিনি নাপালে হয়। চকুৰ আঁতৰ হ'লে হেনো মনৰো আঁতৰ। কথাষাৰ সঁচা জানো। স্মিতাৰ ক্ষেত্ৰত সঁচা হলেও তাৰ ক্ষেত্ৰত মুঠেও সঁচা নহয়। সি স্মিতাক পাহৰিব নোৱাৰে। কোনো পধ্যেই নোৱাৰে আৰু পাহৰিব নোৱাৰে সেই তিনিটা বৰ্ণ - 'নাপাওঁ'। মই তোমাক ভাল নাপাওঁ। মুঠেও নাপাওঁ। সি বাৰু পল্লবীক ভাল পোৱা হলেই ভাল আছিল নেকি? কাৰণ আমি কাক ভাল পাওঁ সেয়া ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল আমাক কোনে ভাল পায়। পাৰিব জানো সি এতিয়াও সীমাক কবলৈ, 'সীমা, তুমি ক'ত? তোমাৰ মোলৈ এবাৰো মনত পৰা নাইনে?' কিহে পাইছিল তাক সিদিনা ফোনত কবলৈ, 'স্মিতা মই তোমাক বহু ভাল পাওঁ। তুমি বাৰু মোক ভাল পোৱানে?' উত্তৰত মাথো ফোন লাইনৰ সিমুৰৰ পৰা তিনিটা বৰ্ণৰ এজাক কাল ধুমুহাহে বৈ আহিছিল, 'নাপাওঁ'। মই তোমাক ভাল নাপাওঁ। সি ফোনৰ লাইনটো কাটি দিয়াৰ আগতেই তাই কাটি দিছিল। সি হতভম্ব হৈ পৰিছিল। সি জানে প্ৰেম জোৰ কৰি আদায় কৰা বস্তু নহয়। গতিকে সি দুনাই স্মিতাক একো কোৱা নাছিল। নিশা যেতিয়া সি লাইট অফ কৰি জুবিনৰ 'ভুলতো নাচাবা তুমি, নেমাৰিবা মিঠা হাঁহি' গানটো শুনে, তাৰ আপোনা-আপুনি চকুপানী বৈ আহে। সি উচুপি কান্দে। কিন্তু সেয়া এতিয়া অতীত।

নিশা এক বাজিল। ৰাতিপুৱাই ট্ৰেইনখন ধৰিব লাগিব। সি শোৱাৰ আগতে ছায়াক এটা মেচেজ কৰিব বিচাৰিলে। সি উঠি গৈ টেবুলত থকা ছেলফোনটো আনিলে। লিখিলে- 'Hey Saya...............'।

(পৰাগে এতিয়াও কেৱল আৰু কেৱল স্মিতাকহে ভাল পায়।)

□□□

# হৃদয়ৰ কেনভাচৰ আধা ডুখৰীয়া ছবি

পাপৰি কৌশিক
স্নাতক প্ৰথম বৰ্ষ (কলা)

চহৰৰ নামী দামী চিত্ৰ শিল্পীসকলৰ ভিতৰত প্ৰসেনজিৎ দুৱৰা নামৰ উদীয়মান যুৱ শিল্পীজনৰ নাম অন্যতম। তেওঁৰ চিত্ৰত প্ৰতিফলিত হয় সুনিপুণ কলা কৌশল, যেন প্ৰাণ পাই উঠে কেনভাচৰ প্ৰতিটো ৰঙৰ প্ৰতিটো কণাই। প্ৰত্যেকেই যেন অনুভৱ কৰিব পাৰে দুৱৰাৰ চিত্ৰত এক অনাবিল মধুৰ প্ৰশান্তি।

কিন্তু এই বিখ্যাত চিত্ৰশিল্পীজনৰ প্ৰকৃত পৰিচয় সেই চহৰৰ কোনেও নাজানে। তেওঁৰ ঘৰ ক'ত? তেওঁৰ জীৱনৰ কথা জানিবলৈ সকলোৰে হেপাহ, কিন্তু...? প্ৰসেনজিৎ দুৱৰাৰ ভিতৰুৱা ৰহস্য আজিলৈ কোনেও জানিবলৈ সমৰ্থ হোৱা নাই। সেই চহৰৰে এখন মাহেকীয়া আলোচনীৰ সম্পাদিকা নিজৰা বৰুৱা। তেওঁ আলোচনীৰ যোগেদি বহু শিল্পী সাহিত্যিকৰ সাক্ষাৎকাৰ জনসাধাৰণৰ মাজত দাঙি ধৰিছে। চতুৰ



নিজৰা বৰুৱাইয়ো বহু চেষ্টা কৰিছিল দুৱৰাৰ প্ৰকৃত পৰিচয় জানিবলৈ। কিন্তু প্ৰত্যেকবাৰেই বিফল মনেৰে ঘূৰি আহিবলগীয়া হৈছে। সেয়েহে এইবাৰো তেওঁ সুযোগৰ অপেক্ষাত ৰ'ল।

প্ৰত্যেক ৰাতিপুৱা দুৱৰা ওলাই যায় প্ৰাতঃ ভ্ৰমণৰ বাবে আৰু সেই নিৰ্দিষ্ট ঠাইডোখৰত বহিয়েই কটায় প্ৰতিটো দিনৰ একাংশ সময়। নিজৰাও যায় প্ৰাতঃ ভ্ৰমণৰ বাবে আৰু লগ পায় ৰেলষ্টেচনৰ সেই ঠাইডোখৰত আত্মবিভোৰ হৈ বহি থকা দুৱৰাক। নিজৰাক দুৱৰাই মাতে, দুই এটা কথাও পাতে কিন্তু নিজৰ জীৱনৰ বিষয়ে নহয়। নিজৰাইয়ো যথা সম্ভৱ উত্তৰ দিয়ে, আলোচনা কৰে বিভিন্ন কথাৰে। তেনেকৈয়ে পাৰ হৈ যায় সময়বোৰ। আচৰিত হয় নিজৰা, সঁচাকৈ দুৱৰা যেন এক ৰহস্য। যি ৰহস্যৰ কোনো সন্ধান নাই। অৱশেষত সুযোগ সন্ধানী নিজৰাই সেই অভাৱনীয় সুযোগটো লাভ কৰিলে।

নিজৰাহঁতৰ ঘৰৰ টেলিফোনটো ৰিং কৰিলে এবাৰ নহয়, বহুবাৰ। বহু সময়ৰ মূৰত নিজৰাই ৰিচিভাৰটো তুলি ললে। সেইফালৰ পৰা পুৰুষৰ কণ্ঠস্বৰ, যি কণ্ঠস্বৰ নিজাৰ চিনাকি বহু চিনাকি...।

ঃ হেল্ল' এইটো নিজৰা বৰুৱাৰ ঘৰ হয়নে?

ঃ হয় মই নিজৰা বৰুৱাই কৈছো, আপুনি...

ঃ অ' মই ... মই প্ৰসেনজিৎ দুৱৰা।

ঃ হয় কওঁক মিষ্টাৰ দুৱৰা। আপোনাক মই কেনে ধৰণে সহায় কৰিব পাৰো। আচৰিত হয় নিজৰা কোনো দিনেই ফোন কৰি পোৱা নাই নিজৰালৈ। আজি হঠাতে ... মনত বহু প্ৰশ্নই মুহূৰ্ততে ঠাই ল'লে।

ঃ নিজৰা, তুমি জানিব বিচৰা নহয় মোৰ জীৱনৰ কথা। আজি মই কম তোমাক কম মোৰ জীৱনৰ সমস্ত কথা; কোৱা, তুমি শুনিবানে? শুনিবা মোৰ কথা...

ঃ নিশ্চয়, নিশ্চয় শুনিম মই আপোনাৰ জীৱনৰ কথা।

ঃ তেন্তে তুমি আজি ১২ বজাত মোৰ ৰুমলৈ আহিবা।

ঃ হ'ব। মই ঠিক ১২ বজাৰ লগে লগে আপোনাৰ ৰুম পামগৈ।

ঃ ঠিক আছে। সিফালৰ পৰা কানেকচন দুৱৰাই কাটি দিলে।

নিজৰা আচৰিত হ'ল আৰু আনন্দিত হ'ল। যিয়েই নহওঁক বিখ্যাত চিত্ৰ তাৰকাৰ সাক্ষাৎকাৰ প্ৰথমতে নিজৰাৰ আলোচনীতেই প্ৰকাশ হ'ব। নিজৰাই লৰালৰিকৈ সাজু হ'ল।

ঠিক ১২ বজাৰ লগে লগে দুৱাৰখন খুলি অভ্যাগতক আদৰণি জনালে। আহা নিজৰা, ভিতৰলৈ আহা। নিজৰা ভিতৰলৈ সোমাই গ'ল। দুৱৰাৰ বহা কোঠাটো যেন কোঠা নহয়, এখন চিৰসেউজীয়া ঠাইহে। দুৱৰাৰ হাতৰ পৰশত কোঠাত থকা প্ৰতিখন চিত্ৰই যেন নিজৰালৈ চাই হাঁহি আছে। হঠাৎ নিজৰাৰ চকুত পৰিল এক সুন্দৰ নীলা গভীৰ চকুৰ এগৰাকী যুৱতীৰ ছবি। ককাললৈ বৈ পৰা চুলিৰে দেখিলে এনেকুৱা লাগে যেন কোনোবা অনন্যা সুন্দৰী যুৱতী এজনীয়ে এটি মিঠামুখীয়া হাঁহিৰে নিজৰাক স্বাগতম জনাবলৈহে ৰৈ আছে। নিজৰাক থিয় হৈ থকা দেখি দুৱৰাই ক'লে- নিজৰা বহা। নিজৰাই হঠাৎ অনন্য সুন্দাৰী গাভৰু গৰাকীৰ পৰা চকু আঁতৰাই দুৱৰালৈ চালে। তাই অনুভৱ কৰিলে ইমানদিন ৰহস্যৰে ভৰি থকা বিখ্যাত চিত্ৰ শিল্পী প্ৰসেনজিৎ দুৱৰাৰ ৰহস্যৰ আৱৰণ খন্তেক পিচতে খুলি যাব।

প্ৰসেনজিৎ দুৱৰাই কবলৈ আৰম্ভ কৰিলে সম্পাদিকা নিজৰা বৰুৱাৰ আগত জীৱনৰ স্মৃতি সফুঁৰাত ভাস্বত হৈ থকা ঘটনা উপঘটনাবোৰ।

প্ৰসেনজিৎ দুৱৰা আছিল এটি দুৰ্ভগীয়া শিশু। দুখীয়া বিধবা মাতৃৰ একমাত্ৰ সন্তান প্ৰসেনজিৎ। পুতেকক লগত লৈ অ'ত ত'ত কাম কৰিব গৈছিল। তেতিয়া প্ৰসেনজিৎ আছিল ৫ বছৰীয়া শিশু। সেই সময়তে সিহঁতৰ ওচৰৰে মিছনেৰী চিকিৎসালয়খনত ডাঃ জনচন আহে ট্ৰেন্সফাৰ লৈ সুদূৰ দিল্লীৰ পৰা। ডাঃ জনচনৰ লগত তেওঁৰ পৰিয়াল অৰ্থাৎ পত্নী মেৰী আৰু কণমানি শিশু তিনিবছৰীয়া এলিজা। প্ৰসেনজিতৰ মাকে লাহে লাহে এলিজাহঁতৰ ঘৰলৈ কাম কৰিবলৈ যাবলৈ ধৰে। লাহে লাহে এলিজাহঁতৰ ঘৰখনৰ লগত প্ৰসেনজিতহঁত মিলি গ'ল। মৰম লগা প্ৰসেনজিতক এলিজাৰ মাক বাপেকে বৰ মৰম কৰিছিল। আৰু এলিজাই...? একোকে এৰি খোৱা নাছিল তাই। প্ৰসেনজিত হৈ পৰিছিল এলিজাৰ প্ৰতিটো মুহূৰ্তৰে লগৰী। এলিজাৰ ৰঙ বিৰঙৰ কিতাপ আৰু খেলা বস্তুবোৰ দেখি প্ৰসেনজিতে খুব আনন্দ পাই ছিল। এলিজাৰ মাক মেৰীয়েও প্ৰসেনজিতৰ প্ৰতিটো কামৰে দায়িত্ব লৈছিল। প্ৰসেনজিতৰ মাকে ডাঃ জনচনৰ পৰিয়ালৰ মৰম দেখি অভিভূত হৈ পৰিছিল আৰু এনেকৈয়ে এদিন হঠাতে মাকৰ মৃত্যু হৈছিল আৰু দি থৈ গৈছিল ডাঃ জনছনৰ পৰিয়ালক প্ৰসেনজিতৰ সম্পূৰ্ণ দায়িত্ব। ডাঃ জনচনৰ পৰিয়ালেও যেন তাকেই বিচাৰিছিল।

লাহে লাহে এলিজা ডাঙৰ হৈ আহিছিল আৰু স্কুললৈ যাব পৰা হৈছিল। লগতে গৈছিল প্ৰসেনজিৎ। একেখন স্কুলতে ডাঃ জনচনে দুয়োটাকে নাম ভৰ্তি কৰি দিলে। এনেকৈয়ে ডাঙৰ হৈ আহিছিল দুয়ো। এলিজাই যদিও প্ৰথমতে অসমীয়া ক'ব পৰা নাছিল কিন্তু লাহে লাহে তাই অসমীয়া ক'ব পৰা হৈছিলগৈ। প্ৰসেনজিতৰ ছবি অঁকাত বৰ ৰাপ আছিল সেইবাবে ডাঃ জনচনৰ পৰিয়ালেও তাক ছবি আঁকিবলৈ যথেষ্ট উৎসাহ উদ্দীপনাৰ লগতে সকলো সুবিধা কৰি দিছিল। আৰু সকলোতকৈ বেছি তথা প্ৰসেনজিতৰ সকলো সময়তে অভিভাৱকৰ দায়িত্ব লৈছিল এলিজাই। এলিজাই তাইৰ নিজৰ জীৱন মাথো প্ৰসেনজিতৰ বাবেই যেন উৎসৰ্গা কৰিছিল। প্ৰসেনজিতৰ প্ৰতিটো সাফল্যৰ স্বাক্ষৰ আছিল সেই মোহময়ী স্নেহময়ী এলিজা। প্ৰসেনজিতে আঁকি গৈছিল মাথো আঁকি গৈছিল অবিৰামভাৱে এখনৰ পিছত এখনকৈ ছবি। প্ৰসেনজিতৰ সেই ছবিবোৰে চিত্ৰ জগতত খলকনি তুলিছিল। বিভিন্ন ঠাইৰ পৰা ছবি অঁকাৰ আমন্ত্ৰণ পাইছিল। বহু ঠাইত লাভ কৰিছিল অভাৱনীভাৱে পুৰস্কাৰ তথা সন্মান যাৰবাবে তেওঁ নিজকে প্ৰসেনজিৎ দুৱৰা বুলি চিনাকি দিব পৰা হৈছিলগৈ। হয়তো আৰু অনেক প্ৰতিভাই প্ৰতিভাত হৈ উঠিব পাৰিলেহেঁতেন প্ৰসেনজিতৰ; কিন্তু...?

ডাঃ জনচনৰ একমাত্ৰ কন্যা এলিজাবেথক তেনেদৰে দেখি সুখী হব পৰা নাছিল পিতৃ-মাতৃয়ে। সেয়েহে তেওঁলোকে প্ৰসেনজিতক নজনোৱাকৈ এলিজাৰ বিয়া ঠিক কৰি পেলাইছিল আমেৰিকাৰ ডাঙৰ কোম্পানী এটাৰ বিষয়াৰ সৈতে। আৰু এলিজায়ো গম পোৱা নাছিল মৰমৰ ঠাইখন এৰি তাই চিৰদিনৰ বাবে গুচি যাব বহু দূৰলৈ। মাক-দেউতাকৰ লগত নিৰ্দিষ্ট সময়ত সেই নিৰ্দিষ্ট ঠাইখনত অৰ্থাৎ সেই ৰেল ষ্টেচনতেই বিদায় জনাইছিল তাই প্ৰসেনজিতক। মাথো কৈ গৈছিল "প্ৰসেনদা, তুমি ছবি আঁকি থাকিবা বহুত ছবি আঁকিবা। মই পঢ়িবৰ বাবেহে যাবলৈ ওলাইছো। দুখ নকৰিবা, মোৰ পঢ়া হ'লেই মই আকৌ গুচি আহিম ইয়ালৈ, তোমাৰ কাষলৈ। মই বিচাৰো তুমি চিত্ৰশিল্পী অৰ্থাৎ তুমি খুব নামী চিত্ৰশিল্পী হোৱা সেয়াই মোৰ প্ৰাৰ্থনা। তাৰ পিছত..

খন্তেক নীৰৱ হৈ গ'ল গভীৰ বেদনাৰে জৰ্জৰিত প্ৰসেনজিৎ দুৱৰা। বাগৰি আহিছিল তেওঁৰ দুয়ো চকুৰে দুটোপাল তপত অশ্ৰু। যিয়ে আজি সুদীৰ্ঘ ১২ বছৰে বেদনাৰে ভৰাই ৰাখিছে চিত্ৰশিল্পী প্ৰসেনজিৎ দুৱৰাক। এয়াই প্ৰসেনজিৎ দুৱৰা। যাৰ কেনভাচত বন্দী এলিজাৰ প্ৰতিটো হাঁহি, ধেমালি।

হঠাৎ নীৰৱতাক ভেদ কৰি প্ৰসেনজিৎ দুৱৰাই কলে- নিজৰা, এয়া চোৱা, এয়া এলিজা, মোৰ শৈশৱৰ লগৰী... যাৰ প্ৰেৰণাতে গঢ়ি উঠিছে মোৰ প্ৰতিখন ছবি। যাৰ বাবে মই ৰৈ থাকো ৰেলষ্টচনৰ সেই নিৰ্দিষ্ট ঠাইডোখৰত। প্ৰসেনজিতে সেই মোহময়ী গাভৰু গৰাকীৰ ছবিখন দাঙি ধৰিলে নিজৰাৰ ওচৰত। সঁচাকৈ প্ৰেৰণা দিব পৰা এযোৰ নীলা চকু ওঠত বিৰিঙি থকা হাঁহিটি, সঁচাকৈয়ে লিজাৰ তুলনা নাই।

নিজৰাই প্ৰসেনজিতৰ ৰহস্য ভেদ কৰি অনুভৱ কৰিলে সঁচাকৈয়ে জীৱনতকৈ ডাঙৰ কবিতা আৰু একো নাই। জীৱনটোক এক অনন্ত কবিতাৰ দৰে বুজাৰ-নুবুজাৰ, জোনাকৰ ধুমুহাৰ, নোপোৱাৰ-পোৱাৰ, পাই হেৰুওৱাৰ, কোমলতাৰ স্বপ্ন, সৌন্দৰ্য্য, পোহৰৰ, আন্ধাৰ, যন্ত্ৰনাৰ, নিসংগতাৰ.....।

আহিবনে বাৰু আকৌ এলিজা প্ৰসেনজিতৰ চিত্ৰত প্ৰাণৰ সঞ্চাৰ কৰিবলৈ? আৰু প্ৰসেনজিৎ? আঁকি যাব তেওঁ হৃদয়ৰ সমস্ত আবেগ ঢালি ইখনৰ পিছত সিখনকৈ ছবি মাথো এলিজাৰ বাবেই। এলিজাৰ স্মৃতিবোৰ জীয়াই ৰাখিব সি এলিজাবিহীন তাৰ প্ৰতিখন ছবিৰ যোগেদি চিৰদিনলৈ।

□□□

কথা শিল্প



# আশা

শ্ৰীআৰেশ শৰ্মা (ৰাজু)
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সিদিনা মঙ্গলবাৰৰ সন্ধিয়াটো তেওঁৰ বাবে শুভ নাছিল। এক বিষাদ ভৰা গধুৰ মনৰ বোজা এটি তেওঁ কঢ়িয়াই লৈ আহিছিল ঘৰলৈ বুলি। প্ৰবেশ কৰা মূল পদূলিৰ জপনাখন তেওঁ জপাবলৈ নাপাহৰিলে। ঘড়ীটোলৈ চালে যে ৭-১৫ মিনিট। তেওঁ পোনে পোনেই বাথৰুমলৈ গৈ মুখ হাত ধুই ললে আৰু পুৰণি ধুতি এখন পিন্ধি বেতৰ সেই পুৰণি চকীখনত বহি মূৰটো আওজাই থলে। শুনা নুশুনাকৈ কিবা মনতে ভাবিবলৈ ধৰিলে - হয় সি এতিয়া ডাঙৰ হৈছে।

শাইথাবাৰী গাঁৱৰ পুলক ভাগৱতী এজন গণ্যমান্য ব্যক্তি। সেই গাঁৱৰে তেওঁ 'শাইথাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হোৱা বাবে সকলোৱে সন্মান কৰে। বয়স ইতিমধ্যে আঢ়ৈ কুৰি পাৰ হৈছে। ঘৈণীয়েক মালতি একেবাৰে অসুখীয়া মানুহ, আজি বহু দিনৰ পৰাই হৃদ ৰোগী। দৰমহাৰ টকাবোৰ বেছিভাগ তেওঁৰ নামতেই গুচি যায়। সেয়ে তেওঁৰ মনত শান্তি নোহোৱা হৈছে। এয়াটো বাদেই আজি ভাগৱতীয়ে যি শুনিলে সেই ভাবিহে তেওঁৰ মনত উল্কাপাত হ'বলৈ আৰম্ভ কৰিছে। তেওঁ দুই হাতে চকুদুটি মোহাৰি দিলে, দুটোপাল চকুপানীয়ে তেওঁক আমনি কৰিছিল।

ঘৈণীয়েক মালতিয়ে হয়তো তেওঁ অহা গম পাইছিল। সেয়ে চাহ একাপ বনাই তেওঁ ভাগৱতীৰ আগত ধৰিছিল।

ঃ চাহ

ঃ অহঃ দিয়া (ভাগৱতী উচপ খাই উঠাৰ দৰে) ই আৰেশ এতিয়ালৈকে অহা নাই?

ঃ নাই সিনো ক'ত নটা-দহটাৰ আগতে ঘৰত আহে?

ভাগৱতীয়ে একো নকলে মাথো মনে মনে ৰ'ল। একমাত্ৰ ল'ৰা আৰেশ; তাৰ কথা ভাবিয়েই তেওঁৰ সেই অৱস্থা হৈছে। দিনত শান্তি নোহোৱা আৰু ৰাতি টোপনি নহা হৈছে। একো কথা কৈ তাক লাভ নাই মাথো হয় হয় কৰি থাকিব কিন্তু...। মালতিয়ে কিছু সময় নীৰৱে থাকি গিৰিয়েকৰ কাষৰ পৰা গুচি গ'ল। ভাগৱতীয়ে চাহৰ কাপত দুটা শোহা মাৰিলে আৰু চকীখনৰ পৰা উঠিল। তেওঁ মনতে হয়টো কি ভাবিলে হঠাৎ মইনাৰ ৰুমটোলৈ বেগেৰে সোমাই গ'ল। 'মইনা' এইটো তেওঁৰ অতি মৰমৰ মাত। এতিয়া সেই মইনাই আৰেশ হৈ য'তে ততে মদ পানী খাই উদ্ভণ্ডালি কৰিছে কৰবাত চুচৰি-বাগৰি ফুৰিছে। বি,এ, ফাইনেল দিয়াৰ পৰা তাৰ আৰু হুচ নোহোৱা হৈছে। ভাগৱতীয়ে দেখিলে মইনাৰ ৰুমটো বৰ লেতেৰা হৈ আছে কিতাপ পত্ৰবোৰ। পঢ়া টেবুলত পানীৰ জগ আৰু গ্লাচ এটাও আছে। টেবুলৰ ওচৰতে একাষৰীয়াকৈ থোৱা এটি ডায়েৰীলৈ ভাগৱতীৰ চকু গ'ল। হয় সেয়া মইনাৰেই। সেয়া তেওঁৰ চিনি পাবলৈ বাকী নাথাকিল। তেওঁ ভাবিলে মইনাই লিখা ডায়েৰীত বাৰু কি আছে? তেওঁ এবাৰ পাত লুটিয়াই চালে। ডায়েৰীৰ আচল মৰ্ম সি পাহৰিয়েই গৈছে মাথো লিখি গৈছে যি মনত আহে। ভাগৱতীয়ে ভাবিলে, তেওঁ পঢ়িব নেকি এবাৰ যিবোৰ তাত লিখা আছে।

"মানুহৰ জীৱনটো বাস্তৱত পৰিণত কৰাটো একেবাৰে টান। মনে ভবা সকলোটি কাম হয়তো এই জীৱনটোত সফল নহবও পাৰে। সি যি কি নহওক, সপোন আনন্দময় অভিজ্ঞতাৰ ভৰালো হব পাৰে অথবা ভয়ংকৰো হ'ব পাৰে। ভয়ংকৰ ঘটনাৰ আলমত অশান্তিৰ কঠীয়া তলি। অৱশ্যে সুখক যেনেকৈ দুখ নহলে চিনিব নোৱাৰি দুখকো তেনেকৈ সুখ নহলে চিনিব নোৱাৰি। প্ৰকৃতাৰ্থত ইটো সিটোৰ পৰিপূৰক। কাৰোবাক নিজৰ কৰি পাবলৈ সপোন দেখাটো পাপ নহয়। ভাল বা বেয়া যিয়েই নহওক কিয় সপোন সপোনেই। সপোনৰ এখন নিজস্ব জগত আছে। এক বৰ্ণিল পৰিৱেশ আছে। সপোনক বুকুত লৈয়েই বহু সময়ত আমি ভৱিষ্যতৰ বাটত খোজ দিওঁ। আমি সাহসী হওঁ, আমি প্ৰেমিক হওঁ, আমি তেজস্বী হওঁ। আত্মাৰ অনুসন্ধান মোৰ বাবে বৰ আচহুৱা লাগে। কিয় বা এখন হৃদয়ে আন এখন হৃদয়ক বিচাৰে? কিহৰ কাৰণে বা সেই মাদকতা বৰ অসহ্যকৰ হৈ পৰে? তাৰ ওৰ বিচাৰি উলিওৱা মোৰ বাবে যেন অসম্ভৱ হৈ পৰিছে। মই এনেকুৱা এজনী ছোৱালীৰ প্ৰেমত পৰিলো যাৰ হৃদয় মোৰ বাবে মৰমৰ কোনো ক্ষুধা অলপো বিচাৰি

নাপালো। তাই ভাল পাব জানে মাথো মোকেই নহয়, মোৰ দৰে আন বহুতকো। তথাপি এখন ভঙা হৃদয়েৰে মই বহু সপোন ৰচিলো।" - আৱেশ

ভাগৱতীয়ে এইবাৰ ডায়েৰীৰ প্ৰথম পাত খিলা আতৰাই দিলে। তাত তেওঁ আৱেশৰ কবিতাৰ শাৰীবোৰ পঢ়ি চাবলৈ চেষ্টা কৰিলে।

হেৰা পথিক সকল
যি জনীয়ে মোৰ চকুত চকু থব
পাৰিছিল
যি জনীয়ে মই নহ'লে সুখেৰে
থাকিব নোৱাৰিছিল
সেইজনী এতিয়া আনৰ ভাল
পোৱা
আনৰ কামনাৰ সামগ্ৰী
প্ৰেম কৰে; পাৰ্কত বহে
অথবা
ভাদ মাহতো কৰবাত মঠ মন্দিৰ
বিচাৰে
যাতে ঘৰত বাহানা দি মনৰ
কথা পাতিব পাৰে।
হেৰা পথিক সকল
মোলৈ পুতৌ নকৰিবা
তাই যে মোৰ চকুত ধূলি
দিলে।

এজাক ধুমুহাই মোৰ হৃদয় গছকি মোহাৰি গ'ল। মই অসহায় হৈ পৰিছো। জানাইটো ধুমুহা আহিলেও বিপদ, ধুমুহা হৈ যোৱাৰ পিছতো বিপদ। আশ্ৰয় লবলৈ কেতিয়াবা এটি পজাঘৰো বাকী নাথাকেগৈ। মইতো এতিয়া সকলো পায়ো হেৰুৱাইছো। প্ৰায়ে মনত পৰি যায় তাইৰ মৰমৰ কথা বোৰলৈ। 'আৱেশ, মৰমত দিয়া প্ৰত্যেকটো বস্তুৰে মূল্য আছে, তাৰ বাস্তৱিক মূল্যৰ লগত প্ৰেমৰ কোনো তুলনা নহয় অৰ্থাৎ মৰমৰ উপহাৰ সকলো সমান, যিমান ডাঙৰ উপহাৰ দিয়া সিমানেই বেছি মৰম তোমাৰ আছে বুলি পৰিচয় দিয়াটো ভুল হ'ব।' যদি সেয়াই আছিল তাই মোৰ পৰা কি বিচাৰিছিল? কিহৰ বাবে তাই মোৰ লগত অভিনয় কৰিছিল আৰু মই জানো কেতিয়াবা এইবোৰ পাহৰিব পাৰিম?

আজিও পাহৰা নাই মই
তোমাৰ হাতৰ পৰশ
মৰমত দিয়া প্ৰত্যেকটো
বস্তুৰেই মূল্যৱান
তুমি কৈছিলা
কল্পিত জীৱনৰ স্নিগ্ধ সুবাস
অতীতৰ স্মৃতি ৰাজি
আৰু বৰ্তমান যেন একোটি
জয়াল নিশা
মৰমৰ জান
বহুদিন হল মোৰ
তোমাৰ বতৰা নোপোৱাৰ
ব্যস্ততাৰ মাজতো মই সাঁচিছো
অলেখ মৰম
আকাংশা মাথো মিলনৰ
-মৰমৰ প্ৰিয়ালৈ আৱেশ

ভাগৱতীয়ে ডায়েৰীত লিখা গল্প কবিতাৰ দৰে লিখা শাৰী যি কেইটা পঢ়িলে তাৰ পৰা তেওঁ বহুখিনিয়েই বুজি পালে। হয় তেওঁৰ ল'ৰা প্ৰেমত পৰিছে আৰু হাবুডুবু খাইছে। ভাগৱতীৰ ডয়েৰী বহীখন আগলৈ পঢ়ি যাবলৈ আৰু ধৈৰ্য্য নহ'ল। তেওঁ ডায়েৰীখন লৈ মইনাৰ কমৰ পৰা ওলাই আহিল আৰু আগৰ দৰেই পুৰণি বেতৰ চকীখনত আউজি বহিল। তেওঁৰ মনত বহু কথাই মূৰটো ওলট পালট লগাবলৈ ধৰিলে। তাৰ মানে কনক, জীৱনহঁতে কোৱা কথা মিছা নহয়। তেওঁক আজি বাটত কনকে লগ পাই কৈছিল- বোলে দদাই কথা এটা কওঁ বেয়া নাপাবি, মই মানে মইনাৰ কথাকে কব বিচাৰিছো। ই মইনা আজিকালি বৰ বেয়া হৈছে। কোনোবাদিনা দেখিবা কৃষ্ণচূড়াৰ তলত বহি প্ৰেম কৰি থাকিব আকৌ কোনোবা দিনা দেখিবা শাইথাবাৰী হাইস্কুলৰ ছোৱালী জোকাই থাকিব। এইবোৰতো বাদেই, এটা সময়ত আমিও কৰিছিলো। আচল কথা হ'ল, সিদিনাখন ই মদ পানী খাই ৰাস্তাৰ কাষত পৰি আছিল। মই আহি তুলিলো আৰু মোৰ ঘৰতে ৰাখিলো। আপোনাৰ ঘৰলৈ নাহে, ইয়াক কোনোৱাই প্ৰতাৰিত কৰিলে বোলে। দদাই আৱেশ ঘৰৰে ল'ৰা। তাক আপুনি ভালদৰে বুজাওক সি নিশ্চয় বুজিব। সকলো কথা পৰিষ্কাৰ হোৱাৰ পাছত ভাগৱতী যেন এক নতুন সমস্যাৰ সন্মুখীন হৈছিল, মইনাক তেওঁ কেনেকৈ বুজাব? ভাগৱতীয়ে ঘড়ীটোলৈ চাইছিল। হয় ঠিকেই ৯-৩৫ বাজিছে। আৰু এতিয়ালৈকে আৱেশ অহা নাই। ভাগৱতীৰ মনটো আৰু ইচ পিচ কৰিবলৈ ধৰিলে, তেওঁ ততালিকে মইনাৰ কমলৈ সোমাই গ'ল আৰু এটি কলম বিচাৰি উলিয়ালে। তেওঁ মইনাৰ সেই ডায়েৰী বহীটোৰ ওপৰতেই লিখি দিলে।

সত্যৰ বাবে সকলো ত্যাগ কৰা;
কিন্তু সত্যক কাৰোবে পৰা ত্যাগ নকৰিবা।
-পুলক ভাগৱতী।

অইন দিনাখনতকৈ মইনা যেন আজি বৰ সোনকালে ঘৰলৈ আহিছিল। আহিয়েই দেখে দেউতা (পুলক ভাগৱতী) পুৰণি বেতৰ চকীখনত বহি আছে। ভাগৱতীয়ে আৱেশলৈ ডায়েৰীখন আগবঢ়াই দিলে আৰু মৌন হৈ মুখলৈ চাই তাকিল। আৱেশে হাত পাতি ডায়েৰীখন ললে আৰু ডায়েৰীৰ ওপৰত লিখা বাক্যশাৰী পঢ়িলে। আৰু আচৰিত হোৱাৰ দৰে দেউতাৰ মুখলৈ চালে। আৱেশে দেখিলে ভাগৱতীৰ চকুলোৰ বান্ধ ভাঙি দুগালেৰে বৈ গৈছে। □□□

# নিসংগ জীৱন

কাকলি নাথ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



.... কিছুদিনৰ পৰা ক্ৰমান্বয়ে নিশাবোৰ তাইৰ বাবে বৰ যন্ত্ৰণাদায়ক হৈ পৰিছে। বিচনা ইকাটি-সিকাটি কৰিও শুব পৰা নাই। এনে লাগিছিল যেন তাইৰ টোপনি নাহিবই। নিশা তেতিয়া গভীৰৰ পৰা গভীৰতৰ হৈ আহিছে। সকলো মানুহ ইতিমধ্যে নিদ্ৰাৰ নিচাত মতলীয়া। চৌদিশে বিৰাজ কৰিছে এক বিশাল নিস্তব্ধতা। বাহিৰত মাত্ৰ দুই এজনী চৰাইৰ মাতে ক্ষন্তেকৰ কাৰণে হ'লেও নিস্তব্ধতা ভংগ কৰি গৈছে। কেইদিনমানৰ পৰা তাইক অতীতবোৰে বৰকৈ আমনি কৰেহি। তাই যেন ক'তো শান্তি নাপায়। কেৱল মাত্ৰ এটা কথাই বাৰে বাৰে আমনি কৰি থাকে। তাইৰ মনত উঠোতে বহোতে সদায় এটাই প্ৰশ্ন জাগে ঘটনাবোৰনো কেনেকৈ ঘটি গ'ল?

আজি প্ৰায় দু বছৰেই হ'ল উপাসনা অকলশৰীয়া হ'বলৈ। উপাসনাই ভাবিবলৈ বাধ্য হৈছে তাইৰ যেন এই সংসাৰত কোনোৰেই নাই। হয়তো আছে তাইৰ একমাত্ৰ স্বামী অৰ্ণৱ বৰুৱা। হ'লেও উপাসনাৰ মতে এই পৃথিৱীত তাই হেৰুওৱা জনৰ অভাৱ পূৰণ কৰিবলৈ যেন কোনোৱেই নাই। কথাবোৰ ভাবিলেই তাইৰ ডিঙিটো সোপা মাৰি ধৰে আৰু বুকুখন ধৰফৰাই উঠে। দুচকুৰ লোটক কেতিয়া নিগৰি আহে তাই গমকেই নাপায়। তেনেকৈয়ে কান্দি কান্দি তাই পাৰ কৰে দুখময় সময়বোৰ। মাজে মাজে থোকাথোকি মাতেৰে তাইৰ অতি মৰমৰ, হেপাঁহৰ মিতুৰ লগত কথা পাতে যেন সি ওচৰতে আছে। তাক সোধে- 'মিতু.. মোৰ মিতু.. তই মোক কিয় এৰি গুচি গ'লি ক'চোন... তোৰ অবিহনে মই আজি কিমান নি:সংগ, চাই যোৱাহিচোন মিতু! বুকুৰ ভিতৰত তোক অকালতে হেৰুওৱাৰ দুৰ্বিষহ দুখৰ বোজা লৈ মই কেনেকৈ জীয়াই আছো চাই যোৱাহিচোন মিতু..!' এনেকৈয়ে উপাসনাই তাইৰ অতি হেপাঁহৰ ল'ৰা মিতুৰ লগত প্ৰায়ে নিৰলে কথা পাতে আৰু হুকহুকাই কান্দি উঠে।

মিতু- উপাসনাৰ একমাত্ৰ ল'ৰা। মৰমৰ মিতুৱে এই মায়াময় সংসাৰ এৰি যোৱা এই জুনত দুই বছৰ সম্পূৰ্ণ হ'ল। ওচৰ চুবুৰীয়াৰ, গাঁৱৰ, শিক্ষকৰ আৰু বন্ধুবৰ্গৰ সকলোৰে মাজত মিতু, মৃত্যুঞ্জয় নামেৰে পৰিচিত। কিন্তু মাক-দেউতাকেহে মৰমতে তাক মিতু বুলি মাতে।

বয়স তেতিয়া তাৰ ১৬ বছৰত মেট্ৰিক পৰীক্ষা দি উঠিছেহে। পৰীক্ষা শেষ হ'বলৈ এমাহো সম্পূৰ্ণ হোৱা নাই। পৰীক্ষা দি উঠিয়েই সি দেউতাকক খাটনি ধৰিছে। দেউতা ফুৰিবলৈ যাম। অমুক চাম-তমুক চাম। মুঠৰ ওপৰত দেউতাকৰ ওচৰত তাৰ নানান দাবী। মিতুৰ দেউতাক অৰ্থাৎ উপাসনাৰ স্বামী অৰ্ণৱ বৰুৱাই চাকৰি কৰিছিল। চাকৰিৰ ব্যস্ততাত একমাত্ৰ সন্তানৰ ইচ্ছাৰ কথা যেন তেওঁ পাহৰিয়েই থাকে। সেইবাবেই উপাসনাই তাক বেছি মৰম কৰে। দেউতাক নথকা সময়খিনিতো যেন দেউতাকৰ অভাৱ অনুভৱ নকৰে। সেই ভাবিও হয়তো হিচাপতকৈও অলপ বেছি মৰম কৰে। অৱশেষত পুত্ৰৰ কথা পেলাব নোৱাৰি তাৰ দাবী মানি লৈ দেউতাকে কেইদিনমানৰ বাবে চাকৰিৰ পৰা ছুটী ল'লে আৰু তিনিও ফুৰিবলৈ যোৱা ঠিৰাং কৰিলে। সি যাবলৈ বিচৰা ঠাই বিলাক ঘূৰাই লৈ ফুৰালে। এনেদৰে ঘূৰি ফুৰোতে মিতুৰ জ্বৰ হ'ল। এদিন দুদিনকৈ বেছি হ'বলৈ ধৰিলে। ডাক্তৰকো দেখুৱা হ'ল। জ্বৰ কমিল হয়, কিন্তু এমাহমানৰ পিছত আকৌ জ্বৰ আৰম্ভ হ'ল। ইয়াৰ পিছত প্ৰায় এক সপ্তাহ মানহে সি সুস্থ হৈ থাকে। আকৌ জ্বৰ হয়। মাক-দেউতাকৰ চিন্তা দুগুণে বাঢ়িল। অৱশেষত ডাক্তৰে তাৰ টাইফয়ড জ্বৰ হোৱা বুলি ক'লে। মাক-দেউতাক চিন্তাত ভাগি পৰিল। বহুতো টকা ডাক্তৰ আৰু ঔষধৰ নামত খৰচ কৰিলে। কিন্তু ভগৱানেও মুখ দাঙি নাচালে। নিয়তিৰ কি পৰিহাস! অৱশেষত এদিন মাজৰাতি মাক দেউতাক আৰু আত্মীয় কুটুম সকলোকে কন্দুৱাই সি চিৰদিনলৈ গুচি গ'ল। এটি সুকোমল ফুলৰ কলি পূৰ্ণ বিকশিত হোৱাৰ আগতেই নিষ্ঠুৰ নিয়তিয়ে অকালতে ছিঙি পেলালে। সি উৰি গুচি গ'ল কোনোবা অজান দেশলৈ- তাৰ মৰমৰ পৃথিৱীখন আৰু মৰমৰ মানুহবোৰক এৰি।

এটি সন্তানেৰে ভৰা উপাসনা আৰু অৰ্ণৱৰ এই সুখৰ সংসাৰখন মুহূৰ্ততে

থানবান হৈ পৰিল। জীৱনৰ গতি যেন ৰুদ্ধ হৈ গ'ল। শোক সাগৰত পৰিল উপাসনা আৰু তাইৰ স্বামী অৰ্ণৱ বৰুৱা। এই অভাৱনীয় শোকাবহ পৰিস্থিতিয়ে বোবা কৰি পেলালে তেওঁলোকক। মিতু বিহীন জীৱন যেন অসম্ভৱ।

দুমাহ পিছত মিতুৰ ৰিজাল্ট ওলাল। সিদিনা তাৰ ৰিজাল্টৰ কথা শুনি উপাসনা আনন্দত আৰু শোকত পাগলৰ দৰে হ'ল। কান্দিছে বহুত কান্দিছে, হিয়াঢাকুৰি কান্দিছে। তাই স্থিৰে থাকিব পৰা নাই। মিতুৰ ফটোবোৰ চাই চাই কেৱল তাৰ গুণ বখানিহে আছিল। এবাৰ হাঁহিছে, এবাৰ কান্দিছে। তাইক সান্ত্বনা দিবলৈ যেন কাৰো ভাষাই নাছিল।

ওচৰ চুবুৰীয়াৰ গাঁৱৰ, শিক্ষকৰ আৰু বন্ধুবৰ্গৰ মাজত মিতু সকলোৰে অতি প্ৰিয় আছিল। মিতু সৰুৰ পৰাই বৰ অমায়িক আৰু ভদ্ৰ আছিল। সি কাৰো অবাধ্য নহৈছিল। সি সকলোৰে সুখত সুখী আৰু দুখত দুখী আছিল। সেইবাবেই নেকি সকলোৰে তাক মৰম কৰিছিল। যিদিনা সি মেট্ৰিক পৰীক্ষাত ষ্টেণ্ড কৰা বুলি খবৰ ওলাইছিল সিদিনা ওচৰ চুবুৰীয়াৰ, গাঁৱৰ, শিক্ষকৰ আৰু বন্ধুবৰ্গ সকলোৰে চকুলো নিগৰি আহিছিল। কাৰণ সকলোৰে এটাই প্ৰশ্ন সি যদি আজি থাকিলহেঁতেন। পঢ়া শুনাতে সি সীমাবদ্ধ নাছিল। পঢ়াৰ উপৰিও মিতুৱে খেলা ধূলাতো পাৰদৰ্শিতা দেখুৱাইছিল আৰু গান গাই, সাহিত্য চৰ্চা কৰিও ভাল পাইছিল আৰু সেইমতে ভালদৰে সফলো হৈছিল। সেইবাবেই কিজানি মাক-দেউতাকক সান্ত্বনা দিবলৈ কাৰো ভাষায়েই নাছিল। মিতুক লৈ কিমান সপোন আছিল উপাসনা আৰু অৰ্ণৱৰ। পৰীক্ষাৰ ফলাফল ওলাব। ৰিজাণ্ট ভাল হ'লে ভালদৰে পঢ়াব। হয়তো ডাক্তৰ বনাব নহ'লে ইঞ্জিনিয়াৰ। মুঠৰ ওপৰত তাকলৈয়ে কিমান যে সপোন আছিল। সেই কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

যিতো নভবা হয়, বাস্তৱত যেন সেইটোৱেই ঘটি থাকে। হয়তো এনেকুৱাই হয়। সকলোৰে সকলোৰে হেপাঁহৰ, অতি মৰমৰ বস্তু বা সম্পত্তি অকালতেই হেৰুৱাবলগীয়া হয়। বৰ্তমানেও এনেকৈয়ে জীয়াই আছে উপাসনা। মিতুৰ ফটোবোৰ তাই বেছি চাব নোৱাৰে। কিয় জানো দেখিলেই তাইৰ বুকুত কঁপনি উঠে। থাকক তাৰ জীৱন্ত ফটোবোৰ তেনেকৈয়ে থাকক। সেইবোৰ চাই কলিজাৰ কেঁচা ঘা ডোখৰত আৰু আঘাত হানিব নোখোজে তাই। সেই ঘাৰ বিষ সহি সহি এতিয়া তাই জীয়াই থাকিবলৈ শিকিছে। নিসংগতাত তাই এতিয়া কেৱল চকুলো টোকে। তাই ভাৱে ইমান নিসংগ জীৱন তাইনো কেনেদৰে কটাব। যিহেতু গিৰিয়েকে দিনৰ দিনটো অফিচৰ কামতেই ব্যস্ত থাকিবলগীয়া হয়। সঁচাকৈয়ে মিতুৱে কোনো আগজাননী নিদিয়াকৈ হঠাৎ এই পৃথিৱীৰ পৰা চিৰবিদায় মাগিলে। মাত্ৰ জ্বৰহে হৈছিল উপাসনাৰ সেই কথা মনত পৰিলেই মনটো বিষাদেৰে ভৰি পৰে আৰু মূৰটো আচন্দ্ৰাই কৰে। তাই দিনৰ দিনটো অকলে অকলে সেইবোৰ ভাবি থাকি ভাত-পানী খাবলৈয়ে পাহৰি যায়। কেতিয়াবা বন্ধা ভাত ৰন্ধাই থাকে। গিৰিয়েকে অফিচৰ পৰা আহি সেইবোৰ দেখা পাই বাকৰুদ্ধ হৈ পৰে। এনেদৰে প্ৰায়ে দুয়ো লঘোনে থাকে। মিতুৰ দেউতাকেও তাৰ কথা ভাবি ভাবি অৱশ হৈ পৰে। কিন্তু তেওঁ নিজকে নিজেই চম্ভালে। নহ'লে তেওঁ ভাগি পৰিলে উপাসনাৰ অৱস্থা কি হ'ব? তথাপিও যেন তেওঁ মনটোক বুজাব নোৱাৰে।

এনেকৈয়ে.. এনেকৈয়ে হঠাতে এদিন শেষ হৈ গ'ল এটি সম্ভৱনাপূৰ্ণ জীৱন। আধৰুৱা হৈ ৰ'ল জীৱনৰ সকলো স্বপ্ন, আশা-আকাংক্ষা। সন্তানহাৰা উপাসনাৰ বিধ্বস্ত জীৱনত এতিয়া কেৱল শূন্যতা আৰু শূন্যতা। মিতু তাইৰ কেৱল প্ৰথম সন্তানেই নাছিল, সি আছিল উপাসনাৰ আদৰৰ একমাত্ৰ পুত্ৰ, তাইৰ সুখৰ-দুখৰ একমাত্ৰ লগৰী। এতিয়া প্ৰতিটো দিন আৰম্ভ হয় উপাসনাৰ এক গভীৰ বেদনাবোধেৰে আৰু নিশা তাৰ সমাপ্তি ঘটে কৰুণ হুমুনিয়াহেৰে। উপাসনাই মনে মনে ভগৱানক প্ৰাৰ্থনা কৰে- 'মিতু', সপোনত তুমি আহিবা দেই... তুমি য'তেই আছা সুখে শান্তিৰে, আনন্দৰে থাকা। মই ভগৱানক সদায় প্ৰাৰ্থনা কৰো তোমাৰ যেন পুনৰ জন্ম হয়। তোমাৰ অপেক্ষাত মই ভাগৰুৱা হৈ পৰিছোঁ। তোমাৰ প্ৰাণভিক্ষা কৰি তোমাৰ অপূৰ্ণ হৈ ৰোৱা আশা আকাংক্ষাবোৰ পূৰ্ণ কৰিবলৈ প্ৰাৰ্থনা জনাওঁ নেদেখাজনক। হে ভগৱান! মিতুৰ জন্ম হওঁক কোনো সৌভাগ্যবান পিতৃ মাতৃৰ জীৱন আলোকিত কৰি। পূৰ্ণতাৰ প্ৰাপ্তিৰে ভৰি পৰক মিতুৰ বিগত আধৰুৱা জীৱন। কেৱল মহান প্ৰভুৰ ওচৰত এই দুখনী শোকাতুৰা মাতৃৰ এয়ে পৰম নিবেদন।

বুকুত দুখৰ বোজা লৈ শোক সাগৰত ডুব গৈ থকা উপাসনাই জীৱন বাটত এনেকৈয়ে চলি আছে। জীৱনৰ ছিঙি যোৱা জৰীডাল পুনৰ জোৰা দি তাই খুপি খুপি আগুৱাই গৈ আছে জীৱন নদীৰ সিপাৰলৈ- য'ত বৈ আছে তাইৰ হিয়াৰ আমঠু মিতুৱে তাইক আঁকোৱালি লব'লৈ। উপাসনাই গভীৰ নিশা টোপনিত প্ৰায়ে চিঞৰি উঠে- 'মিতু, মই গৈ আছো তোমাৰ ওচৰলৈ...।' হয়, উপাসনাই এনেকৈয়ে নিসংগ জীৱনেৰে জীয়াই থাকিব লাগিব বুকুৰ মাজত একুৰা জীয়া জুই লৈ, আমৃত্যুলৈ...!

□□□

# নিস্তব্ধতাৰ শিকলি

হৰেন্দ্ৰ চন্দ্ৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

দুৱাৰখন খোলা দেখি অনুপ ভিতৰলৈ সোমাই আহিল। বাহিৰত কোনোধৰণৰ শব্দ নুশুনি সি ভিতৰলৈ সোমাই আহিবলৈ বাধ্য হ'ল। ভিতৰত হৈ থকা গুণ গুণনি কিছু সময়ৰ বাবে নিস্তব্ধ হৈ ৰ'ল। দীপুৰ মাকে অনুপক চকীখন আগবঢ়াই দি ক'লে, জানা অনুপ; দুখীয়াৰ দুখ কোনোদিনে শেষ নহয়। মৃত্যুৰ পিছতহে আমাৰ দুখবোৰ গুচি যাব। দীপুৰ একমাত্ৰ ভনীয়েক জুৰি আহি অনুপৰ ওচৰত থিয় দি থকা সি গমেই পোৱা নাছিল। সঁচাই অনুপদা, আমাক এই দুখবোৰ দি থকাতকৈ ভগৱানে মাৰি নিনিয়ে কিয়?

অনুপে একো ধৰিব নোৱাৰি তধা লাগি এবাৰ দিপুৰ মাকৰ মুখলৈ আৰু ভনীয়েকৰ মুখলৈ চাই বিবুদ্ধিত পৰিল। তাৰ মুখেৰে একো নোলোৱা হ'ল। অনুপৰ বাবে চাহ বনাবৰ আদেশ দিলে। অনুপে লগে লগে কলে নাই নালাগে খুড়ীদেউ চাহ নালাগে। বহুদিন আপোনালোকৰ কোনো খা-খবৰ নাপাই ওলাই আহিলো। দীপুক বহুদিন লগ নাপাই ভাবিলো খবৰ এটাকে লৈ আহো। পিছে দীপু ঘৰত নাই নেকি খুড়ীদেউ?

কি কম অনুপ বোপা, তাৰ কথা। সি আজি কালি ঘৰৰ পৰা ওলোৱা বাদ দিছে নহয়। সিদিনা ডাক্তৰৰ পৰা খবৰটি পোৱাৰ পিছৰ পৰা সি একেবাৰে মন মাৰি থাকে। কলেজলৈ নোযোৱা আজি প্ৰায় দুমাহ হ'ল। মাজে সময়ে তাৰে দুই এজন বন্ধু আহি খবৰ লয় হি। কথাষাৰ শুনি অনুপে একো ধৰিব নোৱাৰি আচৰিত হৈ উঠিল। কি? দীপুৰ কি হৈছে? মইতো আজিলৈ একো খবৰ পোৱা নাই। মই হলে একো ধৰিব পৰা নাই? কওকচোন খুড়ীদেউ দীপুৰ কি হৈছে? এতিয়া সি ক'ত আছে? কেইদিন মান আগতে তাৰ এজন বন্ধুৰ পৰা কিবা সৰু সুৰা অসুখ হোৱা বুলিহে শুনিছিলো।

দীপুৰ মাকে চকু পানী টুকি টুকি কবলৈ আৰম্ভ কৰিলে। অনুপ বোপা, মই তাক বহুত বুজালো কিন্তু কোনো ফল নধৰিল। সি মোৰ কথা নামানিলে। মই তাক বহুত চেষ্টা কৰিও অসৎ সংগ ত্যাগ কৰাব নোৱাৰিলো। সিহে মোক ফিতাহি মাৰি উঠে। ডেকা তেজ মঙহৰ ল'ৰা বেছিকৈ কবও নোৱাৰি। সিদিনা যেতিয়া ভনীয়েক আৰু মই তাক জোৰকৈ ধৰিলো তেতিয়াহে তাৰ মুখেৰে কথাষাৰ ওলাল। অনুপে মনতে ভাবিলে যে নিশ্চয় দীপুৰ কিবা ডাঙৰ বিপদ হৈছে।

কিছু সময় ৰৈ নীৰৱতা ভংগ কৰি আকৌ মাকে কবলৈ আৰম্ভ কৰিলে। সি প্ৰথমে আমাক খুলি কোৱা নাছিল যেতিয়া তাক খোৱা লোৱাত ব্যতিক্ৰম দেখিলো তেতিয়া মই তাক সুধিব বাধ্য হলো। সি প্ৰথমে একো হোৱা নাই বুলি সদায় ফাঁকি দি আহিছিল। সি যেতিয়া ঘৰৰ পৰা ওলাই যায় তেতিয়া নিশা কিমান হয় তাৰ ঠিকনা নাই। মই বাহিৰতে বহি বহি তালৈ বাট চাই থাকো। ঘৰলৈ অহাৰ পিছত কেতিয়াবা ভাত খায় আৰু কেতিয়াবা কুকুৰটোক ঢালি দিয়ে। তাৰ পিছত এদিন মই তাৰ বিচনা ঠিক ঠাক কৰিব গৈ তাৰ টেবুলৰ ওপৰত কেইটামান টেবলেটৰ সৈতে ডাক্তৰৰ চিলিপ এখন দেখিলো। লগে লগে মই ৰিজুক মাতি আনি দেখুৱালো। সিদিনাৰ পৰা মই আৰু ৰিজুৱে তাৰ খোৱা লোৱাৰ ওপৰত দৃষ্টি ৰাখিলো। কিবা সুধিলেও ফাঁকিৰ বাহিৰে কোনোদিনে সত্য কথা কোৱা নাছিল। পিছত এদিন তাৰ বন্ধু এজনৰ পৰা গম পালো দিপুৰ হেনো গুটখা আৰু চিগাৰেট সেৱনৰ ফলত তাৰ মুখত কেন্সাৰ হৈছে। দিনক দিনে সি একো খাব নোৱাৰা হৈ পৰিছে। কথাষাৰ শুনাৰ পিছত আমাৰ দুয়োৰে জীৱ উৰি যোৱা যেন হৈছিল।

এদিন নিশা মই আৰু ৰিজুৱে খোৱা লোৱা শেষ কৰি দুয়ো লেমটো জ্বলাই তাৰ অপেক্ষাত ৰৈ আছিলো। ঠিক নিশা ১০ বাজি গৈছে, সি আহি তাৰ কোঠাত সোমাল। পিছে পিছে ৰিজু আৰু মই তাৰ ৰুমৰ দুৱাৰ মুখ পালোগৈ। সি দুৱাৰখন বন্ধ কৰিব খুজিছিল যদিও আমাক দেখি ৰৈ গ'ল। আমি দুয়ো সোমাই গলো তাক বিছনাতে বহাই লৈ সুধিব আৰম্ভ কৰিলো। দীপু, তোৰ আজি কালি একেবাৰে ঘৰত মন নোহোৱা হৈছে তোৰ চেহেৰা দিনক দিনে বেয়া হৈ গৈছে। তোৰ যে এজনী ভনী আছে তাইৰ কোনো গুৰুত্ব নিদিয়া হলি। তই ইমান দিনে আমাৰ পৰা লুকুৱাই আছিলি, আজি আমাক কবই লাগিব। তই আৰু ফাঁকি দিবলৈ চেষ্টা নকৰিবি? দেউতাৰৰ মৃত্যুৰ পিছত মই তহঁতক কেনেকৈ ডাঙৰ দীঘল কৰিলো একমাত্ৰ ভগৱানেহে জানে। মোৰ সহায়ৰ হাত হিচাপে মোৰ নিজৰ হাত খনৰ বাহিৰে কোনো নাছিল। মই ভাবিছিলো তহঁত ডাঙৰ হলে মই সুখৰ চানেকি দেখিম। কিন্তু আজি এইবোৰ মই কি শুনিছো? কি দেখিছো?

এনেতে ভনীয়েক ৰিজুই তাৰ কাষলৈ গৈ কলে দাদা তই আমাক আজি আৰু ফাঁকি দিবলৈ চেষ্টা নকৰিবি? আমি ঘৰখনত মাত্ৰ তিনিটা প্ৰাণী। ইজনে সিজনক ফাঁকি দি শান্তিত থাকিব পাৰিম জানো?


কিছু সময় তিনিও নীৰৱ হৈ থাকিল। দিপুৱে ভনীয়েকৰ ডিঙিত ধৰি চিঞৰি চিঞৰি কান্দি কবলৈ ধৰিলে মই আৰু ফাঁকি দিব নিবিচাৰো। কাৰণ তহঁতে এদিন গম পাবি। মই আৰু তহঁতৰ মাজত বেছি দিন জীয়াই থাকিব নোৱাৰিম। মোক তহঁতে অভিশাপ নিদিবি? মোৰ গুটখা আৰু চিগাৰেট সেৱনৰ ফলত মুখত কেন্সাৰ হৈছে। সঁচাকৈ মই আজি শেষ হৈ গ'লো। এইখিনি কোৱাৰ পিছত দীপুই আৰু একো কব নোৱাৰিলে।

গোটেই ঘটনা শুনাৰ পিছত অনুপে এটা হুমুনিয়াহ কাঢ়িলে। সঁচাই দীপু আজি মৃত্যু পথৰ যাত্ৰী নেকি? সি কিছু সময় চিন্তা কৰি ভাবিলে দীপুক আকৌ ডাক্তৰৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগিব। দীপুৰ শুই থকা বিছনাখনৰ কাষলৈ গৈ তাক মাত নিদি সি ওচি আহিল।

এদিন দীপুক নাৰ্চিং হোমত ভৰ্তিৰ ব্যৱস্থা কৰা হ'ল। কিন্তু কোনো ফল নধৰিল। তিনিদিন নাৰ্চিং হোমত থকাৰ পিছত ঘৰলৈ অনা হ'ল। ক্ৰমান্বয়ে দিন বাগৰি গ'ল। সময়ৰ সোঁত যেন সাগৰতকৈ গভীৰ হৈ আহিল। সিদিনা দুপৰীয়া ঠিক ১ বাজিছে। অনুপৰ মোবাইলত চিনাকি সুৰটো বাজি উঠিল। অনুপে ভাত খোৱা আধা কৰি মোবাইলটো হাতত তুলি ললে। নম্বৰটো আছিল দীপুৰ বন্ধু অখিলৰ। ফোনটো ৰিচিভ কৰাৰ লগে লগে আনফালে শুনা গ'ল কান্দোনৰ আৰ্তনাদ। অনুপৰ আৰু বুজিবলৈ বাকী নাথাকিল। সঁচাকৈয়ে দীপুৱে বিদায় ললে। চিৰদিনৰ বাবে। □□□

# হেৰোৱা প্ৰেমৰ সুবাস

পুলিন কুমাৰ নাথ
স্নাতক প্ৰথম বৰ্ষ (কলা)



হতাশাৰ আৱৰ্তত ৰাজ বিধ্বস্ত হৈ গৈ পাৰৰ ওখ আহত জোপাৰ তলত বহি আছে। বিচ্ছেদৰ নিৰ্জীৱ আচৰণে তাক দুৰ্বল কৰি তুলিছে। সন্ধিয়াৰ জোনটিলৈ চাই তাৰ চিঞৰি চিঞৰি কবলৈ মন গৈছে- পৃথিৱীৰ ৰঙীণ সপোনবোৰ আজি ক'ত? জীৱনৰ মধুৰ কবিতাবোৰ ক'ত? ভাবিলো কি? হৈছে কি? হেজাৰ আশাবোৰ আজি ক'ত?..। সি কোনো সমিধান বিচাৰি পোৱা নাই। নৈ পাৰৰ গছ-গছনি, আকাশ, আন্ধাৰে আৱৰি ধৰিছে। আকাশৰ বিশাল আন্ধাৰৰ বুকুত কাঁচি জোনটিৰ সতে দুই এটা তৰাই ভুমুকি মাৰিছেহি। নৈৰ পানীৰ ওপৰৰে ঢৌ খেলি অহা চেঁচা বতাহে তাৰ গালে মুখে কোবাই গ'ল। বতাহৰ বুকুত ভাঁহি অহা মাছমৰীয়াৰ কৰুণাত্মক সুৰৰ ধ্বনিয়ে তাৰ হৃদয়খন আৰু দুৰ্বল কৰি তুলিলে। সি হৃদয়ৰ পৰা ওলাই আহিব খোজা বেদনাবোৰ হৃদয়ৰ মাজতে আবদ্ধ কৰি ৰাখিলে আৰু ধীৰে ধীৰে নৈ পাৰৰ পৰা উঠি আহিল। ৰাজৰ সংসাৰত আপোন বুলি কোনো নাই। মাক, দেউতাকৰ সি একমাত্ৰ সন্তান। সি দশম মানত পঢ়ি থাকোতেই মাকৰ মৃত্যু হ'ল। মাতৃ স্নেহৰ পৰা বঞ্চিত হৈ পৰাত তাৰ হৃদয়ে যেন কাৰোবাৰ মৰম বিচাৰি ফুৰিছিল। ৰাজে সিহঁতৰ স্কুললৈ নতুনকৈ অহা আকিচতা নামৰ মুছলমান সম্প্ৰদায়ৰ ছোৱালী এজনীৰ প্ৰেমত পৰিল। প্ৰথম দেখাতে দুয়োৰে হৃদয় একাত্ম হৈ পৰিছিল। চাৰি নয়নে যেন বিচাৰি পাইছিল যৌৱনৰ উত্তল প্ৰেমাস্পদক। ৰাজে বিচাৰি পাইছিল জীয়াই থকাৰ বাসনা। তাৰ মৰহি যাব ধৰা ফুলপাহ যেন হৃদয়ত পুনৰ সজীৱ হৈ পৰিল, সিহঁতৰ প্ৰেমত বহুত বাধা আহিল। ধৰ্ম, সমাজ, পৰিয়াল, কোনোৱে সিহঁতৰ প্ৰেমক স্বীকৃতি দিয়া নাছিল। প্ৰতি পলে পলে সন্মুখীন হোৱা ঘাত-প্ৰতিঘাত

বোৰ দুয়োৰে সাহসেৰে নেওচি প্ৰেমৰ জৰীডাল জীয়াই ৰাখিছিল। সি মেট্ৰিক পাছ কৰি কলেজলৈ গ'ল। কলেজত বহুতো ছোৱালী তাৰ প্ৰেমত পৰিব খুজিছিল যদিও তাৰ মন আকাশত জিলিকি থকা সেই আকিচতা জনীৰ বাবে সকলো নিৰাশ হৈ উভতি গৈছিল। সি সদায় তাৰ আকিচতাজনীক নিজৰ কৰি পাবলৈ ভগৱানক প্ৰাৰ্থনা কৰিছিল। বন্ধু-বান্ধৱী, ঘৰৰ সকলোৱে তাৰ প্ৰেমৰ বাবে নিৰ্জীৱ আচৰণ কৰিছিল। কিন্তু প্ৰেমে নামানে কোনো জাতি, কোনো কুল। ভগৱানে সকলোকে একেদৰে সৃষ্টি কৰিছে। ধৰ্ম, জাতি এইবোৰ মানুহৰ সৃষ্টি। সেয়ে ৰাজে এই সকলোবোৰ বাধা প্ৰেমৰ মাদকতাৰে দূৰ কৰিছিল।

দুখে সুখক স্বাগতম জনায়, কিন্তু ৰাজৰ জীৱনত দুখ, বেদনাবোৰ যেন থাকিয়েই গ'ল। যেতিয়া আকিচতা কলেজৰ দুৱাৰ দলিত ভৰি দিলেহি, তাইৰ শৰীৰৰ উত্তাল ঢৌবোৰে যেন কলেজখনক আৰু ৰঙীন কৰি তুলিলে। তাই আছিল স্ত্ৰী ৰত্নৰ অপূৰ্ব সৃষ্টি। তাই যেন কোনোৱে ঘ্ৰাণ নোলোৱা এপাহি ফুল। কাৰো হাতৰ পৰশ নোপোৱা এপাহি কুঁহিপাত। তাইৰ পিছত কলেজৰ প্ৰফেচাৰকে ধৰি আন ল'ৰাবোৰো ঘূৰিব ধৰিলে। কিন্তু তাইৰ হৃদয়ৰ থাপনাত থকা সেই ৰাজ নামৰ পুৰুষ জনক কোনোৱে আঁতৰাব নোৱাৰিলে। তাই সকলো কথা ৰাজক নজনোৱাকৈ থকা নাছিল। কিন্তু নিয়তিয়ে সিহঁতৰ মৰমক দুখৰ ৰবষুনেৰে ডুবাই পেলালে। আকিচতাৰ ৰূপ, উত্তাল যৌৱন দেখি এজন উচ্চ ঘৰৰ ল'ৰা সুধিব আহিল। ল'ৰাজন আছিল গুৱাহাটীৰ এখন কলেজৰ প্ৰফেচাৰ। ঘৰ গুৱাহাটীত, মাক-দেউতাক দুয়োজনে ওচৰৰে স্কুল এখনৰ শিক্ষক-শিক্ষয়িত্ৰী। এনে সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ ল'ৰাৰ হাতত আকিচতাক অৰ্পণ কৰিবলৈ পাই ঘৰৰ মানুহৰ মনত হেপাহ আৰু আনন্দই বাহ ললে। কিন্তু এখন বিষাদ ভৰা ভগ্ন হৃদয় লৈ আনৰ হবলৈ ওলাল আকিচতা। ৰাজক তাই এৰি আনৰ কেনেকৈ হ'ব? তাই ৰাজক কেইবাদিনো লগ ধৰিছিল। অসহায় ৰাজে কোনো পথ বিচাৰি পোৱা নাছিল। আকিচতাক সি কেনেকৈ আনৰ হাতত গতাব। কাৰ সতে সি জীয়াই থাকিব? ঘৰৰ মানুহ ইয়াৰ সম্পূৰ্ণ বিপৰীত। আনফালে তাৰ নিজৰে এমুঠি খাবলৈ উৰ্পাজন নাই। তেনে স্থলত সি আকিচতাক...। কইনা সাজেৰে যেতিয়া তাই সিহঁতৰ ঘৰৰ সন্মুখেৰে গাড়ীত উঠি গুচি যাব। তেতিয়া তাৰৈ হাত দাঙি তাই চিঞৰি চিঞৰি মাতিব, সি বাৰু কেনেকৈ বিদায় দিব? সি আৰু ভাবিব নোৱাৰে। অশ্ৰু ভৰা চকুলো মচি সি বহি থকা চকীখনৰ পৰা উঠিল।

আজি আকিচতাৰ বিয়া। ৰাজৰ পদুলিৰ আগেৰে বিয়ালৈ মানুহবোৰ ধাৱমান হৈছে। সি বহি বহি সেইবোৰকে চাই আছে। এতিয়া হয়তো আকিচতাই কইনাবেশেৰে মানুহবোৰক তামোল দিছে, দুই এজনৰ লগত কথা পাতিছে। সি আকিচতা জনীক হেৰুৱালে কেৱল এমুঠি ভাতৰ বাবে, এমুঠি ধনৰ বাবে। ধনে সঁচা প্ৰেমকো কাঢ়ি নিব পাৰে। কিন্তু হৃদয়খনক জানো কাঢ়ি নিব পাৰিব? আকিচতাই হয়তো সমাজক দেখুৱাই আনৰ হব পাৰে কিন্তু হৃদয়খনত থাকিল ৰাজৰ ছবি। হৃদয়ৰ বেদীত ৰাজক সদায় প্ৰতিদেৱতা হিচাপেই পূজা কৰি থাকিব।

আকিচতাৰ বিয়াৰ পিছত ৰাজে বৰ অকলশৰীয়া অনুভৱ কৰিছিল। ব্যৰ্থ প্ৰেমৰ কৰুণ স্মৃতিবোৰে তাৰ হৃদয়খনক চুৰমাৰ কৰি পেলাইছিল। প্ৰতিটো অমানিশা সি নিদ্ৰা বিহীন ভাৱে কটাইছিল। সি জীয়াই থকাৰ বাবে পথ বিচাৰি অৱস হৈ পৰিছিল। এদিন যেন তাৰৈ চকু মেলি চালে। আৰ্মিৰ ইণ্টাৰভিউ এটা দিয়াত সি চিলেক্ট হ'ল। সেইদিনা আনন্দৰ পৰিৱৰ্তে বিষাদে ৰাজক কোঙা কৰি পেলাইছিল। সি আকিচতাৰ বাবেই এদিন এজন ভাল মানুহ হোৱাৰ সপোন দেখিছিল। সি তাৰ প্ৰতিটো কাৰ্য নিৰ্ভিকতাৰে আৰু সুচাৰুৰূপে সম্পাদনা কৰি যোৱাত এদিন তাৰ প্ৰমোচন হ'ল। এতিয়া ৰাজ এজন হাৱলদাৰ। তাক সকলোৱে ভয় কৰা হ'ল। তাৰ কাৰ্য আৰু দক্ষতা দেখি এদিন তাক ৰাষ্ট্ৰপতিয়ে সন্মানীয় বঁটা প্ৰদান কৰিলে। কিন্তু এই আনন্দৰ দিনতো সি হিয়া ঢাকুৰি কান্দিছিল। আজি ৰাজৰ মান, যশ, ধনৰ কোনো অভাৱ নাই। মাথো অভাৱ মৰমৰ। আকিচতাক হেৰুৱাৰ পৰা সি বিয়া নকৰাই শূণ্য হৃদয় লৈয়ে থাকি গ'ল। সদায় হৃদয়ৰ গোপন কোণত সাঁচি ৰাখিলে মাথো আকিচতাক।

সঁচা প্ৰেমক জানো লুকাই ৰাখিব পাৰি? এদিন উদয় হৈ পৰিছিল ৰাজৰ হৃদয়ৰ গোপন প্ৰেমাচন্দ। অসমৰ প্ৰায়বোৰ কলেজতে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীয়ে আগবঢ়াইছিল কম্পিউটাৰ। এই দায়িত্ব অৰ্পন কৰা হৈছিল হাৱালদাৰ ৰাজৰ হাতত। ৰাজে ন্যস্ত কাৰ্য সম্পাদনা কৰি গৈ এদিন কালক্ৰমত উপস্থিত হৈছিল গুৱাহাটীৰ সেই কলেজখনত। জন বহুল সভাত সি আগবঢ়াইছিল কম্পিউটাৰ। ভাষণৰত অৱস্থাত সি দেখিবলৈ পাইছিল আকিচতাই এটি শিশুৰ সৈতে সভা গৃহত এটা কোণত বহি আছিল। চাৰি চকুৰ মিলনতে ৰাজে হেৰুৱাই পেলাইছিল নিজকে। সি হিন্দী আৰু ইংৰাজী মিশ্ৰিত ভাৱে আগবঢ়োৱা ভাষণে সকলোকে মন্ত্ৰমুগ্ধ কৰি পেলাইছিল। তাৰ প্ৰেৰণাৰ আঁৰত থকা নাৰী সেই দেৱী সদৃশ আকিচতাৰ কথা নোকোৱাকৈ থাকিব

পৰা নাছিল। আকিচতাই মাথো হৃদয়ৰ পৰা ওলাই আহিব খোজা বেদনা বোৰ সংযত কৰি নীৰৱে চকুলো টুকিছিল। তাই আজি তিনি বছৰৰ মূৰত ৰাজক দেখি হৃদয়ক বুজাব নোৱাৰা এক প্ৰচণ্ড বেদনাই তাইৰ শৰীৰত ক্ৰিয়া কৰি উঠা অনুভৱ কৰিলে। আকিচতাৰ শৰীৰটো কঁপি উঠিছিল। তাই নিজকে হেৰুৱাই পেলাইছিল আৰু কোলাত শিশু প্ৰিন্সক লৈ দৌৰি গৈছিল সভাৰ মঞ্চলৈ। তাই দৌৰি গৈ ভাষণৰত অৱস্থাত থকা ৰাজক সাৱটি ধৰিলে। ৰাজে কিংকৰ্ত্তব্য বিমূৰ হৈ পৰিল। সি আকিচতাক প্ৰায় ঠেলি দিয়াৰ দৰে দিছিল আৰু দুয়োৰে মাজত এক ব্যৱধান ৰাখিছিল। কিন্তু ঠেলি দিব পৰা নাছিল হৃদয়ৰ পৰা। আকিচতাৰ আলিংগনে তাক বোবা কৰি পেলাইছিল। ওচৰতে থিয় হৈ থকা প্ৰিন্সে মাথো হাঁহিছিল। এনে অভাৱনীয় ভাৱে সন্মুখীন হোৱা পৰিস্থিতিত পৰি কলেজৰ অধ্যক্ষই সভা ভংগ হোৱা বুলি ঘোষণা কৰিছিল। সভাত উপবিষ্ট সকলোৱে মনত এক বিস্ময় ভাৱ লৈ তাৰ পৰা ওলাই আহিছিল। যিজনী নাৰীৰ বাবে ৰাজে মান, সন্মানেৰে বিভূষিত হৈ পৰিছিল সেইজনী নাৰীৰ বাবেই হয়তো আজি সকলো শেষ হৈ গ'ল। আকিচতাৰ এনে আচৰণে ৰাজক মৰ্মাহত কৰি পেলাইছিল। সি মঞ্চৰ এখন চকীত বহি পৰিল। আকিচতাৰ স্বামী আছিল সেই খন কলেজৰে এজন নাম জ্বলা প্ৰফেচাৰ। তেওঁ এই সকলো বোৰ ঘটনা এজন নীৰৱ দৰ্শক হৈ চাই আছিল। তেওঁ বুজি পাইছিল, আকিচতাৰ হৃদয়ত থকা সেই পুৰুষজন হয়তো এইজনেই। যিজনক আকিচতাই বিয়াৰ পাছতো পাহৰিব পৰা নাছিল। যিজনৰ কাৰণে তাই সদায় ভগৱানক প্ৰাৰ্থনা কৰিছিল। তেওঁ আকিচতাৰ ওচৰলৈ গৈ তাইৰ হাতত ধৰি আনি ৰাজৰ হাতত অৰ্পণ কৰি কৈছিল- 'তোমালোকৰ প্ৰেমক কোনোৱে অমান্য কৰিব নোৱাৰে। সঁচা প্ৰেমত সংঘাত আহিলেও এদিন মিলন হ'ব। আপুনি আকিচতাক লৈ সুখী হওঁক। মই বিয়াৰ আগত জনা হলে হয়তো ইমান হব নাপালেহেঁতেন। আকিচতা, তুমি মোক কিয় কোৱা নাছিলা? ধনে প্ৰেমক কিনিব পাৰে কিন্তু হৃদয়খনক জানো কিনিব পাৰে? তোমালোক দুয়ো দুটা জাতিৰ হলেও হৃদয়খন জানো এক নহয়? ধৰ্ম, জাতি, কুল এইবোৰ মানুহে গঢ়া। প্ৰেমে নামানে কোনো জাতি, কোনো কুল। আকিচতা, তুমি সুখী হোৱা। আমাৰ মাজত অহা এই সন্তানটিৰ দেউতাক মই নহয়। ঘৰৰ অজ্ঞাতে মই যৌনাঙ্গত হোৱা কেন্সাৰৰ অস্ত্ৰোপ্ৰচাৰ কৰিছিলো। তেতিয়াই মই হেৰুৱাই পেলাইছিলো পুৰুষ এজনৰ মূল্যৱান সম্পদটিক। তথাপি আকিচতাক যেতিয়া বিয়া কৰাও তেতিয়া আহিছিল আমাৰ মাজলৈ তৃতীয় এজন ব্যক্তি। মই এইকণ দয়াৰ বাবে ভগৱানৰ ওচৰত চিৰঋণী হৈ থাকিম। কিন্তু আকিচতা যিজনৰ সম্পদৰ বাবে যোগ্য নহয় তেওঁ তাক পোৱা জানো সম্ভৱ। হাৱালদাৰ ৰাজ, আপুনি অকিচতাক গ্ৰহণ কৰি সুখী হওঁক। মাথো মোৰ এটা প্ৰাৰ্থনা ৰাখা, এই সন্তানটি মোক দিয়া। মই প্ৰিন্সক এৰি কেনেকৈ জীয়াই থাকিম? আকিচতাই তেওঁৰ স্বামী এনে দয়াবান হব বুলি সপোনতো ভবা নাছিল। নিজৰ স্ত্ৰীক জানো আনৰ হাতত নিৰ্বিঘ্নে সমৰ্পন কোনোবাই কৰিব পাৰে? তাই সন্তানটি স্বামীৰ হাতত অৰ্পন কৰি ৰাজৰ লগত গুচি আহিল।

ৰাজ আৰু আকিচতা এতিয়া বহু সুখী। দুয়োৰে হেৰুৱা প্ৰেমৰ সুবাস বোৰ পুনৰ বুটলিবলৈ ধৰিলে। মাজে মাজে দুয়ো প্ৰিন্সৰ ওচৰলৈ যায়। প্ৰিন্সে কিন্তু ৰাজক মাতে আৰ্মি মামা বুলি।

□□□

কথাশিল্প

# নৈৰ পাৰত গধূলি হ'ল

নিলয় নীলিম ডেকা
স্নাতক তৃতীয় বৰ্ষ (কলা)

মই কাকো ভাল নাপাওঁ। মই ভাল পাব নোৱাৰো। মই মোৰ সমস্ত ভাল পোৱাক জুই লগাই পুৰি পেলাইছো। মোৰ বুকুৰ কলিজাৰ ঠাইত এচটা শিল ওলমি আছে। অ' মই অহঙ্কাৰী ছোৱালী। মই কাৰো সৈতে মিলিব নোৱাৰো। মই সকলোতকৈ পৃথক। মই বৰবাদী ছোৱালী। নলাগে মোৰ প্ৰতি কোনোৱে সহানুভূতি দেখুৱাব। এই সহানুভূতিয়ে মোক খুলি খুলি খায়।

এজন দুজনকৈ কলেজৰ বহু ল'ৰা মোৰ প্ৰেমত পৰিছে। শেহতীয়াভাৱে বিপ্লবো তাৰ মাজৰেই এজন। বিপ্লৱৰ ভালপোৱাৰ প্ৰস্তাৱক মই পোনমুখে অস্বীকাৰ কৰিছো। জানো, সি ভাল ল'ৰা, বৰ অমায়িক। যোৱা দুই বছৰৰ পৰা বিপ্লৱক এজন নিচেই ওচৰৰ বন্ধু হিচাপে পাইছো। মাত্ৰ এই বন্ধুত্বৰ পৰা এজন প্ৰেমিক হব বিচাৰিছে। মইয়ো তাৰ প্ৰতি মনৰ আকৰ্ষণ অনুভৱ নকৰা নহয়। কিন্তু মই মোৰ হৃদয়ত প্ৰেম প্ৰতিষ্ঠা কৰিবলৈ সাহস নাই। নালোগে মোক প্ৰেমিক হৃদয়। আগতেও বহুজনে প্ৰস্তাৱ দিছিল। সকলোকে মই বিমুখ



করিছো। সিহঁতবোৰৰ কোনেও নাজানে মোৰ উদাস জীৱনৰ কথা। জানিলে হয়তু আগুৱাই আহা কেইজনো পিছ হুহকি গ'লহেঁতেন। মোৰ সৈতে এতিয়া একো নাই। আনকি নাৰীৰ অন্তিম সম্পদকনো! কলেজৰ ল'ৰা ছোৱালীবোৰে এতিয়া মোক অহঙ্কাৰী ছোৱালী বুলি কয়। মই হেনো ৰূপ সৌন্দৰ্য্যত কলেজৰ সকলো ছোৱালীতকৈ এখলপ আগত সেইবাবেই হেনো মোৰ অহঙ্কাৰ। কওঁক যিয়ে যি কয়। কলেজৰ ছোৱালী হোষ্টেলত থাকিছিলো। হোষ্টেলৰ ছোৱালী বোৰে কয়- মই হেনো কাৰো সৈতে মিলিবলৈ চেষ্টা নকৰো, মই হেনো কথাও বৰ কমকৈ কওঁ, নাহাঁহো। হয়, মই তেনেকুৱাই। কাৰণ মই সিহঁত বোৰৰ দৰে একে নহয়। সিহঁত আৰু মোৰ জীৱন মৃত্যু পাৰ্থক্য। আজিকালি মই ভাল নোপোৱা হৈছো মানুহৰ আবেষ্টনি। আগতে গাঁৱৰ বুঢ়া মেঠাৰ পৰা ডেকা ল'ৰা ছোৱালী সকলোৱে কৈছিল- মোৰ সমান মন খোলা ছোৱালী হেনো কোনো নাই, মই হেনো বৰ সোনকালে মানুহৰ সৈতে মিলিব পাৰো। কিন্তু সেই একেজনীয়ে আজি অহঙ্কাৰী আখ্যা পাইছো। কওঁক যিয়ে যি কয়। ইচ্ছা কৰিলেও মই আনৰ সৈতে মিলিব নোৱাৰো। মনটোত নিগনিটোৰ দৰে কুৰুকি কুৰুকি সোমাই আছে এসোপামান শোক-যান্ত্ৰণা। দেহটো জঠৰ হৈ পৰে।

আজি মই হোষ্টেল এৰি আহিছো। হাতত বেগটো লৈ হোষ্টেলৰ সন্মুখত নৰ কঙ্কালৰ দৰে পৰি ৰোৱা আধা ভঙা পিটচ্ দিয়া ৰাষ্টাটোৱে খোজ দিছো। লক্ষ্যস্থান বাছস্থানলৈ। ঘৰমুৱা বাছ এখনত উঠিলোহি। হয়তু কলেজত আৰু পঢ়া নহব। হোষ্টেলত ডেৰ বছৰ থাকিলো। ভাবিছিলো তাত থাকি জীৱনৰ মাজবাটটেই থমকি ৰোৱা জীৱনটো পাহৰি এটা নতুন জীৱনৰ অন্বেষণ কৰিম। জীৱনটো নতুনকৈ সজাম। বহু কষ্ট কৰিম। এৰি অহা ক'লা ডাৱৰে আগা ডেৱা কৰা দিনবোৰ পাহৰি ফুলেৰেই হওঁক পাতেৰেই হওঁক জীৱনটো নতুনকৈ গঢ় দিম। সকলোৱে পাহৰি পেলাব মোৰ জীৱনৰ জঘন্য ইতিহাস। বহুদিনৰ মূৰত অকণ অকণকৈ হাঁহিবলৈ চেষ্টা কৰিম। কিন্তু ই নহ'লগৈ। মোৰ জীৱনটোৰ বিষয়ে প্ৰথমে কলেজৰ কোনেও নাজানিছিল। কিন্তু আপদিয়া বৰষুণজাকে যেন মোৰ কাষ নেৰিলে। ইজনী সিজনীকৈ মুখ বাগৰি মোৰ বিষয়ে গোটেই হোষ্টেলত প্ৰচাৰ হৈ গ'ল। এতিয়া হোষ্টেলৰ সকলোৱে জানে মোৰ মাজত চিঙি যোৱা জীৱন ৰেখাৰ কথা। কলেজটো দুই এজনে জনা হৈছে। এদিন হয়তু সকলোৱে জানিব। হোষ্টেলৰ দুই এজনীয়ে আগতে মোক অহঙ্কাৰী ছোৱালী আখ্যা দিছিল, নিমাতি কইনা বুলি জোকাইছিল। কিন্তু এতিয়া নোজোকায়। এতিয়া সিহঁতে মোৰ প্ৰতি সহানুভূতি দেখুৱাই। এৰি অহা নষ্ট দিনবোৰ পাহৰি পেলাবলৈ সাহস দিয়ে, সান্ত্বনা দিয়ে। কিন্তু এই সহানুভূতিয়ে মোক চুৰিকাঘাট কৰে। নালাগে মোক সহানুভূতি। মোকো তোমালোকৰ দৰে জীয়াই থাকিবলৈ নিদিয়া কিয়? মইয়ো তোমালোকৰ দৰে সাধাৰণ ছোৱালী হ'ব বিচাৰো। সকলো পাহৰি যাব বিচাৰো। কিন্তু নিদিয়ে কোনোৱেও।

কলেজতো দু-এজনী ল'ৰা-ছোৱালীয়ে মোৰ বিষয়ে আলোচনা কৰে। মোৰ ফালে আঙুলি টোৱাই কেতিয়াবা ভূণ ভূণকৈ ইজনে সিজনক কিবা কয়। সিহঁতবোৰৰ চকুত মোৰ প্ৰতি সহানুভূতি প্ৰকাশিত হয়। কিন্তু এই সহানুভূতি মোৰ বাবে অসহ্যকৰ।

নৰকাসুৰৰ দৰে অভিশপ্ত অসময়ত শুনা নিৰাশাৰ ডাকে জীৱনৰ সকলো থেৰো গেৰো কৰি পেলাইছে। নিৰন্ধ অন্ধকাৰৰ মাজত এতিয়া মই খেপিয়াই খেপিয়াই বাট বচাৰি ফুৰো। মোৰ কপালখনত যেন এতিয়া ৰূপালী ফোটটোৰ ঠাইত এমুঠি এলান্ধু সানি থোৱা আছে। মই ইচ্ছা কৰিলেও সেই বোৰ ধুই পেলাব নোৱাৰো।

নৈৰ ওপৰৰ কাঠৰ দলংখন পাৰ হৈয়েই বকুল গছ এজোপা। বকুলজোপা পাৰ হৈয়েই আমাৰ ঘৰখন। ঘৰত মা আৰু ভন্টী এজনী। দেউতা নাই। সৈনিকৰ চাকৰি কৰিছিল। কাৰ্গিলৰ যুদ্ধত প্ৰাণ দিছে। ভনীয়ে তেতিয়া সপ্তম শ্ৰেণীত পঢ়িছিল আৰু মই হায়াৰ চেকেণ্ডাৰী ফাইনেল পৰীক্ষাৰ বাবে সাজু হৈছিলো। মা ওচৰৰে এল.পি. স্কুল এখনৰ শিক্ষয়িত্ৰী। মাৰ প্ৰেৰণা আৰু মৰমতে আমি দুয়োজনী ছোৱালী পঢ়া শুনাত আনতকৈ এগজ উচ্চৰে গৈছিলো। লগতে ক'ত যে ৰঙীণ সপোন। ওচৰ চুবুৰীয়াৰ হিয়া উজাৰি মৰম পাইছিলো। দুখ বুলি কিবা এটা বস্তু যে আছে সেইটো মই অনুভৱ কৰিবলৈ

সুবিধাকণকে দিয়া নাছিল। ফ্ৰক চোলা পিন্ধাৰ বয়সত বোৱাৰী পুৱাতে উঠি ঘৰৰ পৰা কিছু দূৰত থকা বকুল জোপাৰ তল পাইছিলোগৈ। পুৱাতে বকুলৰ ফুল দূৱৰিৰ ওপৰত তলভৰি সৰি বয়। যেন সেইবোৰ কোনোৱা শিপিনিৰ সুনিপুন হাতৰ পৰশত হিয়াৰ মৰম সানি বচা বুটাহে। মই লগৰ ছোৱালীবোৰৰ সৈতে আলফুলকৈ ফুলবোৰ তোলো। সেইবোৰ ঘৰলৈ নি দীঘল বকুলৰ মালা সাজো। কি যে আনন্দ।

হায়াৰ চেকেণ্ডাৰী ফাইনেল পৰীক্ষালৈ তেতিয়া মাত্ৰ দুমাহ আছিল। বৰ কষ্ট কৰি পঢ়িছিলো। ঘৰৰ পৰা প্ৰায় ডেৰ কিঃমিঃ মান দূৰত ছাৰ এজনৰ ওচৰত টিউচন লৈছিলো। টিউচন থাকে আবেলি। পুহমহীয়া দিন। বৰ সোনকালে সন্ধিয়া হয়। টিউচনৰ পৰা ওভতোতে আন্ধাৰ হয়। আবেলি ওচৰৰে বান্ধৱী পম্পি আৰু জুৰিৰ সৈতে চাইকেলখন লৈ নিতৌ টিউচনলৈ বুলি ওলাও। আহোতে নৈৰ মথাউৰিৰে একেলগে উভতি আহো। আমি অহা দেখি মথাউৰিত শক্তি প্ৰদৰ্শন কৰি থকা গৰুজাকে সসন্মানে বাট এৰি দিয়ে। দুয়োকাষৰ পথাৰৰ গেৰ ওলোৱা ধান বোৰে যেন বতাহজাকৰ অনুৰোধত আমাৰ ফালে চাই এটি গীতকে গুণগুণাবলৈ ধৰে। বাটৰ চিনাকী চৰাইবোৰে আমি কাষেৰে পাৰ হৈ গলেও উৰা নামাৰে। সেই বনৰীয়া চৰাইৰ জাকটোৱে যেন আমাক চিনিপোৱা হৈ গৈছে। সিহঁতজাক এতিয়া আমাৰ যেন নিচেই আপোন।

আকাশত সেইদিনা কলামেঘে আগাডেৱা কৰিছিল। হয়তু এজাক বৰষুণ আহিব। আজি পম্পি আৰু জুৰি টিউচনলৈ অহা নাই। দুয়ো নৈৰ সীপাৰৰ বিয়া এখনলৈ গৈছে। টিউচনৰ পৰা মই অকলেই উভতিছো। সন্ধিয়াৰ বকুত এতিয়া আবেলি হেৰাই যোৱাৰ উপক্ৰম হৈছে। ক্ষন্তেক পিছতে পৃথিৱীলৈ ঘোৰ অন্ধকাৰ নামি আহিব। বৰষুণজাক অহাৰ আগতে ঘৰ পাব পৰা হলে ভাল আছিল। মথাউৰিৰ ওপৰৰে তীব্ৰ বেগেৰে চাইকেল চলাইছো। একমাত্ৰ বৰষুণৰ পৰা ৰক্ষা পোৱাৰ আকাংশাতে। আন আৰু ভয় নাই। আগতে এনেদৰে সন্ধিয়া অকলে মথাউৰিৰে বহুদিন অহা যোৱা কৰিছো। মই সাহসী ছোৱালী। ভূত প্ৰেতলৈ ভয় নকৰো। মানুহে কয়- মথাউৰিৰ ওপৰৰ ঔটেঙা জোপাৰ তলত মাজনিশা কিবা ওলায়। মাজনিশাহে ওলায়। এই সন্ধিয়াতে আকৌ কিহৰ ভয়। এজাক বতাহ বলিছিল। মই বুকুৰ ওৰণাখন বতাহত উৰি যাব নোৱাৰাকৈ মূৰেৰে মেৰুৱাই লৈছো। চুৰিদাৰৰ সন্মুখৰ ফালটো বতাহত পতাকা উৰাদি উৰি উৰি আহিছে। উৰিছে উৰক, তাৰ প্ৰতি নিস্পৃহভাৱে আহি আছো। বাটত এজনো মানুহ নাই। থকাহেঁতেন উৰি থকা চুৰিদাৰৰ কাপোৰখন সামৰি ললোহেঁতেন। আনদিনা এনে সময়ত মথাউৰিৰ ওপৰৰে দুই এজনে গৰু খেদি গৰুজাকৰ পিছে পিছে গৈ থাকে আমাৰ ঘৰৰ ওচৰৰে পদ্ম, বজেন কাইয়েও এইখন পথাৰতে গৰু চৰায়। সন্ধিয়া উভতি আহোতে লগ পাও। সিহঁতে আতৰৰ পৰা চিঞৰি মোক মাত লগাই- 'আইজনী আহিলি, যাগৈ যা।' কেতিয়াবা সিহঁতৰ কান্ধত অনা গৰুৰ ঘাঁহৰ ওজন বেছি হ'লে চাটিটো নাইবা পানীৰ পাত্ৰটো মোৰ চাইকেলতে ওলমাই দিয়ে। মই আনি ঘৰত দিওগৈ। আজি হয়তু বৰষুণজাক অহা দেখি সিহঁতে সোনকালে গৰু ঘৰ চপালে। দিনত ৰ'দ দিলে সন্ধিয়া নৈৰ পানীত পুঠিমাছে জপিয়াই থাকে। সেয়ে সন্ধিয়া খেৱলী জালখনলৈ দুই এজন মাছমৰীয়াই মাছ ধৰি থাকে। আজি সেমেকা বতৰ বাবেই হয়তু তেওঁলোকো অহা নাই।

দলংখন পাবলৈ আৰু অলপ বাট। ঠিক ঔটেঙাৰ গছডাল পাৰ হৈছো। দেখিলো পিছফালৰ পৰা এখন মাৰুতি ভেন মোৰফালে আগবাঢ়ি আহি আছে। মই চাইকেল আগৰ সেই একেই বেগত চলাই আহিছো। আগত দলংখন। গাড়ীখন ক্ৰমশ: মোৰ ওচৰ চাপি আহিল। মই তালৈ বেছি গুৰুত্ব দিয়া নাই। আগেয়েও দুই এখন গাড়ী এই বাটেৰে পাৰ হৈ যায়গৈ। মই গাড়ীখনৰ বাবে বাট এৰি দি বাটৰ একাষৰ ঘাঁহনিৰে চাইকেল চলাইছো। বৰষুণ জাক লাহে লাহে নামি আহিছে। মই দলঙৰ এটা মূৰ পাইছোহি। পিছফালৰ পৰা গাড়ীখন আগবাঢ়ি আহি ঘপহকৈ মোৰ কাষতে ৰ'ল। মোৰ বুকুখন চিৰিংকৈ উঠিল। গাড়ীৰ দুৱাৰ খুলি তাৰ পৰা তিনিজন মানুহ নামি আহিল। ইহঁতক মই চিনি পালো। এদিন তিনিওজনে মোক বাটত বেয়া ইঙ্গিতেৰে জোকাইছিল। মই থৰমত খালো। জিউটো যেন মোৰ উৰি গ'ল। চাইকেলখনলৈ দলঙত উঠিবলৈ চেষ্টা কৰিছো। সিহঁতৰ এটাই মোৰ এখন হাতত থাপ মাৰি দৰিলে। মই হাতখন মুহূৰ্ততে আচাৰি পেলালো। 'ঐ অভদ্ৰহঁত বাট এৰি দে বুলিছো, নহলে চিঞৰি দিম'। মুহূৰ্ত চোৰকতে সিহঁতৰ তিনিজোৰ হাত মোৰ দেহৰ ওপৰত পৰিল। মই মৰণকাতৰ চিঞৰ মাৰিলো। সিহঁতৰ পাপী হাতৰ কটকটীয়া বান্ধোনৰ পৰা মই মোক এৰুৱাই আনিবলৈ দেহৰ সমস্ত শক্তি প্ৰয়োগ কৰিছো। এহাতে থকা চাটিটোৰে এটা প্ৰচণ্ড কোব শোধাইছো। ভৰিৰ সমস্ত শক্তিৰে এটা গোৰ মাৰিলো। কিন্তু সিহঁতৰ জঘন্য হাতোৰাৰ পৰা মই মোক এৰুৱাই আনিবলৈ যেন অক্ষম। ভাবিলে খং উঠে- ভগৱানে যদি বিপদৰ সময়ত নাৰীক ৰক্ষা কৰিবলৈ আহিব নোৱাৰে তেন্তে নাৰীৰ দেহত পুৰুষতকৈ কম শক্তি দিছে কিয়। ভগৱানৰ এই কাৰ্য্যৰ প্ৰতি কেতিয়াবা প্ৰতিবাদ কৰিবলৈ মন যায়। এখন

হাত আহি মোৰ চুলি কোচাত মেৰ খাই পৰিল। মই দেহৰ সমস্ত শক্তিৰে চিঞৰিছো। কোনোৱে শুনিছিল নে নাই নাজানো। কিন্তু মোক সহয় কৰোতা কোনো ওলোৱা নাছিল। মোৰ দেহটো সিহঁতৰ এটা ঠেলাতেই গাড়ীৰ ভিতৰ পাইছিলগৈ। গাড়ীৰ দুৱাৰখন ঘৰং কৈ শব্দ কৰি বন্ধ হৈ গ'ল। ইহঁত মানুহ নহয় অসুৰত কৈও অধম। এই অসুৰহঁতৰ দেহত মুহূৰ্ততে হিংস্ৰতা নামি আহিল। সিহঁত তিনিও জনৰ মাজত খোৱা কামোৰা লাগিল। মই পাৰোমানে চিঞৰিছো, চটফটাইছো। কিন্তু আজি যে মই সম্পূৰ্ণ অকলশৰীয়া। ভগৱানে কেনেকৈ চাই থাকিব পাৰে ইমান জঘন্যতা, পাশবিকতা। ভগৱান বুলি কিবা এটা আছেনে নাই সন্দেহ হয়। পৃথিৱীৰ বুকুলৈ জঘন্যতা নামি আহিল। কেইটামান মাতাল ওঁঠ আৰু চোকা দাঁতৰ আক্ৰমণত মোৰ ওঁঠ ফাটি হোলোহোলে তেজ বৈ আহিল। মোৰ মুখৰ চিঞৰৰ শব্দ লাহে লাহে কমি আহিল- 'মোক এৰি দিয়া মোক এৰি দিয়া..।' এই যান্ত্ৰণা হজম কৰিব পৰা শক্তি মোৰ নাছিল। মই সম্বিৎ হেৰুৱাই পেলাইছিলো। এচপৰা ক'লা মেঘ আহি মোৰ দেহতো ক'লা কৰি পেলালে। মই চটফটাইছো, মোক আগৰ জীৱন ঘূৰাই দিয়া। কিন্তু নিৰৰ্থক। কোনেও ঘূৰাই দিব নোৱাৰে।

পিছদিনাখন গধূলি মই মোক হস্পিতাল এখনৰ বিচনাত আৱিস্কাৰ কৰিছিলো। বিচনাৰ কাষত কেইজনমান চিনাকী মানুহ থিয় দি আছে। সমগ্ৰ কোঠাতো মৰিশালিৰ নিস্তব্ধতাই গ্ৰাস কৰিছে। তেওঁলোকৰ মুখমণ্ডলত সাৱলীল ভাৱে ফুটি উঠিছে বিমৰ্ষতা, গাম্ভীৰ্য্যতা। কি হ'ল সকলোৰে! কিয় এনেদৰে আছে। মনত পৰিল পম্পিৰ মাক মৰোতে মতা মানুহবোৰ ঠিক এনেদৰেই থিয় দি আছিল। আজিও কোনোৱা মৰিল নেকি? কিন্তু ইয়াততো কোনো মৰাশ নাই। তেনেহলে! মই বাৰু এনেদৰে কিয় শুই আছো? বহুত শুলো নেকি? কেতিয়ানো শুইছিলো। মই একো মনত পেলাব পৰা নাছিলো। কিছুপৰ পিছত মনৰ চেতনা ঘূৰাই পাইছিলো। হৰাওৱাৰে কান্দিব মন গৈছিল। কিন্তু মই কান্দিব পৰা নাছিলো। বুকুত যেন মোৰ কোনোবাই নিষ্ঠুৰতাৰে চুৰিকাঘাত কৰিছে। এনে লাগিল সপোনৰ দূৰন্ত ঘোৰাটোৱে যেন এতিয়া থমকি থমকি বৈ গৈছে। সি এতিয়া আৰু নেচেকুৰে।

মোৰ কথা সমগ্ৰ অঞ্চলটোতে প্ৰকাশ হৈ গৈছিল। আনকি কাগজে পত্ৰয়েও ডাঙৰকৈ ওলাইছিল। এতিয়া যেন মই সমাজৰ সকলো ছোৱালীতকৈ বেলেগ। মোক আন এখন পৃথিৱীলৈ নিৰ্বাসন দিয়া হৈছে। মই সেইখন পৃথিৱীৰ অকলশৰীয়া বাসিন্দা। এই কথা মোক কোনোৱে উপলব্ধি কৰিব নিদিয়ে। কিন্তু মই বুজি পাওঁ।

সেই জানোৱাৰ তিনিটা পুলিচৰ হাতত ধৰা পৰিছিল। ৰাইজে দুদিনমান ধৰ্ণা আদি দি সিহঁতক ফাঁচি দিয়াৰ দাবী কৰিছিল। সিহঁতৰ এজনৰ বাপেক ডাঙৰ ঠিকাদাৰ, এজন আৰক্ষী অধীক্ষকৰ পুতেক আৰু এজনৰ বাপেক ডাঙৰ ব্যৱসায়ী। সিহঁতক কাৰাদণ্ড দিয়া হৈছিল। কিমান বছৰ দিছিল নাজানো। কিন্তু যোৱা কালি বাছস্থানত দেখিছো তাৰ দুজনক। সিহঁত এতিয়া সম্পূৰ্ণ মুক্ত। ঠিক আগৰ দৰে। এতিয়া সিহঁতে বাইকৰ ওপৰত উঠি ফুৰে। টকা জুবুৰিওৱা শান্তি পানী চতিয়াই সিহঁত এতিয়া পবিত্ৰ হৈ পৰিছে। পুৰুষৰ চৰিত্ৰত কলঙ্ক লাগিলে মানুহে দেখিও নেদেখা ভাওঁ জোৰাতো মানুহৰ দস্তৰ। কিন্তু নাৰীৰ দেহত কোনোবাই কলঙ্ক লগাই দিলে সাত সাগৰৰ পানীত জুবুৰিয়ালেও সেই কলঙ্ক নুগুচে। এইখন দেশৰ আইন কানুন- পুলিচ মিলিটাৰি সকলো টকাৰ ওপৰত বৰ বৰ মানুহৰ হাতত ওলমি আছে। এতিয়া সিহঁতক দেখিলে দেহত মোৰ বনজুই জ্বলি উঠে। সন্দেহ হয়- সেই কুকুৰ কেইটা অপৰাধী আছিল নে মই অপৰাধী আছিলো। সিহঁত আকৌ এতিয়া উৰি- ফুৰিছে। কিন্তু মই জীৱনটোত তিলতিলকৈ জীয়াই আছো। জীৱনৰ দাকোল পুৱাতেই ধ্বংস হৈ গৈছে সপোনৰ দৌৰাত্ম্য। এই কোঙা জীৱনক পাহৰি মই এটা নতুন জীৱন আৰম্ভ কৰিব নোৱাৰো।

আমাৰ ঘৰৰ কিছুদূৰৰ চকটোত মই বাছৰ পৰা নামিলো। বাছখন বাটৰ ধূলি উৰাই লাহে লাহে আঁতৰি গৈ নেদেখা হ'ল। 'বাই, তুমি আহিলা'- ভণ্টীয়ে মাত লগালে। মই আহিম বুলি গম পাই ভণ্টীয়ে মোক আগবঢ়াই নিবলৈ চকলৈ ওলাই আহিছে। 'বাই তুমি হেনো হোষ্টেল এৰি আহিছা?- ভণ্টীয়ে মোক শুধিলে। কি ক'ম তাইক! মই হোষ্টেল অৰি আহিছো বুলি তাই গম পাইছে। ঘৰত মায়ো জানে। কিন্তু মোৰ ইচ্ছাৰ বিৰুদ্ধে মাই এতিয়া এষাৰো নকয়। মোক মন খুলি হঁহাবলৈ চেষ্টা কৰে। কিন্তু মাই নিজেই তেনেকৈ হাঁহিব নোৱাৰে। মাৰ অন্তৰৰ বিষাদৰ ডাৱৰ ডৰা মই নেদেখাকৈ ঢাকি থব খোজে। কিন্তু মই দেখো সেই গোমোঠা ডাৱৰ। যিয়ে মাৰ অন্তৰত বৰ কষ্ট দিয়ে।

এহাতত বেগটো লৈ বকুল তলৰ বাটটোৰে ঘৰলৈ আগবাঢ়িলো। বকুল জোপা ফুলি আজি তল ভৰি সৰা নাই। বকুল ফুলাৰ সময় এতিয়া উকলি গৈছে। নুমলিয়াকৈ ফুলা কেইটামান ফুল সৰিছে। আগতে ক'ৰবাৰ পৰা ঘৰলৈ উভতিলে কেইটামান ফুল বুটলি নি প্ৰথমে মাৰ হাতত গুজি দিছিলোগৈ। ভণ্টীয়ে পিছফালৰ পৰা মাত লগালে- 'বাই, মালৈ আজি ফুল নিনিয়া?

□□□

# নীৰৱ প্ৰেমত বন্দী পখীৰ বিলৈ

ৰেখা দেৱী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ৰাতিপুৱাৰে পৰা বৰষুণ দি থকাত লীজা ৰাজবংশী আজি স্কুললৈ যোৱা নাই।

সময় প্ৰায় দুপৰীয়া আঢ়ৈ মান বাজিছে। বায়েক ৰুমীয়ে বাঢ়ি দিয়া ভাতকেইটা খাই দুয়ো বায়েক-ভনীয়েক বিচনাত পৰিছে। ৰুমী টোপনি গৈছে কিন্তু লীজা চটফটাই বিচনাত বাগৰি আছে। আগদিনা স্কুলত দেখা পঞ্চমমানৰ চিলি কুমাৰী নামৰ ছোৱালীজনী তাইৰ সঘনে মনত পৰি আছে। সচৰাচৰ লীজাই নৱম আৰু দশম মানক ইংৰাজী পঢ়াই। সেইদিনা পঞ্চম মানৰ ইংৰাজী শিক্ষক বৰুৱা নহা বাবে তায়েই ক্লাচলৈ গৈছিল। পঢুৱাই থাকোতে হঠাৎ কণমানি ছোৱালী এজনী তাইৰ চিনাকি চিনাকি লাগিছিল। ওচৰলৈ গৈ নাম তথা মাক দেউতাক কোন তাকো সুধিবলৈ মন যোৱাত মনক বাধা দি ৰাখিব নোৱাৰি ছোৱালীজনীৰ ওচৰলৈ গৈ সুধিলে মাজনী তোমাৰ নাম কি? দেউতাৰা কোন? ইত্যাদি। ছোৱালী জনীয়ে ভয়ে ভয়ে কলে মোৰ নাম শ্ৰীচিলি কুমাৰী হাজৰিকা আৰু দেউতাৰ নাম শ্ৰীপল্লৱ হাজৰিকা। নাম শুনি লীজাৰ গোটেই শৰীৰ শিয়ৰি উঠিল। আৰু পুনৰাই সুধিলে- তেওঁ কি কৰে? চিলিয়ে কলে- দেউতা কলেজৰ অৰ্থনীতি বিভাগৰ লেকচাৰাৰ। লীজা ক্লাচত বেছি সময় নাথাকিল। বাথৰুমত এঘণ্টা মান থাকি ঘৰলৈ উলটি আহিল। ঘৰ আহি পোৱাত পেহাকৰ অসুখ বুলি শুনি স্কুলৰ কথাবোৰ পাহৰি থাকিল। কিন্তু আজিহে তাই নিজকে বৰ অকলশৰীয়া যেন অনুভৱ হৈছে। তাইৰ জীৱনৰ আতডালেই হেৰাই যোৱা যেন অনুভৱ কৰিলে। আজি উপলব্ধি কৰিব পাৰিছে যে মানুহ স্পষ্টবাদী হ'ব লাগে মানুহৰ জীৱনটোৱেই ক্ষন্তেকীয়া। এই চুটি জীৱনত যদি মনৰ ইচ্ছা আকাংক্ষা বোৰ বাস্তৱত প্ৰয়োগ নকৰো তেন্তে জীয়াই থকাৰ সাৰ্থকতাই বা ক'ত?

লীজা তেতিয়া হায়াৰ ছেকেণ্ডাৰি প্ৰথম বাৰ্ষিকৰ ছোৱালী। দেখাত খুব ধুনীয়া। মেট্ৰিকত প্ৰথম বিভাগতেই পাচ কৰিছে। কুইজ, কবিতা, আবৃত্তি, অভিনয়, গীত আদি সকলো বিষয়তেই লীজাৰ দখল আছিল। কবলৈ গলে নতুনকৈ কলেজত এড্‌মিছন লোৱা ছোৱালীবোৰৰ ভিতৰত লীজায়েই আকৰ্ষণীয় আছিল।

সেই বছৰৰ কলেজ উইকত সিহঁতকৈ চিনিয়ৰ ছাত্ৰ এজনে কলেহি লীজা তুমি কুইজত আমাৰ দলত যোগ দিবানে? লীজাই সুধিছিল যে দাদা আপোনোৰ নাম...। ল'ৰাজনে কৈছিল- শুনা মোৰ নাম পল্লৱ হাজৰিকা। এইবাৰ অৰ্থ বিজ্ঞানত মেজৰ লৈ ডিগ্ৰী প্ৰথম বাৰ্ষিকত এডমিচন লৈছো। বেয়া নোপোৱা যদি আমাৰ দলত যোগ দিবা বুলি আশা থাকিল।

যথা সময়ত কুইজ হৈ গ'ল। ক্ৰমে ক্ৰমে লীজাৰ সেই ল'ৰাজন ভাল লগা হৈ আহিল। মাজে সময়ে লাইব্ৰেৰীত লগ পায়। কেতিয়াবা অহা যোৱা কৰোতে লগ পায় ইমানেই। লীজা ল'ৰাজনৰ প্ৰতি ইমান আকৰ্ষিত হৈ পৰিছিল যে সপ্তাহত এদিন নেদেখিলে তাইৰ পঢ়াত মন নবহা হৈ আহিল। কিন্তু সেই কথা তাই তাৰ আগত ব্যক্ত কৰিবও নোৱাৰে। কিয়নো পল্লৱ তাইৰ ক্লাচতকৈ দুবছৰ ওপৰৰ। অৰ্থনীতি বিজ্ঞানত মেজৰ লৈ ডিগ্ৰী পঢ়িবলৈ আহিছে। দেখাত ইমান গুৰু গম্ভীৰ, অমায়িক, ধুনীয়া এক বিশেষ ব্যক্তিত্বৰ লোক। বহুদিন তাই তাক জনাব খুজিছিল। কিন্তু তাইৰ মুখৰ পৰাই ওলাই নাহিছিল। তাইৰ একমাত্ৰ আশা আছিল সি নিজেই কওঁক। কিন্তু সি হৈ নুঠিল। পল্লৱেও কিজানি দুদিন তাইৰ বাবে ভাবিছিল তাৰ পাছত নিজৰ ভনীৰ দৰেই ভাবিছিল কিজানি। সকলোবোৰ নিজ নিজ পথে আগবাঢ়ি গ'ল কোন কেনি গ'ল তাৰ হিচাপ কোনেও নোৰাখিলে। লীজাই হৃদয়ত একেতা কথাকেই পাগুলী থাকিল। বিয়াতো নবহিল। পাঁচ বছৰ বয়সতে মাতৃহাৰা হোৱা দুই বাই-ভনী এদিন পিতৃ হাৰা হৈ পৰিল। সেয়েহে লীজা আৰু ৰুমী দুয়ো বাই-ভনী বিয়াত নবহিল ইজনীয়ে সিজনীৰ কথা ভাবি। লীজাৰ চাকৰিৰ উপাৰ্জনৰেই দুয়োৰে জীয়াই থকাৰ সমল। ৰুমীয়ে মাজে সময়ে লিখা মেলা কৰে। সময়ৰ সোতে লীজাৰ হৃদয়ৰ গুপুত ভংগ আশাবোৰ পাহৰাই ৰাখিছিল। কিন্তু আজি কণমানি ছিলিৰ মুখখনিয়ে সেইবোৰ সোৱৰাই দিলে। আজি তাই উপলব্ধি কৰিছে বন্দী পখীৰ দৰে তায়ো নিৰব প্ৰেমত বন্দী পখী হৈ চটফটাই আছে।


□□□

প্ৰবন্ধ

# দৰঙী কলা-কৃষ্টি আৰু সামাজিক সংহতি

মতিৰাম মেধি
জ্যেষ্ঠ প্ৰবক্তা, ভূগোল বিভাগ

"প্ৰবন্ধ ব্যক্তি সচেতন ৰচনা। ইয়াৰ বিষয়বস্তু যেনে কি নহ'ক, ইয়াৰ গণ্ডী যিমান কি বিশাল নহ'ক, প্ৰবন্ধত লেখকৰ ব্যক্তিমনৰ পৰশ থাকিবই। গীতি কবিতাৰ দৰে প্ৰবন্ধও আত্ম প্ৰকাশ সাহিত্য।"
-ৰামমল ঠাকুৰীয়া



কোনো এখন দেশৰ অথবা কোনো গোষ্ঠী বা ফৈদৰ গীত-মাত, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, জীৱন নিৰ্বাহৰ প্ৰণালী, সেৱা সংস্কাৰ পূজা পাৰ্বন, উৎসৱ আদি মানৱ সমাজত চলি অহা কামবোৰকে কৃষ্টি বোলা হয়। এই কামবোৰ পৰম্পৰাগত ভাৱে বাৰে বাৰে একেদৰে কৰ্ষণ কৰা বাবেই সেইবোৰ 'কৃষ্টি'। এইবোৰৰ সংস্কৃত, মাৰ্জিত আৰু ৰুচিকৰ ৰূপটিয়েই হ'ল সংস্কৃতি কাৰণ ইয়াৰ দ্বাৰা সমাজৰ আটাইতকৈ ভাল কামবোৰ প্ৰদৰ্শিত হয়। দৰং অঞ্চলৰ অধিবাসী সকলৰ মাজত প্ৰচলিত 'কৃষ্টি' আৰু 'সংস্কৃতি' দৰঙীয়া কৃষ্টি আৰু 'দৰঙীয়া সংস্কৃতি' বুলি অভিহিত কৰা হয়। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীদেৱৰ মতে সেই দৰঙ্গীয়া নামেৰে উল্লেখযোগ্য কৃষ্টি সংস্কৃতিৰ যোগেদি বিকাশপ্ৰাপ্ত, দৰং অঞ্চলত আবিৰ্ভূত কৃতী শিল্পীসকলৰ সৃজনী শক্তিয়েই (কলাই) 'দৰঙ্গীয়া কলা' নামেৰেও পৰিচিত। উদাহৰণ স্বৰূপে দৰঙৰ দেওধনী নৃত্য এটা কৃষ্টি, ইয়াৰ পৰিবেশন কৌশলটি এটা কলা; কিন্তু ইয়াৰ প্ৰকাশ ভঙ্গী আৰু মনোগ্ৰাহী প্ৰদৰ্শনটোৱেই সংস্কৃতি। এই সংস্কৃতিয়েই এখন সমাজৰ অমূল্য সম্পদ।

অতীজৰে পৰাই কলা কৃষ্টিৰ ক্ষেত্ৰত অগ্ৰণী দৰং নামৰ ভূমিখণ্ডৰ জনসাধাৰণ কোঁচ ৰজাসকলৰ ৰাজত্ব কালত নতুবা ভূঞা সকলৰ দিনত সাংস্কৃতিক ক্ষেত্ৰত বিশেষভাৱে সমৃদ্ধ আছিল। কিন্তু এসময়ৰ সেই সাংস্কৃতিক উত্তৰণ ঘটা সমৃদ্ধিশালী 'দৰং' দেশৰ পৰিসীমা আজি নাই। কিয়নো ১৮৩৩ খ্ৰীঃত বৃটিছৰ দিনত ভৌগোলিকভাৱে গঠিত দৰং জিলা বৰ্তমানে সংকুচিত হৈ মাত্ৰ ১৪২০.৫১ বৰ্গ কিঃ মিঃ মাটিকালিৰে এখন ক্ষুদ্ৰ জিলাত পৰিণত হৈছে। প্ৰকৃততে দৰঙৰ সংস্কৃতি বুলি কওঁতে পূৰ্বৰ দৰঙ্গ অঞ্চলত যি সংস্কৃতি গঢ়ি উঠিছিল তাকেই আজিও সূচাব। বিভিন্ন সময়ত দৰঙৰ ভৌগোলিক সীমাৰেখাৰ বিলুপ্তি হলেও ঐতিহ্যমণ্ডিত দৰঙী কলা-কৃষ্টিয়ে অসমৰ এক বিশেষ সাংস্কৃতিক পৰিমণ্ডল আবৰি আছে। এই বিশেষ সাংস্কৃতিক পৰিমণ্ডলৰ ভিতৰত দৰঙৰ সংস্কৃতিৰ তিনিটা প্ৰধান ধাৰা যেনে- লোক সংস্কৃতি, জন-জাতীয় সংস্কৃতি আৰু শাস্ত্ৰীয় সংস্কৃতিও

বিদ্যমান।[১] অৱশ্যে তিনিওটা ধাৰাই সংমিশ্ৰিত হৈ প্ৰধানত: লোক সংস্কৃতিয়েহে দৰঙৰ সাংস্কৃতিক ছবিখন প্ৰতিফলিত কৰাত প্ৰধান ভূমিকা লৈছে।

ঐতিহ্যমণ্ডিত দৰঙ্গ ৰাজ্যৰ গৌৰৱময় ইতিহাস কলা-কৃষ্টিৰে সমৃদ্ধিশালী আছিল। বৈদিক যুগৰ পৰাই দৰঙত নানা ঋষি মুনিৰ পুতঃপবিত্ৰ আশ্ৰম আৰু তপস্যা স্থান আদিয়েও গৌৰৱময় অতীতৰ কথা

*দৰঙৰ এই ঐতিহ্যমণ্ডিত কলা কৃষ্টিৰ প্ৰসাৰ আৰু চৰ্চ্চাৰ বিষয়ে শ্ৰীৰজনী কান্ত বৰুৱাদেৱেও কৈছে- 'পুৰণি দৰং ৰাজ্য পালবংশীয় আৰু তাৰ পাছত ভূঞা সকলৰ আমোলত বিভিন্ন যাগ-যজ্ঞ, পূজা পাতল, সেৱা, নৃত্য গীত আদি মাঙ্গলকি অনুষ্ঠান আৰু কলাকৃষ্টি আদি চৰ্চ্চাৰ নাভিকেন্দ্ৰ স্বৰূপ আছিল। এই সময়তে দৰঙৰ গোন্ধ চৌপৰী, আদ-চৌপৰী, একপৰীয়া সভা আদি বিষ্ণু পূজাৰ অনুষ্ঠানৰ জন্ম হৈছিল আৰু লগতে বৰ্তমান মঙ্গলদৈ অঞ্চলত বিশেষভাৱে প্ৰচলিত ব্যাস সঙ্গীতৰ জন্মও সম্ভৱ কৰি তুলিছিল। মন কৰিবলগীয়া কথা এয়ে যে- কোঁচ ৰজাসকলৰ পূৰ্বৰ বুৰঞ্জী প্ৰকৃত পক্ষে অস্পষ্ট।[৩]*

সোঁৱৰায় দিয়ে। সেইদৰে এই ঠাইৰ কুলশী নৈৰ পুতঃ পবিত্ৰ তীৰত হেনো বৈদিক যুগৰ বিশ্বমিত্ৰ বা কৌশিক মুনিয়ে বেদৰ সুক্ত ৰচনা কৰিছিল। এই কুলশী নদীৰ একালৰ এৰাসূতি নাওডিঙাইদি মহাসতী বেউলাই নিজ পতি লক্ষীন্দৰৰ মৰা শটো পুনৰ জীৱিত কৰাৰ বাবে ভূৰত তুলি লৈ উজাই যোৱা বুলি জনশ্ৰুতিও আছে। পূজাৰী কেন্দুকলায়ে ৰজাৰ অনুৰোধত মাতৃ কামাখ্যাৰ নৃত্য দৰ্শনাৰ্থে ৰজাক লুকুৱাই ৰখা আৰু মাতৃ কামাখ্যাই সেই অপৰাধতে একেচৰে পূজাৰীৰ মূৰ চিঙি পেলোৱা কথা সৰ্বজনিবিদিত। এনেবোৰ ঐতিহাসিক যুগ সূত্ৰতেই দৰঙৰ সমাজত যাউতীযুগীয়া কলাকৃষ্টি আৰু সংস্কৃতিয়ে ক্ৰমে প্ৰসাৰ লাভ কৰিছিল অতীতৰ পৰাই অতি উচ্চ আৰু শক্তিশালী ৰূপত। দৰঙৰ সঙ্গীতজ্ঞ সৰ্বানন্দ ব্যাসৰ মেঘমল্লাৰ ৰাগত হেনো আকাশত মেঘৰ আন্দোলন হৈছিল আৰু সাৰঙ্গ ৰাগত বৰ্ষণ কৰিছিল। সেইদৰে ওজাপালি অনুষ্ঠান, দেওধনী নৃত্য, ঢেপাচুলীয়া, কালীয়া, চিয়াগীত, নাঙেলী গীত, চেৰাঢেক, আইনাম, থিয়নাম, খুলীয়া ভাউৰীয়া আদি দৰঙী কলা-কৃষ্টিৰ অনুষ্ঠান সমূহে অতীজৰে পৰাই সমগ্ৰ অসমৰ ভিতৰতে দৰঙক এখন সুকীয়া আসনত অধিষ্ঠিত কৰিছে। অৱশ্যে এই অনুষ্ঠানবোৰ দৰঙত বিশেষকৈ পালবংশীয়, ভূঞা, কোঁচ আদি দৰঙী ৰজাসকলৰ দিনতহে যে বিশেষভাৱে চৰ্চ্চা কৰা হৈছিল এই সন্দৰ্ভত ড০ মহেশ্বৰ নেওগদেৱে লেখিছে- 'মধ্যযুগৰ প্ৰায় শেষলৈকে ইতিহাসত দৰঙ্গ অখ্যাত। বিশ্বসিংহ নৰনাৰায়ণৰ অভ্যুদয়, শঙ্কৰদেৱৰ বেনেছাৰ বিস্তাৰ আৰু আহোম ৰাজ্যৰ পশ্চিমমুৱা প্ৰসাৰৰ মাজতহে দৰঙ্গ দেশে বুৰঞ্জীত প্ৰৱেশ কৰে।[২] দৰঙৰ এই ঐতিহ্যমণ্ডিত কলা কৃষ্টিৰ প্ৰসাৰ আৰু চৰ্চ্চাৰ বিষয়ে শ্ৰীৰজনী কান্ত বৰুৱাদেৱেও কৈছে- 'পুৰণি দৰং ৰাজ্য পালবংশীয় আৰু তাৰ পাছত ভূঞা সকলৰ আমোলত বিভিন্ন যাগ-যজ্ঞ, পূজা পাতল, সেৱা, নৃত্য গীত আদি মাঙ্গলকি অনুষ্ঠান আৰু কলাকৃষ্টি আদি চৰ্চ্চাৰ নাভিকেন্দ্ৰ স্বৰূপ আছিল। এই সময়তে দৰঙৰ গোন্ধ চৌপৰী, আদ-চৌপৰী, একপৰীয়া সভা আদি বিষ্ণু পূজাৰ অনুষ্ঠানৰ জন্ম হৈছিল আৰু লগতে বৰ্তমান মঙ্গলদৈ অঞ্চলত বিশেষভাৱে প্ৰচলিত ব্যাস সঙ্গীতৰ জন্মও সম্ভৱ কৰি তুলিছিল। মন কৰিবলগীয়া কথা এয়ে যে- কোঁচ ৰজাসকলৰ পূৰ্বৰ বুৰঞ্জী প্ৰকৃত পক্ষে অস্পষ্ট।[৩] দৰঙৰ ৰজাসকলেও যে এই ঐতিহ্যপূৰ্ণ কৃষ্টি-সংস্কৃতিৰ সাধনত মনোযোগ দিছিল আৰু প্ৰচাৰৰ বাবেও চেষ্টা কৰিছিল সেই সম্বন্ধে স্বৰ্গীয় নলিনীবালা দেৱীয়েও মন্তব্য কৰিছে যে দৰঙী ৰজাসকলে প্ৰজাৰ সুখ সুবিধা আৰু কলা-কৃষ্টিৰ বিকাশৰ বিষয়ত যথেষ্ট মনোযোগী আছিল। কোঁচ বিহাৰৰ নৰনাৰায়ণ ৰজাৰ ৰাজসভাৰ আৰ্হিৰে ৰাজসভাত নৱৰত্ন স্বৰূপ সভাপণ্ডিতসকল ৰাখি দৰঙী ৰজাসকলে কাব্য, সাহিত্য, জ্যোতিষ, দৰ্শন, সঙ্গীত, নৃত্য আদি কলা বিদ্যাসমূহৰো বিস্তাৰৰ অৰ্থে গুণী জ্ঞানী পণ্ডিতসকলক তামৰ ফলি, মোহৰ, ব্ৰহ্মোত্তৰ মাটি দান কৰি সন্মান কৰিছিল।[৪]

ইতিহাস অধ্যয়ণ কৰিলে পোৱা যায় যে অতীতত দৰং জিলা কোঁচ, কছাৰী, মোগল, আহোম, চুতীয়া, ভূঞা আদি বিভিন্ন গোষ্ঠীৰ ৰজা মহাৰজা সকলৰ উত্থান পতন আৰু যুদ্ধ বিগ্ৰহৰ স্থান আছিল। বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ এই মিলন ভূমিত মিলিত সকলোৱে একেলগে এটি সুকীয়া কলা-কৃষ্টি সৃষ্টি কৰাত সহায় কৰিছিল। সেয়ে দৰঙী কলা কৃষ্টিৰ বিভিন্ন গীত মাতত বা কৃষ্টি সমূহত বিভিন্ন জাতি আৰু জনজাতিৰ অৱদান সুপষ্ট। আনহাতে ভাৰতীয় দৰ্শন আৰু ধৰ্মৰ ডোলেৰে বান্ধ খোৱা অসমৰ আৰ্য অনাৰ্য সংমিশ্ৰিত ভাৱধাৰাইও দেশ বিদেশৰ

পৰা অহা নতুন চামক স্বাগতম্ জনাই আহিছে। বিশেষকৈ মধ্যযুগৰ দুটা ৰাজফৈদ পূবে আহোম আৰু পশ্চিমে কোঁচ ৰজাৰ পৰা পোৱা সমদৰ্শী দৃষ্টিকোনেও প্ৰজাসকলক সংহত হোৱাত সহায় কৰিলে। সেইদৰে মহাপুৰুষ শঙ্কৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আলোকেৰে নগাৰ নৰোত্তম আৰু মুছলমানৰ চান্দসাক শিষ্যত্ব প্ৰদান কৰি সংহতিৰ সিংহ দুৱাৰত বহুৱালে। দৰঙৰ সমাজতো ইয়াৰ প্ৰভাব পৰিল আৰু সৃষ্টি হ'ল কলা-কৃষ্টিৰ যোগেদি সংহতিৰ মেৰঘৰ য'ত জাতি ধৰ্ম নিৰ্বিশেষে সকলোৱে মিলিত হ'ল।

দৰঙী কলা-কৃষ্টিৰ অন্যতম অনুষ্ঠান ওজাপালি আৰু মনসা পূজাৰ যোগেদি এই কথা স্পষ্ট হৈ পৰিল। এই সন্দৰ্ভত শ্ৰীৰজনী কান্ত বৰুৱাদেৱে কৈছে যে মঙ্গলদৈ অঞ্চলৰ মনসা পূজা শাক্ত ধৰ্মালম্বী লোকৰ এক ধৰ্মীয় অনুষ্ঠান যদিও অতীজৰে পৰা চলি অহা এই অনুষ্ঠান অকল ধৰ্মীয় গণ্ডীৰ ভিতৰতে আবদ্ধ নাছিল। সেই সময়ৰ কোঁচ ৰজাসকলৰ পৃষ্ঠপোষকতাত আহোমৰ সুবচনী দেৱী, কছাৰীৰ মেছা-মেছেনীৰ নৃত্য, মুছলমানৰ হাচান-হুচেনৰ পূজাৰ পদ, বৌদ্ধসকলৰ ধৰম পূজা, শাক্তৰ ছাগ মহিষৰ বলিদান, বৈদিক যুগৰ হোম-যজ্ঞ-পূজা, ওজাপলিৰ গীত আদিৰ অপূৰ্ব মিলনত এই অনুষ্ঠান সৰ্বধৰ্মৰ সমন্বয় অনুষ্ঠান হিচাপেহে বৰ্তি থকা বুলি কব পাৰি।[৫] দৰঙৰ এই ঐতিহ্যমণ্ডিত ওজাপালি অনুষ্ঠানটিক সু-সাহিত্যিক শ্ৰীঅতুল চন্দ্ৰ বৰুৱাদেৱে এটা মুক্ত ধৰ্মৰ ৰূপ বুলি অভিহিত কৰিছে। কিয়নো সৌ সিদিনালৈকে মনসা পূজাৰ সুকনানী গোৱা অনেক ওজা ইছলাম ধৰ্মী লোক আছিল। মঙলদৈৰ বিখ্যাত পৰশু ওজাৰ কথা আজিও সকলোৱে কয়। এই পৰশু ওজা ছিপাঝাৰৰ মাৰৈ গাঁৱৰ মুছলমান লোক। সেইদৰে নানা দেৱতাৰ পূজা, মুছলমান ওজা, দেওধনী নৃত্য, কছাৰী পূজা আদিৰ সংমিশ্ৰণে মনসা পূজাৰ সমস্ত অনুষ্ঠানটোকে এটা মুক্ত ধৰ্মৰ বাতাবৰণ দান কৰিছে।[৬] একেদৰে ব্যাসৰ ওজাই ভৰিত নূপুৰযোৰ, কান্ধত আৰু কঁকালত মেৰিয়াই লোৱা টঙালি, দুই হাতেৰে বজোৱা খুটীতাল আদি ভূটীয়া কৃষ্টিৰ অৱদান বুলি বহুতে মত দাঙি ধৰিছে। ব্যাসৰ ওজাই পিন্ধা টুপী, জামা, চাপকনচোলা আদি মোগলী পোচাকৰ আৰ্হিত সজোৱা বুলিও বহুতে কয়। আকৌ মাৰৈ পূজাৰ অনুষ্ঠানৰ সুকনানি ওজাপালিয়ে দেওধনী নৃত্যৰ লগতে মেছা মেছেনীৰ নৃত্য প্ৰদৰ্শন কৰাতো এসয়মত ৰজা প্ৰজা সকলোৱে বড়ো ভাইসকলৰ জনজাতীয় কৃষ্টিটোক আদৰি আনি ধৰ্মীয় অনুষ্ঠানত সন্নিবিষ্ট কৰাতোকে বুজাইছে আৰু ই নিশ্চয় জনজাতীয় ভাইসকলক সংহতিৰ এনাজৰীৰে বান্ধি ৰখাত সহায়ক হৈছে।

মঙলদৈ অঞ্চলৰ অন্যতম পুৰণি কৃষ্টি চিয়াগীতে সমাজখন অধিক শক্তিশালী কৰি সকলোৰে মাজত আধ্যাত্মিকতাৰ বীজ সিঁচি দিলে। সাধাৰণতে এই গীতৰ প্ৰকৃত শিল্পী ভকত মহন্তসকল। বৰখেলীয়া বা পূৰ্ণধেৰীয়া ভকত মহন্ত সকলেই মঙলদৈ অঞ্চলত চিয়াগীতৰ জন্মদাতা বুলি জনা যায়। শঙ্কৰদেৱৰ প্ৰিয় শিষ্য গোপাল আতাই তেৰাৰ নাম ধৰ্মকে মূল কৰি পোন প্ৰথমতে নগাপাহাৰৰ দাতি কাষৰীয়া অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত বৰখেলীয়া ভক্তিধাৰাৰে হৰি নামৰ ৰস বোৱাই ধৰ্ম প্ৰচাৰত ব্যস্ত হয়। দৰঙী থোতা ৰজাই এই বৰখেলীয়া ধৰ্ম্মালম্বী হোৱাত কোঁচ, কলিতা, যোগী আদি অন্যান্য সম্প্ৰদায়ৰ প্ৰজাসকলো এই ধৰ্মত দীক্ষিত হয়। ইয়াৰ ফলত দৰঙত চিয়াগীতৰ প্ৰচলন হয় আৰু সকলোৰে মাজত মিলাপ্ৰীতিৰে সমাজখন শক্তিশালী হৈ উঠে।

অসমীয়া মুছলমান সমাজত প্ৰচলিত 'চেৱাঢেকে'ও দৰঙী সমাজত যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

*মঙলদৈ অঞ্চলৰ অন্যতম পুৰণি কৃষ্টি চিয়াগীতে সমাজখন অধিক শক্তিশালী কৰি সকলোৰে মাজত আধ্যাত্মিকতাৰ বীজ সিঁচি দিলে। সাধাৰণতে এই গীতৰ প্ৰকৃত শিল্পী ভকত মহন্তসকল। বৰখেলীয়া বা পূৰ্ণধেৰীয়া ভকত মহন্ত সকলেই মঙলদৈ অঞ্চলত চিয়াগীতৰ জন্মদাতা বুলি জনা যায়। শঙ্কৰদেৱৰ প্ৰিয় শিষ্য গোপাল আতাই তেৰাৰ নাম ধৰ্মকে মূল কৰি পোন প্ৰথমতে নগাপাহাৰৰ দাতি কাষৰীয়া অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত বৰখেলীয়া ভক্তিধাৰাৰে হৰি নামৰ ৰস বোৱাই ধৰ্ম প্ৰচাৰত ব্যস্ত হয়। দৰঙী থোতা ৰজাই এই বৰখেলীয়া ধৰ্ম্মালম্বী হোৱাত কোঁচ, কলিতা, যোগী আদি অন্যান্য সম্প্ৰদায়ৰ প্ৰজাসকলো এই ধৰ্মত দীক্ষিত হয়। ইয়াৰ ফলত দৰঙত চিয়াগীতৰ প্ৰচলন হয় আৰু সকলোৰে মাজত মিলাপ্ৰীতিৰে সমাজখন শক্তিশালী হৈ উঠে।*

পথৰুঘাটৰ ৰণ, বৰভুইকঁপ, কালীয়াৰ বিলৈ আদি ঘটনাৰ পদ্য ছন্দত লিখা কিতাপৰ

পদবিলাক মানুহৰ মুখে মুখে উৎসৱ-পাৰ্বন, দোমাহী, সাউৰী, বিয়া বাৰুত পদ হিচাপে সময় বাগৰি দৰঙৰ বিভিন্ন অঞ্চলত ঢেক হিচাপে ব্যৱহাৰ হৈছিল। পৰৱৰ্তী সময়ত দৰঙত অসমীয়া মুছলমান সমাজত প্ৰধানত: বিবাহ উৎসৱত দীঘলীয়াকৈ সুৰ টানি টানি উচ্চস্বৰে গোৱা এই ঢেক গ্ৰামাঞ্চলত এক কৃষ্টি হৈ উঠিল। ইছলাম ধৰ্মীয় লোকৰ মাজত সৰ্বাধিক প্ৰচলিত এই গীত বা ঢেকবোৰে উচ্চ স্তৰৰ সংগীত হিচাপে পৰিগণিত হৈ সমাজত কৃষ্টি আৰু সংহতিৰে বৰঙণি যোগালে।

দৰঙী কলা-কৃষ্টিৰ আন এটা উল্লেখযোগ্য কৃষ্টি হ'ল নাঙেলী গীত। এই নাঙেলী গীত অকল দৰঙৰহে সম্পত্তি। গাঁৱলীয়া চহা সবল হোজা কৃষকৰ যৌৱন কালৰ কামনা বাসনাবোৰ গৰু চৰাই থাকোতে পথাৰত গোৱা এই গীতবোৰ প্ৰকৃততে মৌখিক ৰূপতহে প্ৰচলিত। চহা জীৱনৰ অশ্লীল গীত হলেও ইয়াত সাহিত্য সম্ভাৰ বিদ্যমান আৰু ইয়াৰ সৃষ্টিও বহু পুৰণি। এই গীতবোৰ বিঙিয়াই মুক্ত কণ্ঠে মুকলি পথাৰ নাইবা হাবিৰ মাজতহে গোৱা হয়; কিন্তু ইয়াক নাৰীৰ কণ্ঠত কেতিয়াও শুনিব পোৱা নাযায়। গৰখীয়াসকলৰ মাজত প্ৰধানত: প্ৰচলিত যদিও এই গীতবোৰৰ ঐতিহ্য সামজিক ঐক্য সংহতিৰ এক অপৰিহাৰ্য্য অঙ্গ।

দৰঙী শিল্পীসকলৰ কালিবাদক বা 'কালীয়া' সকলেও উল্লেখযোগ্যভাৱে ঐক্য সংহতিৰ স্বাক্ষৰ হিচাপে আছে। বিশেষকৈ হিন্দু আৰু ইছলাম ধৰ্মী লোকসকলে দৰঙৰ বিয়া সবাহত কালি বজাই ৰাইজক মুগ্ধ কৰাৰ লগতে সমাজখনো ঐক্যৰে সমৃদ্ধ কৰিছে।

দৰঙৰ প্ৰতিষ্ঠিত বিভিন্ন সত্ৰ আৰু নামঘৰ সমূহেও বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যোগেদি দৰঙী কলা-কৃষ্টি বিকাশত সহায় কৰাৰ উপৰিও অতীতৰে পৰাই সমাজত ঐক্য আৰু সংহতিৰ বান্ধোন অধিক সুদৃঢ় কৰিলে। দৰঙী কৃষ্টিৰ অন্তৰ্ভূক্ত আইনাম, থিয়নাম আদিতো এই সত্ৰ সমূহৰ ঐতিহ্যৰ বিষয় সন্নিবিষ্ট হৈছে। এই ক্ষেত্ৰত দৰঙৰ খটৰা সত্ৰৰ কথাকে কব পাৰি যে ব্ৰাহ্মণ, ক্ষেত্ৰিয়, শূদ্ৰ, বৈশ্য, ৰাভা, বড়ো, আদিবাসী, শাক্ত, বৈষ্ণৱ সকলোৱে এই সত্ৰ দৰ্শন কৰিব পৰাৰ বাবেই ইয়াৰ সাৰ্বজনীনতাই সকলোকে আকৰ্ষণ কৰিব পাৰিছে। আনকি অঞ্চলটিৰ ইছলামধৰ্মী লোককো সত্ৰৰ মাহাত্মাই আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। জনা যায় ইংৰাজৰ দিনত পথৰুঘাটৰ মুছলমান তহবিলদাৰ দিদাৰুদ্দিন বৰাই ৰাইজৰ সহায়ত মহাপুৰুষীয়া নামঘৰটি পুনৰ নিৰ্মাণ কৰোৱায়। সেয়েহে কব পাৰি খটৰা গোঁহাইঘৰ দেখোতে ভয়ঙ্কৰ ছকুৰি নাহৰৰ খুটা তাকে লৈ খটৰা আজিও সংহতিৰ লাইখুটা।"

এইদৰেই দৰঙী কলা-কৃষ্টিৰ বিভিন্ন অনুষ্ঠানে সৌ তাহানিৰে পৰাই ঐক্য আৰু সংহতিৰে দৰঙী সমাজখনক শক্তিশালী কৰি তুলিলে। বিশেষকৈ দৰঙ অঞ্চলৰ থলুৱা হিন্দু-মুছলমান আদি ভিন্ন ধৰ্মী লোকৰ মাজত কেতিয়াও বিদ্বেষ ভাৱ সৃষ্টি হোৱা নাই আৰু এই ঠাইৰ ঐক্য সংহতি সকলোৰে বাবে আদৰ্শনীয় হৈ আছে। কিয়নো স্বৈৰতন্ত্ৰ আৰু বিদেশী শাসন শোষণৰ বিৰুদ্ধে দৰঙৰ প্ৰজাই সংঘবদ্ধ হৈ জনমত গঠন কৰি সাহসেৰে বহুবাৰ শাসকগোষ্ঠীৰ প্ৰতিবাদ কৰিছিল। খাজনা বৃদ্ধিৰ প্ৰতিবাদত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত বৃটিছৰ বিৰুদ্ধে দৰঙৰ কৃষকে সংঘবদ্ধভাৱে কৰা 'পথৰুঘাটৰ কৃষক বিদ্ৰোহ' ইয়াৰ জলন্ত উদাহৰণ।

দৰঙ অঞ্চলৰ এই সুকীয়া ঐতিহ্য, কলা-কৃষ্টি তথা সংস্কৃতিসমূহৰ পুনৰ উদ্ধাৰ, সংৰক্ষণ, সম্প্ৰসাৰণ আদিৰ বাবে আমি সকলোৱে চেষ্টা চলোৱা প্ৰয়োজন। অৱশ্যে ছিপাঝাৰৰ 'দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ' নামৰ প্ৰতিষ্ঠানটিয়ে এই কৃষ্টিসমূহৰ সংৰক্ষণ আৰু বিকাশৰ বাবে প্ৰসংশনীয় পদক্ষেপ লৈছে তাৰ বাবে আমি তেওঁলোকলৈ অভিনন্দন জনালোঁ। তৎস্বত্বেও এই কলা-কৃষ্টিৰ বিজ্ঞান সন্মত গৱেষণা আৰু অধ্যয়ণ বৰ্তমান সময়ত অতি প্ৰয়োজনীয়। কাৰণ দৰঙী কৃষ্টিসমূহ সংস্কৃত ৰূপত মঞ্চলৈ আহিছে যদিও নৃত্য-নাট্য বা গীতি-নাট চিহাপে ইয়াৰ বিকাশ এতিয়াও বাকী আছে।


পাদটীকা ঃ

১। ড০ কনক চন্দ্ৰ চহৰীয়া ঃ দৰঙৰ পৰিবেশ্য কলা আৰু গৱেষণা, দৰঙী কলা-কৃষ্টি প্ৰবাহ, ২০০১, পৃষ্ঠা-৯

২। ড০ মহেশ্বৰ নেওঁগ ঃ খটৰা গোবিন্দৰ পৰা মোজাম্মিললৈ দৰঙ্গ স্মৃতি, ১৯৭৪, পৃষ্ঠা-১৯

৩। শ্ৰীৰজনী কান্ত বৰুৱা ঃ দৰঙী কলা-কৃষ্টিৰ চমুকথা, ১৯৮৩, পৃষ্ঠা-১৯

৪। নলিনীবালা দেৱী ঃ আগকথা, মঙলদৈৰ বুৰঞ্জী, পৃষ্ঠা- ০৮

৫। শ্ৰীৰজনী কান্ত বৰুৱা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা -১৫

৬। অতুল চন্দ্ৰ বৰুৱা ঃ মঙলদৈয়া ওজাপালি গীত আৰু বিবিধ পূজা অনুষ্ঠান, ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, মঙলদৈ মহাবিদ্যালয়, ১৯৭৫, পৃষ্ঠা-১৯

৭। এম, ইব্ৰাহীম আলি ঃ সংহতিৰ দৃষ্টিকোণত মঙলদৈ, দৰং স্মৃতি, ১৯৭৪ খ্ৰী: পৃষ্ঠা-৫৩।


□□□

# অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহ

ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা
জ্যেষ্ঠ প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

ভাৰতবৰ্ষৰ উত্তৰ পূব দিশৰ সুজলা-সুফলা ৰঙা নদী আৰু সেউজ পাহাৰৰ অসম ৰাজ্য। যাৰ ভৌগলিক অৱস্থিতি ২৪°৪৪ - ২৭°৪৫ উত্তৰ অক্ষাংশ আৰু ৮৯°৪১ - ৯৬°০২ পূব দ্ৰাঘিমাংশ আৰু মাটিকালি ৭৮৪৩৮ বৰ্গ কিঃ মিঃ। অসমৰ মুঠ মাটিকালিৰ ২৬,৭৪৮ বৰ্গ কিঃমিঃ (২৪.৫৮%) বিভিন্ন পৰ্যায়ৰ বনভূমিৰে আগুৰি আছে। অসমত সমূহ অৰণ্য সংৰক্ষণ ব্যৱস্থাৰ শ্ৰেণী বিভাজন আৰু নামকৰণ এনেধৰণৰ- ৩১২ খন সংৰক্ষিত অৰণ্য, ১৪৫ খন প্ৰস্তাৱিত সংৰক্ষিত অৰণ্য, বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে সংৰক্ষিত ২০ খন অভয়াৰণ্য, ৫ খন হাতীৰ বাবে সংৰক্ষিত বনাঞ্চল, ৩ খন ব্যাঘ্ৰ প্ৰকল্প আৰু ৫ খন ৰাষ্ট্ৰীয় উদ্যান। ইয়াৰোপৰি বন্য প্ৰাণীৰ সুৰক্ষাৰ বাবে ২ খন জীৱ মণ্ডলীয় সংৰক্ষিত অঞ্চল আৰু ২ খন বিশ্ব ঐতিহ্য স্থান হিচাপে ঘোষিত অঞ্চল আছে। যদিও ৫ খনকৈ পৃথিৱী বিখ্যাত ৰাষ্ট্ৰীয় উদ্যান অসমত আছে ৰাষ্ট্ৰীয় উদ্যানসমূহৰ বিষয়ে বহু ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ লোক এই বিষয়ে অজ্ঞ নহয়। সংৰক্ষিত বনাঞ্চল সমূহৰ মাজৰ পৰা কেৱল ৰাষ্ট্ৰীয় সমূহৰ থূলমূল এক বিৱৰণহে এই লেখাত দাঙি ধৰাৰ প্ৰয়াস কৰিছো যাতে পঢ়ুৱৈসকলে আটাইকেইখন ৰাষ্ট্ৰীয় উদ্যানৰ এক থূলমূল আভাস পাব পাৰে।

**মানাহ ৰাষ্ট্ৰীয় উদ্যান ঃ**

অসমৰ উত্তৰ-পশ্চিম অঞ্চলৰ বৰ্তমানৰ বড়োলেণ্ড স্বায়ত্ব শাসিত এলেকাৰ অন্তৰ্ভূক্ত বাস্কা, চিৰাং, ওদালগুৰি, কোকৰাঝাৰ সামৰি ভূটানৰ পাদ দেশত ৫২০ বৰ্গ কিলোমিটাৰ জোৰা মানাহ ৰাষ্ট্ৰীয় উদ্যান এক মনোৰম ৰাষ্ট্ৰীয় উদ্যান। ৰাষ্ট্ৰীয় উদ্যানৰ লগতে ভাৰত ভূটান সীমান্তৰ ২,৮৩৭ বৰ্গ কিঃ মিঃ জোৰা এক বৃহৎ অঞ্চল মানাহ ব্যাঘ্ৰ প্ৰকল্পই সামৰি লৈছে। এই ব্যাঘ্ৰ প্ৰকল্পৰ অধীনতে ১৮ খন সংৰক্ষিত বনাঞ্চল সামৰি লোৱা হৈছে।

'মানস' নামৰ নদীখনৰপৰাই ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম 'মানাহ ৰাষ্ট্ৰীয় উদ্যান' হিচাপে লোৱা হৈছে। ১৯০৫ চনৰ ১৫ মাৰ্চ তাৰিখে পূৰ্ব বঙ্গৰ বন সংৰক্ষক W.F. Tatingham নামৰ লোকজনে কৰা জাননীযোগে এই বনাঞ্চলত জীৱ-জন্তু চিকাৰ কৰা বন্দুক চলোৱা আদি নিষিদ্ধ ঘোষণা কৰা হয়। ১৯২৮ চনত ৩৫০ বৰ্গ কিঃমিঃ এলেকাৰে ইয়াক অভয়াৰণ্য হিচাপে ঘোষণা কৰা হয় আৰু ইয়াৰ পিছত মাটিকালি ৩৯১.৭৭ বৰ্গ কিঃমিঃ লৈ বৃদ্ধি পায়। ১৯৭৩ চনত মানাহক ব্যাঘ্ৰ প্ৰকল্পৰ মৰ্যাদা দিয়া হয়। ১৯৭৯ চনত সংৰক্ষণৰ প্ৰায়োজনীয়তা চিনাক্ত কৰি ১৯৮৯ চনৰ ১৪ মাৰ্চ তাৰিখে জৈৱ মণ্ডলীয় সমিতিয়ে মানাহ অভয়াৰণ্যক 'জৈৱ মণ্ডলীয় সংৰক্ষিত অঞ্চল' হিচাপে নামকৰণ কৰে। ১৯৮৫ চনত ইউনেস্ক'ই (UNESCO) মানাহক বিশ্ব ঐতিহ্যৰ স্থান হিচাপে ঘোষণা কৰে। ২০০১ চনত ভাৰত চৰকাৰে হস্তী প্ৰকল্প হিচাপে ঘোষণা কৰে। দুৰ্ভাগ্যৰ বিষয় যে এনে এক অঞ্চল গোষ্ঠীগত সংঘৰ্ষৰ বাবে ১৯৯২ চনত যথেষ্ট ক্ষতি হয় আৰু ২০০৩ চনত UNESCO ই বিপদাপন্ন বিশ্ব ঐতিহ্যৰ স্থান হিচাপে ঘোষণা কৰে। ২০০৫ চনত UNESCO ৰ পৰ্যবেক্ষকৰ দল আহি 'বিশ্ব ঐতিহ্যৰ স্থান হিচাপে পুনৰবাৰ ঘোষণা কৰিবৰ বাবে পৰ্যবেক্ষণ কৰে।

মানাহৰ প্ৰায় ৭০০ বিধমান উদ্ভিদৰ প্ৰজাতি চিনাক্ত কৰা হৈছে। ইয়াৰে উল্লেখযোগ্য কিছুমান গাছ-গছনি হ'ল চেগুণ, তিতাচপা, সোণাৰু, খকন, শিলিখা, পমা, এজাৰ, আঁহত, বগৰী, ডিমৰু, উৰিয়াম, ওদাল, কৰৈ, কুঁহিৰ, কঠাল, কদম, নাহৰ, ভেলকৰ ইত্যাদি। ইয়াৰ উপৰিও অনেক ঔষধি গছো এই অৰণ্যত বিদ্যমান। এই অৰণ্যৰ বন্যপ্ৰাণী সমূহ হ'ল- গড়, ঢেকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, বনৰৌ, বনৰীয়া ম'হ, মেথোন, হাতী, ভালুক, দলহৰিণ, নলগাহৰি, খাগৰীকটা শহা (দলখৰিয়া), সোণালী বান্দৰ, টুপীমূৰীয়া বান্দৰ, লাজুকী বান্দৰ ইত্যাদি। মানাহৰ ৰাষ্ট্ৰীয় উদ্যানৰ ৩১২ বিধ পক্ষী, ৪২ বিধ সৰীসৃপ, অতি দুষ্প্ৰাপ্য উলুম'ৰা, ম'ৰা, হাড়গিলা, বৰটোকোলা, দুয়োবিধ ধনেশ (ডাঙৰ, সৰু) বগা শামুক খোলা আদিও পোৱা যায়। ইয়াৰ উপৰিও মানাহত অজগৰ, হালধীয়া গুই, বিভিন্ন প্ৰকাৰৰ কাছ, শিহু, বিভিন্ন প্ৰকাৰৰ ভেঁকুলী আৰু মাছ পোৱা যায়। বৰপেটা ৰোডৰ পৰা বাঁহবাৰী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় হৈ মানাহলৈ যাব পাৰি। উদ্যানত থাকিবৰ বাবে মঠনগুৰিত দুটা অতিথিশালা আছে। মঠনগুৰিৰ প্ৰাকৃতিক দৃশ্য ভাৰতবৰ্ষৰ ভিতৰতেই অনুপম। এই মঠনগুৰিৰ পৰাই নাৱেৰে বেকী নদী হৈ মানাহৰ কাষে কাষে পৰিভ্ৰমণ কৰাৰো সুবিধা আছে। ইয়াৰ উপৰিও বেকী নদীৰ সিপাৰে থকা ভূটান-মানাহ অভয়াৰণ্য পৰিদৰ্শন কৰাৰ সুবিধা আছে। দৰ্শনাৰ্থীসকলৰ বাবে বাঁহবাৰীটো থকাৰ বাবে দুটা অতিথিশালা আছে।

পৰিদৰ্শনৰ প্ৰশস্ত সময় নবেম্বৰৰ পৰা মাৰ্চ মাহ।

**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঃ**

পৃথিৱী বিখ্যাত এশিঙীয়া গড়ৰ আৱাসভূমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বিশ্ব ঐতিহ্য স্থান হিচাপে সমগ্ৰ পৃথিৱীৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ১৯০৫ চনতে কাজিৰঙাক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণাৰ বাবে প্ৰাৰম্ভিক জাননী জাৰী কৰা হয় আৰু ১৯০৮ চনত ইয়াক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হয়। প্ৰায় ৮৫৮ বৰ্গ কিঃমিঃ জোৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অসমৰ গোলাঘাট, নগাঁও জিলালৈ ব্ৰহ্মপুত্ৰৰ সৈতে বিস্তৃত হৈ আছে। ভৌগলিক অৱস্থান ২৬°৩৪ - ২৬°৪৬ উত্তৰ অক্ষাংশ ৯৩°০৮ - ৯৩°৩৪ পূৱ দ্ৰাঘিমাংশ। উদ্যানখনৰ মুঠ এলেকাৰ ৫.৫৮% অঞ্চল জলাশয় আৰু বিল, ৬৪.৪৪% ঘাঁহনিৰে পৰিপূৰ্ণ আৰু ২৭.৯৮% অঞ্চল গছ-গছনিৰে ভৰা। পৃথিৱীৰ মুঠ এশিঙীয়া গড়ৰ প্ৰায় ৭০% (১৮৫৫ টা) ৰো অধিক, ১৪০০ বনৰীয়া ম'হ ৮৫ টা বাঘ আৰু প্ৰায় ৫০% (৪৬৮) হৰিণৰো এই উদ্যান উৎকৃষ্ট আবাসভূমি। ১৯৫০ চনত কাজিৰঙা অভয়াৰণ্য হিচাপে ঘোষণা কৰা হয় আৰু ১৯৬৯ চনৰ নবেম্বৰ মাহত ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰিবলৈ প্ৰাথমিক জাননী জাৰি কৰা হয়। ১৯৭৪ চনৰ ১ জানুৱাৰী তাৰিখে কাজিৰঙা অভয়াৰণ্যক 'কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান' হিচাপে ঘোষণা কৰা হয়। ১৯৮৫ চনত কাজিৰঙাক বিশ্ব ঐতিহ্যৰ স্থান চিহাপে ঘোষণা কৰা হয় আৰু ২০০৬ চনৰ পৰা ব্যাঘ্ৰ যোজনাৰ অধীনলৈ অনা হয়।

অসমত পোৱা প্ৰায় সকলোধৰণৰ গছ-গছনিয়ে ইয়াত পোৱা যায়। বহু বিল, উপনদী, জলাশয় আদিৰে পৰিপূৰ্ণ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰায় ২৯.১৩% অঞ্চল কাঠনি, ৫১.৯১% ওখ চাপৰ ঘাঁহনি ৬.২২% বিল, ৫.২১% জলাশয়। ৭.১২% বালিময় অঞ্চল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ৪৭৮ বিধ চৰাই চিনাক্ত কৰা হৈছে। তাৰে ২১ বিধ অতি বিপদাপন্ন। সকলোৰে মুখ্য আকৰ্ষণ গড়ৰ উপৰিও চাৰিবিধ হৰিণা, হাতী, বনৰীয়া ম'হ, শিহু, উদ, বিভিন্ন প্ৰকাৰৰ বান্দৰ, কেটেলা পহু, জহামাল, বনৰৌ, বিভিন্ন প্ৰকাৰৰ বিলবোৰত বিভিন্ন প্ৰকাৰৰ মাছ পোৱা যায়। বিলবোৰ মাছৰ প্ৰাকৃতিক প্ৰজননৰ বাবে উৎকৃষ্ট জলাঞ্চল। কাজিৰঙা ভ্ৰমণৰ বাবে নবেম্বৰৰ পৰা আৰম্ভ হয়। ইয়াত বনবিভাগৰ অতিথিশালা, ভূমিসংৰক্ষণ অতিথিশালা, পৰ্যটন বিভাগৰ পৰ্যটন নিবাসৰ উপৰিও বিভিন্ন ব্যক্তিগত অতিথিশালা আদি আছে।

**ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান ঃ**

অসমৰ পূৰ্বৰ দৰং আৰু শোণিতপুৰ জিলাৰ বৰ্তমানে দৰং, ওদালগুৰি আৰু শোণিতপুৰ জিলাৰ এলেকাৰে অন্তৰ্ভূক্ত ওৰাং ৰাষ্ট্ৰীয় উদ্যান ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বাঘ, এশিঙিয়া গড়কে ধৰি ভালেমান বন্যপ্ৰাণীৰ এক আদৰ্শ আবাসভূমি। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগোলিক অৱস্থান ৯২°১৭ - ৯২°২৭ উত্তৰ অক্ষাংশ ২৬°২৯ - ২৬°৪০ পূৱ দ্ৰাঘিমাংশ। গড় বাৰ্ষিক বৰষুণ ২৫০০ মিঃমিঃ। ওৰাং ৰাষ্ট্ৰীয় উদ্যান প্ৰকৃততে অতীতৰ মানুহৰ বাসভূমি পৰিৱৰ্তন ঘটি হোৱা এক ৰাষ্ট্ৰীয় উদ্যান। ১৯০০ চনত হোৱা কলাজ্বৰ নামৰ এক মহামাৰীৰ বাবে সেই অঞ্চলত বসবাস কৰা আটাইখিনি মানুহে এই অঞ্চলটো এৰি যায়।

কালক্ৰমত এই অঞ্চললৈ বিভিন্ন অঞ্চলৰ পৰা বন্য প্ৰাণী আহিবলৈ লয় আৰু ই এক বন্য প্ৰাণীৰ আবাসভূমিলৈ ৰূপান্তৰিত হয়। ১৯১৫ চনত প্ৰায় ৮৪ বৰ্গ কিঃমিঃ এলেকা তদানীন্তন ব্ৰিটিছ চৰকাৰে 'মৃগয়া বন' হিচাপে ঘোষণা কৰে। প্ৰায় পঞ্চাশৰ দশকৰ পৰা এই বনাঞ্চলত টাঙ্গিয়া প্ৰথাৰে গো-পালকৰ সহায়ত বৃক্ষৰোপণ কৰোৱা হয় আৰু ই এক সুন্দৰ বনাঞ্চললৈ ৰূপান্তৰিত হয়। নিৰ্দিষ্ট অৰণ্যভূমিহীন এই অঞ্চল মুখ্যতঃ ওখ ঘাঁহনি আৰু বিল জলাশয় ইত্যাদিৰে পৰিপূৰ্ণ। ১৯৩১ চনত চাদুল্লা চাহবে এই বনাঞ্চলৰ প্ৰায় ১৭.২৯ বৰ্গ কিঃমিঃ অঞ্চল পূৰ্ববঙ্গৰ কিছু সংখ্যক ভূমিহীন লোকক সংস্থাপন দিয়ে। ১৯৮৫ চনত ৭৫.৫০ বৰ্গ কিঃমিঃ এলেকাক অভয়াৰণ্য হিচাপে ঘোষণা কৰা হয়। ১৯৯১ চনত ৩.২১ কিঃমিঃ অঞ্চল যোগ কৰা হয় আৰু বৰ্তমানে ইয়াৰ মাটিকালি ৭৮.৮১ বৰ্গ কিঃমিঃ। ১৯৯৯ চনৰ ৮ এপ্ৰিল তাৰিখে এক জাননী মৰ্মে এই বনাঞ্চলক ওৰাং ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয়। দুই বছৰমান আগতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানক চৰকাৰে ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান হিচাপে নামকৰণ কৰে। ১৯৪২-৫২ চনলৈ টুঙ্গীয়া প্ৰথাৰ সহায়ত (N.L. Bor Plan মতে) বৃক্ষৰোপনৰ ব্যৱস্থা আছিল। সেয়ে ১৯৪২ চনৰ পৰা ১৯৬২ চনলৈ ক্ৰমে এম.চি. জেকব আৰু এম. এম. ইছলামৰ তত্বাৱধানত ৯.৩৮ বৰ্গ কিঃমিঃ এলেকাত শিমলু, খয়েৰ, গামৰি, চিচু, কদম, উৰিয়াম আদি গছৰ ৰোপণ কৰা হয়। উদ্যানৰ ডাঙৰ গছবোৰ আচলতে ৰোপণ কৰা গছহে।

অসমৰ হাবিত পোৱা প্ৰায় সকলো ধৰণৰ গছ-গছনি ওৰাঙত পোৱা যায়। তাৰোপৰি উৎকৃষ্ট মানৰ গছ যেনে- চেগুণ, তিতাচপা, চিচু আদি এই ৰাষ্ট্ৰীয় উদ্যানত পোৱা যায়। বৰ্তমানেও এই উদ্যানৰ মুখ্য আকৰ্ষণ এশিঙিয়া গড় ৬০ টাৰো অধিক, প্ৰায় ২০ টা ঢেঁকীয়াপতীয়া বাঘ, ৫ টা হাতী, হেজাৰৰো অধিক খটিয়া পহু, কেটেলা পহু, চৰাই দুষ্পাপ্য উলুমৰা আদিকে

ধৰি প্ৰায় ২৫ বিধ চৰাই আৰু খাল-বিলবোৰত বহুবিধ মাছ পোৱা যায়। এই উদ্যান চাবৰ বাবে প্ৰশস্ত সময় নবেম্বৰ মাহৰ পৰা মাৰ্চ মাহ। এই উদ্যানত থাকিবৰ বাবে উদ্যানৰ ভিতৰত দুটা অতিথি গৃহ আৰু ডৰমিটৰী (Domitory) গৃহ আছে। ইয়াৰ উপৰিও উদ্যানৰ দুৱাৰ মুখতে পৰ্যটকসকলৰ বাবে অতিথিশালা আছে।

**নামেৰী ৰাষ্ট্ৰীয় উদ্যান ঃ**

অৰুণাচল প্ৰদেশৰ পাদদেশত শোণিতপুৰ জিলাৰ পশ্চিম অসম বন্যপ্ৰাণী সংমণ্ডলৰ অধীনত নামেৰী ৰাষ্ট্ৰীয় উদ্যান অসমৰ তৃতীয়খন ৰাষ্ট্ৰীয় উদ্যান। এই উদ্যান ১৮৭৮ চনতে ব্ৰিটিছ চৰকাৰে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰিছে। প্ৰায় ১০০ বছৰৰ অধিক কালৰ পাছতহে ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহত ইয়াক অভয়াৰণ্য হিচাপে আৰু ১৯৯৭ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে ইয়াক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয়। উদ্যানৰ মাটিকালি ২০০ বৰ্গ কিঃমিঃ (যদিও আৰম্ভণিতে আছিল ২১২.৩৯ বৰ্গ কিঃ মিঃ)। ২০০০ চনৰ মাৰ্চ মাহৰ ১ তাৰিখৰ পৰা নামেৰী ৰাষ্ট্ৰীয় উদ্যানক ব্যাঘ্ৰ যোজনাৰ অধীনত বাঘ সংৰক্ষণৰ বাবে সংৰক্ষিত অঞ্চল হিচাপে ঘোষিত হয়। বৰ্তমান নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু অৰুণাচল প্ৰদেশৰ পাকে অভয়াৰণ্যৰ সৈতে বিশেষ এক চুক্তি মৰ্মে ব্যাঘ্ৰ প্ৰকল্পৰ এক বৃহৎ অঞ্চল সংযোগৰ ভিত্তিত ব্যাঘ্ৰ প্ৰকল্পৰ প্ৰশস্ত ঠাই হিচাপে চিহ্নিত হ'ল। নামেৰী ৰাষ্ট্ৰীয় উদ্যানত অসমৰ প্ৰায় সকলো গছ-গছনিয়ে পোৱা যায়। পৃথিৱীৰ বিলুপ্তপ্ৰায় শুভ্ৰ ডেউকাৰ দেওহাঁহকে আদি কৰি প্ৰায় ২৩৮ টা প্ৰজাতিৰ চৰাইৰ বিচৰণভূমি এই নামেৰী ৰাষ্ট্ৰীয় উদ্যান। নামেৰী ৰাষ্ট্ৰীয় উদ্যানত চাৰিওটা প্ৰজাতিৰ ধনেশ চৰাইকে আদি কৰি বহু প্ৰকাৰৰ বগলী, বুলবুলি, ফেঁচা, শালিকা, হাড়গিলা আদি পোৱা যায়। এই উদ্যানখনত বহুবিধ কাছও পোৱা যায়। স্তন্যপায়ী বন্যপ্ৰাণী সমূহৰ ভিতৰত হাতী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, বিভিন্ন প্ৰকাৰৰ পহু, মেথোন, ৰাং কুকুৰ, গাহৰি, ভালুক ইত্যাদি পোৱা যায়। বিভিন্ন প্ৰজাতিৰ কাছ, সাপ, মাছ এই অৰণ্যত পোৱা যায়। এই উদ্যানখন চাবৰ কাৰণে নবেম্বৰৰ পৰা মাৰ্চ মাহলৈ উৎকৃষ্ট সময়। উদ্যানত থকা-খোৱাৰ বাবে এতিয়াও সম্পূৰ্ণ সুবিধা নাই যদিও 'Anglers Association' ৰ দ্বাৰা পৰিচালিত অতিথিশালাটোৱেই কম পৰিমাণে হ'লেও অভাৱ পূৰণ কৰি আছে। নামেৰী ৰাষ্ট্ৰীয় উদ্যান ব্যাঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত মানাহৰ পিছতেই আনখন উদ্যান।

**ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ঃ**

ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান বৰ্তমানৰ স্থিতিলৈ উত্তৰণৰ পদক্ষেপ সমূহ এনেধৰণৰ- ১৯২০ চনত ডিব্ৰু সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হয়। ১৯৮৬ চনত ডিব্ৰু-চৈখোৱা সংৰক্ষিত বনাঞ্চলৰ লগতে আন কেইবাটা অঞ্চল সাঙুৰী ৬৪০ বৰ্গ কিঃমিঃ ডিব্ৰু-চৈখোৱা অঞ্চল হিচাপে ঘোষণা কৰা হয়। ১৯৯৫ চনত ৩৪০ বৰ্গ কিঃমিঃ এলেকাৰ বনাঞ্চলক অভয়াৰণ্য হিচাপে চূড়ান্তভাৱে জাননী জাৰি কৰা হয়। ১৯৯৭ চনত ৩৪০ বৰ্গ কিঃমিঃ এলেকা মুখ্য অঞ্চল ৪২৫ বৰ্গ কিঃমিঃ বহিৰাঞ্চল (Buffer Zone) চিহাপে অন্তৰ্ভুক্ত কৰি মুঠ ৭৬৫ বৰ্গ কিঃমিঃ জীৱমণ্ডলীয় সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰা হয়। ১৯৯৯ চনত ডিব্ৰু-চৈখোৱা অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয় আৰু মাটিকালি ৩৪০ বৰ্গ কিঃমিঃ ৰখা হয়। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগলিক অৱস্থান ২৭°৩৫´ - ২৭°৫০´ উত্তৰ অক্ষাংশ ৯৫°১০´ - ৯৫°৪০´ পূব দ্ৰাঘিমাংশ। অসমৰ পূৰত তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান বহু প্ৰজাতিৰ চৰাই আৰু বন্যপ্ৰাণীৰ বিচৰণ ভূমি। ৩৪০ বৰ্গ কিঃমিঃ মাটিকালিৰ এই অভয়াৰণ্যখন জৈৱমণ্ডল সংৰক্ষিত বনাঞ্চল। এই উদ্যানখন বিশ্বৰ দুষ্পাপ্য দেওহাঁহৰ আবাসস্থলী। ইয়াৰ উপৰিও এই উদ্যানৰ অন্তৰ্গত চুৰকে - চাপৰি নামৰ অঞ্চলটোৰ বনৰীয়া ঘোঁৰাৰ বসতিস্থল যি বিধ ঘোঁৰা পৰ্যটকৰ মূল আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই উদ্যানত দুষ্পাপ্য সোণগুই, উৰণীয়া মালায়ান কেৰ্কটুৱা আদিও পোৱা যায়। উদ্যানখনৰ প্ৰায় ৫০% অধিক অঞ্চলেই জলাশয়ে আগুৰি আছে। এই উদ্যানত অসমৰ হাবিত পোৱা প্ৰায় সকলো গছ-গছনি পোৱা যায়। শীতকালি এই অৰণ্যলৈ ধৃতবাজ, ৰাজহাঁহ, শিৰহাঁহ আদি যথেষ্ট পৰিমাণে পৰিভ্ৰমী চৰাইৰ প্ৰব্ৰজন ঘটে। এই উদ্যানৰ মাজত ভালেমান বনগাঁও আজিও বিদ্যমান। এই উদ্যান ভ্ৰমণৰ বাবে প্ৰশস্ত সময় নবেম্বৰৰ পৰা মাৰ্চ মাহ। উদ্যানত থাকিবৰ বাবে ভিতৰত কোনো ধৰণৰ ব্যৱস্থা এতিয়াও গঢ়ি উঠা নাই। তিনিচুকীয়াৰ ওচৰৰ গুঁইজান নামৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ লগতে এটি বন বিভাগৰ অতিথিশালা আছে। ইয়াৰ উপৰিও এটা স্বেচ্ছাসেৱী সংগঠনে বন্যপ্ৰেমী নাৰায়ণ শৰ্মাৰ সোঁৱৰণত এটা ক্ষুদ্ৰ মিউজিয়াম আৰু অতিথিশালা গঢ়ি তুলিছে।

অসমৰ বৰ্তমানৰ এই পাঁচখন ৰাষ্ট্ৰীয় উদ্যানৰ উপৰিও আন কেইবাখনো অভয়াৰণ্য 'ৰাষ্ট্ৰীয় উদ্যান'ৰ পৰ্যায়লৈ উন্নীতকৰণ কৰিব পৰাৰ থল আছে। সংশ্লিষ্ট কৰ্তৃপক্ষই এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি লৈ এই অভয়াৰণ্য সমূহক ৰাষ্ট্ৰীয় উদ্যান পৰ্যায়লৈ উন্নীত কৰিলে বন্যপ্ৰাণী সংৰক্ষণৰ এক নতুন অধ্যায়ৰ অচিৰেই সূচনা হ'ব। □□□

অতিথি লেখকৰ কলম-

# সদানন্দৰ কলা ঘূমটি আৰু নিজে গঢ়া মানুহ লম্বোদৰ বৰা


চন্দ্ৰ চহৰীয়া
প্ৰাক্তন ছাত্ৰ


অসমীয়া ভাষা-সাহিত্যৰ কল্যাণকামী চিন্তা চৰ্চাত দেহেকেহে আত্মনিয়োগ কৰা ব্যক্তিসকলৰ ভিতৰত ঊনবিংশ শতিকাৰ প্ৰথিতযশা কথা সাহিত্যিক লম্বোদৰ বৰা আছিল অন্যতম। জীৱিত কালৰ বৈখিক হিচাপত মাত্ৰ একুৰি বাৰ বছৰ কাল জীয়াই থকা এই গৰাকী সাহিত্যিকে ৰজাঘৰীয়া কোনোধৰণৰ বিষয়বাব গ্ৰহণ নকৰি ক্ষণস্থায়ী জীৱন কালতঅনেক ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ স্বকীয়ভাৱে আইন ব্যৱসায় কৰাৰ লগতে ভাষা সাহিত্যৰ বেদীতো অনেক সম্ভাৰ দান দি গ'ল যাৰ গুণগত প্ৰমূল্যৰাজি অসমীয়া ভাষা সাহিত্যৰ বাবে মূল্যবান সম্পদৰূপে চিহ্নিত হৈ ৰ'ল। বিদ্যায়তনিক কালছোৱাতেই স্বদেশ আৰু স্বজাতিৰ মঙ্গল কামনা কৰা লম্বোদৰ বৰাই তৎকালীন সময়ৰ তথা অসমৰ দ্বিতীয় সংবাদ পত্ৰ 'আসাম বিলাসিনী'ৰ জৰিয়তে সাহিত্য চৰ্চাৰ উন্মেষ ঘটাইছিল। উল্লেখ্য যে, তাহানি আহোম ৰাজত্বৰ কাৰী-পাইকৰ বিষয়া বৰা আছিল বৰাৰ পিতৃ পুৰুষ আৰু জন্ম স্থান আছিল তেতিয়াৰ অবিভক্ত দৰঙৰ গমিৰীঘাট।'জোনাকী যুগৰ' কৰ্ণধাৰ সকলৰ অকুণ্ঠ প্ৰচেষ্টাত কলিকতাত গঢ়ি উঠা অসমীয়া ভাষা সাহিত্যৰ লাখুটি স্বৰূপ কল্যাণ কামী অনুষ্ঠান 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ অনুকৰণত ভাষা সাহিত্যলৈ শ্ৰদ্ধাৰ্ঘৰ চিন স্বৰূপে তেওঁৰ যত্নতেই তেজপুৰত গঢ় লৈ উঠিছিল, তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভা। প্ৰকাশ যোগ্য যে, লম্বোদৰ বৰাৰ সৃষ্ট সাহিত্যৰাজিৰ মণিকূট হিচাপে গ্ৰন্থ আকাৰত আমি 'শকুন্তলা', 'ল'ৰাবোধ' আৰু জ্ঞানোদয় নামৰ তিনিখন পুথি পাওঁ যদিও বৰাৰ ভিন্ন স্বাদৰ প্ৰবন্ধ তথা অন্যান্য ৰচনাৰাজি প্ৰকাশ হৈছিল- তেতিয়াৰ অসমীয়া জাতীয় জীৱনৰ ভাষা-সাহিত্যৰ চাবি-কাঠি স্বৰূপ আসাম বিলাসিনী (১৮৮২), আসাম বন্ধু (১৮৮৫) আসামতৰা, আসাম নিউজ, জোনাকী, বিজুলী আদিত। উল্লিখিত সংবাদ পত্ৰবোৰৰ ভিতৰত গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম বন্ধু' (১৮৮৫-১৮৮৬) ত বৰাই এগৰাকী ব্যঙ্গাত্মক ৰচনাকাৰ হিচাপে জনমানসত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। কোৱা প্ৰসঙ্গিক যে, 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী' খ্যাত হেমচন্দ্ৰ বৰুৱা আৰু কৃপাবৰ বৰুৱা খ্যাত লক্ষীনাথ বেজবৰুৱাৰ পাছতে এই গৰাকী লোকক ব্যঙ্গাত্মক ৰচনাকাৰ হিচাপে আসন অলঙ্কৃত কৰিবলৈ সক্ষম হৈছিল। বৰাদেৱে সমাজৰ নানা দিশৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া জাতিটোক কলুষতাৰ পৰা মুক্ত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। লম্বোদৰ বৰাৰ ব্যঙ্গাত্মক ৰচনা ৰাজিৰ অন্তশীল বিষয়বস্তু আছিল তৎকালীন সময়ৰ অহমিকাযুক্ত অৰ্ধশিক্ষিত অসমীয়া সমাজখন। কাৰণ সেই সময়ত বহু অসমীয়া শিক্ষিত লোকে ওফাইদাং মৰা বিধৰ কথা কৈ কেউদিশে হাঁহিয়াতৰ পাত্ৰ হ'বলগীয়া হৈছিল। শিক্ষিত সমাজৰ ফোপজহি মনোভাৱৰ প্ৰতি বৰাই ইতিকিং কৰি 'আসাম বন্ধু' কাকতত এলানি সংস্কাৰমুখী ব্যঙ্গাত্মক প্ৰবন্ধ ৰচনা কৰিছিল। এই লানি ৰচনাৰ ভিতৰত 'সদানন্দৰ কলা ঘূমটি', 'সদানন্দৰ সানমিহলিটোকা', 'সদানন্দৰ সমাচাৰ', 'সদানন্দৰ অবিধান' শীৰ্ষক চাৰিটা ব্যঙ্গাত্মক প্ৰবন্ধ প্ৰকাশিত হৈছিল। ইয়াৰ উপৰিও আসাম বিলাসিনীত 'মত্ত মাতঙ্গিনী বৰুৱা আৰু দেৱী সুন্দৰী' নামৰ আন এক ব্যঙ্গাত্মক ৰচনা প্ৰকাশিত হয়। 'সদানন্দৰ কলাঘূমটি' শীৰ্ষক প্ৰবন্ধটিৰ জৰিয়তে সদানন্দ ৰূপী তৎকালীন সময়ৰ ফোপজহি অসমীয়াৰ কথাকে পাকে প্ৰকাৰে চিত্ৰিত কৰিছে। কানীয়া- সোৰোপা, কৈমৰা, ফিতাহিমৰা আৰু আধা ইংৰাজ বাবু হৈ পৰা অল্পবিদ্বানী অসমীয়াৰ চৰিত্ৰ বাৰুকৈয়ে প্ৰকট হোৱা সদানন্দৰ কলাঘূমটি প্ৰকৃতপক্ষে অসমীয়াৰ চৰিত্ৰ সংশোধনৰ অন্তগাৰ্হী দলিল। সেই সময়ত বাতৰি কাকত গাঁথিৰ ধন ভাঙি কিনি নপঢ়া অথচ কানি, মদ, ভাঙৰ দৰে বৰবিহ গোগ্ৰাসে গিলিবলৈ সাঁচতীয়া দুপইচা হেলাৰঙে খৰচ কৰা অসমীয়া মানুহখিনিৰ বিষয়ে প্ৰবন্ধটিৰ এঠাইত কৈছে, মুখেৰে যিমান পাৰি সিমান কাকত বাহিৰ কৰক, কিন্তু হাতেৰে এখনো নকৰিব, কৰিলেও কাকো লিখিব নামাতিব, আৰু গ্ৰাহক পাতিলেও কাকতৰ দাম নিবিচাৰিব।

কাকত নুলিয়ালে যদি আপোনাৰ গা নৰয়, কাকত উলিয়াব আৰু তাকে পঢ়োতা কোনো লোক নাই যদি সদায় নিয়মিত সময়ত অলপো পলম নকৰি মোলৈ পঠিয়াই থাকিব। সি ভাল হ'লে তাক পঢ়া যাব আৰু কিছুমান নিন্দা কৰা যাব, বেয়া হ'লে মচলা বন্ধা হ'ব নাইবা চুৰা পাতনিত ঠাই দিয়া যাব। আকৌ বাতৰি কাকত লোকক দেখুৱাবৰ বাবে লৈ ফিতাহি মৰা সকলৰ বিষয়ে বাক্যবান নিক্ষেপ কৰিছে এইদৰে, 'কাকত নপঢ়িলে মানুহে ভেবা বোলে, শিক্ষিত নোবোলে। এই দুই কাৰণত মই অনেক বাতৰি কাকত লওঁ, কিন্তু কাৰো বেচ নিদিও। এদিন সুলভ সমাচাৰ'ৰ এজেণ্টে ধন খুজিছিল মই উচিত উত্তৰ দিলো- 'যোৱা এক পইচাৰ কাকতৰ দাম সাধিবলৈ আহিছা, মোৰ অলপীয়া ধন দিবলৈ লাজহে লাগে' 'আসাম নিউজ' দাম পাঁচ টকা, তাকো বৰ বেছি দেখি নিদিও। ন মাহ 'ইণ্ডিয়ান মিৰ'ৰ লৈ এদিন বন্ধু এজনৰ দ্বাৰাই তাৰ ওপৰত (বাতৰিৰ ওপৰত) Sadananda is dead (সদানন্দ মৰিল) এই কথা লেখাই ফিৰাই দিলো। চৈধ্য বছৰ আসাম বিলাসিনী পঢ়ি তাৰ পইচা এটাও নিদিলো।

কালঘূমটিত পৰা অসমীয়াৰ তথাকথিত জ্ঞানৰ বিষয়ে বৰাদেৱে কৈছে এনেদৰে, সদানন্দৰ মাতৃভাষা লিখা, কোৱা বা পঢ়া (Beneath his dignity) (বৰ অপমানৰ কাম) দ্বিতীয় কাৰণ ফুঁ নাপালে যেনেকৈ তুঁহ জুই নজ্বলে, ব্ৰাণ্ডী নাপালে সদানন্দৰ প্ৰতিভা নজ্বলে, কানি টিকিৰাৰ জালৰ সদায় টলকা মাৰি থাকে; আৰু ব্ৰাণ্ডী নাখালে নোৱাৰো কৰিব, খালে নোৱাৰো লৰিব আৰু খাই শুলে জগাবও নোৱাৰে মোক'। কুম্ভকৰ্ণ ছমাহ শুইছিল কিন্তু সদানন্দৰ কলাঘূমটি বছৰেকত তেৰমাহ নুগুছে।' (পৃষ্ঠা ৪৮, ৰচনাৱলী) লম্বোদৰ বৰাৰ আন এক ব্যঙ্গাত্মক ৰচনা হ'ল, 'সদানন্দৰ নতুন অভিধান' ইয়াত বৰ্ণিত শব্দৰ অভিধানিক অৰ্থৰ ৰূপ দৃষ্টিগোচৰ কৰিলে প্ৰতিজন পাঠকৰে মনচক্ষুত অনাবিল হাস্য-ব্যঙ্গৰ ছবি সহজতে ভাস্বত হয়। অভিধানখনিৰ অধিসূচীত দুই-এক শব্দৰ অৰ্থৰূপ চালে দেখা যায় ব্যঙ্গাত্মক ৰূপৰ

> *কালঘূমটিত পৰা অসমীয়াৰ তথাকথিত জ্ঞানৰ বিষয়ে বৰাদেৱে কৈছে এনেদৰে, সদানন্দৰ মাতৃভাষা লিখা, কোৱা বা পঢ়া (Beneath his dignity) (বৰ অপমানৰ কাম) দ্বিতীয় কাৰণ ফুঁ নাপালে যেনেকৈ তুঁহ জুই নজ্বলে, ব্ৰাণ্ডী নাপালে সদানন্দৰ প্ৰতিভা নজ্বলে, কানি টিকিৰাৰ জালৰ সদায় টলকা মাৰি থাকে; আৰু ব্ৰাণ্ডী নাখালে নোৱাৰো কৰিব, খালে নোৱাৰো লৰিব আৰু খাই শুলে জগাবও নোৱাৰে মোক'। কুম্ভকৰ্ণ ছমাহ শুইছিল কিন্তু সদানন্দৰ কলাঘূমটি বছৰেকত তেৰমাহ নুগুছে।'*

সমাহাৰ। প্ৰবন্ধটিত শিক্ষিত শব্দৰ অৰ্থ দিয়া হৈছে এনেদৰে- কিতাপৰ ভাৰ বোৱা, ইংৰাজী বকা, নিজ ভাষা পাহৰা, ঈশ্বৰৰ নামকে নুশুনা, অহংকাৰী সৰ্বভাষ্য আদি। আকৌ ভাৰ্য্যা শব্দৰ অৰ্থ, স্বামীৰ গলগ্ৰহ, বংশৰ কলঙ্ক, খৰচৰ বাহ, অলঙ্কাৰ বোৱা গাধ, দ্বন্দ্ব-হাইৰ ভঁৰাল আদি। স্ত্ৰী স্বাধীনতা শব্দৰ অৰ্থ আকৌ মন কৰিবলগীয়া। স্ত্ৰী স্বাধীনতাৰ অৰ্থত কোৱা হৈছে, তিৰোতাই কেইটা স্বামী এৰা বা স্বামী গ্ৰহণ নকৰা, অকলে অকলে ফুলনিত বতাহ ল'বলৈ যোৱা শিক্ষিত বন্ধুক দেখা কৰা, বিনা পুৰুষে গৃহস্থালী চপোৱা, শাহু-শহুৰক ঘৰৰ পৰা খেদোৱা বা খাবলৈ নিদিয়া, গিৰিয়েকৰ দ্বাৰাই বন্ধা-বঢ়া আদি সকলো কাম চলোৱা, মুনিহৰ পিঠিত ভৰি দি হস্তীত আৰোহণ কৰা আদি। অভিধানখনিৰ পাতনিত লিখা জাননী শীৰ্ষক কথাখিনি সঁচাকৈয়ে বৰ আমোদজনক। '... এনে ভাল, উত্তম, উৎকৃষ্ট, সৰ্বাঙ্গসুন্দৰ, দৰকাৰী, লাগতিয়াল, প্ৰয়োজনীয়, আত্যাৱশ্যকীয় অভিধান কোনেও কেতিয়াও লিখা নাই আৰু লিখিব নোৱাৰে। জগতৰ উপকাৰৰ নিমিত্তে, ভাৰত উদ্ধাৰৰ উদ্দেশ্যে ইয়াক মই বিনামূল্যে দান কৰিছো। কেৱল ডাক মাচুলৰ বাবত দুমাহৰ ভিতৰতে দিলে ১০ টকা আৰু তাৰ পাছত দিলে ২৫ টকা লোৱা যাব। লম্বোদৰ বৰা আসাম বন্ধুত প্ৰকাশিত (গুণাভিৰামবৰুৱা সম্পাদিত) 'সদানন্দৰ সানমিহলি টোকা' শীৰ্ষক প্ৰবন্ধত থকা হাস্যব্যঙ্গ ৰস পাঠক সমালোচক আটাইৰে বাবেই গ্ৰহণীয়। প্ৰবন্ধটিৰ ৬নং টোকাত থকা কথাখিনিলৈ দৃষ্টিগোচৰ কৰিলেই ইয়াৰ উমান পোৱা যায়। 'এদিন দিন দুপৰতে এটা মদাহীয়ে আহি আন এটা মদাহীক কলে- 'ভাই কোৱাচোন এইটো সূৰ্যনে চন্দ্ৰ। মই বহুত পৰ ভাবিও ঠিক কৰিব পৰা নাই।' দ্বিতীয় মদাহীয়ে বহুত পৰা সূৰ্যটো চাই উত্তৰ দিলে, মই অনেকদিন এই গাঁৱলৈ অহা নাই, এইটো সূৰ্য নে চন্দ্ৰ ঠিক কৈ ক'ব নোৱাৰো।' প্ৰবন্ধটিত মুঠ দহটা টোকা আছে আৰু আটাই কেইটা ব্যঙ্গাত্মক। আসাম বন্ধুৰ প্ৰথম বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত 'সদানন্দৰ সমাচাৰ' শীৰ্ষক প্ৰবন্ধটিতো ব্যঙ্গাত্মক চিত্ৰণ সমানে পৰিস্ফুট হৈছে। মুঠতে দেখা যায় ব্যঙ্গৰ জৰিয়তে সংস্কাৰমুখী মনোভাৱ প্ৰদৰ্শন কৰাই আছিল বৰাদেৱৰ ঘাই উদ্দেশ্য। লম্বোদৰ বৰাৰ সমগ্ৰ ৰচনাৰাজিতেই দুটি ধাৰা লক্ষ্যণীয় হয়।

প্ৰথম- তেখেতৰ প্ৰবন্ধৰাজি বিভিন্ন বিষয়ৰ অৰ্থাৎ- একক উদ্দেশ্যৰ ওপৰত লিখা নহয়। বৰাদেবৰ সাহিত্য জীৱনৰ দুটি কালছোৱাৰ ভিতৰত ছাত্ৰ জীৱনত লেখা ৰচনাখিনি সামাজিক বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা আৰু পিছৰখিনি ভাষা-সাহিত্য বিষয়ক আৰু লগতে মহৎ লোকৰ গুণানুকীৰ্তন কৰা বিষয়ক। 'আসাম তৰা' কাকতত প্ৰকাশ হোৱা 'বিয়াৰ খৰচ' অলঙ্কাৰ আৰু দৰ্কাৰ আদি প্ৰবন্ধবোৰ সম্পূৰ্ণ সামাজিক সমস্যাৰ ওপৰত ভিত্তি কৰি লিখা। এইবোৰৰ পৰাই বৰা যে এগৰাকী নিস্বাৰ্থবান আৰু সময় সচেতন প্ৰাণৰ অসমীয়া আছিল সেই কথাৰ সত্যতা উপলব্ধি সহজে কৰিব পাৰি। আনহাতে, হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা কাকত 'আসাম নিউজ'ত প্ৰকাশিত হোৱা 'দৰং জিলাৰ বেগাৰ ধৰা প্ৰথা' শীৰ্ষক প্ৰবন্ধই বৰাৰ সংস্কাৰমুখী মনৰ ইঙ্গিত বহন কৰিছে। লম্বোদৰ বৰাৰ তত্ত্বগধুৰ আৰু চিন্তাশীল ৰচনাবাজিৰ পম খেদি গ'লে আমি প্ৰথমেই নাম ল'ব লাগিব 'অসমীয়া ভাষাৰ আখৰ জোটনি' শীৰ্ষক প্ৰবন্ধ কেইটিৰ। এই প্ৰবন্ধকেইটি ক্ৰমে হেমচন্দ্ৰ গোস্বামী সম্পাদিত জোনাকীত দুটা আৰু লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত (১৮১১) জোনাকীৰ প্ৰথম সংখ্যা আৰু প্ৰবন্ধটি জোনাকীৰ তৃতীয় সংখ্যাত প্ৰকাশিত হৈছিল। উল্লিখিত প্ৰবন্ধ কেইটিত বৈজ্ঞানিক পদ্ধতিৰে ধৰা বন্ধা নিয়মেৰে আখৰ জোটনি লিখিলে অসমীয়া ভাষাৰ উন্নতি যে হ'ব সেই কথা দৃঢ়তাৰে ব্যক্ত কৰিছে। বৰাদেৱৰ 'ল'ৰাবোধ' নামৰ পঢ়াশলীয়া পুথিখনৰ এটি গঠনমূলক আৰু 'সৰস সমালোচনা তেতিয়াৰ গুণাভিৰাম বৰুৱা সম্পাদিত আসাম বন্ধুত এনেদৰে প্ৰকাশিত হৈছিল, 'প্ৰবন্ধবোৰত অনেক জানিবলগীয়া কথা আছে, গ্ৰন্থাকাৰে ল'ৰা-ছোৱালীৰ উপকাৰৰ নিমিত্তে এই পুথি ৰচনা কৰিলেও ইয়াক পঢ়ি আমাৰ দেশৰ ডেকা আৰু বুঢ়া সকলোৰে উপকাৰ যে হ'ব ইয়াত সন্দেহ নাই। বিশেষকৈ 'সময়' আৰু 'একতা' এই দুটি প্ৰবন্ধ যেন সকলোৱে পঢ়ে। এই কাৰণে 'ল'ৰাবোধ'ৰ গ্ৰন্থাকাৰে এনে হিতকৰ বিষয় শিক্ষা দি ধন্যবাদৰ পাত্ৰ হৈছে।' কৈ থোৱা ভাল যে অকল প্ৰবন্ধ সাহিত্য ৰচনাতেই বৰাই কলম চলোৱা নাছিল, বৰং নাট্য সাহিত্যৰ জীৱনী সাহিত্য ৰচনাতো মনোনিবেশ কৰাৰ প্ৰমাণ আমি পাওঁ কালিদাসৰ 'অভিজ্ঞান শকুন্তলমৰ মুকলি অসমীয়া অনুবাদ আৰু পাতনি লিখি আধৰুৱা অৱস্থাতে এৰি থৈ যোৱা আনন্দৰাম বৰুৱাৰ জীৱন চৰিত্ৰ নমাৰ লেখনিত। প্ৰাসংগিক যে উনবিংশ শতিকাত আধুনিক অসমীয়া ভাষালৈ আন ভাষাৰ পৰা তৰ্জমা কৰা বৰাৰ 'শকুন্তলাই' আছিল প্ৰথম পুথি। বৰাদেৱে গ্ৰন্থৰ পাতনিত কৈছে সকলো ডাঙৰ ডাঙৰ ভাষাতেই শকুন্তলাৰ ভাঙনি ওলাল, অসমীয়া ভাষাতনো নোলাব কিয়? এই নিমিত্তে আমাৰ বিদ্যা, বুদ্ধি আৰু সময়ৰ অনাটন হোৱাটো ভালেমান পুৰুষাৰ্থ কৰি এই ভাঙনি বাহিৰ কৰিলোঁ। যাহওক একুৰি বাৰ বছৰীয়া চুটি জীৱন কালছোৱাত বৰাদেৱে অসমীয়া ভাষা সাহিত্যলৈ ভালেখিনি সম্পদ দি থৈ গ'ল। হেমচন্দ্ৰ আৰু লক্ষ্মীনাথৰ পাছতে বৰাৰ ব্যঙ্গাত্মক লেখনিয়ে যে তৎকালিন সময়ছোৱাত অসমীয়া ৰক্ষণশীল সমাজখনৰ জাবৰ-জোথৰবোৰ ঘুকুটি অলপ হ'লেও বাহিৰ কৰিবলৈ সমৰ্থ হৈছিল সেই কথা নিশ্চিত। লম্বোদৰ বৰাৰ তীব্ৰ ব্যঙ্গাত্মক ভাষাও সহজ-সৰল। সহজ-সৰল ভাষাৰে ৰেপি ৰেপি কাটে। ঘাইকৈ শিক্ষিত সমাজৰ ফোপজহি মনোভাৱৰ প্ৰতি তেওঁৰ বিদ্বেষ বেছি। ব্যঙ্গাত্মক ৰচনাৰাজি, শব্দ চয়ন, উপমা আদিৰ প্ৰয়োগে বৰদেৱৰ সকলো সৃষ্টি পাঠকৰ বাবে আকৰ্ষণীয় হৈ পৰিছিল। বৰাদেৱৰ গদ্যশৈলীৰ অসমীয়া সাহিত্যত এক সুকীয়া স্থান আছে। ভাষাৰ ওজস্বীতা তেওঁৰ গদ্য ৰচনাৰ অন্যতম বৈশিষ্ট্য। পণ্ডিত ডঃ মহেশ্বৰ নেওগে একেমুখে স্বীকাৰ কৰি কৈছে 'লম্বোদৰ বৰা অতি সচেতন গদ্য শৈলীসেৱী। বৰাদেৱৰ শব্দ চয়ন চমৎকাৰ, বাক্যৰীতি গতিশীল আৰু উপমা আদি অলঙ্কাৰেৰে জকমকীয়া।' উনবিংশ শতিকাৰ এগৰাকী প্ৰথিতযশা কথা সাহিত্যিক লম্বোদৰ বৰাৰ শৈশৱৰ আৰু বিদ্যায়তনিক কালছোৱা সংঘাতেৰে পৰিপূৰ্ণ। নিচেই সৰুতে পিতৃ-মাতৃৰ স্নেহৰ পৰা বঞ্চিত বৰাই অশেষ কষ্টেৰে জীৱনক গঢ় দিয়াত ব্ৰতী হৈছিল। লম্বোদৰ বৰা আছিল অবিভক্ত দৰং জিলাৰ প্ৰথমজন স্নাতক, প্ৰথম বি এল আৰু আইন ব্যৱসায়ী। বৰাদেৱে কোনো ধৰণৰ ৰজাঘৰীয়া বিষয়বাবৰ প্ৰতি লালায়িত নহৈ স্বাধীন আইন ব্যৱসায়ৰ জৰিয়তে ভাষা জননীৰ মঙ্গল চিন্তাত আত্মনিয়োগ কৰিছিল। ভাষা সাহিত্যৰ কল্যাণকামী চিন্তা-চৰ্চাৰে মহীয়ান লম্বোদৰ বৰা আছিল প্ৰকৃতাৰ্থত নিজে গঢ়া মানুহ। ১৮৯২ চনৰ ১২ এপ্ৰিলত হাইজা ৰোগত মাত্ৰ ৩২ বছৰ বয়সতে মৃত্যুবৰণ কৰা বৰাৰ পৰিয়ালৰ লোকে এই ৰোগ বিয়পাৰ ভয়ত বৰাদেৱৰ কিতাপ পত্ৰ ৰচনা আৰু পাণ্ডুলিপি আদিবোৰ বস্তু পুৰি পেলোৱাৰ বাবে তেওঁৰ বহু অপ্ৰকাশিত ৰচনা ধ্বংস হৈ গ'ল। আনকি লম্বোদৰ বৰাৰ ব্যক্তিগত পুথিভঁৰালটিও একেই কাৰণত পুৰি পেলোৱাৰ বাবে অসমীয়া ভাষা সাহিত্যৰ বেদীত উৎসৰ্গীকৃত ভালেমান সম্পদ হেৰাবলগীয়া হ'ল- অসমীয়া সাহিত্যৰ পূজাৰীসকলে।

□□□

(লেখক বিশিষ্ট নিবন্ধকাৰ)

# কেইবিধমান পৰম্পৰাগত ঘৰুৱা বনৌষধ

ড০ খগেন্দ্ৰ কুমাৰ নাথ
জ্যেষ্ঠ প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই ৰোগ নিৰাময়ৰ বাবে বনদৰবৰ ব্যৱহাৰ হৈ আহিছে। কালক্ৰমত ত্ৰুটি-বিচ্যুতিৰ মাজেৰে চলি অহা ধাৰাবাহিক অনুশীলন, অনুসন্ধান, অৱলোকন আদি প্ৰক্ৰিয়াৰ মাজেৰে লাভ কৰা জ্ঞান অভিজ্ঞতাৰে পুষ্ট হৈ আবহমান কালৰে পৰা পুৰুষানুক্ৰমে সমাজত প্ৰচলিত হৈ আহিছে বনৌষধিৰ পৰম্পৰা। সমাজত পুৰুষানুক্ৰমে পৰম্পৰাগতভাৱে বনৌষধিৰে চলি অহা চিকিৎসাই হৈছে পৰম্পৰাগত চিকিৎসা বা লোক-চিকিৎসা।

কেনো এখন দেশ, প্ৰদেশ, অঞ্চল বা ঠাৱি সমাজত বনৌষধি ব্যৱহাৰৰ পৰম্পৰাগত জ্ঞান নিৰ্ভৰ কৰে সেই দেশ, প্ৰদেশ বা অঞ্চলৰ জৈৱ বৈচিত্ৰ্যতাৰ ওপৰত। অৰ্থাৎ কোনো এটা অঞ্চলৰ জৈৱ বৈচিত্ৰ্যতা যিমানে চহকী হয় সেই অঞ্চলৰ পৰম্পৰাগত জ্ঞানৰ ভড়ালো সিমানেই চহকী হয়।

আমাৰ অসমকে ধৰি ভাৰতৰ সমগ্ৰ উত্তৰপূৰ্বাঞ্চল জৈৱবিচিত্ৰ্যতাৰ দিশত ভাৰতৰ ভিতৰতে চহকী হোৱাই নহয় সমগ্ৰ বিশ্বৰ ভিতৰতে জৈৱবৈচিত্ৰ্যৰ এটা অতি চহকী আৰু গুৰুত্বপূৰ্ণ অঞ্চল। জৈৱবৈচিত্ৰ্যতে চহকী আমাৰ ৰাজ্যখনৰ জনগাঠনিও বৈচিত্ৰ্যপূৰ্ণ। সুদূৰ অতীতৰে পৰাই বিভিন্ন জাতি, উপজাতি, জনজাতিৰ সমন্বয়ৰ ক্ষেত্ৰৰ অসমৰ পৰম্পৰাগত জ্ঞানৰ ভড়ালো সেয়ে জৈৱবৈচিত্ৰ্যতাৰ দৰেই এতি চহকী। স্মৰণাতীত কালৰে পৰা আমাৰ ৰাজ্যখনৰ জনজাতীয় অজনজাতীয় সমূহ জনগোষ্ঠীয়েই ৰোগ নিৰাময়ৰ বাবে পৰম্পৰাগতভাৱে বন দৰব ব্যৱহাৰ কৰি আহিছে। বনৌষধিৰ ব্যৱহাৰ প্ৰকৃততে অসমৰ অতি পুৰণি আৰু এক জীৱন্ত পৰম্পৰা।

আমাৰ গাঁৱে ভূঞে থলুৱা বেজ, কবিৰাজৰ উপৰি কিছুমান পৰিয়ালৰ পিতৃ-পিতামহৰ দিনৰে পৰা বংশানুক্ৰমিকভাৱে বনৌষধিৰে কিছুমান ৰোগ চিকিৎসাৰ ব্যৱস্থা পৰম্পৰাগত ভাৱে চলি অহাৰ কথা আমি প্ৰায় বিলাকেই জানো। গাঁও অঞ্চলত আজিও কোনো লোকৰ কিছুমান বিশেষ বেমাৰ আজাৰ যেনে জণ্ডিছ হলে অমুক বেজৰ ওচৰলৈ, সুৰুজ কপালি হলে অমুক কবিৰাজৰ ওচৰলৈ, কঁকাল শিৰা (কঁকালৰ বিষ) হলে অমুক বেজৰ ওচৰলৈ, কেঁচুৱাৰ জিভাত জাৰি (বগা চামনি) পৰিলে অমুক বেজৰ ওচৰলৈ যোৱা, বিষাক্ত পোকে কামুৰিলে অমুক বেজৰ ওচৰলৈ, আচিনাই হলে অমুক বেজৰ ওচৰলৈ চিকিৎসা বিচাৰি যোৱা পৰম্পৰা বিদ্যমান। তাৰ উপৰিও আছে কাহ, জ্বৰ, পেটৰ অসুখ, বসন্ত আদি কিছুমান ৰোগত বনৌষধিৰে কৰা ঘৰুৱা চিকিৎসাৰ পৰম্পৰা প্ৰায় সকলো সমাজতে আছে.

আধুনিকতাৰ প্ৰভাৱত আমি সচৰাচৰ গাঁৱলীয়া চিকিৎসা বা অসমীয়া চিকিৎসা বুলি অৱজ্ঞা কৰা বা মুকলিকৈ ব্যৱহাৰ কৰিবলৈ লাজ কিম্বা সংকোচ প্ৰকাশ কৰা এই পৰম্পৰাগত বনৌষধিৰ বিজ্ঞানসন্মত ঔষধি গুণ উপলব্ধি কৰিব নোৱাৰা আৰু আধুনিক ঔষধৰ প্ৰচলনৰ প্ৰভাৱৰ উপৰি আন কিছুমান কাৰণত প্ৰকৃতিৰ দান সদৃশ অনেক ঔষধি উদ্ভিদ আৰু বনৌষধিৰ পৰম্পৰাগত জ্ঞান আজি বিলুপ্তিৰ পথত। সমাজৰ কিছুমান লোকৰ মুখে মুখে পুৰুষানুক্ৰমে চলি অহা এই থলুৱা পৰম্পৰাগত চিকিৎসাৰ বিজ্ঞানসন্মত অধ্যয়নৰ জৰিয়তে গুৰুত্ব উপলব্ধি কৰাৰ লগে লগে বিশ্বৰ উন্নত দেশবিলাকত বৰ্তমান এই বনৌষধিৰ জনপ্ৰিয়তা আচৰিত ধৰণে বাঢ়িবলৈ ধৰিছে। ফলত এই বনৌষধি চিকিৎসাৰ পৰম্পৰাগত জ্ঞান আৰু ঔষধি উদ্ভিদ আহৰণৰ বাবে সমগ্ৰ বিশ্বৰ দৃষ্টি বৰ্তমান আমাৰ দেশৰ লগতে বিশেষকৈ বিশ্বৰ ভিতৰতে জৈৱবৈচিত্ৰ্যতাৰ এটা অতি চহকী আৰু গুৰুত্বপূৰ্ণ অঞ্চল হিচাপে স্বীকৃত অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ ওপৰত পৰিবলৈ ধৰিছে।

এই লিখনিৰ জৰিয়তে আমাৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা আৰু সাধাৰণতে ব্যৱহৃত বনদৰব কেইবিধমানৰ বিষয়ে চমুকৈ উল্লেখ কৰিব বিচৰা হৈছে। বনৌষধি হিচাপে ব্যৱহৃত সেই উদ্ভিদ বিলাকৰ বেছিভাগেই আমাৰ চৌদিশে প্ৰাকৃতিকভাৱে ওপজি আছে। কিছুমান আকৌ আমি বিশেষ যত্ন নকৰাকৈ সহজতে ঘৰৰ ওচৰে পাজৰে বা ঘৰুৱা বাগিছা আদিত ৰোপন কৰি সেইবিলাকৰ ব্যৱহাৰৰ জৰিয়তে কিছুমান ৰোগৰ পৰা ৰক্ষা পাব পাৰো বা ৰোগ প্ৰতিৰোধ কৰিব পাৰো আৰু লগে লগে সেই ঔষধি উদ্ভিদবিলাক সংৰক্ষণো কৰিব পাৰো।

কটা-চিগা আঘাত আদিত-

১। কেচা হালধী বটি বা হালধীৰ গুড়ি আঘাতপ্ৰাপ্ত স্থানত প্ৰলেপ হিচাপে লগাই পৰিস্কাৰ কাপোৰোৰে মেৰিয়াই বান্ধি দিব লাগে।

২। ছালকুঁৱৰীৰ পাত দীঘলীয়াকৈ ফালি ভিতৰৰ বিজলুৱা মঙহাল অংশ উলিয়াই আঘাতৰ পেৰত লগাই পৰিস্কাৰ কাপোৰেৰে মেৰিয়াই বান্ধি দিব লাগে।

৩। ছালকুৱৰীৰ পাতৰ ভিতৰৰ বিজলুৱা অংশত অলপমান হালধীৰ গুড়ি চতিয়াই কটা ঘা বা আঘাতৰ ওপৰত লগাই পৰিস্কাৰ কাপোৰেৰে বান্ধি দিব লাগে।

৪। লাজুকী লতা শিপাৰে সৈতে উভালি আনি পৰিস্কাৰকৈ ধুই ভালদৰে মিহিকৈ বটি চেপি উলিওৱা ৰস কটা অংশত লগাব।

৫। কেঞ্জাবনৰ মূল (কন্দ) আৰু পাতৰ ৰস কটা অংশত দিনত দুবাৰ/ তিনিবাৰকৈ লগাব লাগে।

<u>স্মৃতিশক্তি বৃদ্ধি আৰু মনৰ বিমৰ্ষভাৱ আঁতৰাবলৈ-</u>

১। দুই তিনি জোপামান সৰু মানিমুনি ভালদৰে পৰিস্কাৰ কৰি সৰু সৰুকৈ কাটি লৈ ছাগলী বা গৰুৰ গাখীৰত সিজাই নিশা শোৱাৰ সময়ত এক কাপকৈ কিছুদিন খাব লাগে।

২। ব্ৰাহ্মীশাকৰ তিনিচামুচ কেচাৰস এচামুচ মৌৰ সৈতে দৈনিক নিশা শোৱাৰ সময়ত এমাহ মান খাব লাগে।

<u>সাধাৰণ শুকান কাহ হ'লে-</u>

১। বাহকৰ দুটা বা তিনিটা কুমলীয়া পাত এগিলাচ পানীত (১৫০ মিঃলিঃ) সিজাই পানীৰ পৰিমাণ আধামান হলে সেই পানী (কহ) গৰম অৱস্থাতে দিনত দুবাৰকৈ এসপ্তাহ খাব লাগে।

২। বাহকৰ পাতৰ ৰস আৰু আদাৰ ৰস আধাচামুচকৈ মিহলি কৰি দিনত তিনিবাৰকৈ এসপ্তাহ খাব লাগে।

৩। দুই লিটাৰ পানীত ১০০ গ্ৰাম তুলসীৰ পাত ভালদৰে উতলাই সিজাই লৈ তাৰ ভাপ শুঙিব লাগে।

৪। এক লিটাৰ পানীত ২৫ গ্ৰাম তুলসীৰ পাত, পাঁচটা লং, ৫০ টা জালুক, তিনি গ্ৰাম অজোৱান গুটি, দুই গ্ৰাম পিপলি আৰু ১৫ গ্ৰাম আদা সিজাই পানীৰ পৰিমাণ ৩০০ মিঃ লিঃ মান থকা অৱস্থাত নমাই থব লাগে। সেই কহ গৰম অৱস্থাত ৫০ মিঃ লিঃকৈ দিনে তিনিবাৰকৈ পাঁচদিন খাব লাগে।

৫। ১৫-২০ টা মান তুলসীৰ পাতৰ ৰস এচামুচ আদাৰ ৰস, এচামুচ পাণৰ ৰস আৰু এচামুচ মৌ মিহলি কৰি দিনে দুবাৰকৈ পাঁচদিন খাব লাগে।

৬। একাপ ৰঙাচাহত আধাচামুচ আদাৰ ৰস, ১/৮ চামুচ ডালচিনিৰ গুড়ি, ১/৮ চামুচ লং মিহলি কৰি ঠাণ্ডা হোৱাৰ পিচত এচামুচ মৌ দি দৈনিক দুবাৰকৈ পাঁচদিন খাব লাগে।

<u>কাহ আৰু কফ হলে-</u>

১। ছালকুৱৰীক পাতৰ ভিতৰৰ বিজলুৱা অংশৰ দুই চামুচ গৰুৰ ঘিউত ৰঙচুৱা পৰাকৈ ভাজি লৈ অলপ চেনিৰে সৈতে দিনে তিনিবাৰকৈ তিনিদিন খাব।

২। শুকান আদা, পিপলি আৰু জালুক প্ৰত্যেকৰে ১০০ গ্ৰামকৈ লৈ ভালদৰে গুড়ি কৰি ১০০ মিঃ লিঃ বিশুদ্ধ মৌৰ সৈতে মিহলি কৰি বটলত ভৰাই ভালদৰে সাফৰ বন্ধ কৰি থৈ তাৰ পৰা আধা চামুচকৈ দিনে দুবাৰকৈ লাহে লাহে চেলেকি খাব।

৩। এক চামুচ আদাৰ ৰস এক চামুচ মৌৰ সৈতে দিনে তিনিবাৰকৈ সাতদিন খাব।

৪। এক কাপ গাখীৰত অলপ হালধীৰ গুড়ি মিহলি কৰি ভালদৰে উতলাই নিশা শোৱাৰ সময়ত সাতদিন খাব লাগে।

<u>অজীৰ্ণ, ডায়েৰিয়া আৰু গ্ৰহণী আদি হলে -</u>

১। আহাৰ গ্ৰহণৰ পূৰ্বে নিমখৰ সৈতে পাঁচ গ্ৰাম মান ওজনৰ এটুকুৰা কেচা আদা খাব লাগে।

২। ডালিম ফলৰ বাকলিৰ গুড়ি ২-৫ গ্ৰাম অলপ গুড়ৰ সৈতে মিহলি কৰি লাহে লাহে চেলেকি খাব লাগে (আহাৰ গ্ৰহণৰ পূৰ্বে দৈনিক তিনিবাৰকৈ পাঁচ দিন)।

৩। আদা আৰু নেমুৰ ৰস এচামুচকৈ লৈ সামান্য পৰিমাণে নিমখ দি আহাৰ খোৱাৰ পিছত দিনে দুবাৰকৈ সাত দিন খাব লাগে।

৪। ৫-৭ কোহ কেচা নহৰু ভালদৰে বটি অলপ মৌ বা নিমখৰ সৈতে দিনে দুবাৰকৈ কেইদিনমান খাব লাগে।

৫। ২০-২৫ টা মান নৰসিংহৰ পাত ভালদৰে বটি মাখন তোলা গাখীৰৰ মথা পানী বা সামান্য নিমখ দি দৈনিক দুবাৰকৈ বা তিনিবাৰকৈ খাব।

<u>কোষ্ঠ কাঠিন্য বা শৌচ বন্ধ হলে -</u>

১। ছালকুৱৰীৰ পাতৰ ভিতৰৰ মঙহাল অংশ শুকাই গুড়ি কৰি লব। চাহচামুচৰ ১/৮ পৰিমানৰ সেই গুড়ি, সমপৰিমানৰ হালধীৰ গুড়ি, আধাকাপ পূৰ্ব উতলাই লোৱা কুহুমীয়া গৰম পানীত ভালদৰে মিহলাই ৰাতিপুৱা আৰু নিশা শোৱাৰ সময়ত কেইদিনমান খাব।

২। খুটৰা শাক সিজাই উলিওৱা ৰস পাঁচ চামুচ গুড়ৰ সৈতে মিহলাই নিশা শোৱাৰ সময়ত খাব।

৩। এগিলাচ কুহুমীয়া গৰম পানীত তিনি চামুচ ত্ৰিফলা চূৰ্ণ মিহলাই দৈনিক নিশা শোৱাৰ সময়ত নিয়মীয়াকৈ কিছুদিন খাব।

৪। আধাকাপ কুহুমীয়া গৰম পানীত দুই চামুচ এৰাগুটিৰ তেল মিহলাই নিশা শোৱাৰ সময়ত তিনি চাৰি দিনমান খাব লাগে।

৫। হাড়যোৰা লতাৰ ৰস দৈনিক তিনি চামুচকৈ এসপ্তাহ খাব লাগে।

<u>খৰ বা খহু জাতীয় ছালৰ বেমাৰ হলে -</u>

১। আক্ৰান্ত অংশ অলপ গৰম পানীৰে ভালদৰে পৰিস্কাৰ কৰি শুকাই লৈ জেটুকাৰ কেচাপাত মিহিকৈ বটি প্ৰলেপ হিচাপে দৈনিক দুবাৰকৈ এসপ্তাহ লগাব।

২। নিমৰ কেচাপাত মিহিকৈ বটি হালধীৰ গুড়ি মিহলাই আক্ৰান্ত অংশ প্ৰতি সন্ধিয়া

সাতদিনমান নিয়মীয়াকৈ লগাব।

৩। ছজিনাৰ গা-গছত দা বা ডাঙৰ কটাৰীৰে ঘপিয়াই দিলে ওলাই অহা ৰস অলপ পানীৰে মিহলি কৰি দিনে দুবাৰকৈ আক্ৰান্ত অংশত লগাব।

৪। কেহেৰাজৰ ৰস আক্ৰান্ত অংশত দিনে তিনিবাৰকৈ এসপ্তাহত লগাব লাগে।

প্ৰস্ৰাৱ কৰা সময়ত জ্বলা পোৰা বা কষ্ট হ'লে

১। সৰু মানিমুনিৰ ৰস তিনি চামুচ এচামুচ মৌৰ সৈতে দিনে তিনিবাৰকৈ সাতদিন খাব আৰু যথেষ্ট পৰিমাণে পানী খাব।

২। অনন্তমূলৰ শিপা ১০০ গ্ৰাম এক লিটাৰ পানীত উতলাই পানীৰ পৰিমাণ এক তৃতীয়াংশ হলে নমাই থৈ ঠাণ্ডা কৰি দৈনিক দুবাৰকৈ এসপ্তাহ খাব।

৩। ধনীয়াৰ সম্পূৰ্ণ উদ্ভিদৰ ৰস তিনিচামুচ এচামুচ মৌৰ সৈতে দিনে তিনিবাৰকৈ সাতদিন খাব লাগে।

৪। ভাল ৰ'দ দি থকা অৱস্থাত সংগ্ৰহ কৰা জবাফুলৰ পৈনত কলি শুকাই প্ৰস্তুত কৰা গুড়ি এচামুচকৈ মৌ বা ঘিউৰ সৈতে দৈনিক দুবাৰকৈ পাঁচদিন খাব।

স্ত্ৰীৰোগ ঃ

১। ঋতুস্নানৰ সময়ত হোৱা পেটৰ বিষ অথবা কষ্টকৰ ঋতুস্ৰাৱৰ ক্ষেত্ৰত ছালকুঁৱৰীৰ পাতৰ ভিতৰৰ বিজলুৱা অংশ আৰু মৌ দুয়োৰে এচামুচকৈ দৈনিক তিনিবাৰকৈ দহদিন খাব লাগে।

২। ঋতুস্ৰাৱ অনিয়মীয়া হলে তিনিটা বা পাঁচটা ৰঙা জবাফুল বটি ৰাতিপুৱা খালীপেটত সাতদিন খাব লাগে।

৩। নিম গছৰ ছাল এশগ্ৰাম এক লিটাৰ পানীত সিজাই পানীৰ পৰিমাণ এক তৃতীয়াংশ হলে নমাই থৈ সেই পানী তিনিচামুচকৈ দিনে দুবাৰকৈ সাতদিন খালে অনিয়মীয়া ঋতুস্ৰাৱত ভাল ফল পোৱা যায়।

৪। শ্বেত প্ৰদৰ ৰোগত ৰঙা জবাফুল পাঁচটা বা সাতটা বটি গাখীৰৰ সৈতে ৰাতিপুৱা খালিপেটত সাতদিন খাব লাগে।

৫। শ্বেতপ্ৰদৰ ৰোগত জেতুকা পাতৰ ৰস সাত চামুচকৈ দৈনিক দুবাৰকৈ (ৰাতিপুৱা খালিপেটত আৰু সন্ধিয়া) দহ দিন খাব।

৬। ৰক্তাধিক্য ৰোগত (ক) কেঞ্জাবনৰ মূল (কন্দ)ৰ ৰস ছয় চামুচ এচামুচ মৌৰ সৈতে দৈনিক দুবাৰকৈ সাতদিন খাব লাগে। (খ) শিপাৰে সৈতে উঠাই অনা লাজুকী লতা ভালদৰে পৰিস্কাৰকৈ ধুই বটি উলিওৱা ৰস পাঁচ চামুচকৈ দৈনিক দুবাৰকৈ পাঁচদিন খাব লাগে। (গ) শতমূলৰ ৰস তিনিচামুচকৈ সামান্য পৰিমাণে চেনী দি দৈনিক ৰাতিপুৱা সাতদিন খাব।

অন্যান্য ঃ

১। দাঁতৰ বিষ হলে বিষোৱা দাঁতৰ গুৰি বা দাঁতৰ খালি হৈ পৰা অংশত বা দাঁতৰ ফাকত লাজুকী লতাৰ শিপা বতি লগাব লাগে।

২। বিহলঙীৰ পাত বটি লগালেও দাঁতৰ বিষ উপশম হয়।

৩। এৰা বা নাকেৰে তেজ যোৱা ৰোগত কেইটামান পৰিস্কাৰ দ্ৰোণৰ পাত হাতৰ তলুৱাতে মোহাৰি উলিওৱা ৰস তিনি টোপাল নাকত দি উজাই দিব লাগে।

৪। কেচা হালধী আৰু নিমৰ পাত সমপৰিমাণে লৈ ভালদৰে মিহিকৈ বটি মলমৰ দৰে ঘহিলে মুখমণ্ডলত ওলোৱা ব্ৰণ বা শালমন আঁতৰে।

□□□

# আহাৰ আৰু স্বাস্থ্য

দীপা ৰাণী দেৱী
জ্যেষ্ঠ প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ

স্বাস্থ্য মানৱ জীৱনৰ অমূল্য সম্পদ। স্বাস্থ্য ভালে থাকিলে মানুহে সকলো কামতে ভালদৰে মনোনিবেশ কৰিব পাৰে। সেয়েহে আমি সকলোৱে নিজৰ স্বাস্থ্যৰ কাৰণে অলপ সচেতন হোৱা উচিত। আমি সকলোৱে দিনৰ প্ৰথম আহাৰ খিনি ভালদৰে খাব লাগে। কাৰণ গোটেই দিনটোৰ কামৰ কাৰণে আমাক শক্তিৰ দৰকাৰ হয়। দেখা যায় প্ৰায়ভাগ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম আহাৰখিনি বিভিন্ন কাৰণত ভালদৰে খাই নাহে, ফলত পিচবেলাৰ ক্লাচবোৰত ভাগৰুৱা হৈ পৰে। দুপৰীয়াৰ আহাৰখিনি ঠিকেই থাকে, কিন্তু দেখা যায় ৰাতিৰ আহাৰ প্ৰায়ে জোখতকৈ বেছি খোৱা হয়। ৰাতি মানুহৰ ব্যস্ততা ইমান নাথাকে। পৰিয়ালৰ সকলোবোৰ লগ লাগে। লগত খাওতে জোখতকৈ বেছি খোৱা হয়, যিটো আমাৰ শৰীৰৰ কাৰণে ক্ষতিকাৰক। আহাৰ সদায় ৰাতিপুৱা বেছি তাৰ পিচত ক্ৰমান্বয়ে ৰাতিলৈ কমাই খাব লাগে। কিন্তু আমাৰ ওলোটা হয়। অৱশ্যে আজিকালি বহুটো মানুহ এইটো দিশত সজাগ হোৱা দেখা গৈছে।

এতিয়া আহিছো আমি কেনে আহাৰ খাব লাগে। আমি যিবিলাক খাদ্য খাওঁ সেইবিলাকে আমাৰ শৰীৰত যথেষ্ট প্ৰভাৱ পেলায়। সুষম আহাৰ খালে মধুমেহ, উচ্চ ৰক্তচাপ, হৃদৰোগ, কৰ্কটৰোগ, বদহজম আদি ৰোগৰ পৰা আঁতৰত থাকিব পাৰি। সাধাৰণতে আমাৰ চকুত নপৰা অতিদৰকাৰী

খাদ্যবিধ হৈছে- আঁহযুক্ত খাদ্য। এইবিলাকৰ উৎপত্তি স্থল হ'ল উদ্ভিদ। আঁহযুক্ত খাদ্যই অন্ত্ৰৰ পৰা শৰ্কৰা আৰু স্নেহপদাৰ্থ শুহি লোৱাত বিলম্ব ঘটাই, ফলত ৰক্ত শৰ্কৰা আৰু কলেষ্টেৰ'লৰ মাত্ৰা ৰক্তত নিয়মীয়া কৰি ৰাখে। আঁহযুক্ত খাদ্যবোৰ হ'ল শাক-পাছলি, ফলমূল, মেথিগুটি, আদা, নহৰু, পিয়াজ, ধনীয়া, মাহ, আটা, ঢেকীত বনোৱা চাউল, বাৰ্লি ইত্যাদি। এইবোৰ ভাল হলেও জোখত খাব লাগে কাৰণ বেছি খালে পেটৰ অসুখো হব পাৰে।


বৰ্তমান খাদ্যবিজ্ঞানী সকলে সু-স্বাস্থ্যৰ বাবে এণ্টিঅক্সিডেণ্ট যুক্ত আহাৰৰ ওপৰত বিশেষ গুৰুত্ব দিছে। এণ্টিঅক্সিডেণ্টে শৰীৰৰ প্ৰতিৰোধ ক্ষমতাৰ উন্নতি সাধন কৰে। ওপৰত উল্লেখ কৰি অহা প্ৰায়বিলাক খাদ্যতেই এণ্টিঅক্সিডেণ্ট আছে। ইয়াৰ উপৰিও মাছ, মাংস, গাখীৰ, চাহ আদিটো পোৱা যায়।

নিৰোগী পৰিয়াল সবাটোকৈ সুখী পৰিয়াল। সেয়ে আমি সকলোৱে বিজ্ঞানসন্মত ভাৱে স্বাস্থ্য ৰক্ষাৰ নিয়ম মানি আহাৰ খোৱা উচিত, লগতে পৰিয়াল আৰু ওচৰ চুবুৰীয়াকো সজাগ কৰা উচিত।❑❑

ইতিহাসে বিঙিয়াই

# পথৰুঘাটৰ কৃষক বিদ্ৰোহ আৰু জনজীৱনত ইয়াৰ প্ৰভাৱ

নয়নমনি ভূঞা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)



দৰং জিলাৰ পথৰুঘাটৰ ৰণৰ দুখৰ স্মৃতিক সুঁৱৰি পৰৱৰ্তী কালৰ কবি নৰোত্তম দেৱে পদ্যৰ ভাষাৰে বৰ্ণাইছে-

"কোন কিমান ক'ত মৰিল তাৰ সীমা নাই
খেদা খোৱা ৰইজৰো অশেষ বিলাই।
কপালত পৰি আঠিয়াৰ দেৰি হ'ল তেজ
কান্ধত গুলি পৰি মৰিল সৰুবাপু বেজ।।"

অসমৰ দৰং জিলাখনৰ ভিতৰত শিক্ষা সংস্কৃতিৰ দিশত ছিপাঝাৰ এটি উল্লেখযোগ্য অঞ্চল। বৃটিছে অসম দেশ অধিকাৰ কৰি তেওঁলোকৰ ক্ষমতা প্ৰদৰ্শন কৰাৰ সময়ত ছিপাঝাৰৰ কথা বাদেই গোটেই অসমখনেই সমসাময়িক বিশ্বৰ তুলনাত আৰ্থ সামাজিক দিশত বহু পিছপৰা আছিল। ছশ বছৰীয়া আহোম ৰাজত্বৰ কালছোৱাত দুখ লগাকৈ অসমৰ অৰ্থনৈতিক পৰিগঠনো অনুন্নত স্তৰৰ আছিল। নামনি অসমৰ কিছু অঞ্চল কোঁচ আৰু মোগলৰ অধীনত কিছুকাল আছিল যদিও আৰ্থিক অৱস্থা সামগ্ৰিকভাৱে একেই আছিল। পুৰণি গোৱালপাৰা জিলাখনৰ কথা অলপ সুকীয়া আছিল। বৃটিছে গোৱালপাৰা জিলাখন মোগলৰ পৰা পোনে পোনে নিজৰ দখলত নিছিল। নামনি অসমৰ এই অঞ্চলবোৰৰ শাসন পদ্ধতি আহোম শাসিত অসমৰ লগত অলপ বেলেগ আছিল। চুবুৰীয়া বংগদেশৰ প্ৰভাৱত এই অঞ্চলৰ বেপাৰ বাণিজ্য অলপ চুচুৰীয়াকৈ চলিছিল। ইংৰাজ অহাৰ পিছতেই সামগ্ৰিকভাৱে অসমত বাণিজ্যিক লেনদেনৰ পথ সুগম হৈছিল। ভিন্ন জাতি-জনগোষ্ঠীৰ মানুহৰ মাজত কৃষি নিৰ্ভৰ গ্ৰাম্য জীৱনধাৰাই ওপচাই দিয়া সুখ-শান্তি আৰু আত্মতৃপ্তিৰ অভাৱ নাছিল। পোন্ধৰ শতিকাতে শ্ৰীমন্ত শংকৰ আৰু মাধৱদেৱে অহোপুৰুষাৰ্থ শ্ৰমেৰে ভিন্ন জাতি জনগোষ্ঠীৰে খণ্ডিত দেশখনক একত্ৰিত কৰাৰ প্ৰচেষ্টা হাতত লৈছিল। সেই হেতুকে বহু অগ্নিগৰ্ভা প্ৰলয়ৰ পৰ্বত অতিক্ৰমী আজিৰ অসমীয়া ভাষা-সাহিত্যাই সগৌৰৱে থিয় দিব পাৰিছে। আলোকিত কৰিব পাৰিছে অসমীয়া জাতিৰ মহাপ্ৰাণ।

কৃষক বিদ্ৰোহ তথা জন জীৱনৰ প্ৰভাৱ ঃ

মান ৰজাৰ লগত হোৱা ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত বৃটিছে অসমৰ মাটিত নিগাজিকৈ উপনিৱেশ পতাৰ সুযোগ গ্ৰহণ কৰে। অসমৰ শাসন চলেৰে কাঢ়ি লোৱাৰ পিছতে বৃটিছে নিজৰ স্বাৰ্থৰ বাবে এই দেশৰ মাটি আৰু মানুহক ব্যৱহাৰ কৰিছিল। নতুনকৈ ভূমি ৰাজহ ব্যৱস্থাৰ সৃষ্টি কৰি প্ৰজাৰপৰা মুদ্ৰাৰে খাজনা লোৱাৰ ব্যৱস্থা কৰা হ'ল।

বৃটিছৰ খাজনা শোষণৰ প্ৰতিবাদত নগাঁও জিলাৰ ফুলগুৰিত ১৮৬১ চনত কৃষক ৰাইজে বিদ্ৰোহ কৰিছিল। ফুলগুৰিৰ বিদ্ৰোহৰ পিছৰ কালত নামনি অসমৰ বিভিন্ন ঠাইত খাজনা শোষণৰ প্ৰতিবাদত কৃষক ৰাইজে প্ৰতিবাদ মুখৰ হৈছিল। কামৰূপ আৰু দৰং জিলাৰ বিভিন্ন ঠাইত ৰাইজমেলৰ জৰিয়তে ৰাইজ সমবেত হৈছে। কামৰূপ জিলাৰ বজালী আৰু দৰং জিলাৰ পথৰুঘাটৰ কৃষক ৰাইজে কৰা খাজনা বৃদ্ধিৰ প্ৰতিবাদ উল্লেখযোগ্য।

বৃটিছৰ খাজনা শোষণৰ বিৰুদ্ধে জাগৰিত হোৱা কৃষক প্ৰতিৰোধৰ বতৰা বনজুইৰ দৰে নামনি অসমৰ সকলো ঠাইতে বিয়পি পৰাৰ সময়ত দৰং জিলাৰ কৃষক ৰাইজো এনে শোষণৰ প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছিল। দূৰ দূৰণিৰ গাঁৱলীয়া ৰাইজ সংগঠিত হৈ ৰাইজমেলৰ জৰিয়তে বৰ্দ্ধিত হাৰৰ খাজনা আদায় নিদিবলৈ সিদ্ধান্ত লোৱা হয়। সেইমতে ১৮৯৪ চনৰ ২৪ জানুৱাৰী তাৰিখে খাজনা বৃদ্ধিৰ প্ৰতিবাদত দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ কৃষক ৰাইজ সমবেত হয়, ছিপাঝাৰ অঞ্চলৰ পথৰুঘাট নামৰ ঠাইখনত। ৰাইজে জিলাধিপতি এণ্ডাৰচন আৰু মহকুমাধিপতি বেৰিংটনৰ ওচৰত খাজনা বৃদ্ধিৰ প্ৰতিবাদ জনালে। বৃটিছ প্ৰতিনিধি বিষয়াসকলে ৰাইজৰ সেই দাবী মানবিলৈ অস্বীকাৰ কৰিলে। তাৰ পৰিৱৰ্তে বৰ্দ্ধিত নিৰিখিত খাজনা আদায় দিবলৈ

*বৃটিছৰ খাজনা শোষণৰ বিৰুদ্ধে জাগৰিত হোৱা কৃষক প্ৰতিৰোধৰ বতৰা বনজুইৰ দৰে নামনি অসমৰ সকলো ঠাইতে বিয়পি পৰাৰ সময়ত দৰং জিলাৰ কৃষক ৰাইজো এনে শোষণৰ প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছিল। দূৰ দূৰণিৰ গাঁৱলীয়া ৰাইজ সংগঠিত হৈ ৰাইজমেলৰ জৰিয়তে বৰ্দ্ধিত হাৰৰ খাজনা আদায় নিদিবলৈ সিদ্ধান্ত লোৱা হয়। সেইমতে ১৮৯৪ চনৰ ২৪ জানুৱাৰী তাৰিখে খাজনা বৃদ্ধিৰ প্ৰতিবাদত দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ কৃষক ৰাইজ সমবেত হয়, ছিপাঝাৰ অঞ্চলৰ পথৰুঘাট নামৰ ঠাইখনত। ৰাইজে জিলাধিপতি এণ্ডাৰচন আৰু মহকুমাধিপতি বেৰিংটনৰ ওচৰত খাজনা বৃদ্ধিৰ প্ৰতিবাদ জনালে।*

নিৰ্দেশ জাৰি কৰিলে আৰু প্ৰতিবাদী ৰাইজক সেই ঠাই এৰি যাবলৈ নিৰ্দেশ দিলে। কৃষক ৰাইজ উত্তেজিত হৈ সজোৰে নিজৰ দাবীত অলৰ-অচৰ হৈ ৰ'ল। দুয়ো পক্ষৰ মাজত কথাৰ কটা-কটি চলিল। ফলত পুলিচৰ গুলিত ১৪০ জনে প্ৰাণ হেৰুৱালে আৰু বহুজন চিৰদিনলৈ পংগু হ'ল। আহত সকলকো আটক কৰিলে। চৰকাৰী হিচাপত কিন্তু মৃতকৰ সংখ্যা ১৫ জন বুলিহে দেখুওৱা হৈছিল আৰু আহতৰ সংখ্যাও মাত্ৰ ৩৭ জন বুলি উল্লেখ কৰা হৈছিল।

প্ৰজা বিদ্ৰোহৰ চৰিত্ৰ ক্ৰমাত প্ৰতি আক্ৰমণমূলক হোৱাৰ আশংকাত বৃটিছ প্ৰশাসনে খাজনা বৃদ্ধিৰ হাৰ প্ৰথমতে ৫৩ ভাগ আৰু অৱশেষত ৩২.৭ ভাগলৈ হ্ৰাস কৰিবলৈ বাধ্য হৈছিল। পথৰুঘাট ৰণে ৰাইজৰ মাজত সুদৃঢ় কৰা ধৰ্মীয় একতাৰ বান্ধোনে আছিল এই বিদ্ৰোহৰ এক অনন্য সুফল; যিটো দৰঙী সমাজত আজিও বিদ্যমান।

অসমৰ ইতিহাস প্ৰণেতাসকলে কৃষক প্ৰজাৰ বিদ্ৰোহৰ বুৰঞ্জী লিপিবদ্ধ কৰাত সময়োচিত গুৰুত্ব নিদিলে। যাৰ ফলত বিদ্ৰোহৰ প্ৰত্যক্ষদৰ্শী ৰাইজৰ মনৰ কথাবোৰ মনতে থাকি গ'ল। পিছৰ প্ৰজন্মই তাক বহু সময়ত লোক কথাৰ দৰেহে শুনিব লগা হ'ল। সেই সময়ৰ লিখা-পঢ়া জনা সমাজৰ ধৰণী স্বৰূপ শিক্ষিত সকলৰ বহুতেই বৃটিছৰ ছত্ৰছায়াত আত্ম-প্ৰতিষ্ঠাৰ দৌৰত নিমগ্ন থাকি কৃষক বিদ্ৰোহৰ প্ৰতি অমনোযোগী মনোভাৱ পোষণ কৰিছিল। এই চামৰ চৰ্তহীন সহযোগিতা কাৰণেই অসমৰ মাটিত জাগৰিত হোৱা কৃষক বিদ্ৰোহবোৰ বৃটিছে কঠোৰ হাতেৰে দখল কৰিব পাৰিছিল। আনহাতে এই কথাও স্বীকাৰ কৰিব লাগিব যে সাংগঠনিক দুৰ্বলতা আৰু ৰাইজৰ মাজত ৰাজনৈতিক চেতনাৰ অভাৱৰ বাবে এই কৃষক বিদ্ৰোহবোৰ সফল হ'ব পৰা নাছিল।

সামৰণি ঃ

কৃষক বিদ্ৰোহ সম্পৰ্কে ড০ হীৰেণ গোহাঁইদেৱে কৈছে- "এইবোৰ (কৃষক বিদ্ৰোহবোৰ) স্বতঃস্ফুৰ্ট প্ৰতিবাদ আৰু বিক্ষোভৰ ৰাজনৈতিক চেতনা আছিল কুঁৱলীময়।" তৎস্বত্বেও এই কথা সজোৰে ক'ব পাৰি যে অসমৰ কৃষক সমাজে বৃটিছৰ স্বেচ্ছাচাৰী নীতিৰ সন্মুখীন হৈ পৰৱৰ্তী কালত দেশৰ স্বাধীনতাৰ বাবে যুঁজ দিবলৈ চেতনা লাভ কৰিছিল। সেয়েহে পথৰুঘাট ৰণৰ ৰণুৱা কৃষক শ্বহীদসকলক আজিও শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। ময়ো প্ৰকৃতাৰ্থত গৌৰৱান্বিত এনেহেন ছিপাঝাৰৰ এগৰাকী সামান্যতম অংশ হোৱা হেতুকে। পথৰুঘাটৰ ভৱিষ্যত কামনা কৰিলোঁ। □□□

# Human Immune System And Diseases

**Dr. Pranab Kumar Sarma**
**Sr. Lecturer, Zoology Dept.**

We exist within a large environment that we recognize outside ourselves. Yet we contain, within ourselves, another environment, an internal environment, in which our individual cells live. If we reflect momentarily over the part days and weeks or months, we can recall that we felt healthy most of the time, but some time we felt sick. When we feel healt thy, the body appears to be in harmony with the external environment. In contrast, when we are ill, our bodies are not in harmony in the external environment and disorder appears to exist in bodily function. In short physically and mentally we do not feel comfortable.

The internal environment consists of the body fluid that bathe and nourish every cell of our bodies. The body fluids are found in three components Viz-Cardiovascular system, lymphatic system and Interstitial fluid.

The cardiovascular system plays a very significant role for delivery of oxygen and nutrients. Blood contains three major types of cells. These are erythrocytes, (red blood cells), Leukocytes (white blood cells) and platelets. Erythrocyte carries within it an abundant store of hemoglobin. Hemoglobin is responsible for the majority of bloods oxygen carrying capacity. On average, there are approximately 130 to 170 gram of hemoglobin in every liter of blood. Leukocytes are the largest cells of the blood and they participate in maintaining the immune system. Platelets participate with the plasma protein involved in clotting to seal off damage to blood vessels.

Disease can be considered a state which homeostatic balance is severely challenged and disturbed. There are many diseases that affect human organism. Some causes of disease states are infectious biological agents. (Bacteria, viruses and parasites). Chemical or physical modification of cellular expression (cancer), genetic defects and nutritional imbalance etc.

The vast majority of human diseases are caused by biological agents- Viruses, bacteria, fungi, protozoa and worms. Viruses, which cannot reproduce outside a host cells are responsible for the common cold, influenza, measles, mumps, polio, rabies, warts, infections hepatitis, genital herges and acquired immunodeficiency syndrome (AIDS). Bacteria cause throat infection, pneumonia, tuberculosis, leprosy and gonorrhea. Parasitic protozoa cause amebic dysentery, sleeping sickness and malaria. Parasites are the worms (helminthes) and they invade various host tissue and organs. Affected sites by worms are blood, intestine, long, liver, urinary system, heart, skin, muscle, brain and eye. Diseases like cancer are believed to be caused by physical and chemical insult to the body. We constantly encounter warming to avoid cigarettes, watch what we eat and drink and avoid too much exposure to the sun. These warnings are extended to alert us to changes associated with radiation (physical insult) and caseinogens (chemical insults) as potential means through which cancer arises.

Tumor or cancer cells are derived from normal cells several hypotheses have been afford to account for the transformation of a normal cell to a tumor cell. These hypotheses suggest that tumor arise alternatively from physical and chemical injury, viral infection, resulting from an accumulation of errors in function. Our immune system probably evolved primarily to recognize, regulate and remove foreign agents and abnormal or worn out cell. These strategies operate for ensure our protection good health and survival. Under certain circumstances, this system might bring harm, rather than good to the body.

The immune system at time might react inappropriately or in misdirected manner. When an immune response seems to be eraggerated, we are dealing with hypersensitivity reaction.

The immune system functions to protect the integrity of the individual. Some time this function goes awry and immune system attack normal cells of the body. This is known as an autoimmune response and it is organ specific or systemic.

Immune deficiency can be congenital (present at birth) or acquired (appearing letter in life) congenital immune deficiencies involve a failure of one or more components of the immune system to develop properly. This might be the result of some genetic defect occurring during a critical stage of foetal development. Acquired immune deficiencies arise later in life. These deficiencies are the consequence of damage to components of immune system. (e.g. as in AIDS) or in injunction with other disorders such as diabetes, alcoholic cirrhosis, malnutrition and sickle cell disease. In our body diseases can be brought by a variety of other means. These are genetic, degenerative, environmental, psychogenesis and estrogenic.

Sickle cell anemia is an example of genetic disorder. Degenerative causes of disease are associated with the elderly. These seem to be a consequence of the aging process and most often the cardiovascular system, the kidneys, the lungs and the brain. Environmental causes of disease is due to some common factor. Nutritional imbalance represents another example of this disease. An individuals emotional state can also lead to the expression of disease. This psychogenesis means of influencing disease expression is probably related to alterations in the functioning of the body's regulatory systems, in particular the nevus and endocrine system.

Iatrogenic disease is the examples of immune deficiency induced by treatments of cancer patients or transplant recipients are cases where efforts to control one set of problems might give rise to another problem. Immune system, is the system by which our body attempts to defend and maintain constancy of its internal environment against disease-causing agents, toxic substances and abnormal cells. Protection against the effects of infective agents is known as immunity. It can be acquired actively or passively. Innate immunity is not acquired, but rather is present from birth. Acquired immunity is antigen specific, innate immunity is not antigen specific. Active acquired immunity is the result of the generation of immune products be an individual following exposure to an inducing agent. The inducing agent can be artificially introduced in the form of a Vaccine Passively acquired immunity comes about through the presentation to an individual of immune products developed by some other source. Antigens are substances that can elicit an immune response. The ability of an antigen to provoke on immune response depends upon its chemical and physical properties. Viruses, Bacteria, fungi, protozoa, worms, cancer cells, foreign tissue and worn out cells can exhibit, produce or release nonself substance known as antigens. Antigens are substances that can stimulate an immune response and given the opportunity, react specifically by binding with the effectors molecules. Most antigens are proteins, but some contains carbohydrates, lipids or nucleic acid. Some antigens are more immunogenic antibody refers to an antigen and that react specifically with that antigen. Antibodies belong to a group of protein known as immunoglobulins (Igs) and in mammals five major immunoglobulines are IgG, IgM, IgA, IgD and IgE.

*The immune system functions to protect the integrity of the individual. Some time this function goes awry and immune system attack normal cells of the body. This is known as an autoimmune response and it is organ specific or systemic.*

The major cellular components of the immune system Lymphocytes, antigen-presenting cells (APCs) and phagocytes.

These cells are responsible for recognizing offending antigens, mounting specific reactions against them, and eliminating them from the host.

The immune system consists of a network of organs, tissues and cells. The primary lymphatic organs are the bone marrow and thymus, while secondary lymphatic organs include the spleen, lymph nodes, adenoids, tonsils, peyers patches (intestine) and appendix.

Fertility and reproduction can be influenced by immunological manipulation. Far example deer easel fertility has been associated with naturally occurring immunity to sperm antigens leading to decreased mortality or survived of sperm. The mother contributes to the immune status of the fetus through immunoglobulins that she passes across the placenta. During embryonic and fetal development several lymphoid organs emerge. These originate with lymphocyte, but are soon populated by lymphocytes that migrate from either the yolk sae, fetal liver or bone marrow.

Immunology is a branch of microbiology and defined as the study of defense of the body against harmful invading agents.

In 1958 the World Health Organization (WHO) decided to eradicate smallpox by means of mass vaccination. This was effective that by 1980, smallpox had become the first infections disease to be eradicates from the earth. The history of immunology since the beginning of twentieth century is complex but can be outlined by summarizing the Nobel prize awarded to immunologist. The first Nobel prize in medicine was awarded to Emil Von Behring in 1901. In 1905 Robert Koch was awarded the prize for his studies on tuberculin reaction. This is an immunologically mediated inflammatory skin reaction test.

The 1990 Nobel prize was awarded to Donnal Thomas and Joseph Murry for their pioneering work on organ transplantation when he grafted a kidney between identical twins. Thomas was the first to perform a successful bone narrow transplant in a patient who had first irradiated to remove leukemia cells. Only three scientist won Nobel Prize between 1919 and 1972 but nine between 1980 and 1990 far their contribution in immunology. □□□

# SHAPING THE CAREER IN THE RIGHT WAY

## TO THE YOUTH

**Sachin Saharia**
**Sr. Lect., Bot. Dept.**
**Convenor, Career Guidance & Councelling cell, Mangaldai College**

The world is now becoming competitive day by day. The old ones are replaced by the new ones according to the choice of the individuals. The life style is equipped with all the amenities and even a few luxuries as well. Gone are days where a graduate could think of nothing employment under government departments. The unemployed rising day by day which reaches upto several lacs in our state (almost 26 lacs). The students in the different level now should proceed to choose a better career after 10+2 stage or after completion of degree courses.

Education, in the boarder sense, is the lifelong experience gathered by an individual. However, confining it to the classroom situation, education may be defined as a series of instructions imparted to individuals for the development & strengthening of their mental abilities. This sort of education is expected to be followed by a flourished career. What is career?

By career we mean nothing but an integrated lifelong plan of finding a job & earning a living that one may hold at a particular time. The Dictionary meaning of career is a profession to afford opportunities for advancement. In other words the career would be "Find what you like doing best & get someone to pay you for doing it." But it is said that career building is no longer that easy. The job market is witnessing a cutthroat competition & only the best are able to survive. Hence, it becomes extremely important for persons to choose a career, that suits his innate talent and interest the best.

Our course and curriculum are going on in our college, university which are not fulfilling the national and global trend of education. However the stagnation of creation of new posts/ jobs and opportunities lead to a major unemployment problem in whole the country. In that respect, the student should plan to choose right career from the beginning to achieve the goal. Of course, India is one of the fastest developing nations in the world is attracting foreign investment as more and more multinational companies are spreading their market in India, even in our state also. This has led to a new bunch of job opportunities in our nation. But due to lack of proper guidance and counselling students and youth are not getting these opportunities in our state. Besides there are a lot of opportunities of jobs in different disciplines in our country / state, some are conventional and others are non-conventional.

* Advertising, * Aeronautics, * Architecture, * Ayurveda, * Biotechnology, * Banking, * Beautician, * Chartered Accountancy, * Computer animation, * Defence service, * Dietician, * Engineering management, * fashion & design, * Resource management, * Hotel management, * Food technology, * Journalism, * Tourism, Bio informatics, * Law, * MBA, * medicine modelling, * Nursing, * Physiotherapy, * Enter prenieship, * Voice overs, * Competitive examinations (central & state) combined defence services, Nursery management, * Floriculture, * Horticulture, * forestry are some of courses for moulding of careers in our state or outside of our state.

> *The Dictionary meaning of career is a profession to afford opportunities for advancement. In other words the career would be "Find what you like doing best & get someone to pay you for doing it." But it is said that career building is no longer that easy.*

It is indeed important to acquire certain special criterion to mould a better career to be considered in our mind. These are-

- Purpose and positioning
- Moulding of career
- Planning of career (long term)
- Personality development & performance
- English speaking
- Adequate Computer Knowledge
- Efficiency, interest of the individuals.

Climbing the ladder of career the students suitably chalk out plan to make advancement to build his/ her career successfully.

Mangaldai College is also giving facilities to the students by arranging counselling Programmes in different disciplines time to time for their career building. Students are provided necessary informations in this regards and some are benefited through this programme.

□□□

# Difficult Words And Terms

Sri Girish Sarma
T.D.C. 3rd year (Arts)

Birth Rate : Number of births per thousand of population in a given year.

Capital : Capital means wealth used in the production of further wealth.

Casteism : When a particular caste tries to promote its selfish interest at the cost of other castes and in doing so causes hatred and intolerance.

Civil Rights : Rights such as right to life, right to liberty, right to education etc., are known as civil rights. The civil rights are generally enjoyed both by the citizens and the aliens.

Cold War : Hostility, short of war, between the United states and the soviet Union. The cold war between the two countries, after the Second World War, led to the formation of rival military blocs and struggle for their influence.

Communalism : When a particular community tries to promote its selfish interest at the cost of other community and in doing so causes hatred and intolerance, it is called communalism. The term is used to describe the phenomenon of prejudice and tension between communities living in the same country. In this context communal feelings may be based upon religion or language or caste. Such counmunal prejudice and tension leads to counmunal riote.

Death Rate : Number of deaths per thousand population in a given year.

Developed Countries : Industrially developed countries with modern facilities and amenities of life. Countries like U.S., U.S.S.R. and Japan are considered as developed countries.

Developing Countries : Refers to the newly independent countries belonging to Asia, Africa, Latin America. These countries have a poor standard of living in comparison to developed countries. They are called developing countries because they have just started the process of development.

Disarmament : Reduction or control or elimination of all kinds of weapons in order to avoid war and promote peace.

Economic inequality : Economic inequality means vast disparities in the income of different sections of people. It also means different levels of standard of living.

Hoarders and Black Marketers : Hoarders are those persons who secretly store consumer goods. They sell these goods when they get higher prices. This creates a man-made scarcity.

Similarly, black marketers are those who sell scarce goods unlawfully at a higher price than fixed by the government.

Infant Mortality Rate : Number of infants under one year of age dying per thousand live births in a year.

National Income and per Capita Income : National income is the total income of a country in terms of goods and services produced in a year. Per capita income means the national income divided by the total number of people of a country.

National Integration : The feeling of oneness among the citizens of a nation is national integration. When the people of a country belonging to different castes, religious, regions, languages etc., feel that they are one nation, it brings about national integration. This feeling makes for the prosperity and strength of the nation.

Non Aligned Movement : It refers to the movements of those countries, including India, who did not align themselves with the rival military blocs led by the United State of America and the U.S.S.R. They follow the common policy of resisting pressures from the super powers to influence their foreign policy. They are making collective efforts to change the existing world order and bring move political and economic equality.

The policy of non-alignment has now become a movement. It means an independent policy based on peace ad cooperation.

Nuclear Arms Race : Race or competition between countries in stoving and stock piling of nuclear weapons.

Peaceful-Co-existence : An agreement or understanding between states to co-exist on the basis of non-aggression and respect for each other's territorial integrity. It means co-existence of countries with different political and social systems.

Political Rights : Political rights are given only to the citizens of a country. Political rights enable the people to participate in the governance of the country. These right include right to vote, right to get elected, right to hold any public office and the right to submit petition to the government.

Productivity : Increased production of goods on the basis of efficient use of resources such as labour, capital, technology and land.

Racial Discrimination : Discrimination of a section of the people on the basis of vace or community or colour. In South Africa, ruling group of white people has move rights and freedom than the coloured people of Africans and Asiatic origin.

Sex Ratio : Number of females per thousand males in the population.

□□□□

# A GREAT INDIAN POET

**Md. Munnaf Ali**
**TDC 3rd Year (Arts)**

Rabindra Nath Tagore : is one of the greatest poet of India. He is the winner of the Noble prize which is awarded to the greatest men of science, Literature and special services. His most famous book of songs is "Gitanjali". This book was particularly selected for the awarding of Noble prize to him. He was one of the first Indian to win Noble prize. Tagore wrote his poems in Bengali language and translated his own Bengali poems into English. His book of poem "Gitanjali", bears as introduction by the great English poet, Y.B. Yeats. It was the introduction whcih won him international repulation and helped him to win the noble prize. At that time, Yeats was not himself a noble prize-winner, although he was very distingushed as the English poet of international reputation; Y.B. Yeats also won the noble prize after the helped Rabindra Nath Tagore to win it.

Tagore was not only a great poet, he was also a great dramatist and a story writer. He was also an educationist and a patriot. He used to act in his own plays. He was the founder of liberal arts near Kolkata, where many scholars from foreign countries came and got their education in arts and humanities. Former Prime Minister Indira Gandhi was educated in the university of Shantiniketan for some years. To meet the expenses of the Shantiniketon University, Tagore often hold dramatic performances in India ad abroad and collected ticket money as well as donations for the purpose of education. Robindra Nath Tagore was also a great Patriot and a close friend of Mahatma Gandhi and other freedom fighters. He offered them every help in the struggle for freedom. He was awarded 'Knigh hood' (the title of 'Sir' by the British) after he had won the Noble prize but he returned it to the British for freedom's sake. He did not think it nice to accept any honours from the British while they were ruling our country and holding our nation in subjection. Our great national song 'Jana Gana Mana..." was composed by Rabindra Nath Tagore. Wherever and whenever you hear the national anthem, you are indeed hearing the voice of Rabindra Nath Tagore. Next to Kalidas, Tagore was the most famous poets of India, he was known as the Shakespeare of India. Tagore travelled widely in many countries including China, Japan, Switzerland and other countries. There are many memorials of him all over the world. In chandigarh there is a famous Tagore hall, in Delhi, we have Tagore Garden, which is a town ship and also Tagore Gallery of art. The status of Tagore are found in many places. Next to Mahatma Gandhi, Rabindra Nath Tagore is our greates legendary figures which have become instituuions in themselves. □□

# বিস্মৃত বৈভৱ ঃ দেৱদাসী নৃত্য

প্ৰিয়দা ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

"ভাৰত ভূমিত জন্ম লভিয়া
নভজে হৰি চৰণ,
সিটো জ্ঞানশূণ্য পশুতো অধম
জন্ম লভিলা কেনে"।। (নামঘোষা)

সকলো বিশ্বাস অবিশ্বাসৰ ঊৰ্ধ্বত আমাৰ পৰম পূজ্য দেৱতা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ। পৌৰাণিক কালৰে পৰাই দেৱতা সন্তুষ্টিৰ অৰ্থে কোনোৱাই নৃত্য-গীত, কোনোবাই বলি-বিধান, কোনোবাই নাম, কোনোবাই পূজা-পাতলৰ আশ্ৰয় লৈছে। যুগে যুগে এইদৰেই পৰিচালিত হৈছো আমি আমাৰ মনোজগত। দেৱতাৰ পূজা অৰ্চনাৰ অৰ্থেই এসময়ত অসমৰ কিছু মঠ মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। মূলতঃ ভাৰতৰ অন্যান্য ঠাইত থকাৰ দৰেই অসমৰো শিৱ মন্দিৰ সমূহেই দেৱদাসী নৃত্যৰ লগত জড়িত আছিল। অসমত দেৱদাসী নৃত্যৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল সেই সম্বন্ধে বিতং তথ্যৰ অভাৱ যদিও 'অসমীয়া বিশ্বকোষ' (প্ৰথম খণ্ড)ত থকা প্ৰাপ্ত তথ্য অনুযায়ী প্ৰাচীন কামৰূপৰ ৰজাসকলৰ তামৰ ফলিত নৱম শতিকাৰ পৰা পিছলৈ দলুহাংগানা, নৰ্তকী, বেশ্যা আদি শব্দৰে দেৱদাসী সকলৰ উল্লেখ আছে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰতো এইধৰণৰ গীত-মাতৰ কথা উল্লেখ আছে। কুট্টনীমত নামৰ সংস্কৃত গ্ৰন্থৰ কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মনৰ এগৰাকী প্ৰিয় নাচনী থকাৰ কথা উল্লেখ কৰিছে।

দেৱদাসী নৃত্য খ্ৰীঃ নৱম শতিকাৰ পৰাই অসমত প্ৰচলন আছিল যদিও আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাতহে এই নৃত্যই বিশেষ প্ৰসিদ্ধি লাভ কৰিছিল। মহেশ্বৰ নেওগে তেওঁৰ ৰচনাৱলীত দৰং জিলাৰ বিশ্বনাথঘাট, অবিভক্ত শিৱসাগৰ জিলাৰ দেৰগাঁও, নেঘেৰিটিং, কামৰূপ জিলাৰ ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ত আৰু হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলন থকাৰ কথা উল্লেখ কৰিছে। তদুপৰি সলাৰ বিশ্বনাথ মন্দিৰ, দৰঙৰ শিঙৰি শিৱ মন্দিৰ, ৰংপুৰৰ মুক্তনাথ শিৱ দ'ল, জয়সাগৰৰ বৈদ্যনাথ দ'ল আদিতো এই নৃত্যৰ প্ৰচলন থকাৰ কথা জনা যায়।

অসমৰ দেৱদাসীসকল এক বিশেষ সম্প্ৰদায়ৰ লোক আছিল। এওঁলোকক পূৰ্ব ভাৰতত 'নট' সম্প্ৰদায় বুলিছিল। মান্যভাষাত এওঁলোকক 'গন্ধৰ্ব ক্ষত্ৰিয়' আৰু অসমীয়া জনসমাজত এওঁলোক 'নট কলিতা' নামেৰে জনাজাত আছিল। এওঁলোকে নৃত্য গীতক নিজৰ বৃত্তি হিচাপে গ্ৰহণ কৰিছিল। এই সম্প্ৰদায়ৰ সকলো লোকেই নৃত্য গীতত অংশ গ্ৰহণ কৰিছিল আৰু মন কৰিলেই এওঁলোক বিবাহ বান্ধোনত আবদ্ধ হ'ব পাৰিছিল। দেৱদাসী নৃত্য নট সম্প্ৰদায়ৰ জীয়ৰী সকলেহে নাচিছিল আৰু পুৰুষ সকলে তেওঁলোকৰ নৃত্যত তাল বাদ্য সংগত কৰিছিল। মূলত: দেৱদাসী সকল অবিবাহিত আছিল আৰু অপ্ৰিয় হ'লেও এই কথা সত্য আছিল যে তেওঁলোকে মুক্ত যৌন অধিকাৰ লাভ কৰিছিল। দেখা গৈছিল লাহে লাহে এওঁলোক শিৱ মন্দিৰ সমূহৰ পূজাৰীসকলৰ ৰক্ষিতাত পৰিণত হৈছিলগৈ। দেৱদাসী হবলগীয়া হোৱাৰ বাবেই বহুতো কিশোৰীৰ হয়তো, যুৱতীৰ সপোন কলিতে মাৰ গৈছিল, কাৰণ দেৱদাসী হ'লেও তেওঁলোকৰ মাজতো সাধাৰণ নাৰী সত্তা জীয়াই আছিল। দেৱদাসীসকল বেশ্যালৈ পৰিণত হোৱাৰ বাবে বহুজনে তেওঁলোকক দোষাৰোপ কৰে যদিও বহুক্ষেত্ৰতে হয়তো তেওঁলোক পৰিস্থিতিৰ দাস হ'বলগীয়া হৈছিল।

দেৱদাসী নৃত্য সম্পৰ্কে বিভিন্ন লোককাহিনী প্ৰচলন হৈ আহিছে আৰু ইয়াৰে কিছুসংখ্যক সত্য ঘটনাৰ ওপৰতো আধাৰিত। ড০ সূৰ্যকুমাৰ ভূঞাই উদ্ধাৰ কৰা এখন পুৰণি বুৰঞ্জীত ঔৰংগজেৱৰ সেনাবাহিনীৰ লগত আহোম ৰাজ্যলৈ অহা সত্ৰাজিত বৰুৱাই বিশ্বনাথঘাটৰ দেওঘৰৰ চাৰিজনী নট পুলুৱাই লৈ যোৱাৰ কথা আৰু ৰত্ন অলংকাৰ আদি লুটি নিয়াৰ কথা উল্লেখ আছে। সেইদৰে নেঘেৰিটিঙৰ শিৱদ'লত প্ৰচলিত দেৱদাসী নৃত্য সম্বন্ধেও বিভিন্ন কাহিনীৰ প্ৰচলন আছে। দেৰগাঁৱৰ শিৱদ'লৰ এক অন্যতম ঐতিহ্য বহন কৰে দেৱদাসী নৃত্যই। এসময়ত এই নৃত্য চাবলৈ বিভিন্ন ঠাইৰ পৰা ... স্বাৰ-বিজাৰ মানুহ আহিছিল। সেই দ'লৰ নটীসকলৰ সাজপাৰৰো কিছু বিশেষত্ব আছিল। ইয়াৰ নাচনীয়ে নাচোতে মূৰৰ মাজত ওখকৈ খোপা বান্ধিছিল আৰু এই খোপাকে নেঘেৰি খোপা বুলি কোৱা হৈছিল। চিনাতলীয়া নাটৰ জীয়ৰী 'ফুলমতী'

দেৱগাঁৱৰ দ'লৰ নটী আছিল। ফুলমতীৰ নৃত্যত সন্তুষ্ট হৈ শিৱ সিংহ স্বৰ্গদেৱে ফুলমতীক ৰাজ কাৰেঙলৈ নি ফুলেশ্বৰী কুঁৱৰী আৰু প্ৰথমেশ্বৰী নাম দি বৰৰজা উপাধিৰে আহোম ৰাজ্যৰ সিংহাসনত বহুৱাই ছিল।চিনাতলী গাঁৱত এতিয়াও কেইটামান 'নট কলিতা'ৰ পৰিয়াল দেখা যায়।

কামৰূপ জিলাৰ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত বৈষ্ণৱ মন্দিৰ হ'লেও শ্ৰীক্ষেত্ৰৰ জগন্নাথ মন্দিৰৰ আৰ্হিত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। ১৮৫২ চনত চেপ্তেম্বৰ সংখ্যা অৰুণোদয়ত 'হয়গ্ৰীৱ-মাধৱ' আৰু কেদাৰনাথৰ বিৱৰণ'ত নিধিৰাম ফাৰৱেলে দেৱদাসী সম্পৰ্কে নেতিবাচক মন্তব্য কৰাৰ আঁৰত হয়তো তেওঁৰ কাষৰ পৰিবেশ পৰিস্থিতিয়ে দায়ী আছিল। ফাৰৱেলৰ লেখাত পোৱা দেৱদাসীৰ গীত এনেধৰণৰ-

'পাল ক্ৰমে নাচ কৰে দেৱ মুৰ্তি কোসে
ঘৰ মাজে থাকি সদা স্বধৰ্ম আচৰে।
গৃহস্থৰ মতে সবে গৃহ কাম কৰে....
জিকি মিকি কৰে বৰ দেখোতে শোভন,
সুললিত গান কৰে মোহে অতি মন।'

এইদৰে তেওঁ নৰ্তকীসকলৰ মন মুহি নিয়া গীতৰ যি অলপ নমুনা দিছে, সি বঙলুৱা। সেই সময়ৰ পৰাই সম্ভৱত: বঙলা ভাষাই ক্ৰমে ক্ৰমে অসমীয়া ভাষাৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিবলৈ আৰম্ভ কৰিছিল আৰু এই গীতসমূহেই ইয়াৰ সুন্দৰ সাক্ষ্য।

প্ৰাচীন কালৰে পৰাই অসমৰ বিভিন্ন ঠাইত চলি অহা এই দেৱদাসী নৃত্যৰ ভিতৰত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ নৃত্যই আটাইতকৈ বেছি জনপ্ৰিয় আছিল। এই নৃত্যই মধ্য যুগৰ গীত আৰু নৃত্যকলাৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। ওডিচী নৃত্যৰ লগতো বহুজনে দেৱদাসী নৃত্য (হাজো)ৰ যথেষ্ট সাদৃশ্য আছে বুলিও মন্তব্য কৰে। হাজোৰ দেৱদাসী সকলৰো সাজপাৰৰ বিশেষত্ব আছিল- তলৰফালে এখন লহঙা, বুকুত ৰিহা, দীঘল হাতৰ চোলা, মূৰৰ খোপাত ফুলেৰে সু-সজ্জিত কৰি এখন কাপোৰ কান্ধত পৰাকৈ দিয়া হৈছিল আৰু এওঁলোকে দেহ ওপচাই সোণৰ অলংকাৰ পৰিধান কৰিছিল। খোল, মৃদংগ আৰু সৰু তাল নাচৰ বাজনা আছিল। সেয়ে বহুতে এই দেৱদাসী নৃত্যক সত্ৰীয়া আৰু ওজাপালি নৃত্যৰো সমল লুকাই আছে বুলি মন্তব্য কৰে।

অসমৰ বিভিন্ন শিৱ মন্দিৰত চলা নৃত্যৰ স্বৰূপ কমবেছি পৰিমাণে ভিন্ন আছিল আৰু প্ৰত্যেকেই সুকীয়া বৈশিষ্ট্য ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়তো শিৱ সিংহ ৰজাই ধৰ্মবৰৰ হতুৱাই লিংগ প্ৰতিষ্ঠা কৰোৱাৰ দিন ধৰি দুপৰৰ পূজা আৰু সন্ধ্যাৰ আবতিৰ সময়ত নিতৌ নৃত্যৰ প্ৰথা চলি আহিছিল। ডুবিৰ নটীসকলৰো সাজ-পাৰ অন্যতকৈ কিছু ভিন্ন আছিল।

দেৱদাসী নৃত্যৰ গঠন প্ৰণালী সম্পৰ্কে বিতং তথ্যৰ অভাৱ যদিও জনপ্ৰবাদ অনুসৰি এই নৃত্যৰ অষ্টপ্ৰহৰৰ বেলেগ বেলেগ নৃত্য থকাৰ কথা শুনা যায়। সত্ৰৰ নটুৱা নাচত দেৱদাসী নৃত্যৰ কিছু চিহ্ন বিচাৰি পালেও তাতকৈ অধিক একো জনা নাযায়। হয়তো নটুৱা নাচতকৈ দেৱদাসী নৃত্য অধিক মোহনীয় অধিক লাস্যময়ী আছিল। অসমৰ প্ৰাচীন ভাস্কৰ্যৰাজিত অলেখ নাৰীৰ নৃত্য ভংগীমাৰ মূৰ্তি পোৱা গৈছে, ইয়াৰ মূৰ্তিসমূহৰ মাজৰ কোনটো হয়েতো দেৱদাসী মূৰ্তিও হ'ব পাৰে, কিন্তু অনুসন্ধান আৰু পৰ্যবেক্ষণৰ অভাৱত এই সম্পৰ্কে সকলো নিমাত। সময় পৰিৱৰ্তনৰ লগে লগে দেৱদাসী নৃত্য বহুতৰ দৃষ্টিত বিকৃত মানসিকতাৰ পৰিচায়ক ৰূপে অভিহিত হল আৰু দেৱদাসীসকল অবিবাহিত হৈ ৰোৱাত তেওঁলোকৰ জীৱন দুৰ্যোগেৰে ভৰি পৰিছিল। এনেবোৰ কাৰণৰ বাবেই দেৱদাসী নৃত্য ক্ৰমে ক্ৰমে মন্দিৰবোৰৰ পৰা হেৰাই গ'ল আৰু এটা সময়ত গৈ ই সম্পূৰ্ণৰূপে লোপ পালে। ডুবৰি পৰিহৰেশ্বৰ দেৱালয়ত বহু বছৰ আগলৈকে এই নৃত্যৰ প্ৰদৰ্শন হৈছিল যদিও কিছু লোকৰ ব্যক্তিগত খাম-খেয়ালিত ইয়ো লোপ পালে। ভালদৰে বিচাৰ কৰিলে দেখা যায় দেৱদাসী নৃত্য কোনো কোনো বিকৃত মানসিকতাৰ পৰিচায়ক নহয়, বৰঞ্চ অসমৰ ধ্ৰুপদী নৃত্যকলাৰ অংশবিশেষহে। বঙলুৱা প্ৰভাৱে ইয়াৰ পূৰ্ব মৰ্যদা হানি কৰিছিল যদিও সময়মতে সংৰক্ষণ কৰা হ'লে ই এক উৎকৃষ্ট নাট্য কলাৰূপেহে বিবেচিত হ'লহেঁতেন। দেৱদাসী নৃত্যই সেই সময়ৰ অসমৰ সামাজিক পটভূমি বিচাৰ কৰাত যিদৰে সহায় কৰে তেনেদৰে সেই সময়ৰ নৃত্যকলাৰো কিছু আভাস আমাক দিয়ে। প্ৰাচীন অসমৰ বুৰঞ্জী অধ্যয়নতো দেৱদাসী নৃত্যই কম বেছি পৰিমাণে অৰিহণা যোগাইছে। সেয়ে ডঃ মহেশ্বৰ নেওগদেৱে দেৱদাসী নৃত্য কলা সম্পৰ্কে হয়তো সঠিক ভাৱেই মন্তব্য কৰিছিল-

'আমাৰ কলা ইতিহাসৰ ফালৰ পৰা
ইয়াৰ মূল্য কহিনুৰৰ মূল্য।'

অসমবাসীৰ দুৰ্ভাগ্য এনে কহিনুৰৰ মূল্য (আমি) নুবুজিলো। বোকাতে পদুম ফুলে, কিন্তু সেই পদুমেই দেৱতাৰ বেদীত শোভা পায়, দেৱতা সন্তুষ্ট হয়, আমি জীৱশ্ৰেষ্ঠ মানৱে সেই বোকাৰ পদুম দেৱদাসী নৃত্যক সু-ৰুচি পূৰ্ণভাৱে জনসমাজলৈ আদৰি আনিব নোৱাৰো জানো।

*(বিভিন্ন উৎসৰ পৰা সংগৃহীত)*

❑❑❑

# বিশ্বাস, পৰম্পৰাগত লোক বিশ্বাস, অন্ধবিশ্বাস আৰু আমিবোৰ...

আমিনুল হক
স্নাতক দ্বিতীয় বার্ষিক

পৃথিৱীৰ সকলোবোৰ ধৰ্মৰ লগত জড়িত প্ৰধান বস্তুটোৱেই হ'ল 'বিশ্বাস'। ধৰ্ম আকৌ অদৃশ্য শক্তিৰ লগত জড়িত। কিন্তু আজিলৈকে বিশ্বৰ কোনো মানুহে সেই শক্তিটো কি খাটাংকৈ ক'ব পৰা নাই আৰু পৃথিৱী জীয়াই থকালৈকে হয়তো কোনোৱেই স্পষ্ট ভাৱে নোৱাৰিব। সেই শক্তিটোক ভগৱান, আল্লা, গড্ আদি নামেৰে বুজোৱা দেখা যায়। ভগৱানক কোনেও দেখা নাই বাবেই ধৰ্ম যাজক সকলৰ লগত ইউৰোপিয়ান দাৰ্শনিক আৰু বৈজ্ঞানিক সকলে প্ৰায়ে ভগৱানৰ অস্তিত্বক লৈ তৰ্ক বিতৰ্কত লিপ্ত হৈছিল। কিন্তু দৰ্শন আৰু বিজ্ঞানে বিশ্বৰ নিৰ্দিষ্ট সীমাবদ্ধতাক একমুখে স্বীকাৰ কৰিছিল। সীমাবদ্ধ জগতৰ সিপাৰে কি আছে, (মৃত্যুৰ পিছত আত্মা সম্পৰ্কে) তাক বিজ্ঞানে জনাৰ কোনো উপায় নাই। মৃত্যুৰ পিছত আত্মা সম্পৰ্কে পৃথিৱীৰ প্ৰতিটো ধৰ্মৰ ধাৰণা বেলেগ বেলেগ। মৃত্যুৰ পিছত হোৱা আত্মাৰ ধাৰণা বিজ্ঞানে 'তিলমানো নাজানে। বিজ্ঞানৰ যিমানেই উন্নতি নহওঁক কিয়, বিজ্ঞান নিৰ্দিষ্ট সীমা বদ্ধতাৰ মাজতেই ঘূৰি থাকিবলৈ বাধ্য। সেয়েহে এডিংটনে আক্ষেপ প্ৰকাশ কৰি কৈছে যে 'আমাৰ বিজ্ঞান চৰ্চা মিছা হ'ল। এতিয়া আমাক ধৰ্ম যাজক সকলে হাঁহিব পৰা হ'ল।' বিজ্ঞানী আইনষ্টাইনে কৈছে- 'ধৰ্ম অবিহনে বিজ্ঞান খোৰা আৰু বিজ্ঞান আবিহনে ধৰ্ম কণা। সেয়েহে বিজ্ঞান আৰু ধৰ্ম একে লগে একেটা বাটেৰে হাতত ধৰা ধৰিকৈ আগবাঢ়ে।'

মানৱ সভ্যতা আৰম্ভ হোৱাৰে পৰাই অথবা তাৰো আগৰে পৰাই মানুহৰ মনৰ মাজত বিশ্বাসে বিৰাজ কৰিছে। বিশ্বাস হল মানুহৰ একোটা আশা, একোটা আস্থা। এই আশা আৰু আস্থা ধৰ্ম আৰু ভগৱানত। বিশ্বাস মানুহৰ সহজাত প্ৰবৃত্তি। এই বিশ্বাস মানুহৰ মাজত অতীত, বৰ্তমান আৰু ভাৱিষ্যত বৈ আছে আৰু বৈ থাকিব। মানৱ সভ্যতাৰ আৰম্ভণিতেই পৃথিৱীৰ বুকুত সৃষ্টি হোৱা আকাশ-বতাহ, সাগৰ মহাসাগৰ, পাহাৰ-পৰ্বত, বিভিন্ন প্ৰাকৃতিক ঘটনা পৰিঘটনা সমূহ লক্ষ্য কৰি মানুহবোৰে ভয় খাইছিল আৰু চিন্তিত হৈছিল আৰু তেতিয়াই তেওঁলোকৰ মনত কিছুমান প্ৰশ্নৰ উদয় হৈছিল। তেওঁলোকে সেই প্ৰশ্নবোৰৰ উত্তৰ এটাই বিচাৰি পাইছিল যে, সেয়া 'অদৃষ্ট শক্তিৰ সৃষ্টি'। এই অদৃশ্য শক্তিৰ মূলতেই হ'ল আল্লা বা ভগৱান। ঠিক তেতিয়াৰ পৰাই মানুহে অদৃশ্য শক্তিৰ গৰাকীক তুষ্ট কৰাৰ উদ্দেশ্যে শ্ৰদ্ধা ভক্তিত গদ গদ হৈ পৰে আৰু বিভিন্ন জনে বিভিন্ন ধৰণে সেৱা প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰে। বিশ্বাস জন্মৰ পিছৰ পৰাই ধৰ্মপ্ৰাণ মানুহে নিজৰ নিজৰ ধৰ্মবোৰ জীয়াই ৰাখিছে। 'গাৰ নোমেই নিজৰ শত্ৰুৰ দৰে এচাম মানুহে এই ধৰ্মবোৰক তাচ্ছিল্য কৰি আহিছে। এই তাচ্ছিল্যই ধৰ্মপ্ৰাণ মানুহৰ মনত কোনো ধৰণৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাছিল। কিন্তু বৰ্তমান যুগৰ (আমাৰ দৰে) ধাৰ্মিকবোৰৰ ভগৱানক প্ৰাৰ্থনা কৰাৰ অন্তৰালৰ কাৰণবোৰ জানিলে পুতৌ জাগে।

সি যি কি নহওঁক, মানৱ সমাজে ভগৱান বা আল্লাক বিশ্বাস কৰাৰ উপৰিও আন দুবিধ বিশ্বাসক আকোঁৱালি ল'লে। সেয়া হ'ল লোক বিশ্বাস আৰু অন্ধ বিশ্বাস। লোক বিশ্বাস আৰু অন্ধ বিশ্বাস এটা মুদ্ৰাৰে দুটা ফাল। যদিও দুয়োটাৰে মাজত যথেষ্ট পাৰ্থক্যও আছে। অন্ধ বিশ্বাসৰ অন্তৰালত থকা কাৰণবোৰ বিশ্লেষণ কৰি চালে বৈজ্ঞানিক যুক্তি এটাও বিচাৰি পোৱা নাযায়। কিন্তু লোক বিশ্বাসৰ সৈতে বৈজ্ঞানিক যুক্তিৰ যথেষ্ট মিল থকা দেখা যায়। অন্ধ বিশ্বাস আৰু লোক বিশ্বাস দুয়োবিধেই কিছুমান পুৰণি ৰীতি-নীতি। সেয়েহে- Krape এ অন্ধবিশ্বাসৰ সংজ্ঞা দি কৈছিল- 'অন্ধ বিশ্বাস কিছুমান বিশ্বাস আৰু ক্ৰিয়াকাণ্ড যাক পৃথিৱীৰ প্ৰধান ধৰ্ম কিছুমানে (খৃষ্টান, ইছলাম আৰু বৌদ্ধ) নামানে। H.G. Roach ৰ মতে 'ভিত্তিহীন আৰু সংগতিবিহীন বিশ্বাস বা আচৰণ আদিৰ স্বীকৃতিয়েই অন্ধ বিশ্বাস।' ওপৰোক্ত সংজ্ঞা দুটা ভালদৰে বিশ্লেষণ কৰি চালে আমি দেখা পাওঁ যে অন্ধবিশ্বাস কিছুমান যুক্তিহীন ধাৰণা। যিবোৰে বৰ্তমান সমাজখনতো অমঙ্গল সাধন কৰি আছে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগতো এচাম লোকৰ অন্ধবিশ্বাসৰ সুযোগ লৈয়েই আমাৰ সমাজখন ধ্বংসৰ পথত বিনাদ্বিধাই আগবাঢ়ি অহা দেখা গৈছে। আটাইতকৈ দুখৰ বিষয় এই যে, আমাৰ সমাজখনৰ (অতি কম সংখ্যক হ'লেও) কিছুমান শিক্ষিত লোকেও এই অন্ধবিশ্বাসৰ লগত সাঙোৰ খাই পৰিছে।

কাৰণ তেওঁলোকে সমাজত মাত মাতিব নোৱাৰে, সমাজক ভয় কৰি চলে। সেইবাবে তেওঁলোকে (শিক্ষিত সকলে) বিনা যুক্তিৰেই অন্ধবিশ্বাসবোৰ মানি ল'ব লগা হৈছে। আমাৰ সমাজৰ একেবাৰে নিম্ন শ্ৰেণীৰ লোক সকলৰ মাজত অৰ্থাৎ যুক্তি বিচাৰ কৰিব নোৱাৰা লোক সকলৰ মাজতহে অন্ধবিশ্বাস বহুলভাৱে প্ৰচাৰিত। কিন্তু আধুনিক শিক্ষাৰে প্ৰভাৱিত লোক সকলৰ মাজত অন্ধবিশ্বাস যথেষ্ট পৰিমাণ শিথিল। কিন্তু যিমানেই শিক্ষিত নহওঁক কিয়, প্ৰত্যেকজন মানুহকে অন্ধ বিশ্বাসৰ বতাহে কম পৰিমাণে চুই যায়। কোনো মানুহেই অন্ধবিশ্বাসৰ উৰ্দ্ধত নহয়।

প্ৰাচীন কালৰে পৰাই আমি আমাৰ ককা-আইতা সকলৰ পৰা 'নাপায়' বোলা কথা এষাৰ শুনি আহিছো। কিন্তু আমি জানো এই 'নাপায়'টো এবাৰ গভীৰ ভাৱে চিন্তা কৰিছোঁ। যদি নাপায়টো লোকবিশ্বাস হয়, তেন্তে তাৰ লগত বৈজ্ঞানিক যুক্তি নতুবা এটি গুৰুত্বপূৰ্ণ উপদেশ জড়িত হৈ থাকিব। কিন্তু যদি এই নাপায়টো অন্ধবিশ্বাস হয় তেনেহলে জানিব লাগিব যে ই আমাক বিপথে পৰিচালিত কৰা এটা সহজ কৌশল। এতিয়া আমি তলত কেইটামান লোক বিশ্বাসৰ উদাহৰণ বিশ্লেষণ কৰি চাওঁ। কিছুমান মানুহে কয় 'হাতে হাতে চূণ দিব নাপায়'। কাৰণ হাতে হাতে চূণ দিলে হাত দুখন লেতেৰা হোৱাৰ ভয়। আনহাতে চূণ লগা আঙুলিটো চকুলৈ নিলে চকুৰ বাবেই বিপদ্জনক। ৰাতিপুৱা প্ৰাতঃকৰ্মৰ বাবে বাহিৰলৈ গ'লে হাত চাপৰি দিব লাগে। কাৰণ হাত চাপৰি দিলে সেই ঠাইৰ পৰা সাপ, বেং ইত্যাদি দূৰ হয় আৰু সেই ঠাইলৈ অন্য মানুহো নাহিব। শৌচ কৰাৰ সময়ত মুখেৰে মাতিব নাপায়। কাৰণ সেই সময়ত মুখেৰে মাতিলে বেমাৰৰ বীজাণু প্ৰৱেশ কৰিব পাৰে আৰু এইটো স্বাস্থ্যৰ বাবে হানিকাৰক। (ইছলাম ধৰ্মত শৌচ কৰাৰ সময়ত কথা কোৱাতো আৰবী ভাষাত 'মকৰূপ' বুলি কোৱা হৈছে। ইয়াৰ অৰ্থ- ঘৃণিত কাৰ্য।) নতুন কাপোৰ পিন্ধি খাদ্য খাব নাপায়। কাৰণ নতুন কাপোৰত সেই খাদ্যৰ পৰা কোনো দাগ ৰস লাগিব পাৰে। ৰাতি নখ কাটিব নাপায়। কাৰণ ৰাতি নখ কাটিলে নখৰ মঙহ কটা যাব পাৰে। কিন্তু বৰ্তমান বিজ্ঞানৰ যুগত বিজুলী চাকিৰ ব্যৱস্থা হোৱাৰ ফলত ৰাতি নখ কাটিবলৈ কোনো অসুবিধা নহয়। ৰাতি ঘৰ সাৰিব নাপায়। ইয়াৰ অন্তৰালত থকা প্ৰকৃত কাৰণ হ'ল- ৰাতি সাৰিলে জাবৰ জোথৰৰ লগত বিভিন্ন ধৰণৰ মূল্যবান সম্পত্তি সমূহ হেৰুৱাব লগা হ'ব পাৰে। এনেকুৱা আৰু বহুতো লোকবিশ্বাস আমাৰ মাজত বিদ্যমান। যিবোৰে লোক সংস্কৃতিৰ ভড়াল চহকী কৰি তুলিছে। আনহাতে এনে কিছুমান লোকবিশ্বাস আছে, যি সমূহত বৈজ্ঞানিক দৃষ্টিভংগী নাই, কিন্তু আমাক বিভিন্ন নীতি শিক্ষাৰে উপকাৰ সাধন কৰিছে। যেনে- মানুহ অহা যোৱা কৰা বাটত কাপোৰ মেলি দিব নাপায়, ডাঙৰৰ আগত ওখ আসনত বহিব নাপায় ইত্যাদি।

এতিয়া দুটামান অন্ধবিশ্বাসৰ উদাহৰণ চোৱা যাওক। লোকবিশ্বাসেই হওঁক অথবা অন্ধবিশ্বাসেই হওঁক- এইবোৰে মানুহক সন্তুষ্টি প্ৰদানত যথেষ্ট সহায় কৰে। কিন্তু বৰ্তমান দেখা গৈছে, আমাৰ মাজত পৰম্পৰাগত ভাৱে প্ৰচলিত অন্ধবিশ্বাসে কোনো কোনো সময়ত সীমা চেৰাই গৈছে। অন্ধবিশ্বাসৰ বাবে বহুত মানুহে প্ৰাণ বিসৰ্জন দিব লগা হৈছে। কিমান নিৰ্দোষী মানুহ অন্ধবিশ্বাসৰ বলি হ'ল আৰু হৈ আছে তাৰ সীমা সংখ্যা নাই। উদাহৰণ স্বৰূপে আমাৰ ভাৰত বৰ্ষত এটা সময়ত সতীদাহ প্ৰথাৰ প্ৰচলন আছিল। এই সতীদাহ প্ৰথাৰ জৰিয়তে ভাৰতবৰ্ষৰ বহুতো হিন্দু নাৰীয়ে জীৱন হেৰুৱাব লগা হৈছিল সেয়া আমাৰ কল্পনাতীত। কোনো বিবাহিতা নাৰীৰ স্বামী বিয়োগত স্বামীৰ চিতাতেই সেই নাৰীয়ে (ঘৈণীয়েকে) জাপ দি মৃত্যুক সাৱটি ল'ব লগা হৈছিল। কিন্তু পোহৰ সদায় আন্ধাৰৰ মাজত প্ৰকাশ পোৱাৰ দৰে, সেই অন্ধবিশ্বাসত ডুব যায় থকা সমাজত সত্য প্ৰকাশ পালে। কেইজনমান শিক্ষিত লোকৰ প্ৰচেষ্টাত এই 'সতীদাহ প্ৰথা' নামৰ বিশ্বাসটো আমাৰ সমাজৰ পৰা সন্ধিয়াৰ বেলিটোৰ দৰে লাহে লাহে মাৰ গ'ল। কিন্তু

*আমি সকলোৱে বিভিন্ন কাকতে পত্ৰই পঢ়িবলৈ পাওঁ যে 'অমুকত ডাইনী সন্দেহত চাৰিজনক হত্যা'। এই ডাইনীনো আচলতে বাৰু কি? ভগৱানৰ সৃষ্টি এই 'ডাইনী' বাৰু কিমানজনে দেখিছে? ডাইনী নামৰ কিবা এটা বস্তু জানো আছে? বুলি আমাৰ মনত প্ৰশ্নৰ উদয় নহয় জানো? আমাৰ বিশ্ব স্ৰষ্টাই হ'ল সকলোৰে গৰাকী। তেনে ক্ষেত্ৰত ডাইনীয়ে মানুহক কি কৰিব পাৰে। যদি ডাইনীয়ে সঁচাকৈয়ে সমাজৰ অমঙ্গল সাধন কৰে তেনেহলে 'ডাইনী' হত্যা কৰাটো আমাৰ কোনো অপৰাধ হ'ব নোৱাৰে। কিন্তু আমাৰ সমাজৰ অন্ধ সকলে 'ডাইনী' হত্যা নকৰি ডাইনী সন্দেহত মানুহ হত্যা কৰে কিয়? এই ডাইনী হত্যা নামৰ হত্যা কাণ্ডবোৰ নৃশংস অমানৱীয় কাৰ্য হোৱাৰ পিছতো আমাৰ মাজত ইয়াৰ কিয় পুণৰাগমন ঘটে?*

আমি আজিও আন এবিধ ভয়ানক অন্ধ বিশ্বাসৰ পৰা মুক্ত হ'ব পৰা নাই। আমি সকলোৱে বিভিন্ন কাকতে পত্ৰই পঢ়িবলৈ পাওঁ যে 'অমুকত ডাইনী সন্দেহত চাৰিজনক হত্যা'। এই ডাইনীনো আচলতে বাৰু কি? ভগৱানৰ সৃষ্টি এই 'ডাইনী' বাৰু কিমানজনে দেখিছে? ডাইনী নামৰ কিবা এটা বস্তু জানো আছে? বুলি আমাৰ মনত প্ৰশ্নৰ উদয় নহয় জানো? আমাৰ বিশ্ব স্ৰষ্টাই হ'ল সকলোৰে গৰাকী। তেনে ক্ষেত্ৰত ডাইনীয়ে মানুহক কি কৰিব পাৰে। যদি ডাইনীয়ে সঁচাকৈয়ে সমাজৰ অমঙ্গল সাধন কৰে তেনেহলে 'ডাইনী' হত্যা কৰাটো আমাৰ কোনো অপৰাধ হ'ব নোৱাৰে। কিন্তু আমাৰ সমাজৰ অন্ধ সকলে 'ডাইনী' হত্যা নকৰি ডাইনী সন্দেহত মানুহ হত্যা কৰে কিয়? এই ডাইনী হত্যা নামৰ হত্যা কাণ্ডবোৰ নৃশংস অমানৱীয় কাৰ্য হোৱাৰ পিছতো আমাৰ মাজত ইয়াৰ কিয় পুণৰাগমন ঘটে? এই কথাটোৱে বাৰু আমাক চিন্তিত কৰি নোতোলেনে? অন্ধবিশ্বাস, কু-সংস্কাৰ, ডাইনী হত্যাৰ দৰে কাৰ্যবোৰ আমাৰ ৰাজ্যৰ কোকৰাঝাৰ, গোৱালপাৰা, বাক্সা, ওদালগুৰি আদি জিলাবোৰৰ অনুন্নত ঠাই সমূহত বেছিকৈ হোৱা দেখা যায়। সেই ঠাইসমূহত আদিবাসী আৰু চাহ জনগোষ্ঠীয় মানুহবোৰে বসবাস কৰে। তেওঁলোকৰ মাজতেই বেছিকৈ অন্ধবিশ্বাস, ডাইনী হত্যা আদি অমানৱীয় কাৰ্যবোৰ সংঘটিত হয়। ইয়াৰ কাৰণ জুঁকিয়াই চালে আমি দেখা পাওঁ সেই সকল লোক আধুনিক শিক্ষা, চিকিৎসা সেৱা, যোগাযোগৰ ব্যৱস্থা আদিৰ পৰা সম্পূৰ্ণভাৱে বঞ্চিত। আনহাতে তেওঁলোকৰ মাজত দৰিদ্ৰতা সৰ্বদা বিৰাজমান। তেওঁলোকে এই অন্ধবিশ্বাস, কু-সংস্কাৰ সমূহকে পৰম্পৰাগত নিয়ম বুলি মানি চলে। অজ্ঞানতা আৰু অন্ধবিশ্বাস যেতিয়া লগ লাগে তেতিয়া মানুহ হিতাহিত জ্ঞান শূণ্য হৈ পৰে। এনে অন্ধ মানুহ যেতিয়া বেজ বা তান্ত্ৰিকৰ কবলত পৰে, তেতিয়া তেওঁলোকৰ কথাকেই বেদবাণী বুলি আখৰে আখৰে পালন কৰে। বহুতো বেজ বা তান্ত্ৰিকে নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ পূজা পাতল কৰি, গণনা কৰি অপায় অমঙ্গলৰ বাবে কাৰোবাক দোষী কৰে, আনকি তেনে অমংগলীয়া (?) লোকক হত্যা পৰ্যন্ত কৰাৰ বাবে উচটনি দিয়ে। বহু সময়ত বেজ তান্ত্ৰিকে নিজৰ পুৰণি শত্ৰু বা তেওঁক মানিবলৈ মান্তি নোহোৱা লোকক ডাইনী বুলি অভিহিত কৰে আৰু এয়াই হ'ল এক পৰিকল্পিত নৃশংস অমানৱীয় হত্যাকাণ্ড, যাক 'ডাইনী হত্যা' বুলি কোৱা হয়।

এনেকুৱা আৰু বহুতো সৰু সৰু অন্ধবিশ্বাস আমাৰ মাজত প্ৰচলিত। সেইবোৰ হ'ল শনিবাৰে আৰু মঙ্গলবাৰে দাঢ়ি চুলি কাটিব নাপায়। কোনো শুভ কামৰ বাবে কৰা যাত্ৰাত পিছফালৰ পৰা মাতিব নাপায়। যাত্ৰাৰ সময়ত খালি কলহ দেখা অমঙ্গল নাইবা যাত্ৰাৰ সময়ত সন্মুখেৰে মেকুৰী পাৰ হোৱাতো অমঙ্গলৰ প্ৰতীক। কোনো নাৰী ফুলতে বিধৱা হ'লে, স্বামীৰ মৃত্যুৰ বাবে যেন সেই নাৰী গৰাকীয়েই সম্পূৰ্ণ ৰূপে দায়ী। শহুৰৰ ঘৰৰ লাঞ্চনা গঞ্জনা মূৰ পাতি লৈ দুখৰ লোতকেৰে বাট নেদেখা হোৱা অৱস্থাটো জানো অন্ধবিশ্বাসৰেই পৰিণতি নহয়?

আজিৰ আধুনিক সমাজৰ বাবে অভিশাপ স্বৰূপ এই অন্ধবিশ্বাসবোৰ কেনেকৈ আঁতৰ কৰাটো সম্ভৱ সেইটোহে বৰ্তমান সময়ৰ চিন্তনীয় বিষয়। এনে ধৰণৰ পৰম্পৰাগত অন্ধবিশ্বাস সমূহ কিছুমান সমাজত এনেভাৱে সাঙোৰ খাই পৰিছে যে, তাক অন্ধবিশ্বাস, কু-সংস্কাৰ বুলি বিশ্বাস জন্মোৱাতো সহজ নহয়। এই চুটিলেখাৰ জৰিয়তে অন্ধবিশ্বাস নতুবা কু-সংস্কাৰ সমূহ দূৰ কৰাটো অসম্ভৱ। এই আলোচনাটিৰ দ্বাৰা কিছুমান নতুন চিন্তাৰ উন্মেষ ঘটাবলৈ চেষ্টা কৰা হৈছে যদিও ই পৰ্যাপ্ত পৰিমাণে সফল কৰিব পৰা যাব বুলি ভৱাৰ সাহসকণ আমাৰ নাই। আমাৰ আলোচনাৰ বিষয়বস্তু বিশ্বাস, লোকবিশ্বাস আৰু অন্ধবিশ্বাসৰ অন্তৰালত কেৱল বৈজ্ঞানিক যুক্তিয়েই যে কাম কৰি থাকে তেনে নহয়, আধ্যাত্মিক চিন্তা অথবা দৰ্শন শাস্ত্ৰয়ো বহু ক্ষেত্ৰত ইয়াৰ লগত সংলগ্ন হৈ থাকে। সি যি কি নহওঁক এই পৰম্পৰাগত কু-সংস্কাৰ সমূহ দূৰ কৰিবলৈ হ'লে আধুনিক শিক্ষাৰ প্ৰসাৰ, উন্নত মানৱ চিকিৎসা সেৱাৰ সুবিধা, যোগাযোগৰ আধুনিক ব্যৱস্থা কৰি সামগ্ৰিক ভাৱে আৰ্থ সামাজিক উন্নয়ন সাধন কৰিব লাগিব। ইয়াৰ বাবে চৰকাৰী বেচৰকাৰী সকলো প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। এই অন্ধবিশ্বাস, কু-সংস্কাৰৰ মূল চিকাৰী (হত্যাকাৰী) বোৰক উচিত শিক্ষা প্ৰদান কৰিলে নিশ্চয় বহুত খিনি সকাহ পোৱা যাব।

□□□

"বেলি মাৰ যায়, কিন্তু গ্ৰহ-উপগ্ৰহই তাৰ প্ৰতিবিম্বৰেই বাটৰুৱাক পথ দেখুৱায়। কোনোবা জাতি পৃথিৱীত নাইকিয়া হয়, কিন্তু তাৰ মানসিক বিকাশৰ জেউতি বা প্ৰতিবিম্বই পুৰুষানুক্ৰমে মানৱ সমাজক পোহৰ দি থাকে।"

- ড০ বাণীকান্ত কাকতি

# অসম সাহিত্য সভা

## এটি ৰূপৰেখা

মৌচুমী কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

<u>অসম সাহিত্য সভা গঠনৰ উদ্যোগ পৰ্ব</u> ঃ

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তিৰ পাছত অসম ইংৰাজ সকলৰ হাতলৈ যোৱাত অসমলৈ দুৰ্ঘোৰ অমানিশা নামি আহে। অসমীয়াৰ প্ৰাণস্পন্দন অসমীয়া ভাষাটি বিতাৰিত কৰি বঙালী আমোলাসকলৰ ফুচলনিত ব্ৰিটিছে অসমত প্ৰৱৰ্তন কৰে বঙালী ভাষা। কিন্তু 'ঘনান্ধকাৰেষু ইব দীপদৰ্শনম্' দৰে হাতত খ্ৰীষ্ট ধৰ্মৰ জোৰ লৈ প্ৰৱেশ কৰা মিছনেৰীসকলৰ সহযোগত অসমৰ কৃতী সন্তান আনন্দৰাম ঢেকিয়াল ফুকনে এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰি হেমচন্দ্ৰ বৰুৱা আদি মহান ব্যক্তিসকলৰ লগ হৈ ১৮৭৪ চনত অসমীয়া ভাষা পুনৰ প্ৰচলন কৰাবলৈ বাধ্য কৰায়।

অসমীয়া ভাষাৰ এনে দুৰাৱস্থা যাতে ভৱিষ্যতে আহি নপৰে তাৰ প্ৰচেষ্টাত প্ৰবাসী অসমীয়াসকলে লম্বোদৰ বৰাৰ উদ্যোগত ১৮৮৬ চনত কলিকতাত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' প্ৰতিষ্ঠা কৰে। ইয়াৰ আগতে ১৮৬৬ চনত গংগাগোবিন্দ ফুকনে গঠন কৰিছিল 'অসম এছোছিয়েচন'। এয়াই আছিল অসমীয়াৰ জাতীয় চেতনাৰ প্ৰতি আনুষ্ঠানিক জাগৰণ। কুৰি শতিকাৰ প্ৰথম আৰু দ্বিতীয় দশকত উজনি আৰু নামনি অসমৰ কথা আৰু ভাষাৰ ক্ষেত্ৰত শুদ্ধা শুদ্ধতাৰ ওপৰত 'বাঁহী' আৰু 'আসাম বান্ধৱ' আলোচনীত এক বাক বিতণ্ডা হৈছিল। তেতিয়াই সমগ্ৰ অসম ভিত্তিক এখন সাহিত্য সভা স্থাপনৰ প্ৰস্তাৱ চন্দ্ৰ নাথ শৰ্মাই গুৱাহাটীত অঃ ভাঃ উঃ সাঃ সঃৰ সভাত উত্থাপন কৰিছিল। কিন্তু সেই প্ৰস্তাৱ গৃহীত কৰিব পৰা নাছিল। অৱশেষত অনেক জল্পনা কল্পনাৰ পিছত শিৱসাগৰৰ ক্লাৱ ঘৰত বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই ১৯১৫ চনত অনুষ্ঠিত হ'বলগীয়া 'অসম কনফাৰেন্স'ৰ ডিচেম্বৰ মাহৰ ২৬ আৰু ২৭ তাৰিখে অসমৰ সাহিত্যানুৰাগী সকলক নিমন্ত্ৰণ কৰি 'সদৌ অসম সাহিত্য সভা' গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। লগে লগে গঠন কৰা হয় এখন অভ্যৰ্থনা সমিতি। প্ৰধান আইনজীৱী গুঞ্জানন বৰুৱা অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু লক্ষীকান্ত বৰুৱা সম্পাদক মনোনীত হয়।

এয়েই অসম সাহিত্য সভা গঠনৰ প্ৰস্তুতি। সভাৰ নিয়মাৱলী প্ৰস্তুত কৰে সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে।

<u>প্ৰথম অধিৱেশন</u> ঃ

ঐতিহাসিক শুভক্ষণটো আহি পৰে ১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰ তাৰিখে। অসম এছোচিয়েচনৰ বাৰ্ষিক অধিৱেশন উপলক্ষে শিৱসাগৰৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত নিৰ্মিত সভা মণ্ডপত দুদিনীয়া কাৰ্য্যসূচীৰে 'আসম সাহিত্য সভা'ৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। সভাপতি পদ্মনাথ গোহাঞি বৰুৱা। সভাপতিক এখন ঘোঁৰা বাগীত তুলি সমদলৰে বিষুণ্ড'ল, শিৱদ'ল, দেৱীদ'ল প্ৰদক্ষিণ কৰাই সভামণ্ডপলৈ আগবঢ়াই নিয়ে। সেই সমদলক নেতৃত্ব দিছিল ৰায়বাহাদুৰ ফনিধৰ চলিহা দেৱে। দিনৰ ১ বজাত সভাৰ মূল কাৰ্যসূচী আৰম্ভ হয়। সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। সভাপতিৰ অভিভাষণখন আছিল ৮২ পৃষ্ঠাৰ। গধূলি অনুষ্ঠিত হয় বিষয় বাচনি সভা। পিছদিনা অৰ্থাৎ ২৭ ডিচেম্বৰৰ ৰাতিপুৱা পুনৰ সভাৰ কাম আৰম্ভ হয় আৰু বিষয় বাচনি সভাত লিপিবদ্ধ নিয়মবোৰৰ ওপৰত পুংখানুপুংখ ৰূপে আলোচনা কৰি সৰ্বসন্মতি ক্ৰমে গৃহীত কৰে। গুঞ্জানন বৰুৱাই অসমৰ সকলো ঠাইকে সামৰি পাঁচশমান সাধাৰণ সভা প্ৰতিষ্ঠাৰ প্ৰস্তাৱ আগবঢ়ায় আৰু মূল সভাই সেই প্ৰস্তাৱ গ্ৰহণ কৰে। অসমৰ প্ৰতিনিধিমূলক সভাখনৰ নামাকৰণ কৰে 'আসাম সাহিত্য সভা'। শৰৎ চন্দ্ৰ গোস্বামী আসম সাহিত্য সভাৰ প্ৰথম সম্পাদক নিযুক্ত হয়, সভাপতিৰ প্ৰস্তাৱমৰ্মে সহকাৰী সম্পাদক নিযুক্ত হয় দেৱেশ্বৰ শৰ্মা। তাৰ পিছত কাৰ্যনিৰ্বাহক সভাৰ সদস্যসকল মনোনীত কৰা হয়। তাৰ ভিতৰত দুজন মঙলদৈৰ প্ৰতিনিধি আছিল। তেওঁলোক ক্ৰমে- তাৰা নাথ চক্ৰৱৰ্তী আৰু ৰমনীকান্ত বৰুৱা।

এইদৰে বিপুল উৎসাহ উদ্দীপনাৰে অসমীয়া ৰাইজৰ হিয়াৰ আমঠুস্বৰূপ অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ দুন্দুভি বাজিছিল, অসমৰ বিভিন্ন ঠাইৰ পৰা সন্মিলিত হোৱা প্ৰতিনিধিৰে শিৱসাগৰ জিলাৰ ৰংপুৰ নগৰত।

<u>অসম সাহিত্য সভাৰ সংশোধন</u> ঃ

সময়ৰ লগে লগে অসম সাহিত্য সভাৰো ভালেমান সংশোধনী হ'ল। এই সভাৰ প্ৰথম নাম আছিল 'আসাম সাহিত্য সভা'। ১৯৩৮ চনত এই নাম পৰিৱৰ্তন কৰি 'অসম সাহিত্য সভা' ৰখা হয়। সেইদৰে

ইংৰাজীত লিখা হৈছিল Asom Sahitya Sabha কিন্তু ১৯৪৩ চনত শ্বিলঙত অনুষ্ঠিত হোৱা দ্বাবিংশ অধিবেশনত তেতিয়াৰ সভাপতি ড০ সূৰ্যকুমাৰ ভূঞাৰ পৰামৰ্শ মতে 'Asom' ৰ পৰিবৰ্তে 'Asam' ৰখা হয়। ১৯৬০ চনত মিৰ্জাত অনুষ্ঠিত অধিবেশনত প্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰা হয়। এই পতাকাৰ আৰ্হি অংকন কৰে শিল্পী যুগল কুমাৰ দাসে। সেইদৰে পলাশবাৰীত বহা অষ্টাবিংশতিতম অধিবেশনত মিত্ৰদেৱ মহন্তৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটো সভাৰ আৰম্ভণিত আৰু লক্ষীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটো সভাৰ সামৰণিত গোৱা বিধি প্ৰস্তুত কৰা হয়।

বৰ্তমান সভাৰ মূল শক্তি হ'ল- (ক) মূল সভা, (খ) জিলা সভা, (গ) শাখা সভা, (ঘ) স্বীকৃত সভা। সভাৰ পাঁচ শ্ৰেণীৰ সভ্য আছে। তেওঁলোক হ'ল (ক) সাধাৰণ সভ্য, (খ) আজীৱন সভ্য, (গ) সন্মানিত সভ্য (প্ৰাক্তন সভাপতিসকল), (ঘ) বিশেষ সভ্য আৰু (ঙ) হিতৈষী সভ্য। সভাৰ সভ্য হ'বলৈ ওঠৰ বছৰ হ'ব লাগিব। সভাৰ কাৰ্যনিৰ্বাহক সমিতিত থাকিব- (১) সভাপতি (২) উপ-সভাপতি, (৩) প্ৰধান সম্পাদক, (৪) সহকাৰী সম্পাদক, (৫) ধন ভঁড়ালী, (৬) ভাযা জ্ঞান পৰীক্ষা সংসদৰ সচিব, (৭) পত্ৰিকা সম্পাদক, (৮) জাতীয় ন্যাস পুজিৰ আহ্বায়ক, (৯) চাহ বাগিছা উপসমিতিৰি আহ্বায়ক, (১০) চৰ চাপৰি উপ সমিতিৰ আহ্বায়ক, (১১) প্ৰাৰম্ভিক বৈঠক মনোনয়ন দিয়া ছয় গৰাকী বিশিষ্ট লেখক লেখিকা, (১২) প্ৰত্যেক জিলা সভাৰ সভাপতি বা তেওঁৰ পৰিবৰ্তে এজনকৈ প্ৰতিনিধি, (১৩) বিদায়ী প্ৰধান সম্পাদক পদেন সদস্য।

সভাৰ চাবি ঠাইত কাৰ্যালয় আছে-

১। কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট।

২। গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী।

৩। ডিফু কাৰ্যালয় ঃ বাংচিনা ভৱন, ডিফু।

৪। ধুবুৰী কাৰ্যালয় ঃ সাহিত্য সভা ভৱন, ধুবুৰী।

অসম সাহিত্য সভাই প্ৰদান কৰা উপাধি কেইটা হ'ল - (ক) ৰসৰাজ, (খ) সদস্য মহীয়ান, (গ) কাব্য ভাৰতী, (ঘ) সাহিত্য চাৰ্য। তদুপৰি অসম সাহিত্য সভাই বৰ্তমান প্ৰতিবছৰে মুঠ ৩১ টা বঁটা পুজি আগবঢ়াই আহিছে।

বৰ্তমান অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ঃ

১৯১৭ চনতে জন্ম লাভ কৰা সাহিত্য সভাই আজি অসমৰ বৰ সবাহত পৰিণত হৈছে যদিও বাতৰি কাকতত পঢ়িবলৈ পোৱা মতে বাহিৰত ৰং চঙীয়া আৰু ভিতৰে কোৱা ভাতুৰী। অসম সাহিত্য সভাই দলগত ৰাজনৈতিক, সাম্প্ৰদায়িক আৰু স্বাৰ্থৰ উৰ্ধত থাকি অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ উন্নতিৰ চিন্তা কৰি আহিছে, যদিও সভাৰ আৰু অধিক সক্ৰিয়তা ৰাইজে বিচাৰে। অসমীয়া লেখকৰ গ্ৰন্থ প্ৰকাশনৰ সমস্যা আৰু লেখকৰ প্ৰাপ্য ৰয়েলিটীৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সম্পৰ্কে অসম সাহিত্য সভাই কোনো ভূমিকা লোৱা পৰিলক্ষিত হোৱা নাই। প্ৰকৃত সাহিত্যিকৰ মাজত সাহিত্যিক পেঞ্চন বিতৰণ আৰু অভাৱগ্ৰস্ত সাহিত্যিকলৈ অনুদান যোগানৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ বহুখিনি কৰণীয় আছে বুলি ৰাইজে ভাৱে। সমগ্ৰ অসমৰ গাঁৱে ভূঞে গঢ়ি উঠা ইংৰাজী বিদ্যালয় আৰু দুই এখন প্ৰান্তীয় ৰাজ্যৰ ভাষাৰ বিদ্যালয়ে অসমীয়া ভাষাৰ মহা সংকট নমাই অনাৰ দিশটো অসম সাহিত্য সভাইগুৰুত্ব সহকাৰে ল'ব নোৱৰাৰ বিষয়টোৱে অসমীয়া ৰাইজক চিন্তিত কৰিছে।

সাহিত্য অকাডেমী বঁটা পোৱা অসমীয়া গ্ৰন্থ এখনলৈ পাঠকৰ যিটো আকৰ্ষণ, অসম সাহিত্য সভাৰ বঁটা পোৱা গ্ৰন্থখনলৈ সেই আকৰ্ষণ মুঠেই নাই। একে অসমীয়া কিতাপৰে এই দুয়োটা পুৰস্কাৰৰ মাজত ৰুচিৰ কিয় ইমান ভিন্নতা হ'বলৈ পাইছে সভাই তাৰো চিন্তা চৰ্চা কৰা উচিত বুলি আমি ভাবোঁ।

অসম সাহিত্য সভাৰ সভাপতিৰ চিনাকিটোৱে জাতীয় সাহিত্যৰ শেষ চিনাকীৰ নিচিনা হৈছে। বহুজন যোগ্য ব্যক্তিয়ে এই সন্মানৰ পৰা বঞ্চিত হ'ব লগা হৈছে। তদুপৰি বৰ্তমান সভাৰ অধিবেশন দুবছৰীয়া কৰাত এই সমস্যা অধিক হৈছে।

ধনৰ অপব্যৱহাৰত সম্পাদকৰ পৰা নিলম্বিত হ'বলগীয়া ঘটনা অসমীয়া জাতিৰ বাবে লজ্জাজনক। সেয়ে অসম সাহিত্য সভাই তেওঁলোকৰ কাৰ্য্যালয়ত যিবোৰ কৰ্মচাৰী নিয়োগ কৰে, সেই কৰ্মচাৰী সাহিত্য সাধকৰ মাজত অগ্ৰাধিকাৰৰ ভিত্তিত নিয়োগ কৰে যেন। বৰ্তমান অসমৰ পৰ্বত ভৈয়াম জাতি জনজাতিৰ মাজত থকা ঐক্য সংহতিৰ বান্ধোন ডাল ডোখৰ ডোখৰ হৈ অসমখন ছেদেলি-ভেদেলি হ'ল। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ ঐক্যৰ সেতুখন আমাৰ দৃষ্টিগোচৰ নহ'ল।

আজিৰ পৰা সুদীৰ্ঘ ৯১ বছৰ পূৰ্বে যি লক্ষ্য আৰু উদ্দেশ্য লৈ অসম সাহিত্য সভা গঢ় লৈছিল, অসমীয়া জাতীয় চেতনাৰ প্ৰতি সচেতনতা গঢ়ি তুলি অসমবাসীক এডাল ডোলেৰে বন্ধাৰ অংগীকাৰ কৰিছিল, সেই লক্ষ্য আৰু উদ্দেশ্য বৰ্তমানো অটুট থাকক; এয়াই আমি অন্ত:কৰণৰে বিচাৰোঁ।

□□□

# নৱ প্ৰজন্মৰ বাবে অসমীয়া সংস্কৃতি

ভূপেন কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব"

শ্ৰদ্ধাৰ ড০ ভূপেন হাজৰিকাদেৱৰ এই গীতটিৰ কথাৰ প্ৰকৃত অৰ্থ যেন আজিৰ অসমীয়াই উপলব্ধি কৰিবৰ হ'ল। অতি সোনকালে বাৰু অসমৰ পৰা অসমীয়া থলুৱা সংস্কৃতিবোৰ নিঃশ্চিহ্ন হৈ যাব নেকি? বৰ্তমান সময়ত এই প্ৰশ্নটো বহুলভাৱে চৰ্চিত তথা আলোচিত হৈ আছে। বৰ্তমান অসমৰ প্ৰায় প্ৰতিখন দৈনিক বাতৰি কাকত তথা মাহেকীয়া আলোচনীত এই বিষয়ক লিখনি অহৰহ পঢ়িবলৈ পোৱা যায়।

অসমৰ এই বিশাল ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ বিষয়ে মোৰ জ্ঞান সীমিত। 'সংগীত' অসমৰ সাংস্কৃতিক জগতৰ এক অনবদ্য অংগ। এজন সংগীতপ্ৰেমী অথবা সংগীতৰ জগতখনক হাড়ে হিমজুৱে ভাল পোৱা এজন শ্ৰোতা হিচাবে মই এই কথাখিনি কবলৈ মন মেলিছো।

বৰ্তমান অসমীয়া সংস্কৃতি যি দোৰ্ঘোৰ সংকটৰ সন্মুখীন হৈছে সেই বিষয়ে ভালকৈ গমি চালে প্ৰকৃত সাংস্কৃতিক প্ৰেমিকৰ আজি বুকু ফালি এবুকু শোক, এবুকু হতাশা নিগৰি আহিব। বিশেষকৈ সংগীতৰ জগতখন এক ব্যাপক খেলিমেলি হোৱা বাবে থলুৱা সুৰবোৰ নোহোৱা হৈ আজিকালি প্ৰায়বোৰ গীতেই পশ্চিমীয়া সুৰৰ ফালে ঢাল খাইছে। কিছুমান গীতে আকৌ অসমীয়া আৰু পশ্চিমীয়া সুৰৰ সংমিশ্ৰণত বিকৃত ৰূপ ধাৰণ কৰিছে। তাবোপৰি ইংৰাজী বৰ্ষৰ জানুৱাৰী আৰু এপ্ৰিল মাহত আমি যিবোৰ তথাকথিত 'বিহুগীত' শুনিবলৈ পাওঁ সেয়া জানো প্ৰকৃততে 'বিহুগীত'? একাংশ সংগীতানুৰাগীয়ে এই বিহুগীতবোৰক 'বিহুসুৰীয়া আধুনিক গীত' নামেৰে নামাকৰণ কৰিছে।

> *বৰ্তমান বিহুগীত বুলি যিবোৰ গীত জনপ্ৰিয় হৈ উঠে বেছিভাগৰে কোনো লাগ্-বান্ধ নাই। উদাহৰণস্বৰূপে 'আই লাভ ইউ, আই লাভ ইউ', 'মই কিবা গেলা-গেলা গোন্ধালো না' আদি শীৰ্ষক গীতসমূহ সৰ্বসাধাৰণ ৰাইজে পৰম উৎসাহেৰে আকোৱালি লোৱা দেখা যায়। এই গীতসমূহকে আমি অসমীয়াবোৰে আকৌ বিহুগীত বুলি বুকু উফন্দাই বৰ গৌৰৱেৰে শুনো।*

'বিহুগীত' আৰু 'আধুনিক গীত' সম্পূৰ্ণ বেলেগ। বিহুগীতে সঞ্জীৱনী শক্তিৰ দৰে একোজন অসমীয়াৰ নিষ্প্ৰাণ দেহতো প্ৰাণৰ সঞ্চাৰ কৰিব পাৰে। এই বিহুগীতবোৰক আধুনিক গীতৰ লগত সাঙুৰি পেলোৱাতো অসহনীয়। 'বিহুগীত'ৰ এক সুকীয়া পৰিচয় আছে। ই বিশ্ব-দৰবাৰত অসমীয়া জাতিৰ পৰিচায়ক। কিন্তু দুখৰ বিষয় যে আমি অসমীয়া সকলেই এই বিহুগীতবোৰ পাহৰিব ধৰিছো। নৱ প্ৰজন্মৰ কিছুমানৰ মতে বিহুগীত বৰ 'ব'ৰিং', কিন্তু প্ৰতিবছৰে ওলোৱা বিহুসুৰীয়া ভি.চি.ডি. সমূহত দৃশ্যায়িত বিহুগীত সমূহ বৰ প্ৰিয়। য'ত নায়ক-নায়িকাই পশ্চিমীয়া সাজ-পাৰ পৰিধান কৰি পাৰ্কত বিভিন্ন ভংগীত নৃত্য কৰা দেখা যায়। আকৌ 'গীতৰ কথা' বোৰৰ কথাতো আছেই। বৰ্তমান বিহুগীত বুলি যিবোৰ গীত জনপ্ৰিয় হৈ উঠে বেছিভাগৰে কোনো লাগ্-বান্ধ নাই। উদাহৰণস্বৰূপে 'আই লাভ ইউ, আই লাভ ইউ', 'মই কিবা গেলা-গেলা গোন্ধালো না' আদি শীৰ্ষক গীতসমূহ সৰ্বসাধাৰণ ৰাইজে পৰম উৎসাহেৰে আকোৱালি লোৱা দেখা যায়। এই গীতসমূহকে আমি অসমীয়াবোৰে আকৌ বিহুগীত বুলি বুকু উফন্দাই বৰ গৌৰৱেৰে শুনো। মই ভাৱো এনেকুৱা ধৰণৰ গীতবোৰৰ মাজলৈ বিহুগীত শব্দটি টানি আনি বিহুগীতৰ প্ৰকৃত অৰ্থ নোহোৱা কৰি পেলাইছে। অসমৰ মাটিৰ গোন্ধ পোৱা প্ৰকৃত বিহুগীত আজিৰ প্ৰজন্মই ৰচনা কৰাৰ কথা যেন পাহৰি গ'ল।

অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা শ্ৰদ্ধেয় ড০ ভূপেন হাজৰিকা, স্বৰ্গীয় জয়ন্ত হাজৰিকা, খগেন মহন্ত, দ্বীপেন বৰুৱা, পুলক বেনাৰ্জীদেৱৰ এসময়ৰ সেই কালজয়ী গীতসমূহ নৱ প্ৰজন্মৰ মাজত বিলুপ্তপ্ৰায়। কিন্তু এতিয়া কিছুমানপুৰণি গীতত নতুন বাদ্যযন্ত্ৰ সংগত কৰি 'ৰিমিক্স' নাম দি গীতৰ মাজলৈ নতুনত্ব আনিব বিচৰা দেখা গৈছে। বহুতে এই ক্ষেত্ৰত প্ৰতিবাদ কৰাও দেখা গৈছে। কিন্তু দ্বীপেন বৰুৱা দেৱৰ এটি গীতত তেওঁ নিজ ইচ্ছামতে গীতটিত নতুন বাদ্য সংগত কৰিলে তাত বেলেগে মাত মতাৰ

কিবা প্ৰয়োজন আছে বুলি আমি নাভাবো। অৱশ্যে বেলেগ এজনৰ গীত এটি বেলেগ এজনে 'ৰিমিক্স' কৰিবলৈ গৈ বিকৃত কৰি পেলোৱাতো আমি সমৰ্থন নকৰো। আৰু আন এজনৰ গীত এটি 'ৰিমিক্স' কৰাৰ আগতে সেই মানুহজনৰ সমৰ্থন লোৱাতো আৱশ্যক। কাৰণ এই গঢ়িত কাৰ্যই শিল্পীৰ মনত আৰু তেওঁৰ সাধনাত যি আঘাত কৰে সেই আঘাত তেওঁৰ অপমৃত্যুতকৈও বেছি যান্ত্ৰনাদায়ক।

বৰ্তমান সংগীতৰ জগতখন বেছি ব্যৱসায়িক হৈ গৈছে। ব্যৱসায়ৰ লাভৰ কাৰণে কিছুমানে সংগীতৰ জগতখনত এনে কিছুমান অপকৰ্ম কৰি আছে যিবোৰ দেখি আজি অসমৰ ৰাইজ নিমাত। সেয়েহে আজিকালি গভীৰ অৰ্থৰ গীত ৰচিত হোৱা দেখা নাযায়। বৰ্তমান সময়ত দেখা যায় যে আজিকালি নতুন কণ্ঠশিল্পী কিছুমানে বিভিন্ন মঞ্চত জুবিন গাৰ্গৰ গীত গাই ৰাইজৰ বাহ্ বাহ্ গ্ৰহণ কৰে, কিন্তু দেখা যায় কিছুদিন পিছত তেওঁলোকৰ নাম গোন্ধ নোহোৱা হয়। তেওঁলোক প্ৰতিষ্ঠিত হ'ব নোৱাৰে কিয়? জুবিন গাৰ্গ আছে বাবে নেকি? নহয়, তেওঁলোক প্ৰতিষ্ঠিত হ'ব নোৱাৰে নিজৰ দোষৰ বাবে। তেওঁলোকে ভাল গীত গাব পাৰে, কিন্তু বেলেগৰ গীত গাইহে জনপ্ৰিয় হ'ব খুজিছিল, নিজৰ গীত বুলিবলৈ নাই। সেই কাৰণে তেওঁলোক সু-প্ৰতিষ্ঠিত হ'ব নোৱাৰে। নৱ প্ৰজন্মই উঠি পৰি লগাৰ দিন আহি পালে। কেৱল 'জুবিন' বলীয়া হৈ থাকিলে নহ'ব। মাত্ৰ দুই এজনে বিশাল অসমীয়া জাতিৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। কেইবাজনো ভাল গায়কৰ জন্ম দিব লাগিব অসমৰ সংগীত জগতখনে। কিন্তু নৱ প্ৰজন্মৰ প্ৰতিজন সংগীত শিল্পীয়ে মনত ৰাখিব লাগিব যে কোনো বিশেষ এগৰাকী অতি আকৰ্ষিত হৈ অসমৰ ঐতিহ্যপূৰ্ণ সংস্কৃতি ইতিহাসৰ কথা যাতে পাহৰি নাযায়।

সময় থাকোতেই সজাগ হলে বিপদ মূৰত উঠিব নোৱাৰে। সেয়েহে আমি প্ৰতিজনে এতিয়াৰ পৰাই যদি সজাগ হওঁ, তেতিয়াহে ভৱিষ্যতে আমি অসমীয়া বুলি বেলেগৰ আগত চিনাকি দিয়াৰ আগতে বেলেগে আগতে চিনি পাব যে আমি অসমীয়া।

শেষত নৱ প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ এফাকি জনপ্ৰিয় গীতেৰে মোৰ এই লিখনিৰ সামৰণি মাৰিলোঁ।

ফুল ফুলক ৰ'দৰে ফুল
হৃদয় সেউজী ধৰা
ফুল ফুলক সূৰ্য্যমুখী ফুল প্ৰিয়তমা
তোমাৰ খোপাত।
ফুল ফুলক ৰ'দৰে ফুল...।।

□□□

# ক্ল'নিং ঃ জীৱ সৃষ্টিৰ এক ব্যতিক্ৰমী পৰিঘটনা

কৰ্মেশ্বৰ ডেকা
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান শাখা)

নবেল বঁটা বিজয়ী ড০ হৰগোবিন্দ খোৰাণা আৰু তেখেতৰ সহকৰ্মীবৃন্দৰ দ্বাৰা কৃত্ৰিম জিন (ডি.এন.এ.) আৱিস্কাৰ (১৯৬৫) হোৱাৰ লগে লগে জীৱ বিজ্ঞানী সকলৰ মাজত এক বিশেষ আলোড়নৰ সৃষ্টি হয় আৰু ইয়াৰ জৰিয়তে জীৱ কাৰিকৰী বিদ্যাই অধিক প্ৰসাৰতা লাভ কৰে। এই প্ৰসাৰতাৰ ফলত আবিৰ্ভাৱ হয় 'জিনীয় অভিযন্ত্ৰপ' আৰু 'টেষ্ট টিউব শিশু' (Genetic Engineering and Test Tube Body) তাৰ পিছত আহি পৰে বৰ্তমানৰ বহু বিতৰ্কিত বহু চৰ্চ্চাৰ জীৱ সৃষ্টিৰ অভিনৱ কৌশল 'ক্ল'নিং। ক্ল'নিং শব্দটো বৰ্তমানে মানুহৰ মাজত যদিও নতুন তথাপিতো বহু বছৰ আগৰে পৰাই মানুহে অজ্ঞাতে ইয়াৰ ব্যৱহাৰ কৰি আহিছে। গছৰ সৰু ডাল এটা (ধৰা হওঁক, জবা ফুলৰ ডাল) ৰুই থ'লে কেইদিনমানৰ পিছত তাত শিপা আৰু ডাল পাতৰ সৃষ্টি হৈ এজোপা নতুন জবা ফুলৰ গছ সৃষ্টি হব পাৰে। ইও এবিধ ক্ল'ন। মানুহৰ ক্ষেত্ৰত, কেতিয়াবা নিষেচিত ডিম্ব (Zygote) একোটা দুটা কোষলৈ বা দুটা ডিম্বলৈ বিভাজিত হৈ অৱশেষত দুটা যঁজা সন্তানৰ (Twine) সৃষ্টি হয়। সিহঁতৰ লিংগ একে, সিঁহত দেখাটো একে আৰু সিহঁতৰ ক্ৰম'জমো একে। ইহঁতৰ প্ৰত্যেকটো যঁজা সন্তানেই আনটোৰ ক্ল'ন। এমিবা (আদ্যপ্ৰাণী) এটাই বহু বিভাজনৰ (multiplefission) জৰিয়তে অসংখ্য অপত্য কোষকেন্দ্ৰৰ সৃষ্টি কৰে আৰু প্ৰত্যেকটো কোষ কেন্দ্ৰই কোষ প্ৰৰস সংগ্ৰহ কৰি ডাঙৰ হৈ একো একোটা পূৰ্ণাংগ এমিবা হৈ পৰে। সেই সকলোবোৰ এমিবা প্ৰথমটোৰ ক্ল'ন। এইদৰে বেক্টেৰীয়া এটাই নিজকে বিভাজিত কৰি যিকোনো সংখ্যক বেক্টেৰীয়া সৃষ্টি কৰিব পাৰে। এই সকলো

বেক্টেৰীয়া প্ৰথম বেক্টেৰীয়াটোৰ ক্লʼন।

ক্লʼন শব্দটো পোন প্ৰথমে ১৯৬৩ চনত জে.বি.এচ. হেলজেনে ব্যৱহাৰ কৰিছিল। পিছলৈ বিভিন্ন বিজ্ঞানীয়ে বিভিন্ন প্ৰাণীৰ ওপৰত নানা ধৰণৰ পৰীক্ষা নিৰীক্ষা আৰম্ভ কৰিবলৈ ধৰিলে। জটিল বা যৌনভাৱে (Sexual) প্ৰজনন কৰা প্ৰাণীৰ ক্লʼন কঠিন যদিও তাতো বিজ্ঞানীসকলে কৃতকাৰ্য্য হʼল। ফলস্বৰূপে ১৯৯৬ত সৃষ্টি হʼল বিশ্বৰ প্ৰথমটি স্তন্যপায়ী ক্লʼন 'ডলি' নামৰ ভেড়া পোৱালীটো। ইতিমধ্যে ডলি ডাঙৰ হʼল আৰু তাই দুটা পোৱালিও জন্ম দিছে। ডলিৰ জন্মৰ পাছত বিভিন্ন প্ৰাণীৰ ক্লʼন সৃষ্টি কৰাৰ বাবে বিজ্ঞানীসকলে প্ৰচেষ্টা চলাই আহিছে। শেহতীয়াকৈ ঘোঁৰাৰ ক্লʼনো সৃষ্টি হʼল।

যৌন প্ৰক্ৰিয়াৰে প্ৰজনন কৰা জীৱদেহৰ সাধাৰণতে দুই প্ৰকাৰৰ কোষ থাকে। প্ৰথম বিধক দেহকোষ বা শৰীৰ কোষ (Somatic cells or Body cells) আৰু দ্বিতীয় বিধক জনন কোষ (Germinal cells) বোলে। দেহকোষত দ্বিগুণ সংখ্যক ক্ৰমʼজম (2n) থাকে আৰু ইহঁতে দেহৰ বিভিন্ন অংগ গঠনত ভাগ লয় (মাইটাছিছ কোষ বিভাজনৰ দ্বাৰা)। জনন কোষত দেহ কোষৰ আধা সংখ্যক (n) ক্ৰমʼজম থাকে আৰু ইহঁতে জনন অংগ বা গ্ৰন্থি (Gonads) শুক্ৰাশয় আৰু ডিম্বাশয় গঠন কৰে। ওপৰা ওপৰি মাইট্ৰছিছ আৰু মিঅʼছিছ কোষ বিভাজনৰ দ্বাৰা পুংগনাডে শুক্ৰানু আৰু স্ত্ৰী গনাডে ডিম্ব বা ডিম্বানু সৃষ্টি কৰে। শুক্ৰাণু আৰু ডিম্বাণুৰ মিলন হৈ নিষেচিত ডিম্ব বা যোজন কোষ উৎপন্ন কৰে আৰু ই বিভাজিত হৈ একোটা ভ্ৰূণৰ সৃষ্টি কৰে।

ক্লʼনিং পদ্ধতিত প্ৰধানত - এগৰাকী ব্যক্তিৰ (পুং বা স্ত্ৰী) দেহকোষ এটা আৰু অন্য এগৰাকী স্ত্ৰীৰ ডিম্ব লোৱা হয়। ইয়াৰ পাছত ডিম্বটোৰ পৰা কোষ কেন্দ্ৰটো সম্পূৰ্ণৰূপে আতঁৰাই পেলোৱা হয় আৰু তাৰ ঠাইত এগৰাকী পুৰুষ বা স্ত্ৰীৰ (দাতা) দেহকোষৰ DNA বা ক্ৰমʼজম (মানুহৰ ক্ষেত্ৰত ২৩ যোৰ ক্ৰমʼজম থকা কোষকেন্দ্ৰটো) সেই খালি ঠাইত বহোৱা হয়। ডিম্বটোত থকা বিভিন্ন পদাৰ্থৰ প্ৰভাৱত এই নতুনকৈ প্ৰতিস্থাপিত কোষকেন্দ্ৰটোৰ DNA সক্ৰিয় হৈ পৰিব আৰু ই ডিম্বটোক নিষেচিত কৰি তুলিব। পৰৱৰ্তী পৰ্য্যায়ত কোষটো পৰীক্ষাগাৰত বিভাজিত, পুনৰ বিভাজিত ঘটাই কোষটোক এটা ভ্ৰূণলৈ ৰূপান্তৰ কৰি তাক মাতৃগৰ্ভত স্থাপন কৰা হয়। মাতৃগৰ্ভৰ পৰা সাধাৰণভাৱে হোৱাৰ দৰেই সম্পূৰ্ণ ৯ মাহৰ মূৰত এটি ক্লʼন সন্তানৰ জন্ম হয়।

*ক্লʼন শব্দটো পোন প্ৰথমে ১৯৬৩ চনত জে.বি.এচ. হেলজেনে ব্যৱহাৰ কৰিছিল। পিছলৈ বিভিন্ন বিজ্ঞানীয়ে বিভিন্ন প্ৰাণীৰ ওপৰত নানা ধৰণৰ পৰীক্ষা নিৰীক্ষা আৰম্ভ কৰিবলৈ ধৰিলে। জটিল বা যৌনভাৱে (Sexual) প্ৰজনন কৰা প্ৰাণীৰ ক্লʼন কঠিন যদিও তাতো বিজ্ঞানীসকলে কৃতকাৰ্য্য হʼল। ফলস্বৰূপে ১৯৯৬ত সৃষ্টি হʼল বিশ্বৰ প্ৰথমটি স্তন্যপায়ী ক্লʼন 'ডলি' নামৰ ভেড়া পোৱালীটো।*

কোষ দাতাক ক্লʼন কৰি সৃষ্টি কৰা সন্তানৰ গাত দাতাৰ সমস্ত চৰিত্ৰ নিহিত থাকে আৰু যঁজা সন্তানৰ নিচিনাকৈ হুবহু একে হয়। দেহকোষত ক্ৰমʼজম বা DNA যি ধৰণে থাকে সেই একে ধৰণে ক্লʼন সন্তানলৈ প্ৰত্যেক্ষভাৱে হস্তান্তৰ হয় বাবে দেহকোষ দাতাৰ সৈতে সন্তানৰ একে হয়। কোষদাতাৰ হুবহু হʼলেও ক্লʼন সন্তানৰ নিজস্ব বৈশিষ্ট্য বা স্বকীয়তা থাকে আৰু যিহেতু ডিম্বত স্থাপিত হোৱাৰে পৰাই দেহকোষৰ কোষকেন্দ্ৰৰ ওপৰত অনবৰতে ডিম্বৰ বিভিন্ন পদাৰ্থৰ ক্ৰিয়া হয়, সেয়েহে ক্লʼন পদ্ধতিৰে অতি তীক্ষ্ণ বা মেধা সম্পন্ন ব্যক্তিৰ ক্লʼনিং কৰি অদূৰ ভৱিষ্যতে নতুনকৈ আইনষ্টাইন, নিউটন, এডিচন নতুন সন্ত্ৰাস সৃষ্টিকাৰী একাধিক ওচামা বিন লাডেন সৃষ্টি কৰিবলৈ সমৰ্থ হʼলেও সেই সকলো ক্লʼন ব্যক্তি অতি তীক্ষ্ণ অথবা লাডেন নহবও পাৰে বুলি বিজ্ঞানী সকলৰ সন্দেহ আছে।

ডলি ভেড়াৰ সৃষ্টিৰ পাছত বিজ্ঞানীসকলে নিগনি, মেকুৰী, গৰু, ঘোঁৰা আদিৰ ক্লʼন সৃষ্টি কৰিছে আৰু বৰ্তমানে মানৱ ক্লʼনৰ ওপৰত তেওঁলোকে অধিক গুৰুত্ব দিছে। ইতমধ্যে কিছুমান বিজ্ঞানীয়ে ৩১ বছৰীয়া মাৰ্কিন নাগৰিক এগৰাকীক ক্লʼন কৰি 'ইভ' সৃস্টি কৰা বুলি ঘোষণাও কৰিছে। কিন্তু তাৰ সবিশেষ তথ্য বা প্ৰমাণ কʼতো পোৱা নাযায়। যদিহে সত্য হয়, তেন্তে তেওঁলোকে এদিন 'আদম'বো সৃষ্টি কৰিবলৈ সমৰ্থবান হʼব।

ক্লʼনিং পদ্ধতিৰ এটি গুৰুত্বপূৰ্ণ দিশ হৈছে ইয়াৰ দ্বাৰা বৰ্তমানে বিলুপ্তপ্ৰায় বিভিন্ন প্ৰাণীৰ ক্লʼন কৰি সেই বিলাকৰ বংশ ৰক্ষা কৰিব পৰা যায়। তাৰোপৰি ইয়াৰ দ্বাৰা ভৱিষ্যতে মানুহৰ ছাল, কাণ আদিৰ পৰা দেহৰ প্ৰয়োজনীয় হৃদযন্ত্ৰ, হাওফাওঁ আদি সৃষ্টি কৰি সিবিলাকক দেহত প্ৰয়োজন সাপেক্ষে সংস্থাপন কৰিবলৈ বিজ্ঞানীসকল এদিন সমৰ্থ হʼব। আনফালে বহুতৰে মনত সৃষ্টি কৰা এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে- মানৱ ক্লʼনিং আৰ্শীবাদ নে অভিশাপ?

□□□

# নৱ প্ৰজন্মৰ দৃষ্টিত ডঃ ভবেন্দ্ৰ নাথ শইকীয়া

প্ৰণামিকা শৰ্মা
প্ৰাক্তন আলোচনী সম্পাদিকা

১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰা ডঃ ভবেন্দ্ৰ নাথ শইকীয়া চাৰে নিৰবছিন্ন সাধনা আৰু একান্ত পৰিশ্ৰমেৰে অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব, ৰেলৱে সেৱা আয়োগৰ অধ্যক্ষ, ৰাজ্যিক চলচিত্ৰ বিত্তীয় উন্নয়ন নিগম আৰু জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ অধ্যক্ষ বিশ্ববিদ্যালয়ৰ অধ্যাপনা, সঁফুৰা প্ৰান্তিক আলোচনীৰ সম্পাদক ডঃ ভবেন্দ্ৰ নাথ শইকীয়া চাৰ নৱ প্ৰজন্মৰ দৃষ্টিত নিঃসন্দেহে প্ৰেৰণাৰ অমল উৎস।

মিডাছৰ হস্তস্পৰ্শৰ লগত তুলনা কৰি কোৱা হয় যে, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া চাৰে যি কামতেই হাত দিছে তাতেই তেওঁ সফলতা লাভ কৰিছে। ডঃ জনছনে অলিভাৰ গল্ডমিথৰ বিষয়ে কোৱা "The adams what ever he touches" উক্তিটো চাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। তেখেতৰ ৰচনাশৈলীৰ বাক্যবোৰ এডাল সৰলৰেখাৰ দৰে পোন অথচ ইমান গভীৰতা সোমাই আছে। শইকীয়া চাৰৰ দিনপঞ্জীখন নতুন প্ৰজন্মৰ বাবে আদৰ্শ স্বৰূপ। ৰাতিপুৱা ৫ বজাত শুই উঠিয়েই প্ৰাতঃভ্ৰমণ কৰে। প্ৰান্তিকৰ বাবে লেখা-মেলাৰ কাম কৰে আৰু প্ৰন্তিকত প্ৰকাশ কৰাৰ বাবে পঠিওৱা অন্যান্য লেখক-লেখিকাৰ লিখনি সমূহ সম্পাদনা কৰে। সঁফুৰাৰ বাবে আঢ়ৈ ঘণ্টা সময় নিৰ্দিষ্ট কৰা থাকে। দুপৰীয়া চাৰে এঘাৰ বজাত ভাত খাই উঠি পুনৰ লিখা কামত মনোনিৱেশ কৰে। সন্ধিয়া দুঘণ্টা সময়ত চিনেমা সংক্ৰান্তত লিখা-মেলা কৰে। তাৰোপৰি ভ্ৰাম্যমান থিয়েটাৰলৈ নাটক লিখি পুনৰ নাট সমূহ পৰিচালনা কৰিবলৈ নিৰ্দিষ্ট ঠাইলৈ যায়। আগন্তুক দহ বছৰত তেওঁ কি কি কৰিব তাৰ পৰিকল্পনা আগতেই ঠিক কৰি পিছত তেওঁ নিৰ্দিষ্ট বছৰটোৰ বাবে পৰিকল্পনা কৰে।

শিশু তথা কিশোৰ-কিশোৰী যি সকল অবাঞ্চিত পথত ভৰি দিছিল বা যি সকলে সমাজত উচিত কাৰ্য্যত লিপ্ত নহৈ অসামাজিক কাৰ্য্যত ব্ৰতী হয় সেই সকলৰ যদি উপলব্ধি কৰিব পৰা ক্ষমতা আছে তেন্তে তেওঁলোক বাঞ্চিত পথলৈ ঘূৰি অহাটো নিশ্চিত। তেখেতৰ এখন জনপ্ৰিয় কিশোৰ উপন্যাস হ'ল 'মৰমৰ দেউতা' উপন্যাস খনৰ কেন্দ্ৰীয় বিষয় বস্তু হ'ল কিশোৰ বিপুলৰ স্বভাৱ আৰু তাৰ ফলত ঘৰখনত বিৰাজ কৰা অশান্তিকৰ পৰিৱেশ। উপন্যাসখনত বায়েকক মাৰিম বুলি ক'বলৈ সংকোচ নকৰা, মাক-দেউতাকৰ অবাধ্য হোৱা, স্কুললৈ নগৈ আন ঠাইত কটোৱা বিপুলক এজন অন্য চৰিত্ৰৰ কিশোৰ হিচাপে চিহ্নিত কৰা হৈছে। শেষত সকলোৱে দুখত সমভাগী হৈ নিজকে শুদ্ধ পথলৈ ঘূৰাই আনিব চেষ্টা কৰিছিল। নীতি শিক্ষাৰে পৰিৱেষ্টিত 'তোমালোকৰ ভাল হওক' গ্ৰন্থখনৰ প্ৰত্যেকটো বাক্যই নৱ প্ৰজন্মৰ বাবে অমৰ বাণী প্ৰতিটো শব্দই হৃদয় স্পৰ্শ কৰে। তাৰোপৰি তেখেতে ৰচনা কৰা গল্প, উপন্যাস, নাটক সমূহত লক্ষ্য কৰিলে এটা কথা দেখা যায় সদায় জনসাধাৰণৰ হিত চিন্তা কৰি ৰচনা কৰে আৰু নাটক, উপন্যাস, গল্পৰ পৰা সৎ সিদ্ধান্তত উপনীত হ'ব পাৰি।

> *আমি যদি সমস্যাবোৰৰ মুখামুখি হওঁ, যদি সেইবোৰৰ প্ৰতি আত্ম প্ৰত্যয় আৰু আস্থাৰে সহাঁৰি জনাও যদি আতংক, তিক্ততা আৰু নিজকে পুতৌ কৰা মনোভাৱক প্ৰশ্ৰয় নিদিওঁ, তেনেহলে আমাক পুতি পেলাবলৈ যিবোৰ প্ৰতিকূল বস্তু বা অৱস্থা আহে, সেইবোৰৰ মাজতে আমাক লাভৱান কৰাৰ, আমাক সুখী কৰাৰ শক্তি নিহিত থাকে।*

যেতিয়া প্ৰতিভা আৰু চৰিত্ৰৰ মিলন হয় তেতিয়াই একোজন ব্যক্তি মহান হয়। ডঃ ভবেন্দ্ৰ নাথ শইকীয়া চাৰ এনেকুৱা এজন মহান ব্যক্তি। তেখেত আজি আমাৰ মাজত জীয়াই নাথাকিলেও তেখেতৰ কৰ্মৰাজি আমাৰ মাজত সদায় জীয়াই থাকিব। ডঃ ভবেন্দ্ৰ নাথ শইকীয়া চাৰৰ উক্তিৰেই চাৰলৈ শ্ৰদ্ধা নিবেদিছো।

আমি যদি সমস্যাবোৰৰ মুখামুখি হওঁ, যদি সেইবোৰৰ প্ৰতি আত্ম প্ৰত্যয় আৰু আস্থাৰে সহাঁৰি জনাও যদি আতংক, তিক্ততা আৰু নিজকে পুতৌ কৰা মনোভাৱক প্ৰশ্ৰয় নিদিওঁ, তেনেহলে আমাক পুতি পেলাবলৈ যিবোৰ প্ৰতিকূল বস্তু বা অৱস্থা আহে, সেইবোৰৰ মাজতে আমাক লাভৱান কৰাৰ, আমাক সুখী কৰাৰ শক্তি নিহিত থাকে। ক্ষমাশী[illegible] বিশ্বাস, প্ৰাৰ্থনা প্ৰশংসা আৰু আশা এইবোৰ সকলো হ'ল আমি নাদত পৰিলে জাৱৰ-জোঁথৰ জোকাৰি পেলাই সেইবোৰৰ ওপৰতে থিয় হৈ হৈ নাদটোৰ পৰা ওলাই অহাৰ প্ৰক্ৰিয়াটোৰ ওচৰ চপাৰ একো একোটা সুন্দৰ পথ।

□□□

# দুৰ্যোগ আৰু সাৱধানতা

পিনাকী প্ৰসাদ শাণ্ডিল্য
স্নাতক তৃতীয় বৰ্ষ (কলা)

প্ৰকৃতি আৰু মানুহৰ মধুৰ সম্পৰ্কক বহু সময়ত তিক্ততাপূৰ্ণ কৰি তোলে প্ৰাকৃতিক দুৰ্যোগ সমূহে। মানৱ সভ্যতাৰ উত্তৰণৰ দিনতো আজিকালি প্ৰাকৃতিক দুৰ্যোগ মানুহৰ দ্বাৰা সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই। প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ব্যাপক হাৰত জীৱন আৰু সম্পত্তিৰ ক্ষতি হৈছে। বহু সময়ত বিভিন্নজনে দুৰ্যোগ হ্ৰাসকৰণ তথা নিবাময়ৰ বাবে অশেষ চেষ্টা চলাই আহিছে যদিও এই ক্ষেত্ৰত আজিলৈকে কোনোৱেই সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। চৰকাৰী, বেচৰকাৰী পৰ্যায়ত বানপানী, ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগ নিবাময়ৰ বাবে নানান কাৰ্যসূচী গ্ৰহণ কৰি এই ক্ষেত্ৰত সৰ্বসাধাৰণ লোকক সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে। তথাপিতো দুৰ্যোগ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাত এই প্ৰচেষ্টা সফল হ'ব পৰা নাই। এটা কথা ঠিক যে বহু সময়ত প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী দিয়োটো টান হৈ পৰে। আকৌ ভূমিকম্প আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ বিজ্ঞানসন্মত আগজাননী দিয়াটো আজিলৈকে সম্ভৱপৰ হৈ উঠা নাই। তেনেক্ষেত্ৰত হঠাতে হোৱা এনে প্ৰাকৃতিক দুৰ্যোগে ক্ষতি সাধন কৰাৰ যথেষ্ট সম্ভাৱনা থাকে। অসম তথা উত্তৰ পূৰ্বাঞ্চলত ভূইকপৰ প্ৰবল সম্ভাৱনা থকা অঞ্চল। পৃথিৱীৰ ইতিহাসত এনে বহু প্ৰাকৃতিক দুৰ্যোগৰ কথা লিপিবদ্ধ কৰা হৈছে। যি নেকি প্ৰাকৃতিক পৰিৱেশে পৰিৱেশ তন্ত্ৰকো প্ৰভাৱান্বিত কৰিছে। কোনো অঞ্চলত পাহাৰ পৰ্বতৰ ঠাইত নৈ-সাগৰৰ সৃষ্টি হৈছে। সাগৰ উঠি সুউচ্চ পৰ্বতমালাৰ সৃষ্টি, অৰণ্য গুচি

*প্ৰাকৃতিক দুৰ্যোগৰ ভয়াবহতাই সম্প্ৰতি সমগ্ৰ বিশ্বৰ বিজ্ঞানী তথা সৰ্বসাধাৰণক চিন্তিত কৰি তুলিছে। কোনো কোনোৱে প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী হিচাপে জীৱ জন্তুৰ আচৰণৰ অধ্যয়ন, পূৰ্বৰ দুৰ্যোগৰ সময়সীমাৰ বিশ্লেষণ আদি নানান পন্থা অৱলম্বন কৰি আহিছে যদিও সি সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। এই ক্ষেত্ৰত সকলোৱে সন্মুখত থকা গুৰুত্বপূৰ্ণ পথটি হৈছে সজাগতা। দুৰ্যোগ সম্পৰ্কীয় সজাগতাই ইয়াৰ ভয়াবহ পৰিণামৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ যথেষ্ট সম্ভাৱনা আছে।*

মৰুভূমি হোৱা আদি অলেখ প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা পৰিৱৰ্তনৰ কথা উল্লেখ কৰিব পাৰি।

প্ৰাকৃতিক দুৰ্যোগৰ ভয়াবহতাই সম্প্ৰতি সমগ্ৰ বিশ্বৰ বিজ্ঞানী তথা সৰ্বসাধাৰণক চিন্তিত কৰি তুলিছে। কোনো কোনোৱে প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী হিচাপে জীৱ জন্তুৰ আচৰণৰ অধ্যয়ন, পূৰ্বৰ দুৰ্যোগৰ সময়সীমাৰ বিশ্লেষণ আদি নানান পন্থা অৱলম্বন কৰি আহিছে যদিও সি সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। এই ক্ষেত্ৰত সকলোৱে সন্মুখত থকা গুৰুত্বপূৰ্ণ পথটি হৈছে সজাগতা। দুৰ্যোগ সম্পৰ্কীয় সজাগতাই ইয়াৰ ভয়াবহ পৰিণামৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ যথেষ্ট সম্ভাৱনা আছে। নানান ক্ষেত্ৰত দেখা যায় যে প্ৰাকৃতিক দুৰ্যোগৰ প্ৰত্যক্ষ ক্ষতিসাধনৰ বিপৰীতে আতংকগ্ৰস্থ হৈয়ে বহুলোকে দুৰ্ঘটনাক আকোঁৱালি লয়। সদায় দেখি অহা প্ৰকৃতিৰ স্বাভাৱকি ৰূপৰ বিপৰীতে দুৰ্যোগৰ সময়ত প্ৰকৃতিৰ অস্বাভাৱিক পৰিৱৰ্তনত আতংকগ্ৰস্থ হোৱাটো স্বাভাৱিক। কিন্তু এই আতংকই সৃষ্টি কৰে ভয়াবহ সমস্যাৰ। জনসাধাৰণৰ অসচেতন কাৰ্যকলাপ তথা ব্যাপক হাৰত জনসংখ্যা বৃদ্ধিয়ে দুৰ্যোগে সৃষ্টি কৰিব পৰা ক্ষতিৰ পৰিমাণ বৃদ্ধি কৰিছে। অপৰিকল্পিতভাৱে ঘৰ-দুৱাৰ নিৰ্মাণ, প্ৰকৃতিক শত্ৰুজ্ঞান কৰি যাৰ ধ্বংসযজ্ঞত আত্মনিয়োগেও বহুসময়ত দুৰ্যোগৰ সৃষ্টিত প্ৰভূত পৰিমাণে অৰিহণা আগবঢ়াইছে। দুৰ্যোগ নিবাময়ৰ বাবে সমাজৰ সকলো স্তৰৰ লোকৰ সৰ্বাত্মক সহযোগিতা নিত্যান্তই প্ৰয়োজনীয়। তেতিয়াহে চৰকাৰী বেচৰকাৰী বা ব্যক্তিগত পৰ্যায়ত দুৰ্যোগ নিবাময়ৰ বাবে গ্ৰহণ কৰা সকলো প্ৰচেষ্টা ফলপ্ৰসু হ'ব। প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষাৰ স্তৰলৈকে শিক্ষাৰ্থীসকলৰ মাজত দুৰ্যোগৰ সময়ত ল'ব লগা সাৱধানতা সজাগতা সম্পৰ্কীয় প্ৰশিক্ষণমূলক কৰ্মশালা, আলোচনা আদি কাৰ্যসূচী সঘনাই অনুষ্ঠিত কৰিও দুৰ্যোগৰ সময়ত হোৱা ক্ষতিৰ

পৰিমাণ হ্রাস কৰিব পৰা যায়। তদুপৰি যিকোনো দুৰ্যোগৰ সময়ত আতংকগ্রস্ত নহ'বৰ বাবেও জনসাধাৰণক সঘনাই আহ্বান জনাব পাৰি। কাৰণ দুৰ্যোগৰ আতংক দুৰ্যোগতকৈও ভয়াবহ। অসম তথা উত্তৰ পূৰ্বাঞ্চলক ব্যাপকভাৱে ক্ষতিগ্রস্ত কৰা প্ৰাকৃতিক দুৰ্যোগ সমূহৰ বানপানী আৰু ভূমিকম্পই প্ৰধান। বানপানীৰ দৰে দুৰ্যোগৰ সময়ত আগজাননী পোৱাতো সম্ভৱ; কিন্তু ভূমিকম্পৰ আগজাননী লাভ কৰাটো আজিও সম্ভৱ হৈ উঠা নাই। সেয়ে ইতিহাসৰ পাত লুটিয়ালে আমি দেখিবলৈ পাওঁ যে ভূমিকম্পৰ দৰে দুৰ্যোগত মানুহ তথা আন প্ৰাণী সম্পদৰ হনি হোৱাৰ হাৰ সৰহ। এটা কথা ঠিক যে দুৰ্যোগ সমূহক সম্পূৰ্ণকৈ নিৰ্মূল কৰিব নোৱাৰি। কিন্তু কিছু সচেতনতা অবলম্বন কৰি ইয়াৰ দ্বাৰা সৃষ্ট ক্ষয়-ক্ষতিৰ পৰিমাণ হ্রাস কৰিব পৰা যায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চল যিহেতু বিশ্বৰ অন্যতম ভূমিকম্পন প্ৰৱণ অঞ্চল সেয়ে ইয়াৰ বাসিন্দাসকল ভূমিকম্প সম্পৰ্কীয় সকলো সাৱধানতা সম্পৰ্কে অৱগত হোৱা দৰকাৰ। বিশেষকৈ বৃহৎ বান্ধ নিৰ্মাণ, ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ নকৰাকৈ কেইবা মহলীয়া গৃহ নিৰ্মাণ কৰাৰ ফলত ইয়াৰ দ্বাৰা বৃহৎ ধন জনৰ হানি হোৱাৰ আশংকা থাকে। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ব্যাপক প্ৰসাৰৰ দিনত আমি প্ৰত্যকেই নভবাকৈয়ে একোটা বিলাসী জীৱন যাত্ৰাত সোমাই পৰিছো। যাৰ ফলত অবাটে প্ৰকৃতি ধ্বংস কৰি আমাৰ অভাৱ পূৰণত তৎপৰ হৈ পৰিছো। ক্ষুদ্ৰ স্বাৰ্থৰ বাবে গছ-গছনি কাটি ফ্ৰীজ, এয়াৰ কুলাৰ আদি অত্যাধিক ব্যৱহাৰ কৰি পাৰিপাৰ্শ্বিক ব্যৱস্থাটোক দূষিত কৰিছো। ফলত

*অসম তথা উত্তৰ-পূৰ্বাঞ্চল যিহেতু বিশ্বৰ অন্যতম ভূমিকম্পন প্ৰৱণ অঞ্চল সেয়ে ইয়াৰ বাসিন্দাসকল ভূমিকম্প সম্পৰ্কীয় সকলো সাৱধানতা সম্পৰ্কে অৱগত হোৱা দৰকাৰ। বিশেষকৈ বৃহৎ বান্ধ নিৰ্মাণ, ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ নকৰাকৈ কেইবা মহলীয়া গৃহ নিৰ্মাণ কৰাৰ ফলত ইয়াৰ দ্বাৰা বৃহৎ ধন জনৰ হানি হোৱাৰ আশংকা থাকে।*

অস্বাভাৱিক ধুমুহা, অতিবৃষ্টি, অনাবৃষ্টিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ বাঢ়ি আহিবলৈ ধৰিছে। আমি নিজৰ বৰ্তমান সুখৰ বাবে ভৱিষ্যত প্ৰজন্মক এটা ভয়াবহ দিন উপহাৰ দিবলৈ তৎপৰ হৈ পৰিছো। মানুহৰ সীমাহীন ভোগ বিলাসে আজি পৃথিৱীখনক সমৃদ্ধি আৰু বিকাশৰ দিশে নহয়, বৰঞ্চ ভয়াবহ ধ্বংসৰ মুখলৈহে লৈ গৈ আছে। প্ৰত্যেকে ইয়াৰ বাবে চৰকাৰকে দায়ী কৰিব খোজে। ই এটা গা এৰা নীতি। যাৰ ফলত আমাৰ সমস্যাৰ বাবে চৰকাৰক দোষী সাব্যস্ত কৰি সন্তুষ্টি লাভ কৰো। কিন্তু আপুনি মই প্লাষ্টিক আদিৰ পচন নোহোৱা সামগ্ৰী যদি সদায়ে অবিবেচকভাৱে য'তে-ত'তে পেলাই বৰষুণৰ সময়ত কৃত্ৰিম বান, মাটিৰ স্বাভাৱিক উৰ্বৰতা নষ্ট কৰি পৰিবেশক ক্ষতি কৰি থাকো, তাৰ বাবে সৃষ্টি হোৱা দুৰ্যোগৰ বাবে চৰকাৰক বা আনক দোষাৰোপ কৰি থকাটো জানো ভদ্ৰলোকৰ কাম হ'ব। মুঠতে আমাৰ প্ৰত্যেকৰে সৰু বৰ প্ৰতিটো কামতে আমি অতি সূক্ষ্মভাৱে মনোযোগ দিব লাগিব যাতে আমাৰ কোনো কৰ্মই পৰিবেশক নষ্ট কৰিব নোৱাৰে। সুস্থ পৰিবেশে যিকোনো প্ৰাকৃতিক দুৰ্যোগক প্ৰতিহত কৰিব পাৰে। যেনে ব্যাপক বৃক্ষৰোপনে মাটিৰ খহনীয়া বোধ কৰি অবাঞ্চিত বানপানীক বাধা দিব পাৰে; প্লাষ্টিকৰ সামগ্ৰী (যেনে- গ্লাছ, প্লেট, পেকেট) আদি য'তে ত'তে নেপেলাই এইবোৰ পুনৰ প্ৰস্তুতিত লগাব পৰা যায় নেকি সেই বিষয়ত মনোযোগ দিব পৰা যায়। আচলতে প্লাষ্টিকৰ সামগ্ৰী পৰাপক্ষত ব্যৱহাৰ নকৰাই ভাল কাৰণ ই আমাৰ স্বাস্থ্যৰ ওপৰতো নেতিবাচক প্ৰভাৱ পেলায়। সি যি কি নহওক দুৰ্যোগৰ পৰা বাচি থকাৰ বাবে সমাজৰ প্ৰত্যেক লোককে দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কে সচেতন কৰি তোলাৰ প্ৰয়োজন। ইয়াৰ বাবে চৰকাৰী বেচৰকাৰী পৰ্যায়ত কেৱল শ্লোগান দি থাকিলেই নহ'ব। তাৰবাবে প্ৰাথমিক বিদ্যালয়ৰ শিশুৰ পৰা আৰম্ভ কৰি প্ৰাপ্তবয়স্কলৈকে সকলোকে সঘনাই আৰু সঠিককৈ ব্যৱহাৰিক জ্ঞান দিয়াটো প্ৰয়োজন। দুৰ্যোগ আজি এটা সমস্যা হৈ থকা নাই সমগ্ৰ জীৱকূলৰ বাবেই বৃহৎ প্ৰত্যাহ্বান আৰু ইয়াক প্ৰতিহত কৰাৰ দায়িত্ব আপোনাৰ মোৰ ওপৰতো যথেষ্ট আছে।

□□□

* "লিখক-শিল্পীজনেই পৃথিৱীত একমাত্ৰ কৰ্মী যি অন্যৰ সামান্য সহায় নোহোৱাকৈয়ে নিজৰ সৃষ্টিত ব্ৰতী হয়।"
* "শ্ৰেষ্ঠ সাহিত্য এটা জাতিৰ প্ৰতিভাৰ সৰ্বোত্তম প্ৰকাশ।"

- চন্দ্ৰ প্ৰসাদ শইকীয়া

# উদ্যোগ জ্যোতি আঁচনিৰ এচেৰেঙা মিঠা পোহৰ

হিমাক্ষী ডেকা
স্নাতক প্ৰথম বৰ্ষ

জীৱন মাথো জিজ্ঞাসা, মানুহৰ এই জিজ্ঞাসু মনটোৱে নোপোৱাটো পাবলৈ বহুতো হাহাকাৰ কৰে। এই দুলৰ্ভ সম্পদবোৰ আকৌ বিজ্ঞানৰ যোগেদি পুৰণ কৰিব পাৰিছে। আমি দৈনন্দিন যি বোৰ বস্তু ব্যৱহাৰ কৰো, ৰাতিপুৱা শুই উঠাৰ পৰা যিহতে হাত দিছো, সেয়া উদ্যোগৰ পৰাই উৎপাদিত। বৰ্তমান সভ্য সমাজবোৰত শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলক উদ্যোগৰ প্ৰায়োগিক শিক্ষাৰ যোগেদি নতুন আশাৰ সঞ্চাৰ কৰিছে। আজিৰ কণ কণ শিশুসকলক বৈজ্ঞানিক দৃষ্টিভংগীৰে এই আঁচনিয়ে ভৱিষ্যতে সমল যোগাব।

অসমত নিবনুৱা লোক সকলৰ মানসিক চিন্তা-চৰ্চা বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে উদ্যোগ জ্যোতি আঁচনিখন ২০০৬ চনত মাননীয় মন্ত্ৰী শ্ৰীযুত অঞ্জন দত্তই এটা শক্তিশালী উদ্যোগিক ক্ষেত্ৰৰ শিক্ষামূলক ভ্ৰমণ উলিয়ায়। উদ্যোগিক আঁচনিখন এখন সফল আঁচনি। অসমত দ্ৰুত গতিত বৃদ্ধি পোৱা শিক্ষিত নিবনুৱাসকলৰ সংস্থাপনৰ বাবে ভৱিষ্যতে যাতে স্বাবলম্বী হ'ব পাৰে, সেয়াই আঁচনিখনৰ মূল উদ্দেশ্য। আমাৰ চাৰি দিনীয়া উদ্যোগিক ভ্ৰমণটোৱে উদ্যোগৰ কিছুমান সামগ্ৰীৰ প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিছিল। সামগ্ৰীবোৰ মূলধন, কেঁচা সামগ্ৰী, ভূমি, শ্ৰমিক, বজাৰ ইত্যাদি। এই সু-সংগঠিত অনুষ্ঠানটোৱে অসমত আঁচনিখন উজ্জ্বলাই তুলিছিল। শ্ৰদ্ধাৰ শ্ৰীযুত অঞ্জন দত্তৰ আশাশুধীয়া প্ৰচেষ্টাত আৰু উদ্যোগপ্ৰেমী ৰাইজৰ আপ্ৰাণ সহায়-সহযোগত উদ্যোগিক ক্ষেত্ৰ আঁচনিখনে শিক্ষিত নিবনুৱা সকলৰ জীৱনলৈ ভালেখিনি পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব।

১৯ মে' ২০০৮ চন সোমবাৰে আমি মঙ্গলদৈ বাছ আস্থানত উপস্থিত হলো। দৰং জিলাৰ সকলো ভ্ৰমণকাৰীক লগ পাই নথৈ আনন্দ লাগিল। প্ৰথমতে সকলোৰে নামবোৰ উল্লেখ কৰি পৰিচয় পত্ৰ প্ৰদান কৰিলে, হোটেলত ভাত খোৱাৰ পিছত এখন সভা অনুষ্ঠিত হ'ল। মাননীয় শ্ৰীযুত শৈলেন্দ্ৰ কুমাৰ নাথ (D.C.) ছাৰ উপস্থিত হৈ তেওঁ উদ্যোগৰ বিষয়ে আমাক জ্ঞান প্ৰদান কৰিলে আৰু ভ্ৰমণটো উদ্বোধন কৰি আমাক বিদায় দিলে। দৰং জিলাৰ পৰা মঙ্গলদৈ কৰ্মাছ কলেজ, মঙ্গলদৈ কলেজ, দেওমৰনৈ কলেজ, দুনী কলেজ আৰু ছিপাঝাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বাছত উঠিলোগৈ। আমাৰ গাড়ীখনত মঙ্গলদৈ কমাৰ্ছ কলেজ আৰু মঙ্গলদৈ কলেজৰ ছাত্ৰ-ছাত্ৰী সকল আছিল। গাড়ীৰ ভিতৰত সকলোৰে লগত চিনাকি হৈ ডাঙৰে সৰুৰ আৰু সৰুৱে ডাঙৰৰ মনোভাৱ বুজি পোৱাত ইজনে সিজনক সহায় কৰিছিল। আমাৰ বাছখনৰ নেতৃত্বত দলপটি আছিল সন্মানীয় Extension Officer (IND) শ্ৰীযুত বিশ্বজিৎ চৌধাৰী ছাৰ, কমাৰ্ছ কলেজৰ শ্ৰদ্ধাৰ শ্ৰীযুত প্ৰবোদ শৰ্মা ছাৰ আৰু আমাৰ দৰং জিলাৰ ছোৱালী সকলৰ দায়িত্বত ছিপাঝাৰ কলেজৰ শ্ৰদ্ধাৰ শ্ৰীমতী মোহিনী গোস্বামী বাইদেউ।

আমি ৰাতি ৭ বজাত শিল্পগ্ৰামত উপস্থিত হলো। শিল্পগ্ৰামত প্ৰকল্পটোৰ বিষয়ে লিখিবলৈ এখন প্ৰশ্ন কাকত, এখন পৰিচয় পত্ৰ, এখন বহী আৰু এটা কলমৰ লগতে ফাইল এটা উপহাৰ হিচাবে দিলে। ২০-০৫-২০০৮ তাৰিখে ৰাতিপুৱা ৮ বজাত লঘু আহাৰ শিল্পগ্ৰামত গ্ৰহণ কৰি ৯ বজাত আমি বাছখনত উঠিলো আমিন গাঁৱৰ Emami Limited Emami Amingaon, Guwahati. Total productive Maintenance উদ্যোগটো চাবলৈ। তাত আমি জানিবলৈ পালো Jishu Hozen, Kobetsu Kaizen, planned Maintenance, Quality Maintenance, Initial Flow Control, Education Training safety, Health Environment office, improvement Foundation, TPM is our way of life. আদিবোৰ তথ্য আয়ত্ব কৰিলো।গম পালো Emami Limited উদ্যোগটো ৩১ চেপ্তেম্বৰ ২০০৩ চনত স্থাপিত হৈছিল।এই উদ্যোগটোৰ পৰামৰ্শদাতা হ'ল কুশল কুমাৰ গোৱেংকা। সঁচাই সদায় ব্যৱহাৰ কৰা একেটা বস্তু কেনেদৰে উৎপাদন কৰে দেখি ভাল লাগিল। Boro plus, Mentho plus, Navratna, Fair and Ageless, Fast Relief, Naturally fire, Fair and teen, Fair and Handsome, U.K. Bangladace আদি উৎপাদিত হয়। মেচিনৰ জৰিয়তে সকলো কাম সমাধান হয়। কবলৈ গ'লে মানুহে মেচিনক পথটো দেখুৱাই দিয়ে। আঁচৰিত লাগিল নিজ চকুৰে দেখোতে নৱৰত্ন তেলটোৰ বিষয়ে কব খোজো যে, তেলটোৰ ওপৰৰ পেকেটটো

মেচিনত বনোৱাৰ পিছত মেচিনৰ সহায়ত পেকেটটো খোল খায়, তাৰ পিছত তেলৰ বটলটো পেকেটৰ ভিতৰত সোমায় যায়। বটলটোত লেবেলখন মেচিনৰ সহায়ত লাগি যায়, তাৰ পিছত পেকেটৰ ওপৰৰ ঢাকনিখন বন্ধ হৈ যায়, তেতিয়া কৰ্মীসকলে উঠাই থৈ দিয়ে। Emami Limited উদ্যোগটো ইমান ডাঙৰ উদ্যোগ যদিও সময়ৰ অপব্যয় নকৰি বিষয় ববীয়া সকলে উদ্যোগটোৰ সকলো খুটি নাটি আঙুলিয়াই দি শিক্ষা প্ৰদান কৰিলে। বিশেষকৈ উল্লেখ কৰিব পাৰো উদ্যোগটোৰ কৰ্মী শ্ৰদ্ধাৰ মানসী দাস বাইদেউ।

এতিয়া আমি Kosons Forest Product PVT LTD উদ্যোগটোলৈ গলো। ভাৰতৰ বজাৰৰ ছাইনীচ শিল্পৰ গুৰুত্বপূৰ্ণ উদ্যোগ। এই উদ্যোগটোৰ কেঁচা সামগ্ৰী হ'ল বাহ। জানিব পাৰিলো এই উদ্যোগটোত বাহৰ বহুতো প্ৰয়োজন। বাহ প্ৰকৃতিৰ সম্পদ, কাঠতকৈ বাহ সহজ লভ্য। গম পালো ১০-১৫ কোটি টকাৰ বাঁহ উদ্যোগটোত খৰচ হয়। এই উদ্যোগটোত বিভিন্ন ধৰণৰ ধুনীয়া দৰ্জা, বিভিন্ন ধৰণৰ খিৰিকী আৰু গেট (পদুলিৰ জপনা) বনোৱা হয়। উদ্যোগটোৰ মূল কেন্দ্ৰ কলিকতাত আছে। শ্ৰদ্ধাৰ শ্ৰীযুত গৌতম কোঠাৰীয়ে উদ্যোগটো নিৰ্মাণ কৰিছিল।

আকৌ আহিলো আমিন গাঁৱৰ National plastic Moulding উদ্যোগটোলৈ। তাত উৎপাদিত প্লাষ্টিক চকী, টুল, টেবুল, বিচনা আদি দেখিবলৈ পালো। এই উদ্যোগটোত সেইবোৰ উৎপাদন হৈছিল আৰু অসমৰ বাহিৰত ৰপ্তানি হৈছিল। উদ্যোগটোৰ সকলো যন্ত্ৰপাতি চোৱাৰ পিছত উদ্যোগটোৰ কৰ্মীসকলে চাহ খুৱাই মৰমেৰে বিদায় দিলে। দুপৰীয়া ধাবাত ভাত খাই ৩ বজাত বালাজী মন্দিৰলৈ গ'লো। সকলো ছাত্ৰ-ছাত্ৰীক একেলগে উদ্যোগবোৰ দেখুওৱা অসম্ভৱ বাবেই ভাগ কৰি দিছিল, কিন্তু বালাজী মন্দিৰত সকলোকে লগা পাই নথৈ আনন্দ লাগিছিল। ৪-৩০ বজাত বাছেৰে আহি শিল্পগ্ৰামত উপস্থিত হলো। শিল্পগ্ৰামত চাহ খাই কলাক্ষেত্ৰত প্ৰবেশ কৰিলো। ক্ৰমলৈ আহি অলপমান জিৰণি লৈ কলাক্ষেত্ৰৰ চৌপাশৰ সৌন্দৰ্য উপভোগ কৰিলো। গধূলি পুতলা নাচ চাবলৈ ওলাইছিলো কিন্তু ছোৱালীসকলক ৰাতি ওলাবলৈ নিদিয়াত সিমানতে অন্ত পেলালো। ৰাতি ৮ বজাত শিল্পগ্ৰামত ভাত খাবলৈ গলো। ভাত খাই আহি ৰুমত অলপ জিৰণি লৈ শুই পৰিলো।

দ্বিতীয় দিনা ২১-০৫-২০০৮ তাৰিখে উদ্যোগিক পৰিভ্ৰমণৰ বাবে যোৱাবাটৰ কালাপাহাৰলৈ গ'লো। ২০০০ চনত শ্ৰদ্ধাৰ শ্ৰীযুত অচিন গোচালে নিৰ্মাণ কৰা Guru Detergent Chemicals P.V.T. LTD 3rd Unit of Hindustan limed উদ্যোগটোলৈ গলো। Ok, surf excel, ok cake, wheel, wheel cake, surf cake etc. Daily production: Detergent = 50 ton, cake = 50 ton. মুঠ কৰ্মী ১৩০ জন। উদ্যোগটোত তথ্য কক্ষত এখন নিয়ম তথ্য বিচাৰি পালো, তাত লিখা আছিল - Guru Detergents & Chemicals PVT LTD. Gopcpl PCRO (পিচি আৰ ও)। (ক) গড় ওজন ঘোষিত ওজনৰ সমান বা তাতোকৈ বেছি হ'বলাগিব। যেনে ৪০০ গ্ৰাম যদি ঘোষিত ওজন হয় তেন্তে ওজন ৪০০ গ্ৰাম বা তাতোকৈ বেছি হ'ব লাগিব। (খ) একক অনুমোদিত বিচ্যুতি (ONE OERMISSIBLE DEVIATION) ৰ তলত এটা পেকেটও দিব নোৱাৰিব। ভাল লাগিল তথ্য, উপদেশ মূলক গোহাৰিখন পঢ়ি।

কালাপাহাৰৰ "MEN'S CLOTHING COMPANY (A - 6 (A) & B-6 (A). MINI INDUSTRIAL ESTATE. KALAPAHAR, GUWAHATI 781016, Nort East Council, Shillong উদ্যোগটোত উপস্থিত হলো। এই উদ্যোগটোত "Marco' polo" shirts বনোৱা হয়। বহুতো ধৰণৰ ছাৰ্ট, সেইবোৰৰ দামো সীমিত।

BA BHUYAIN ASSOCIATES PVT LTD (PPUNIT) HYPOTHE CATED TO STATE BANK OF INDIA, NEW GUWAHATI. BRANC P - GUWAHATI. MIE CYCLE FACTORY. KALAPAHAR. GUWAHATI 781016 (INDIA) TATA STILL উদ্যোগটোলৈ গ'লো। কিন্তু ছাত্ৰ-ছাত্ৰী অলপ সকলক কেইজনমানকৈহে উদ্যোগৰ ভিতৰত সোমাব দিছিল বাবে আমাৰ সময়ৰ অভাৱত ভালদৰে তথ্য গোটাব নোৱাৰিলো।

এইবাৰ "Top pivet limited" উদ্যোগটোত উপস্থিত হলো। তাত উৎপাদিত সামগ্ৰী হ'ল কেক, বিস্কুত আদি। সেইবোৰ পিঠাগুৰি, ময়দা, কণী, কালজিৰা, চেনী, ঘিউ আদিৰ সীমিত পৰিমাণৰ ব্যৱহাৰেৰে বনোৱা হৈছিল। বিভিন্ন ধৰণৰ কেক দেখিছিলো, কটাৰ ডিজাইন আদিৰে বিভিন্ন আকাৰৰ কৰি তুলিছিল। কৰ্মীসকলৰ পৰিশ্ৰমৰ বিষয়ে তেওঁলোকক সুধিলো, তেওঁলোকে মনৰ ভাৱ ব্যক্ত কৰিলে গৰমৰ দিনত গৰমৰ বাবে অলপ অসুবিধা হয় আৰু

বেলেগ সমস্যাৰ সৃষ্টি নহয়। তেওঁলোকে আমাক আনন্দ মনেৰে ইচ্ছা অনুসৰি কেক, বিস্কুত আনিবলৈ দিলে আৰু বিদায় ললো "Top pivet limited" উদ্যোগটোৰ পৰা।

৩ বজাত কালাপাহাৰৰ এখন ধাবাত ভাত খাই উঠি বাছত উঠিলো। এইবাৰ যাত্ৰা কৰিলো "Sagar steel privet limited" উদ্যোগটোলৈ। এইটো এটা বহুত ডাঙৰ উদ্যোগ। ইয়াত টিং আদি বনোৱা হয়। মেচিনৰ সহায়ত টিং বোৰ ভাজ লগাই ছিল, কাটিছিল তেওঁলোকে। আমাক চাহ খুৱাই বিদায় দিছিল। ৫ বজাত শিল্পগ্ৰামত উপস্থিত হলো, তাতে চাহ খাই উঠি কলাক্ষেত্ৰলৈ আহিলো। ৰুমত Report লিখি শ্ৰদ্ধাৰ শ্ৰীযুত বিশ্বজিৎ চৌধুৰী চাৰক জমা দিলো। ৭ বজাৰ পৰা কলাক্ষেত্ৰত দৰং জিলাৰ ছোৱালীসকলৰ মাজত সাংস্কৃতিক সন্ধিয়া এখন আয়োজন কৰিলো। আমি মঙ্গলদৈ কলেজৰ গোটেই কেইজনী ছোৱালী অনুষ্ঠান খনত অংশ গ্ৰহণ কৰিলো। ৮ বজাত শিল্পগ্ৰামত ভাত খাবলৈ গলো। বৰ দুখৰ মুহূৰ্ত আছিল সেই সময়খিনি, বন্ধু-বান্ধৱীসকলৰ লগত চিনাকি হৈ, চাৰিদিন একেলগে কটোৱাৰ পিছত ভাল লাগিছিল কিন্তু পাই হেৰুৱাৰ বাবে দুখ লাগিছিল। ভাল লাগিব উদ্যোগিক শিক্ষাৰে শিক্ষা লাভ কৰি Report টোৱে ভাল ফল দেখুৱালে, বাচনি কৰিব বাংগালোৰলৈ।

এইটো আমাৰ অতি আনন্দৰ ভ্ৰমণ আছিল। সকলো সা-সুবিধা নিজ অনুযায়ী পাইছিলো। গাড়ীত শ্ৰদ্ধাৰ শ্ৰীযুত বিশ্বজিৎ চৌধুৰী ছাৰে আমাক বহুতো কথা শিকাই গৈ আছিল আৰু উচ্চতম ন্যায়লয়, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেল পথাৰ সমূহ দেখুৱাইছিল, শ্ৰদ্ধাৰ শ্ৰীযুত তৰুণ গগৈৰ বাসভৱন আদি দেখুৱাই আনন্দ দিছিল। এই ভ্ৰমণটোত কোনো ক্ৰুটি নেদেখিলো, থকা খোৱাত কোনো ধৰণৰ কৃপণালি নাপালো। ২২-০৫-২০০৮ তাৰিখে আমি সকলোৱে ৰাতিপুৱা ১০ বজাত গৃহাভিমুখে যাত্ৰা কৰিলো।

উদ্যোগ জ্যোতি আঁচনি প্ৰকল্পৰ দ্বাৰা শিক্ষামূলক ভ্ৰমণটোৱে মোৰ মনত দকৈ সাঁচ বহুৱাইছে। আমাৰ দেশৰ নিবনুৱা শিক্ষিত যুৱক-যুৱতী সকলে দেশৰ উন্নতিৰ বাবে, সমাজৰ উন্নতিৰ বাবে সমানে ইজনে সিজনৰ লগত হাত মিলাই স্বাৱলম্বী আয়ৰ পথ মুকলি কৰাত নিশ্চয় সহায় কৰিব। অসমৰ উদ্যোগিক বিষয় ববীয়া সকলে নিবনুৱা সকললৈ এক প্ৰেৰণাৰ বাণী কঢ়িয়াই আনিছে। নিবনুৱা, দৰিদ্ৰতা সমস্যাৰ পৰা ৰক্ষা কৰি এখন সুন্দৰ পৃথিৱী গঢ়িবলৈ নৱপ্ৰজন্মক সাহস দিয়ক।

সদৌ শেষত দৰং জিলাৰ উদোগ জ্যোতি আঁচনিৰ সমিতিৰ দীৰ্ঘায়ু কামনা কৰিলো। জিলাৰ উদ্যোগিক ক্ষেত্ৰৰ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাৰ বাইদেউ সকলক মোৰ হিয়াভৰা শ্ৰদ্ধা জনালোঁ।

□□□

কাব্য চৰ্চা

# নিৰ্মল প্ৰভাৰ কবিতা

ডিম্পল কাশ্যপ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

'জীৱনতকৈ ডাঙৰ কবিতা একো নাই।' - নিৰ্বাচিত কবিতা সংকলনৰ পাতনিতে ঘোষণা কৰা নিৰ্মল প্ৰভা বাইদেৱে এই প্ৰত্যয় লৈয়ে যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ পৰা কবিতা লিখিবলৈ লৈছিল। দ্ৰৌপদী, গান্ধাৰী, সীতাৰ কথা এই সকল প্ৰাচীন কাব্যৰ নাৰীয়ে যি নিৰ্যাতনৰ সন্মুখীন হৈছিল নিৰ্মলপ্ৰভাই তাৰেই কাব্যৰূপ দি নাৰীৰ মুক্তিৰ স্বপ্ন দেখিছিল। তাত এটি বাস্তৱ সত্যৰে ইংগিত আছিল যি আজিও এবিধ মৰ্মান্তিক ঘটনা হৈয়ে আছে। তেওঁ উচ্ছাসতাৰ পৰা আঁতৰি কাব্যশিল্পৰ এটা সংযত ৰূপ দিবলৈ যত্ন কৰিলে। এই সংযম তেওঁৰ আধুনিক দৃষ্টিৰ ফল বুলিব পাৰি। কবিতাক এটা সুসংহত ৰূপত দাঙি ধৰাৰ এই প্ৰয়াস নিৰ্মলপ্ৰভাৰ কবিতাৰ অন্যতম বৈশিষ্ট্য।

নৈৰাশ্য, আশাহীনতা, উদ্বিগ্নতা আদি আধুনিক মনোভাৱ তেওঁৰ কবিতাত যেনেকৈ সক্ৰিয়, ঠিক সেইদৰে চৌপাশৰ জগতখনেও তেওঁৰ সত্বাক আলোড়িত কৰে। শব্দই তেওঁক 'কাতৰ কৰে', 'আকুল কৰে', 'স্তব্ধ কৰে', 'উত্তেজিত কৰে'। শব্দৰ সতে এনে সম্পৰ্কই তেওঁৰ হৃদয়ক প্ৰসাৰিত

কৰে-

মোক দিয়ে মুহূৰ্তত্তে ডেউকা
মাটিৰ সুগন্ধৰ গভীৰত
মই কৰো প্ৰৱেশ,
বৃক্ষৰ সতে মই বৃক্ষ হওঁ
নদীৰ সতে নদী...

তেওঁ নিজৰ সত্বাৰ প্ৰসাৰণ আন্তৰিকতাৰে বিচাৰিছিল কেতিয়াবা হয়তো প্ৰহৰ বিষন্ন হয়, 'মই মোক ক'ত বিচাৰি পাম' বুলি চিঞৰি উঠে; কিন্তু তেওঁ যন্ত্ৰনা অতিক্ৰম কৰি আনন্দৰ কোঠাত ভৰি দিছিল কৈছিল, 'মই ক্ৰন্দন নহয়/ উৰ্বৰতা অনা নাই মই পৰ্জ্জন্য।' এই খিনিলৈকে ঠিকেই আছে। কিন্তু তেওঁ যেতিয়া কয়, ময়েই ক্ৰিয়া / ময়েই শক্তি/ ময়েই প্ৰজ্ঞা/ ময়েই কৃষ্ণ/ মই হ্লাদিনী ৰাধা..... তেতিয়া তেওঁ কি হ'ব খোজে পৰিস্কাৰ নহয়।

আধুনিকতাৰ এটা চিন হৈছে অতীতৰ সৈতে সম্পৰ্ক ছিঙা পাশ্চাত্যৰ ধ্যান ধাৰণাক আদৰি লোৱা বাবেই আমি আজি থলুৱা মাটিৰ গোন্ধ হেৰুৱালো। তলৰ স্তৱকটোত তাৰেই ইংগিত পোৱা যায়-

শৰতৰ কহুঁৱা কল্পনাত নুফুলে।
ফুলে মাটিত
নে পৰীয়া মাটি
মাটি আছেনে, ভৰি থ'বলৈ
মাটি?.....

নিৰ্মলপ্ৰভাৰ উদাৰ হৃদয় চৰ্চা মানবতাবোধৰ উপলব্ধিত কাব্যিক বাস্তৱবোধৰ ইংগিত আছে। পৃথিৱীৰ সকলোতে তেওঁ শান্তি বিচাৰেঃ

তোমাৰ মাটিত
তেজ ডোঙা বান্ধি থাকিলে
মোৰ মাটিত ফুল নুফুলে.....।

ভৱিষ্যত গঢ়িবলৈ হ'লে উজ্বল ইতিহাস ৰচনা কৰিবলৈ হ'লে বৰ্তমানৰ সৃষ্টিশীল কৰ্ম যে অপৰিহাৰ্য্য সেই সম্পৰ্কে নিৰ্মলপ্ৰভা বাইদেউ সজাগ আছিল। তলৰ ব্যঞ্জনাময় শব্দবোৰত চেতনাৰ প্ৰতিধ্বনি আছে-

হেমন্ত ঋতুত
কাঁচিখন মই কেনেকৈ
হাতত লম
যদিহে জহৰ দিনত
মোৰ কপালৰ ঘামে
পথাৰ কোমল কৰি
নোতেলে?

বাইদেউৰ বহু কবিতাত প্ৰকৃতিৰ ছাঁ পোহৰ অনুভৱ কৰিব পাৰি। বিভিন্ন ঋতুৰ সৌন্দৰ্য্যই তেওঁৰ সংবেদনশীল মনক আলোড়িত কৰিছে। আনকি ব'হাগৰ পৰা চ'তলৈ বিভিন্ন মাহৰ বৈশিষ্ট্য তেওঁৰ ব্যঞ্জনাক্ষম শব্দৰ মাজত ফুটি উঠিছে। মনৰ মাধুৰীৰে বৰ্ণোৱা প্ৰকৃতিৰ কবিতাই পাঠকক সহজে আকৰ্ষণ কৰে। 'আঘোণ, 'সোণালী ঐশ্বৰ্য্য', 'পাহোৱাল ল'ৰা'ৰ ইমেজত বাংময় ফুটি উঠিছে। আহিনত শৰতৰ 'ৰুণজুন গোন্ধ' পোৱা যায়। ব'হাগত যেন 'দিকচৌ বনৰ পৰা উৰি অহা / এক পখিলা...। জেঠৰ পুৱা গধূলি খেতিয়কৰ কুঁজা বোকোচাত উঠি ফুৰে। এইবোৰত গাঁৱৰ স্মৃতি আছে, আছে শৈশৱৰ সেই দিনবোৰ, যিবোৰ কবিয়ে পাহৰিব পৰা নাই। দক্ষিণাৱলীৰ মৃদু স্পৰ্শই ফাগুনত গুণ গুণাই ফুৰে, দেহা হয় উজনি ভাটি। প্ৰকৃতিৰ লগতে স্মৃতিও তেওঁৰ কবিতাৰ অন্যতম উৎস।

সাংসাৰিক ঘাত প্ৰতিঘাত মানুহৰ জীৱনত আছেই। সেইবোৰ কথা ভাবি অসুখী হৈ নিৰ্মলপ্ৰভা বাইদেৱে কেতিয়াও সময়ৰ অপব্যৱহাৰ কৰা নাছিল। মানুহে মানুহক কৰা প্ৰতাৰণা, অত্যাচাৰ, অবিচাৰ আদিয়েও সেই লৌহমনা মানুহ গৰাকীক কেতিয়াও কাবু কৰিব পৰা নাছিল বাবেই বাইদেৱে উদাত্ত কণ্ঠে কব পাৰিছিল, 'বন্দুকৰ শব্দত ৰাতি নুপুৱায়/ পুৱায় সেই চৰাইটোৰ মাতত/ যি নিশাৰ আন্ধাৰবোৰ / কুটি খায় লাহে লাহে।"

তত্বগধুৰ চিন্তাৰ এক অভিনৱ সৃষ্টিৰ মাজত চিৰ সেউজ হৈ আছে নিৰ্মলপ্ৰভা বাইদেউ। তেওঁ লেখিছিল-

সাগৰ তীৰত পৰি ৰলো মই
শামুকৰ খোলা হৈ
মাজত তুষাৰে নৈ।

কাব্য কলাই হৈ চৈ ভাল নাপায়, ৰবীন্দ্ৰ নাথৰ ভাষাত 'আত্ম সম্বৰণেই আৰ্টৰ স্বভাৱ।' নিৰ্মল প্ৰভাই সেই কথা জানিছিল সেয়ে তেওঁৰ সত্বাই কোলাহল ত্যাগ কৰি কাব্য কলাক এটি সংযত ৰূপ দিছিল। কোনো জীৱন বীক্ষাক তেওঁ কাব্য পৰিক্ৰমাৰ আধাৰ হিচাবে লৈছিল বুলিব নোৱাৰি, কিন্তু নিৰৱে নিবিষ্ট মনে উপলব্ধিক এটি সংযত ৰূপ দিছিল। পঞ্চাশৰ দশকৰ পৰা অসমীয়া সাহিত্যলৈ নানাভাৱে বৰঙণি দিয়া এই গৰাকী মহিলা কবিৰ আসন নলিনীবালাৰ পিছতে বুলি কলেও ভুল কোৱা নহব।

*(বিঃদ্ৰঃ প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন পুথিৰ সহায় লোৱা হৈছে।)*

□□□

* "জ্ঞান কেতবোৰ গোট মৰা তথ্য বা ধাৰণা নহয়, পৰিৱৰ্তনশীল সমাজ আৰু জগতে মানুহৰ মনত কিছুমান অবিৰাম প্ৰশ্নৰ উদ্ৰেক কৰে, সেয়ে জ্ঞান।"
- হীৰেণ গোঁহাই

* "কবিতা যেন ৰসায়নসিক্ত এডাল সূতাৰ পৰা ওলমি থকা আঙঠি। সূতাডাল পুৰি পেলোৱাৰ পিচতো ওলমি থাকিব পৰা যাদুবিদ্যাৰ আঙঠি।"
- নৰকান্ত বৰুৱা

# চিত্ৰকৰ্ম আৰু অজন্তাৰ ইতিহাস

জয়প্ৰকাশ মহন্ত
দ্বিতীয় বৰ্ষ (কলা)

সাধাৰণতে নিশব্দে আৰু নিৰৱেই কথা কয় ছবিয়ে। যাৰ ভাষা কিছু সংখ্যক লোকে বুজিবলৈ সক্ষম হয়। সাধাৰণতে কবলৈ গলে ছবি হ'ল মানুহৰ অনুভৱ আৰু অন্তৰঙ্গতাৰ বহি প্ৰকাশ। এখন চিত্ৰই বহুতো ভাষা প্ৰকাশ কৰিব পাৰে। যিটো বুজা জনৰ ওপৰত ন্যস্ত থাকে।

জানিব পৰা মতে ১৩ শতিকালৈ মানুহে যি কোনো হাতে কৰা কামক কলা হিচাবে গন্য কৰিছিল যেনে কাৰিকৰী বিদ্যা। কিন্তু ১৭ শতিকা মানত গৈ ইয়াক বিস্তাৰিত কৰি আনে বহুতো নতুন নতুন দিশ সাঙুৰি লোৱা হ'ল তাৰ ভিতৰত Music, Sculpture, Painting, Dance, Poetry (কবিতা) ইত্যাদি। নান্দনিকতাৰ ফালৰ পৰা কবলৈ গ'লে চাৰুকলা আৰু কাৰুকলাৰ মাজত পাৰ্থক্য দেখা পোৱা যায়। বৈশিষ্টপূৰ্ণ চিত্ৰ ৰচনাকে সাধাৰণতে চাৰুকলা বা সুকুমাৰ কলাৰ অন্তৰ্ভূক্ত। যেনে- অজন্তা, ইলোৰা, বাঘগুহা আদি চিত্ৰবোৰ। আনহাতে মানৱ সমাজত বৰ্তমান বহুতো সামগ্ৰীৰ প্ৰয়োজন সেইবিলাক হ'ল কাঁহ-পিতলৰ বাচন বৰ্তন কাঠৰ মূৰ্তি পোৰা মাটিৰ মূৰ্তি: শিলৰ পৰা কাটি উলিওৱা পাত্ৰ ইত্যাদি।

গুহা চিত্ৰ বুলিলে সাধাৰণতে আমি অজন্তা গুহাৰ কথা সকলোৰে মনলৈ আহে। ইয়াত নিৰ্মিত এই চিত্ৰ সঁচাই মন হৰি লৈ যায়। ইয়াৰ অৱস্থিতি স্থান আমাৰ বিশাল ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰ ৰাজ্যত। মহাৰাষ্ট্ৰ ৰাজ্যৰ পৰা কিছু নিলগত জলগাঁও ষ্টেচনৰ পৰা ৫৯ কিলোমিটাৰ বা ঔৰঙ্গবাদ চহৰৰ পৰা ১০৪ কিলোমিটাৰ দূৰত অজন্তা গুহা অৱস্থিত। হাজাৰ বছৰৰো অধিক কাল জঙ্গলেৰে আবৃত হৈ পৰি আছিল এই অজন্তা গুহা। নিয়তিৰ দৃষ্টিবেলা অৰ্থাৎ ১৮১৯ খৃষ্টাব্দত যেতিয়া মাদ্ৰাজৰ কেইজনমান সামৰিক বিভাগৰ কৰ্ম্মীয়ে চিকাৰ কৰিবলৈ বুলি এই বিশাল জংঘলত প্ৰৱেশ কৰিছিল তেতিয়া তাত তেওঁলোকে উভতি যোৱাৰ পথ হেৰুৱায়। সেই সময়ত তেওঁলোকে নাজানিছিল যে তাত এটা অপূৰ্ব সুন্দৰ গুহা পাব। অলপ চোৱা মেলা কৰাত কিছু গুহা সদৃশ ঠাই দেখা পালে। থকাৰ কোনো ধৰণৰ স্থান নাপায় নিশা তাত বিৰাম লোৱাৰ উদ্দেশ্যে গুহা সদৃশ এই ঠাইৰ ভিতৰত প্ৰৱেশ কৰে। প্ৰথম অৱস্থাত তেওঁলোকে কিছু পৰিমাণৰ চিত্ৰকলা দেখিবলৈ পালে যদিও নিশাৰ ক্লান্ত অৱস্থাৰ কাৰণে সিমান গুৰুত্ব প্ৰকাশ নকৰি বিশ্ৰাম লৈ থাকিল। কিন্তু পুৱাৰ হেঙুলী কিৰণত ক্ৰমান্বয়ে ভিতৰত কিবা থকা যেন দেখি আগবাঢ়ি গৈ দেখে যে গোটেই বেৰৰ সংগ্ৰাহালয় আকৃতিবোৰ। তেওঁলোক ক্ৰমান্বয়ে ভিতৰলৈ প্ৰৱেশ কৰি গৈ আছিল আৰু তাত অংকিত চিত্ৰ দেখি সঁচাকৈয়ে আপ্লুত হোৱাৰ লগতে হতবাক হৈ পৰিছিল। অৱশেষত তেওঁলোকে এই গুহাৰ কথা যেতিয়া চৰকাৰৰ আগত অৱগত কৰে, তেতিয়া বিখ্যাত প্ৰত্নতত্ববিদ ডাঃ ফাৰগুমান ডাঙৰীয়াক ১৮৩৯ খৃষ্টাব্দত গুহা চাবলৈ পঠাই। এইদৰে হঠাৎ এই অজন্তা গুহাৰ আৱিস্কাৰ হয়। এই অজন্তাৰ অধিকাংশ চিত্ৰকলা খুব সম্ভৱ ৫০০ খৃষ্টাব্দৰ পৰা ৭০০ খৃষ্টাব্দৰ ভিতৰত অংকন কৰা হৈছিল। অজন্তাত মুঠতে ত্ৰিশটা গুহা পোৱা যায় কিন্তু ইয়াৰ ভিতৰত অতি প্ৰাচীন গুহাটো হ'ল তেৰ নম্বৰ গুহাটো, য'ত কোনো ধৰণৰ চিত্ৰ এই দেৱালয়ত নাই। অজন্তাৰ চিত্ৰৰাজিত এঠামাটিৰ ৰং গেৰুৱা মাটিৰ ৰং, চুৰকীৰ ৰং, চাই ৰং, সেউজীয়া শিলৰ গুৰিৰ ৰং আৰু কপাৰ অক্সাইডৰ কলা ৰং ব্যৱহাৰ কৰিছিল। কিন্তু এই ছবি বিলাকত নীলা ৰং ব্যৱহাৰ কৰা হোৱা নাছিল। অজন্তাৰ গুহাৰ ছালৰ ওপৰত জ্যামিতিক নক্সা অলৌকিক ঘটানাৱলী গছলতা চৰাই চিৰিকতি আদিৰ ছবিবোৰ প্ৰধানত অংকৃত কৰা হৈছিল। অজন্তা গুহাত কাম কৰিছিল বৌদ্ধ ভিক্ষুক সকলে। ইয়াত তেওঁলোকে ৰেখা আৰু ৰঙৰ ওপৰত গুৰুত্ব দি সুন্দৰভাৱে ৰূপায়িত কৰিছিল। তেওঁলোকৰ চিত্ৰবোৰ সাধাৰণতে জীৱ-জন্তু, নৰ-নাৰীৰ প্ৰেমলীলা, যুদ্ধ বিগ্ৰহ কোনো ৰাজকীয় শোভাযাত্ৰা ইত্যাদি ধৰণৰ নৰ-নাৰীৰ পোছাক মঠ মন্দিৰ, প্ৰসাদ, গছলতা, ফল-ফুল পাত আদিৰ অপূৰ্ব সন্মিলনে এই ছবিবিলাক জীৱন্ত কৰি তুলিছে। কিন্তু এই ছবি বিলাকত দূৰত্বৰ অভাৱ অথাৎ সন্মুখ ভাগৰ আৰু পিছৰ ভাগৰ যি দূৰত্ব থাকিব লাগে সেই দূৰত্ব দেখা পোৱা যোৱা নাছিল। হয়তো সেই সময়ত দূৰত্বৰ অন্য ৰূপ আছিল। মহান যোজনা আৰু বৈভৱৰ দ্বাৰা দাৰ্শনিক সকলতকৈ অধিক মনোগ্ৰাহী আৰু আকৰ্ষিত কৰি তুলিছিল অজন্তাৰ এই চিত্ৰ কলা। অজন্তা গুহাত ত্ৰিশটা গুহাৰ ভিতৰত কেইটামানতহে সম্পূৰ্ণ চিত্ৰ দেখিব পোৱা যায় বাকী বিলাকৰ প্ৰায় বিলীন হোৱাৰ পথত। সেই বিলাকৰ চিত্ৰত ক্ৰমে কিছুমান খণ্ডিত হাত কিছুমান অকল ভৰি, আন কিছুমানত ডিঙি এনেকুৱা দেখা পোৱা যায়। সেইবুলি আমি এইটোও কব নোৱাৰো যে সেই চিত্ৰ বিলাক কোনো অনুভৱ বিহীন আৰু কোনো পৰিকল্পনা নকৰাকৈ নিৰ্মাণ কৰি উলিওৱা কোনো প্ৰথম চিত্ৰ। অজন্তাৰ চিত্ৰসমূহ একে মান বিশিষ্ট নহয় তাৰ কাৰণ ইয়াত অংকৃত চিত্ৰবোৰ বিভিন্ন জনগোষ্ঠীৰ সমাহাৰ বুলিব পাৰি। এই চিত্ৰবোৰ পৃথিৱীৰ বিস্ময়ৰ বস্তু। ইয়াক সহজতে পাহৰণিৰ গৰ্ভত বিলীন হৈ যোৱাটো আমাৰ কাৰণে বৰ লজ্জাজনক কথা। ইয়াক সংৰক্ষণ কৰাটো আমাৰ আটাইৰে দায়িত্ব।

□□□

# গাঁৱৰ সৌন্দৰ্য্য

করুণা শর্মা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

"শুৱনি আমাৰ গাঁওখনি অতি
শুৱনি গছেৰে ভৰা
ডাল ভৰি ভৰি ফল-ফুল লাগে
কত পাওঁ তল সৰা।"

আমাৰ সকলোৰে চিনাকি এই কবিতাফাকি গাৰঁৰ সৌন্দৰ্য্য আস কি এক মাদকতা! শস্য শামল চিৰ সেউজীয়া অসংখ্য গাঁও তাৰ সহজ সৰল মানুহবোৰ। প্ৰতিখন গাঁৱৰ কাষৰে পাৰ হৈ গৈছে বিভিন্ন নৈ। বিভিন্ন গছ-গছনি ফল ফুলেৰে ভৰপুৰ গাঁওবোৰৰ চুক কোণ। পুখুৰীত বিভিন্ন ধৰণৰ মাছৰ পোনা। গৰু, ছাগলী, হাঁহ পাৰ আদি গাঁৱৰ সৌন্দৰ্য্যৰ প্ৰতীক। বিভিন্ন ধৰণৰ ফুল তগৰ, নাহৰ, চম্পা, গোলাপ আদিয়ে পদুলিৰ বাগিছা মল মলাই থাকে। কেৱল এখন গাঁৱৰ দৃশ্যৱলী নহয়, অসমৰ প্ৰত্যেকখন গাঁৱৰ প্ৰতিচ্ছবি এয়া।

আমাৰ দেশৰ গাঁৱত অধিক সংখ্যক কৃৰ্ষিয়েই কৰা হয়। এক কথাত গাঁৱৰ কৃষক সকল সকলোৰে প্ৰাণস্বৰূপ। ব'হাগ-জেঠ মাহৰ পৰাই আৰম্ভ হয় কঠিয়া সিঁচা পৰ্ব। ৰাতিপুৱাই কুকুৰাই ডাক দিয়াৰ লগে লগে উঠি নাঙল যুৱলি লৈ গৰু হালৰ সৈতে পথাৰলৈ গৈ থকা মুহূৰ্ত খেতি পথাৰত বোকা-পানীৰে লুতুৰি পুতুৰি হৈ বোকা দিয়া কাৰ্য্য। গাঁৱৰ তিৰোতাসকলো হাঁহি মাতি চাহ জলপানৰ ব্যৱস্থা কৰা। তিৰোতা আৰু গাভৰু সকলো হাঁহি মাতি বোকা ৰোৱা কাৰ্য্য। হাড় ভগা পৰিশ্ৰমে গাঁৱৰ মানুহসকল টলাব নোৱাৰে। সন্ধিয়া ইঘৰ সিঘৰলৈ গৈ পুথি পঢ়িবলৈ নাপাহৰে। আঘোনৰ পথাৰৰ কোমাল ৰ'দত বহি নিমখ জলকীয়াৰে ৰবাব টেঙা খোৱাৰ মজা লখিমী চপোৱা জীয়ৰী বোৱাৰীহঁতৰ বাদে আনে জানো জানে? ডেকাহঁতে ডাঙৰি বান্ধে পাহোৱাল ডেকাৰ কান্ধত 'বাওকাৰ' দুই মুৰে জিৰিক জিৰিক শব্দ তুলি দুলি আহে লখিমী। পথাৰৰ লখিমী ঘৰলৈ প্ৰথমে আদৰি আনে। আগলি কলপাতত তিনিটামান ধানৰ মুঠি লৈ নতুন গামোচাৰে মেৰিয়াই পথাৰৰ লখিমী মূৰত

> *গাঁৱৰ বোকা পানী, ধূলি-বালি গচকি সমনীয়াৰ সৈতে খেলি নাইবা নিজৰ ঘৰত উভৈনদী হৈ থাকিলেও আনৰ বাৰীত আম, বগৰী, লেতেকু আদি মনে মনে খোৱাৰ শৈশৱৰ সেই আনন্দৰ সৈতে আন একোৱেই তুলনা কৰিব নোৱাৰি।*

তুলি ভক্তি ভাৱে আদৰি আনে ঘৰলৈ। ইয়াক 'আগ' অনাও বোলে। নতুন চাউলেৰে 'ন-খোৱা' উৎসৱ কৃষক সমাজৰ এক পৰম্পৰা। সেয়ে আজিৰ যান্ত্ৰিক যুগতো জীয়াই ৰাখিছে হৃদয়ৰ সঁচা মৰম, চেনেহ, দয়া, শ্ৰদ্ধা কৃষক সমজে। গাঁওবোৰৰ প্ৰতিটো উপাদানতেই পোৱা যায় সেউজীয়াৰ অবিনৱ পৰশ। সেউজীয়াৰে ভৰি থাকে মানুহৰ মনবোৰো।

গাঁৱৰ মাজমজিয়াত থকা নামঘৰটোত নাইবা ইঘৰ-সিঘৰত পতা নামবোৰে এতিয়া জীয়াই ৰাখিছে মানুহৰ হৃদয়ৰ বিশ্বাস আৰু পবিত্ৰতাক।

গাঁৱৰ গৃহিনীসকলো সকলো কাম-কাজ কৰি তাঁতৰ শালখনত বহিলেহে যেন প্ৰকৃত সুখৰ চাবিকাঠি বিচাৰি পায়। সঁচাকৈ নিজে বৈ পিন্ধা কাপোৰ সাজত সৃষ্টিৰ কিমান যে সুখ নিহিত হৈ আছে সেয়া শিপিনী গৰাকীৰ বাহিৰে আনে কেনেকৈ বুজিব পাৰিব?

গাঁৱৰ বোকা পানী, ধূলি-বালি গচকি সমনীয়াৰ সৈতে খেলি নাইবা নিজৰ ঘৰত উভৈনদী হৈ থাকিলেও আনৰ বাৰীত আম, বগৰী, লেতেকু আদি মনে মনে খোৱাৰ শৈশৱৰ সেই আনন্দৰ সৈতে আন একোৱেই তুলনা কৰিব নোৱাৰি।

বছৰেকৰ মূৰত অহা বিহুটিক আদৰিবলৈ কিমান আশাৰে গাঁওবাসী সাজু হৈ থাকে। ব'হাগৰ বিহুৱানখন ফাগুনৰ শেষৰ ফালে নাইবা চ'তৰ প্ৰথম ভাগমানত শালত লগোৱাৰ পৰাই বিহুৰ সুবাসে চুই যায়। গাঁৱৰ প্ৰতিখন তাঁতৰ খিতিক-খিতিক শব্দ, ঢেকীৰ শব্দ ইঘৰ সিঘৰৰ পৰা ভাঁহি অহা হাঁহিৰ শব্দই অন্য এক মাদকতা বিৰাজ কৰে।

মাঘৰ বিহুৰ কেইদিনমান আগৰে পৰা গাঁৱৰ মুকলি পথাৰত কলৰ শুকান পাত আৰু বাঁহেৰে সজা মেজি বা ভেলাঘৰত সকলোৱে লগ হৈ খোৱা উৰুকাৰ ভাত সাজৰ কথা কোনে বাৰু পাহৰিব পাৰে!

গাঁওবোৰে আমাক অকৃত্ৰিমভাৱে দিয়ে জীৱনৰ সঁচা সুখ আৰু প্ৰাচুৰ্য্যতাবোৰ। সেয়ে হয়তো ব্যস্ততাই গৰকা পৃথিৱীত খোজ দিয়াৰ পিছতো আমি হৃদয়ৰ নিভৃততম কোণৰ পৰাই আন্তৰিকতাৰে গাই যাব পাৰো প্ৰিয় শিল্পীৰ সুৰত সুৰ মিলাই-

"এইখনি গাঁও আপোন আপোন
ইয়ায়েই দেখোন ........"।

□□□

## মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা ৰুদ্ৰ কলিতাৰ স্মৃতি সুঁৱৰি



প্ৰয়াত ৰুদ্ৰ কলিতা

যোৱা ১৯ এপ্ৰিল ২০০৮ শনিবাৰে মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা ৰুদ্ৰ কলিতা পৰলোকগামী হয়। জন্ম আৰু মৃত্যু প্ৰাণী জগতৰ অতি স্বাভাৱিক ঘটনা। প্ৰকৃতিৰ নিয়ম হিচাপেই হওক বা কাৰ্যকাৰণ সম্পৰ্ক হিচাপেই হওক ইয়াক আমি স্বীকাৰ কৰিবই লাগিব। তথাপি কেতিয়াবা কিছুমান মানুহৰ অকাল বিয়োগে সকলোৰে মনত বিশেষকৈ শুভাকাংশী বা সহকৰ্মী সকলৰ অন্তৰত গভীৰ শোকৰ ছাঁ পেলায়। ৰুদ্ৰ কলিতাও মাত্ৰ একুৰি পোন্ধৰ বছৰ বয়সতে অকালতে আমাৰ মাজৰ পৰা আতৰি গ'ল। তেখেতৰ বিয়োগত আমাৰ অন্তৰত যি শোকৰ ছাঁ পৰিছে তাক ভাষাৰে বৰ্ণনা কৰি বুজাব নোৱাৰি। তেখেতৰ দেহাৱসানে যি শূণ্যতাৰ সৃষ্টি কৰিলে তাক পূৰ কৰিব পৰা যাবনে সেয়া চিন্তাৰ বিষয়। জ্ঞানান্বেষণত সদাব্যস্ত এনে এজন সৎ, মৃদুভাষী তথা প্ৰতিভাবান ব্যক্তি ইমান কম বয়সতে ইহ সংসাৰৰ পৰা আঁতৰি যোৱাতো সপোনতো ভাবিব নোৱাৰা কথা। অৱশ্যে যি সত্য তথা বাস্তৱ তাক স্বীকাৰ কৰিবই লাগিব।

দৰং জিলাৰ সদৰ ঠাই মঙলদৈ চহৰৰ পৰা প্ৰায় ১৫ কিঃ মিঃ নিলগত অৱস্থিত নামখলাৰ ওচৰৰ বৰঙ্গাবাৰী গাঁওৰ পানাবা চুবুৰিত ১৯৭৪ চনৰ ১৭ জানুৱাৰী তাৰিখে ৰুদ্ৰ কলিতাই জন্ম গ্ৰহণ কৰিছিল। ১৯৯০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছত মঙলদৈ মহাবিদ্যালয়ত কলেজীয়া শিক্ষা আৰম্ভ কৰে। মঙলদৈ মহাবিদ্যালয়ত সম্পূৰ্ণ পাছ বছৰ শিক্ষা গ্ৰহণ কৰি ১৯৯৫ চনত স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। এটা সংস্কৃতিবান মন আৰু জ্ঞান অৰ্জনৰ প্ৰতি থকা একাগ্ৰতাৰ বাবে স্নাতক ডিগ্ৰী লাভৰ অন্তত ১৯৯৬ চনত তেওঁ উত্তৰ পূৰ্ব পাৰ্বত্য বিশ্ববিদ্যালয়লৈ স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰিবলৈ যায়। তাতে তেওঁ দৰ্শন বিভাগত নাম ভৰ্ত্তি কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়।

ৰুদ্ৰ কলিতা আজি আমাৰ মাজত নাই; কিন্তু তেওঁৰ স্মৃতি আমাৰ মনত সজীৱ হৈ থাকিব। তেওঁৰ স্বৰ্গগত আত্মাই চিৰশান্তি লাভ কৰক। এয়ে ঈশ্বৰৰ ওচৰত আমাৰ কাতৰ প্ৰাৰ্থনা।

- ভূপেন হালৈ
প্ৰবক্তা, দৰ্শন বিভাগ

### আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত নাটকৰ পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ নাট্য দলটো



বাওফালৰ পৰা বহিঃ - ঋতুপৰ্ণ কলিতা, শুভমিত্ৰা চহৰীয়া, দেৱব্ৰত ডেকা
বাওফালৰ পৰা থিয় হৈ - ৰাতুল ডেকা, চয়নিকা শইকীয়া আৰু প্ৰিতম ফুকন

# আলোচনী সম্পাদনা সমিতি



ছাজাদুৰ ৰহমান
মুখ্য উপদেষ্টা



বিচিত্ৰ কুমাৰ মেধি
উপদেষ্টা



ড০ কুমুদ চন্দ্ৰ শৰ্মা
উপদেষ্টা



মতিৰাম মেধি
উপদেষ্টা



ড০ প্ৰণৱ কুমাৰ শৰ্মা
উপদেষ্টা



মঞ্জু কলিতা
উপদেষ্টা



ঘন কান্ত বৰুৱা
উপদেষ্টা



অচ্যুত চন্দ্ৰ শৰ্মা
উপদেষ্টা



ড০ বিজয় কুমাৰ শৰ্মা
তত্বাৱধায়ক



জয়ন্ত ডেকা
সম্পাদক



ঋতুপৰ্ণ কলিতা
সদস্য



ভূপেন কলিতা
সদস্য



মোন্নাফ আলি
সদস্য



পিনাকি প্ৰসাদ শাণ্ডিল্য
সদস্য



মৌচুমী কলিতা
সদস্যা



জয়শ্ৰী বৰঠাকুৰ
সদস্যা



ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ একাংশ

বাওফালৰ পৰা বহি-
মৌচুমী কলিতা, মোস্তাফিজুৰ ৰহমান, ঋতুপৰ্ণ কলিতা, মহানন্দ চহৰীয়া, জয়শ্ৰী বৰঠাকুৰ।

বাওফালৰ পৰা থিয় হৈ-
জয়ন্ত ডেকা, গৌতম ডেকা, ভূপেন কলিতা, জয়প্ৰকাশ মহন্ত।

# মহাবিদ্যালয়ৰ গৌৰৱ আৰু প্ৰতিভা.....



শোনিত কুমাৰ দাস
প্ৰথম শ্ৰেণী (প্ৰাণী বিজ্ঞান)



হিমাদ্ৰী দেৱী
প্ৰথম শ্ৰেণী (প্ৰাণী বিজ্ঞান)



পাৰবীন চিদ্দিকা খানম
প্ৰথম শ্ৰেণী (শিক্ষা বিভাগ)



মধুস্মিতা শৰ্মা
প্ৰথম শ্ৰেণী (শিক্ষা বিভাগ)



চুলতানা ৰাবিয়া বেগম
প্ৰথম শ্ৰেণী (শিক্ষা বিভাগ)




জীৱন শৰ্মা
প্ৰথম শ্ৰেণী (গনিত বিভাগ)



পাপৰি দাস
প্ৰথম শ্ৰেণী (ভূগোল বিভাগ)



প্ৰণামী দেৱী
প্ৰথম শ্ৰেণী (ভূগোল বিভাগ)



লিপজ্যোতি বৰুৱা
প্ৰথম শ্ৰেণী (ভূগোল বিভাগ)



ন্যানজ্যোতি মেধি
প্ৰথম শ্ৰেণী (ভূগোল বিভাগ)



জয়ন্ত কলিতা, ৰাষ্ট্ৰীয় পৰ্যায়ত
ডিচ্‌কাচ্ প্ৰত সোণৰ পদক




ঋতুপৰ্ণ কলিতা
শ্ৰেষ্ঠ নাট পৰিচালক, সদৌ অসম
আন্তঃমহাবিদ্যালয় নাট প্ৰতিযোগিতা





বিপুল কলিতা চন্দন চেত্ৰী
কেৰমৰ চেম্পিয়ন দল (মহাবিদ্যালয়-সপ্তাহ)



ইমন দাৰুল ইছলাম
বৰ্ষটোৰ শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



দিল্লীত আয়োজিত গণৰাজ্য দিৱসত অংশ গ্ৰহণ কৰা ছাত্ৰী
মইনাথী বড়োৰ সৈতে এন.চি.চি.ৰ তত্বাবধায়িকা (ছোঃ)



হিদায়িশ্ৰী ৰাভা
বৰ্ষটোৰ শ্ৰেষ্ঠা সাহিত্যিক



জয়ন্ত ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠ তাৰ্কিক




চন্দ্ৰমা শইকীয়া
বৰ্ষটোৰ শ্ৰেষ্ঠা কণ্ঠশিল্পী



ধৰ্মকান্ত বড়ো
বৰ্ষটোৰ শ্ৰেষ্ঠ খেলুৱৈ



বৰ্ণালী ডেকা
বৰ্ষটোৰ শ্ৰেষ্ঠা খেলুৱৈ




*"দুবৰি বনৰ নিয়ৰৰ দলিচাত*
*তুমি শুই থকা*
*তোমাক চুই দিলেই নিদানত সৰে*
*শব্দৰ বৰষুণ... ....*
*সেই সিক্ততাত তোমাক*
*বোৰাই আনো আগলি বাঁহৰ*
*হৃদয় কলমৰে উকা কাগজত... ।"*



## কার্যজন

ড০ কুমুদ চন্দ্ৰ শৰ্মা
মুৰব্বী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

ভস্মধূলি সুশোভিত
ব্যঘ্ৰ চৰ্ম পৰিহিত
শ্যামবৰ্ণ
প্ৰকৃতি পুৰুষ
অনাদি অনন্ত
হলাহল বিহক দিয়া
কণ্ঠত স্থান
তুমি নীলকণ্ঠ,
পুষ্প পত্ৰে বিনন্দীয়া
জগতৰ ত্ৰাণকৰ্তা
দেখিছো মই তোমাক
হৰিৎ ভূষণ
শাস্বত অতি বিতোপন
সৰ্বমাবৃত্য তুমি, অৰুণ কিৰণ
জাহ্নবীৰ সুৰধ্বনিত
প্ৰাণৰ স্পন্দন
জগন্নিৱাস প্ৰভু ! তুমি সনাতন।
□□□



# God, You are Almighty


**Tanushree Sarmah**
**TDC 2nd Year (Arts)**

God, you are almighty,
You are great father and king.
Love you my dear God,
You too love me- that's I know.
Respect you my honourable God,
You too response my feelings.
I share my joys and sorrows with you,
You also happy and
sympathises with me.
I pray to you always
When helpless and fall in distress,
You also guide me - that's I know.
And when I make wrong,
I get punishment.
When I make right,
I am rewarded.
My almighty God,
I pray to you
Bless me everyday. ❑❑❑

# Evil's Dream

**Rakesh Sarmah**
**TDC 2nd Year (Sc.)**

Last night I saw...
Feathers of your arrow
A sparkles of your sword.
You are showing your vanity!
But God will not hide behind your pelf
Your people's invocation of evil upon you,
Will ruin your arrogant
The river will forbid you to drink a little
bit,
A tempest is rushing towards their destiny.
You can'nt order them to step back
You can'nt escape ever,
You will be sunk down. ❑❑❑



# Loneliness

**Debadasi Barman**
**TDC 2nd Year (Arts)**

Everywhere there are people
Making a beeline
Forming a crowd
Yet, I'm alone
All alone, treading the
Throny path.
There is nobody to
Accompany me.
I'm a lonely fellow
In a lonely land
All alone I have to,
Reach my destination
A destination far, far off.
❑❑❑

# Wish

**Sangeeta Sarmah**
**TDC 2nd Year (Arts)**

Again... its a new year
Ya.. 2008
As well as some new hopes
to have pleasure...
But why are you so busy?
No, its not fair my brother
You please never say,
'Happy New Year'
Because.. pleasure is not
to keep your speech.
We are here just
to seek pleasure and
sun after it...
And have you ever seen?
Pleasure has no bondage of time.
So never wish to have
Pleasure of an year..
If you want
may merely hope
to have lifetime pleasure..❑❑❑

# মোৰ আত্মলিপি ঃ বুকুত এচটা শিল

কুন্তল কুমাৰ নাথ
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)



পৃষ্ঠা এক
প্ৰেমত পৰাৰ আগতে ভবা নাছিলো
তোমাৰ প্ৰেমতেই পৰিম বুলি
সকলো পৰাৰ দৰে।
পৃষ্ঠা দুই
কিন্তু মোৰ হৃদয়ত
তুমি অপূৰ্ণ সম্ভাৱনা
উজাগৰী ৰাতি
পানীপিয়া
আৰু
মিঠা আকাশৰ মাজেৰে
এটি ব্যস্ত তৰা
মই,
মাথো আৱৰ্ত পৰিক্ৰমা।
পৃষ্ঠা তিনি
মই লাহে লাহে হেৰাই ফুৰিছো
মোৰ নিজৰ ঠিকনা পাহৰি;
এটাই দুখ থাকিল...
তোমাৰ শিলৰ হিয়াখনত
মোৰ নামটো লিখিব নোৱাৰিলো।
সমাপ্তি পৃষ্ঠা
তুমিও এবাৰ হৃদয়ৰ ঠেকেচা
খাই চাবা পাৰিলে মোৰ হৃদয়ৰ সৈতে
আজিয়েই,
কিয়নো কালি হয়তো তুমি
কান্দিব লগাও হ'ব পাৰে
কাৰোবাৰ হৃদয় ঠেকেচাৰ অপৰাধত।

□□□



# লাহে লাহে মই তোমাক ভাল পাব লৈছো

মানৱেন্দ্ৰ নাৰায়ণ কোঁৱৰ
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

ক্ৰমে বেঢ়ি ধৰিছেহি মোক
তোমাৰ মায়াই
ক্ৰমে বেঢ়ি ধৰিছেহি মোক
তোমাৰ ঘনঘোৰ সদ্যস্নাতা
কেঁকোৰা চুলিৰ শীতল ছায়াই
তুমি নাথাকিলে উকা হৈ পৰিব ধৰিছে
মোৰ ক্ষুদ্ৰ গলি
যাত্ৰাপথত উপচি নপৰা হৈছে
কৃষ্ণচূড়াৰ হাঁহি।
তোমাৰ শূণ্যতাত ক্ৰমে.. ক্ৰমে
বিধ্বস্ত হৈ যাব ধৰিছো,
ইমান নিসংগতা, ইমান মৌনতা
ক্ৰমে শূণ্যতাত ডুব যাব ধৰা
হৃদয়খন বান্ধি ৰাখিবলৈ
বৰ কষ্ট হৈছে জানা!!
মোৰ সমগ্ৰ স্বপ্নবোৰ তোমাক দিছো
মোৰ সমগ্ৰ ভালপোৱাবোৰ তোমাক দিছো
মোক মাত্ৰ তোমাৰ হৃদয়খন দিয়া
যি হৃদয়ত থাকিব
ঐনিতমৰ দৰে নিবিড় হাঁহি
যি হাঁহিয়ে উৰুলিকৃত কৰিব
তোমাৰ মোৰ যুগ্ম জীৱন।
তুমি যদি চেষ্টা কৰিলাহেঁতেন বুজিবলৈ
মোৰ নৈঃশব্দ
তেতিয়া হয়তো বুজিলাহেঁতেন
মোৰ বুকুৰ কল্লোল
জানা, কেতিয়াবা নৈঃশব্দইও কৈ যায়
বুকুৰ গভীৰতৰ গদ্য।।

□□□

# তুমি নজনাকৈয়ে

ৰঞ্জন জ্যোতি শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

তুমি নজনাকৈয়ে পৰিলো মই তোমাৰ প্ৰেমত
সঁচাকৈ ভাবিলে আচৰিত লাগে।
সিদিনাখন মই তোমলৈ চাইছিলো
একেঠৰে বহু সময়লৈ,
সপোন সপোন লগা কথাত
মই নিজকে হেৰুৱাই পেলাইছিলো
মায়া সনা তোমাৰ মুখখনিলৈ চাই
মই বিদ্ধ হৈছিলো।
তুমি ভুল নুবুজিবা
তুমি নজনাকৈয়ে পৰিলো তোমাৰ প্ৰেমত
সঁচাকৈ
তোমাৰ প্ৰেমত নপৰালৈ ক'ব পৰা নাছিলো
প্ৰেমে জীৱনৰ অংকবোৰ কৰি তোলে ভুল।
মোৰ মৰমৰ 'মন'
তোমাৰ মেঘালী চুলিটাৰিলৈ মোৰ মনত পৰে
আচুতিয়াকৈ ৰখা কিম্বা বেণু গাঠি থোৱা
সিদিনাখন সুন্দৰ সুবাস এটি বিয়পি আছিল
তোমাৰ চুলিটাৰিৰপৰা।
মই তোমাৰ স্নিগ্ধ মুখনিলৈ বাৰে বাৰে চাইছিলো
'ৰামধেনু'
মই তোমাৰ মুখখনিত সাতোটি ৰং
দেখিবলৈ পাইছিলো।
তুমি নজনাকৈয়ে পৰিলো
...ম...ই...তো...মা...ৰ...প্ৰেমত।

□□□





# এজাক বৃষ্টিৰ আশাত

সাগৰিকা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ফাগুনৰ বাহ মৰলীয়ে
আৱৰ্জনাৰ দম বান্ধিছে।
সূৰ্য্যৰ প্ৰসৰ তাপত
মূৰ্চা গৈছে পৃথিৱী।
আহ্বান কৰিছে প্ৰকৃতিয়ে
নাঙঠ দেহক লুকুৱাই থবলৈ।
প্ৰকৃতিৰ জড়তা জুৰাবলৈ,
এজাক বৃষ্টিৰ পদাৰ্পণ হৈছে।
কিন্তু এজাক বৰদৈচিলাৰ
পুনৰ আগমনে নি:শেষ কৰিলে।
পৃথিৱীৰ সকলো আশা
প্ৰকৃতিৰ উদাৰ হৃদয়ৰ আহ্বান।।
মৰীচিকা খেদি ফুৰা
মৰুভূমিৰ পথ:ক্লান্ত বাটৰুৱায়ো,
এজাক বৃষ্টিৰ আশাতে
নিশ্চলতাৰে ৰৈ আছে,
চাদৰৰ আচল পেলাই।।

□□□

# বৰষুণ

জ্যোতিৰ্ময় কলিতা
স্নাতক দ্বিতীয় বৰ্ষ


শাওনৰ দোকাল টোকা
বৰষুণ জাকত
পিতাইৰ নাঙলৰ সীৰলুত
আশাৰ গজালি...
নি:সংগতাৰ জেক-জেকীয়া
বৰষুণ জাকে
তিয়াই থৈ যায়
অপ্ৰাপ্তিৰ আশাবোৰক
বাৰিষাৰ পথাৰখনত
আহে,
বানৰ প্লাৱন
গৰুৰ খোজৰ পানীবোৰত
জিলিকে,
তোমাৰ শেতা পৰা মুখ
ঘৰ্মাক্ত শৰীৰক
শাত পেলোৱা
এজাক জোনাকী নিশাৰ
ৰিম ঝিম ৰিম ঝিম
বৰষুণ...।।

□□□

# মঙলদৈ কলেজৰ গার্লছ হোষ্টেলত এতিয়া বৰষুণ

বিচিত্ৰ বৰদলৈ
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান)

মঙলদৈ কলেজৰ
গার্লছ হোষ্টেলত এতিয়া বৰষুণ
ঝুপ ঝুপ, ঝুপ ঝুপ
আঘোন বা ফাগুন বুলি
বৰ্ষা বা বসন্ত বুলি কোনো কথা নাই
গাভৰু জাক য'ত থাকে তাত বৰষুণ হবই
মঙলদৈ কলেজৰ গার্লছ হোষ্টেলত
সেইবাবেই চাগে এতিয়া বৰষুণ
দবাপিতা বৰষুণ।
বাহিৰত বৰষুণ বাবহে চাগে
বাৰাণ্ডাৰ তাৰত মেলি দি থোৱা
দোপাট্টাবোৰ সামৰি বুকুত
লৈছে গাভৰু জাকে
বাহিৰত বৰষুণ বাবেই চাগে
দুৱাৰ খিৰিকি জপাই সকলো
ৰুমৰ ভিতৰতেই সোমাই আছে।
কাৰেণ্ট যাবই বুলি আগতেই লাইট নুমাই
আন্ধাৰত মুখ গুজি সৌৰভ-প্ৰণবৰ
কবিতা আওৰাইছে।
গার্লছ হোষ্টেলৰ এই বৰষুণ
একো নতুন কথা নহয়
হয়েই এনেকুৱা
মোৰ চকুৰ আগতেই
কিমান দোপালপিতা বৰষুণে
ধুৱাই থৈ যায় এই হোষ্টেল
কিমান দুৰ্দ্দান্ত
কিমান উদ্ভট সেই বৰষুণ
বৰষুণ আৰু বৰষুণ।
বাথৰুমত বৈ যোৱা গৰাকীয়ে
শ্বাৱাৰত জল তৰংগৰ সতে
খেলিব পাহৰি গৈছে
নিলাভ ফেনিল সাগৰ এখনৰ স্বপ্নই
তেওঁক বলিয়া কৰিছে।
ফিলছফিৰ আধা লিখা নোট্ছটি
শেষ কৰাৰ কথা ভবা গৰাকীৰ
চিন্তাতো আউল লাগিছে



চৌৰাছিয়াৰ বাহীৰ সুৰ এটাৰ তালে তালে
শ্যেলী, কিট্ছৰ পৰা জীৱনানন্দ হিৰুদালে
অজস্ৰজনে কুছকাৱাজ কৰিছে
তেওঁৰ বুকুৰ শেলুৱৈ ধৰা পদপথেৰে
জুবিনৰ সেউজীয়া গানত
মজি থকা গৰাকীও
সুগন্ধি পখিলা এটা হৈ উৰি ফুৰিছে
হোষ্টেলৰ চুকে কোণে।
বাহিৰত বৰষুণ দিলে
গাভৰু জাকৰ পৃথিৱীত বসন্ত উৎসৱ চলে
বাহিৰত বৰষুণ দিলে
গাভৰু জাকৰ উচাহৰ শেষ নাথাকে
বাহিৰত বৰষুণ দিলে
গাভৰুজাকৰ বুকুৰ অৰণ্য আৱৰি
বেজাৰ লগাই হেজাৰ হেজাৰ
এজাৰ ফুলে।
ঘূৰণীয়া ঘূৰণীয়াকৈ বৰষুণৰ টোপালবোৰ
পৰিছে
চালৰ পৰা পিছলি খিৰিকিবোৰত বগাই
ফুৰিছে
দুৱাৰত টুকুৰিয়াইছে।
দুলি আছে
ব'হাগৰ প্ৰথমজাক বৰষুণত তিতা
কলপাত খিলাৰ দৰে দুলি আছে
গোটেই হোষ্টেলখন
সুমথিৰা ৰঙী আবেলিটো
বাকলিয়াই বাকলিয়াই
গাভৰুজাকক এবাৰ চাই যাবলে অহা
প্ৰেমিক চৰাই জাকৰ চাৱনিৰ
দোপাল পিতা বৰষুণত...।□□□

# তুমি যাবাগৈ বুলি জানো

ইউচুফ আনচাৰী
স্নাতক তৃতীয় বৰ্ষ (কলা)

তুমি যাবাগৈ বুলি জানো
আমাৰ গধূলিৰ আলাপবোৰ
স্মৃতিৰ শোক গাঁথা হ'ব
অনুভৱৰ নাওঁখনি লাগিবহি
বেদনাৰ বালিচৰত।।
তুমি যাবাগৈ বুলি জানো
তোমাৰ চিঠিবোৰ ডাৱৰ হ'ব
দুখৰ বৰষুণ হ'ব
য'ত এদিন হৈছিল শব্দৰ বৰষুণ,
তুমি ভালপোৱা গানবোৰে
মোৰ কলিজা কঁপাব!
তুমি গুচি যোৱাৰ পিছত
এন্ধাৰৰ দৰে নামি আহিব
মোৰ কোঠাটোলৈ শূণ্যতা
তুমি আহিলে যেনেকৈ
জকমকাই ফুলি উঠে হৃদয়
গুচি গ'লে তেনেকৈ
বুকুলৈ বাগৰি আহে এখন সাগৰ।
আজি অথবা কাইলৈ
তুমি যাবাগৈ বুলি মই জানো
অথচ নাযাবা বুলিও কব নোৱাৰো
তুমি টুকি যোৱা চকুপানীয়ে
নদী হৈ বুৱাই পেলায় মোক
গৰাহ হৈ মই চপৰা চপৰে খহো।
□□□

# কথাবোৰ ঘূৰাই নুখুজিবা

সুৰজিৎ কুমাৰ নাথ, বিজ্ঞানাগাৰ সহায়ক

কথাবোৰ ঘূৰাই নুখুজিবা
ভালপোৱাখিনিওঁ ঘূৰাই নুখুজিবা
ভালপোৱাখিনি ঘূৰাই দিব নোৱাৰি
মোক ভাল নাপালেও
যাক ভাল পাব খুজিছা
তুমি ভালপাব পাৰিবা
যিহেতু তুমি ভাল পাম বুলি ভাবিছা
পোৱাৰ পিছতে হেৰুওৱা যায়
হেৰুৱালেই পোৱা যায়
যিদৰে তোমাক পালো তোমাক হেৰুৱালো
তোমাক হেৰুওৱাৰ পিছতেই
নিজক বিচাৰি পালো
তুমি যাক ভাল পাবা
তাত মোৰ ভালপোৱাৰ
ঠিকনা হ'ব মৃত্যু
মই কিদৰে সহ্য কৰিম
অপমৃত্যু মোৰ ভালপোৱাৰ
তুমি গুছি গ'লেও অন্তত:
তুমি ভালপোৱাৰ ভালপোৱাখিনিকে
মোৰ হৃদয়ত থাকিব দিয়া
তোমাক ভালপোৱাৰ প্ৰথম কথোপকথনত
তোমাৰ ওঁঠ কপিছিল
যাৰ ফলত শব্দবোৰ লৰিছিল
তোমাৰ সময় নাই।
দ্বিতীয় কথোপকথনত তুমি
নিসন্দেহে উচ্চাৰণ কৰিছিলা
তুমি আমনি পোৱা তৃতীয় কথোপকথনত
তুমি মই দিয়া আমনিৰে ভাবাক্ৰান্ত আছিলা
চতুৰ্থ কথোপকথনত তুমি আৱিস্কাৰ কৰিছিলা
যে তুমি নাভাবিলেও তুমি ভাবিছা তুমি শূণ্য
শেষ কথোপকথনত তোমাক
ওপচাই পেলাইছিলো
অনুৰোধৰ ওপৰি অনুৰোধৰে
সেই কথবোৰ প্ৰিয়জনৰ দৰেই
মোৰ ড্ৰয়াৰত সযতনে আছে
মোৰ দিন যাপনত তোমাৰ কথাবোৰে
তোমাৰ অভাৱকে পূৰণ কৰিছে
ভালপোৱাৰ দৰেই মোক




আৱেগ দিছে, চুমা দিছে, স্বপ্ন দিছে
কথাবোৰেই মোক জীৱন দিছে,
গান শুনাইছে
তোমাৰ কথাবোৰতেই
তোমাৰ উপস্থিতি মোৰ চৌপাশত
কথাবোৰ ঘূৰাই নুখুজিবা
কুঁৱলীৰ ৰূপালীম নামেৰে এটা বন্দৰত
তুমি মোৰ সেমেকা চকুহালি দেখিছিলা
বসন্তৰ আন্তাবলত তুমি দেখিছিলা
মোক আঠুত মুখ গুজি বহি থকা
তাৰপৰাই তুমি ধাৰণা কৰিছিলা
মই ভিতৰি বিষণ্ণ মানুহ-
ক্ৰমান্বয়ে শেষ হৈ গৈছো
বহুদিনৰ মূৰত তুমি
কথা পাতিছিলা- সুধিছিলা
- মিথু আছে নেকি?
তুমি মোৰ মাত-
মোৰ কথা শুনিব খুজিছিলা
কি গৰজত তুমি বাৰে বাৰে
কথা পাতিব বিচাৰিছিলা
তোমাৰ ইমান ব্যস্ততাৰ মাজতো
ক'ব নোৱাৰা বহুত কথাই তুমি
ফুৰাই দিছিলা দুই ওঁঠৰ ফাকেৰে
বতাহ এজাকৰ সতে
উজ্জ্বল ৰাতিপুৱাৰ দৰে
মোৰ হেৰাব ধৰা দিনবোৰক বান্ধি ৰাখিছে
তোমাৰ এইবোৰ কথাই
কথাবোৰ তুমি ঘূৰাই নুখুজিবা
তোমাৰ ভালপোৱা আছিল অভিমানী
তোমাৰ কথাবোৰ আছিল অহংকাৰী
তথাপিও তোমাৰ প্ৰতিটো কথাৰে
মই আছিলো একমাত্ৰ প্ৰেমিক
তুমি চিন্তা নকৰিবা তোমাৰ
কথাবোৰৰ ভৱিষ্যতক লৈ
কথাবোৰ তুমি যাক দিব খুজিছা দিব পাৰিবা
কেৱল মাত্ৰ মোক কথাখিনি ঘূৰাই নুখুজিবা
কথাবোৰ মোৰ আত্মা আৰু জীৱন হৈ গৈছে
কথাবোৰ মোৰ জিভাত এঠা
লগাদি লাগি ধৰিছে
কথাবোৰ তুমি ঘূৰাই নুখুজিবা
মই দিব নোৱাৰিম... ❑❑❑

# প্ৰতিশোধ

হৃদয়াশ্ৰী ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ

বেদনাহত তোমাৰ চকুযুৰিত
দপদপকৈ জ্বলি উঠিছে
প্ৰতিশোধৰ দাবানল,
শক্তিহীন তোমাৰ পদযুগলে
মাথো দৌৰিছে! বেগাই আৰু বেগাই
ঘোঁৰাৰ দৰেই শব্দ কৰি কৰি।
মুঠি মাৰি থোৱা তোমাৰ দুহাতত
জিলিকি উঠিছে নতুন শকতিৰ নতুন অস্ত্ৰ।
ভাবিছিলা তুমিও ৰচো বুলি অনাগত দিনত
নব-নব স্বপ্নৰ পুৰী।
জীৱন বাট বুলিবলৈ দিছিলা আগুৱাই
তোমাৰ ভৰিৰ নীৰৱ খোজ।
দুহাতত সাৱটি লৈছিলা
সুবাসেৰে সনা ফুলৰ কলি,
যৌবনৰ মাদকতা সানি
তুমিও হ'ব খুজিছিলা তৰাৰ দেশৰ ৰাণী।
ক'তা? হ'ল জানো তোমাৰ
সপোনবোৰ আশাৰ খিড়িকী
আশাবোৰ পোৱাৰ দুৱাৰ
কথাবোৰ বতাহে বতাহে ভাহি আহিছিল...
ইস্ আস্ তাইৰ জীৱন
কোন সেই নৰাধম?



কাপুৰুষৰ পুৰুষালি ছাঁ,
নিলৰ্জ্জ মানৱৰ নিলৰ্জ্জ কৰ্ম।
শুনিবলৈ তুমি কলা হৈ গৈছিলা,
ক'বলৈ তুমি বোবা হৈছিলা,
প্ৰতিশোধ ল'বলৈ তুমি অসহায় আছিলা।
মনৰ নিভৃত কোণত আঁকি লৈছিলা
জীৱনৰ দাগ!
বুজাব নোৱাৰা সাঁথৰৰ
ভাঙনি বিচাৰি তুমি
আৱতি কৰিছিলা নিতে নিতে
কাক, কেতিয়া তুমি নিজেও নাজানা
তথাপি এটা উত্তৰৰ আশাত..
সিদিনা বোলে তোমাৰ আঁৰতি সফল হ'ল!
ৰ'বা, বাতৰিটো কোনে দিলে জানা
সেই যে নদীয়ে ধুই নিয়া অশোধিত তেজৰ
দাগ লগা চোকা অস্ত্ৰপাতে।
কৈ গৈছিল, 'মই দাগবোৰ ধুই নিকা কৰি
আনকো বুজাই দিম জীৱনত
দাগ লগোৱাৰ পৰিণতি।'
কি কৰিছিলা তুমি নাজানা?
অ' তুমি অতীত ৰোমন্থন কৰিছা!
সেই যে ৰঙা বেলিৰ হেঙুলী কিৰণত
তেজৰঙা তোমাৰ গাভৰু দেহত
এটা এটাকৈ পৰিছিল
উন্মাদ পিশাচৰ আঁচোৰ।
অসহ্য! কি যে বেদনাভৰা সেই স্মৃতি
পাহৰিব খুজিছা কিন্তু পৰা নাই
অৱশেষত কামফেৰা তুমি কৰিয়ে পেলালা।
পথাৰৰ দানৱী হৈ থকা
কালতে লোৱা কাঁচিখন
চোকা কৰিছা ঘঁহি ঘঁহি
আৰু বহুৱাই দিছা
নৰ পিশাচৰ দেহত সজোৰে।
আ! ৰক্ষা
তোমাৰ প্ৰতিশোধ পূৰণ হ'ল
তোমাৰ জীৱন সফল হওঁক
এয়ে কামনা কৰিলো
তোমালৈ অনাগত দিনৰ..।□□□



# মোৰ কবিতাৰ শিৰোনামা

দিপালী কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

আজি মই
লিখিম কবিতা
প্ৰকাশ কৰিম
মোৰ হৃদয়ৰ ভাষা
এটুকুৰা উকা কাগজত
নীলা চিয়াহীৰে
লিখি যাম মোৰ
চুৰমাৰ হৈ যোৱা
হৃদয়ৰ ব্যথা।
মোৰ কবিতাৰ শিৰোনামা
হ'ব প্ৰতাৰণা
যাৰ বাবে সহিছিলো
নীৰৱ যাতনা।
কৰিছিলো অপব্যয়
বহুতো সময়ৰ...
যাৰ ভৰষাত কৰিছিলো
বহুতো আশা।
আজি বাৰুকৈয়ে বুজিলো
নোপোৱাতকৈ
পাই হেৰুওৱাৰ
নিৰ্মম বেদনা।
সেইবাবেইটো
মোৰ কবিতাৰ শিৰোনামা
প্ৰতাৰণা। □□□

# হাঁহি থাকো বাবেই সুখত থকা বুলি ভাবে বহুতে

দ্বীপ কিশোৰ শইকীয়া
প্ৰাক্তন উঃসঃ, সাঃসঃ, ছাঃএঃসঃ

হাঁহি থাকো বাবেই সুখত থকা বুলি ভাবে বহুতে এক বি-ন্দা-চ অনুভৱ
দুৱাৰে দুৱাৰে টুকুৰিয়াই কাৰোবাৰ তিতা কেহা খাও
তোমাৰ আন্তৰিকতাৰ বাবেই হাঁহি থাকো সপোন
নিজৰ বাবে নিজে সপোন দেখা বাবেইতো মই কান্দিব নোৱাৰো
প্ৰেম বিচাৰি যোৱা কেইজনক দেখি গম পাও ভালদৰে ভালপোৱাৰ মহত্ব কিমান!
জীৱনৰ 'টানিং পইণ্ট' বোৰলৈ চাব আজিকালি মোৰ বৰ ভয় লাগে
যেন আৰম্ভ হৈ যায় গোষ্ঠীগত সংঘৰ্ষ
ওদালগুৰি কিম্বা দৰং বাসীৰ আৰ্তনাদ
হে ভগৱান আমাক অলপ শান্তি দিয়া!
বিপোজৰ মিঠাই, প্ৰটিনৰ বাবে হৰলিক্স ইহঁতবোৰৰ প্ৰিয় নহয়
তথাপি হাঁহি থাকো বাবেই সুখত থকা বুলি ভাবে বহুতে আজিকালি জীয়াই থাকিবৰ বাবে চিগাৰেট আৰু মদ্য পান কৰাটো জৰুৰী নেকি? মোৰ সপোন ইহঁতবোৰৰ আড্ডা আৰু চিৎকাৰৰ ফালে চালে মোৰ মনত পৰে সেই বিখ্যাত মনালিছাৰ হাঁহিটোলে
কিন্তু মই হাঁহি থাকো বাবেই....।

□□□



# অপেক্ষা

প্ৰণৱ কুমাৰ শীল
স্নাতক তৃতীয় বৰ্ষ (কলা)

নাজানো কিনো আছিল তোমাৰ
সেই দুচকুৰ চাৱনিত।
য'ত দেখিছিলো মোৰ প্ৰতি
থকা অজুত মৰম।
যোৱা নিশা তোমাৰ চকুজুৰি
সপোনত দেখিলো
ভাব হ'ল ই এক জীৱনজোৰা
ভালপোৱাৰ স্মৃতিস্বৰূপ।
হৃদয়ৰ নিভৃত কোণে
উচুপি উঠে
মনত পৰিলে তোমাৰ বিদায়ক্ষণ।
কিন্তু বিদায়ে হেনো আনে
নতুনৰ পূৰ্ণ জোৱাৰ
তাৰেই অপেক্ষাৰে...।□□□

# জোৰা খুৱাম নহয় মই

(জোৰা যে নাখাই কোনো মতে)

ভাৰ্গৱ কুমাৰ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ (কলা)

পাৰ পোৱালি যোৰ আৰু চাৰি আখি ভীম কল
মুঠতে পালো দুকুৰি ন টকা।
বজাৰৰ ফৰ্দি - চাহপাত, নিমখ আৰু কেৰাচিন
হাতত চোন বাচিল মাথো তিনি টকা আঠঅনা
দুখ নকৰিবি কণ বোপাৰ মাক
এই বজাৰতো তোৰ ব্লাউজটো আনিব নোৱাৰিলো
(জোৰা যে নাখাই কোনো মতে)
বৰ শিমলুৰ তলৰ মাটিডৰা
এইবাৰ নামাৰিলে বানে
পাম চাগে অলপ সকাহ!
মাইচানা ডাঙৰ হৈ আহিছে
চাওঁচোন পাৰো নেকি ভাঙিব এইবাৰ
তই সই থোৱা গোসানীৰ লেঠা।
আৰুতো আছে বহুত কেনা;
কণ বোপাৰ মেট্ৰিকৰ ৰিজাল্ট দিওঁ দিওঁ
হেড্ মাষ্টৰে কৈছে- 'তাৰ ৰিজাল্ট ভাল হ'লে চহৰত পঢ়াব লাগে।'
দুখ নকৰিবি তই
জোৰা টাপলিৰে অটাব নোৱাৰিলে
মাটি দুপুৰাকে বন্ধকীত থম।
তথাপি তাক মানুহ কৰিম।
খাহী ছাগলী দুটা বেচিলে চাগে
বৰ ঘৰটো ইকৰা গুচাই
এইবাৰ পাৰোৱেই টিনৰ কৰিব!
হব হব অহা বজাৰত
যেনে তেনে তোৰ ব্লাউজটো আনিমেই আনিম।
(লাগিলে দুদিন আন্ধাৰতে থাকিম)
মনটো ভাঙি নিদিবিচোন তই
কেনেবাকৈ নহয় কেনেবাকৈ
জোৰা খুৱাম নহয় মই
(জোৰা যে নাখাই কোনো মতে)।

□□□

# মোৰ তেজৰ ছিটিকনি

বিনয় দাস
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

সৌৰা ক'লা ডাৱৰে আৱৰি পেলাইছে
নীলা বৰণীয়া আকাশৰ ৰঙীন পোহৰ
হঠাৎ সকলো অন্ধকাৰ।
সেয়া অন্ধকাৰ....
য'ত চলিছে কেৱল দগাবাজৰ
ৰসাল অধ্যায়।
ময়ো তাৰ নিষ্ঠুৰ পৰিণতি আৰু
বিষাক্ত হাতোবাৰ কবলত বন্দী।
ব্যৰ্থতা...
য'ত থমকি ৰয়..
ব্যৰ্থতাই মোৰ পাতনি আৰু শেষ!
বহু সপোন, বহু ত্যাগ
কেৱল জন্ম ভূমিৰ সৰ্বাত্মক
মুক্তিৰ বাবে।
হাতত আগ্নেয়াস্ত্ৰ লৈ
পাহাৰে ভৈয়ামে ঘূৰি ফুৰিছো
তমসা বিনাশ কৰাৰ বাবে।
কিন্তু, ব্যৰ্থতাই..
আনি দিলে এক
ক্লান্তি ভৰা জীৱন।
মোৰ ত্যাগৰ বিনিময়ত
পালো মাথো:..
উপহাস আৰু তাচ্ছিল্যৰে
ভৰা বিষাক্ত পুৰস্কাৰ।
নাজানো মোৰ তেজৰ ছিটিকনিয়ে
মুক্তি কৰিব পাৰিবনে
এই অভিশপ্ত জীৱন।
নাজানো মোৰ বিদ্ৰোহী আত্মাৰ
মুক্তি কেতিয়া?

□□□



# মা

বাবুল নাথ
স্নাতক তৃতীয় বৰ্ষ (কলা)

ফুলৰ দৰে ধুনীয়া নহয় মোৰ মা
অন্তৰৰ পৰা তেনেই সুন্দৰ
মোৰ মাৰ হাতযোৰ
জামৰ দৰে নিপোটল নহ'লেও
ছাই বৰণীয়া হাতৰ এসাজ
বহুতৰেই আকৰ্ষণীয়।
মোৰ মাৰ ওঁঠ কমলাবুলীয়া নহয়
মাৰ ওঁঠৰ ভাষাত মৌ নাথাকিলেও
শুনি থাকিব পাৰো আমনি নলগাকৈ।
বহু বসন্তই থকা-সৰকা কৰা মাৰ দেহ
পিঠিত সৰুকৈ এটা কুঁজ পৰিলেও
কামলৈ মেকুৰী ভয় মাৰ নাই।
মাৰ শোতোৰা শোতোৰ ছালত
গাভৰু তেজৰ সৰবৰাহ নাই
আঠোটিকৈ ল'ৰা-ছোৱালীৰ নখৰ
আঁচোৰ পৰা মাৰ গাৰ ছাল
মাৰ শুকান স্তনত নাই লাজৰ পয়োভৰ।
তামোলৰ ঢকুৱাৰ জুইয়ে মাক
আমুৱাব নোৱাৰে
মা ফেৰ মাৰিব নোৱাৰা পাকৈত গৃহিণী।
দুখৰ দিনতো হাঁহি থাকিব পৰা মোৰ মা
ধুমুহাৰ মাজতো হালি নপৰাকৈ
থিয় থাকিব পৰা মোৰ মা
এনে সৌভাগ্যবান আৰু আছেনে কোনোৱা?

□□□

# সঙ্গদোষ

লতিকা বড়া
স্নাতক প্ৰথম বৰ্ষ (কলা)

মানুহৰ সঙ্গদোষত হয় অধ:পতন,
সৎ সঙ্গই আনে
মান-যশ অশেষ
অসৎ সঙ্গৰ পৰিণাম ভয়াবহ অতি
জীৱনত আহে
বিঘিনি অলেখ।
জীৱন গঢ়িবলৈ
মাথো সংস্কাৰৰ প্ৰয়োজন।
কুসঙ্গৰ লগ নালাগে লাগিব
তাতোকৈ ভাল
নিসঙ্গ জীৱন।
প্ৰথমতে গঢ়ি লৈ আদৰ্শ এক জীৱন
ধন ঐশ্বৰ্য্য যত
ভাৱা প্ৰয়োজন
পিছত বিলাৱ লাগে নিজ আদৰ্শ
কৰ্মৰ যোগেৰে
গঢ়িবা আনৰ জীৱন।
এবাৰ কুস্বভাৱ আহিলে জীৱনত
প্ৰতিভাত হয় ই
ওৰে জীৱনত
শিক্ষা জ্ঞানৰ হয় পৰিসমাপ্তি
জীৱন কটাব লাগে দুখত।

□□□



# অভিমান

ধনদা ডেকা
স্নাতক প্ৰথম বৰ্ষ (কলা)

নালাগে একোকে ক'ব মোক...
তোমাৰ হিয়াৰ দুৱাৰ খুলি,
নালাগে যাঁচিব মোক
তোমাৰ হিয়াৰ সম্ভাষণ
ৰুদ্ধ কৰি থোৱা
তোমাৰ সেই দুৱাৰ
থাকি যাওঁক তাতেই..
অদৃশ্য ভাষাৰে থোৱা ঢাকি।
নালাগে কব আৰু
ভুলতো এবাৰ
মই তোমাক ভালপাওঁ বুলি
নালাগে নিদিবা সেই যন্ত্ৰণা ঢালি।
নিস্তব্ধতাৰে থোৱা আৱৰি
হিয়াৰ প্ৰতি ভাষা,
মৌন হওঁক ওঁঠ দুটি
নালাগে দেখুৱাব আৰু সঁহাৰি।
নালাগে নাহিবা আৰু কাষলে
অন্ধকাৰ কোঠাত জোনাক দিবলে
নালাগে আৰু সেই জ্যোতি
অন্ধকাৰেই হওঁক প্ৰতি নিশাৰ লগৰী।

□□□



# সুবাস

তৃষ্ণা ননী দাস
স্নাতক দ্বিতীয় বৰ্ষ

সেই যে দেখিছিলো তোমাক
দুৰৰিৰ দলিচাত
নিয়ৰ কনাৰ দৰে..
টোপে টোপে সৰিছিলা তুমি।
মোৰ উৎকীৰ্ণ দুহাতেৰে
বুটলি লৈছিলো তোমাক
স্থাপন কৰিছিলো মোৰ
বুকুৰ বেদীত।
ৰাতিৰ নিস্তব্ধতাত
বগুৱা বাই আহা তুমি..
মোৰ বুকুৰ অভ্যন্তৰলৈ
তোমাৰ পাহি বিন্যাসেৰে
ঢাকি ধৰা মোক
সংগোপনে।
মোৰ কণ্ঠত ঢালি দিয়া তুমি
জোনাকৰ অমিয়া পিয়ুষ।
আচলতে মই..., আজন্ম
তোমাৰেই প্ৰেমিক
শৰৎ কিম্বা হেমন্ত বুলিবলৈ মোৰ
একোৱেই নাই
তোমাক পালেই মই সকলো পাওঁ
তুমি আঁতৰি গলেই মই
জীৱন গতি হেৰুৱাওঁ।

□□□







# সাকোখন

দীপান্বিতা শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (কলা)

তুমি সজা ওলমা দলংখন
আজি মৃত শেলাইৰে ভৰা
তুমি লিখা কবিতাটিয়ে আজি
প্ৰেমৰ ঝংকাৰ তুলিছে
নাঙলৰ সিৰলুত সাজিছিলা
তুমি ওলমা দলংখন
সপোনৰ দলংখনত তুমি
মধুৰ বীণ বজাইছিলা।
পাৰহৈ গৈছিল এটি, দুটি মিঠা ক্ষণ
সেই বীণৰ সুৰত।
আজি শেলাইৰে ভৰা ওলমা দলংখনত
নাইকিয়া সেই বীণৰ সুৰ
কেৱল বিষাদে ঢকা এটি তমসা।
কৃষ্ণচূড়াৰ পাহিবোৰ আজি হালিছে জালিছে
কিন্তু সপোনত
কাঁইটীয়া বাটেৰে যাবলৈ লাগে ভয়
কিজানি কাঁইটে বিন্ধে
সেই ফুলৰ পাপাৰিবোৰ মৰহি গৈছে
গছকিছে কোনোবা পথযাত্ৰীয়ে
কাৰণ,
আজিযে দলংখন শেলাইৰে ভৰিছে।

□□□

# প্ৰতাৰিত হৃদয়ৰ আত্মলিপি

বিপুল চহৰীয়া
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

তুমি হেৰাই যোৱাৰ পিছত
হেৰাই গ'ল বহুতো মোৰ পৰা
ফাগুন আহিলে ভাল নলগা হ'ল
পাহৰি পেলালো আইতাৰ সাধু
চন্দ্ৰপ্ৰভা কনচাৰী হোৱাৰ কথা
ৰামচন্দ্ৰৰ হুমুনিয়াহ
মাৰ আঁচলৰ হালধী গোন্ধ
আৰু তোমাৰ কম্পিত ওঁঠৰ ভাষা।
প্ৰতাৰণাই চিৰাচিৰ কৰা হিয়াখন
সহচৰ মোৰ এতিয়া
বিষাদ যাতনাত চিঞৰি কান্দিবলৈ
মই আজি চকুলোৰ দুখীয়া
এতিয়া আৰু একো নামেৰেই
নেমাতো তোমাক
পাহৰি যাম তোমাৰ নামবোৰ
জীপাল হিয়াত নমাই আনিম
শীতৰ খৰাং।
মুখৰ জিলমিলত ডাঙৰ হোৱা তুমি
কি বুজিবা দুখৰ কজলা ৰং।
বহুতো শিকিলো তোমাৰ পৰা
হৃদয়ত মৰমৰ ছোমালিয়া থাকিলে
কিদৰে শেষ হৈ যায় প্ৰেম
মাথো তিনিটা শব্দতে।
হৃদয় জুৰি কৈছিলা বাবেই
মোৰো সপোনবোৰ বসন্ত হৈছিল,
বলীয়া হৈছিলো,
তোমাৰ অভিমানী দু-চকুত বৰষাৰ কবিতা
ৰ' লাগি চাবলৈ
কিন্তু! কৰ্পূৰৰ দৰে উৰি গ'ল সকলো
মাথো শুকান নদী এখন লৈ
বিষাদ মৰুৰ দৰে পৰি ৰ'লো মই
মৰিচীকা খেদিলো প্ৰতিটো বিষাক্ত
ৰজনীত।
আৰু এতিয়া মই লাহে লাহে
ভাল পাবলৈ শিকিছো, মৃত্যুৰ শিহৰণক
ডায়েনাৰ দৰে স্পৰ্শলৈ
পাহৰিব খুজিছো প্ৰতাৰণাৰ ইতিহাস।


# অসমী আই

বিজু বৰুৱা
স্নাতক প্ৰথম বৰ্ষ (কলা)

আজি এয়া পবিত্ৰ ক্ষণত
তোমাৰ চৰণত আই
নিবেদিছোঁ এপাহি পুষ্পাঞ্জলি
আহিছো ওলাই
একতাৰ জয় গান গাই।
শান্ত হোৱা মাতৃভূমি
চোৱা এবাৰ চকুমেলি
ঐক্যতাৰে গঢ়ি
এখন শান্তিৰ ধৰণী।
□□□



তুমি চাই থাকিবা,
এটা নেজাল তৰা হৈ উৰি যাম
তোমাৰ ঘৰৰ ওপৰেদি
খহি পৰাৰ আগতেই অন্তত:
থুৱাই দিব পাৰিবা।□□□



# এজাক দুখৰ বৰষুণ

ইজাজুল হক
স্নাতক দ্বিতীয় বৰ্ষ

সপোন ভঙাৰ বতৰত
দুখৰ বৰণে ভিৰ কৰে..
মাজৰাতি বিচনাৰ পৰা
দূৰ দিগন্ত দেখা পোৱা
উৰুখা পজাৰ চালৰে
কিমান তৰা গণিলো
কিন্তু! উভতি নাহিল
হেৰাই যোৱা জন...
বৰষুণৰ ৰাতি সৰি পৰা
টোপাল টোপাল পানীৰে
উপচে মজিয়া,
মজিয়া হৈ পৰে
বাৰিষাৰে বান...
দুখৰ ৰাতি নাযায় নুপুৱায়
এনেকৈয়ে যায় সময়বোৰ
আকৌ আহে
গছত কপৌফুল
ঢোলৰ ছেওত
বসন্তৰ গান
তথাপি নাহে
হেৰাই যোৱা জন..
এয়া হয়তো মেঘমল্লাৰ
সেউজ হৃদয়ত
এজাক ধাৰাষাৰ বৰষুণ।
□□□

# প্ৰতিধ্বনি

মণিষা কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

গহন বনত
ৰি ৰি কৈ প্ৰতিধ্বনিত
এটি দূৰৈৰ বাহীৰ সুৰ
নিজান বনৰ
নিজান কোণত বিয়পি
আকাশ বতাহ মুখৰিত কৰাৰ দৰে...
এটি নিৰ্মল
মিঠা স্বচ্ছ হাঁহি
বুকুৰ ভিতৰত ৰাখি
সুখী হ'ব পৰা জনৰ দৰে...
যান্ত্ৰণাৰ ছটফটনিয়ে
কঙাল কৰা সৰু কলিজাৰ
কেচা ঘাত
সুখৰ আহদি ঢালি
আনন্দৰ এটি মিঠা হাঁহি
বিৰিঙোৱাৰ দৰে...
জীৱনটো যদিহে একেবাৰে
সহজ নহ'লহেঁতেন।

□□□



# স্মৃতিৰ আলসুৰা টুকুৰা

অৰ্পনা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ




মা, তোমাৰ মনত আছেনে
সেই জুপুৰীটোৰ কথা
তোমাৰ লগত যে মোৰ
কিমান কথা পাতিবলগীয়া আছে
আঘোনৰ সোণোৱালী পথাৰত
জিলিকা ধাননিৰ কথা।
ৰঙমন ককাইহঁতৰ ধানৰ ডাঙৰিবোৰ
কিমান গধূৰ হৈছে
সেইবোৰ কথা।
চুবুৰীয়াৰ ঘৰত, আপদ-বিপদৰ কালত
তুমি যে চাকি জ্বলাইছিলা
সেইবোৰ কথা আমি আজিও পাতিম মা,
আকাশৰ তলত বহি।
শৈশৱৰ ধূলি মাকতিৰে ভৰা
মোৰ দেহটি তুমি ধুৱাই দি
মোৰ কপালত চুমা আঁকি
আলফুলে মোক সাৱতি ধৰি
মোক যে সাধুৰ দেশলৈ লৈ গৈছিলা
কিযে মধুৰ আছিল, সেইকথাবোৰ
তোমাৰ বাৰু মনত আছেনে?
শীতৰ নিশা কাশীজোনৰ মুনিচুনি
পোহৰত, তুহ জুইকুৰা জ্বলাই
তুমি মোক ভাত খুৱাবলৈ লওতে
কেতিয়াবা যে মোৰ মুখখনি
অভিমানত ওফন্দি উঠিছিল।
মা, ঠিক সেইদিনাৰ দৰেই
শীতৰ সেমেকা বতাহজাকে
আজিও মোৰ দেহ-মন
কপাই তুলিছে...।
কাশীজোনটো আজিও কিন্তু আছে...
তুমি তুলসী গছৰ গুৰিত
সদায় চাকি দিয়াৰ দৰেই
ময়ো জ্বলাইছো এগছি
শীতল বন্তি।
হৃদয় সমুদ্ৰৰ অনন্ত লহৰত
আজি জোৱাৰ উঠিছে বাৰে বাৰে
মা...
অফুৰন্ত শব্দৰ বিন্যাস
হেৰাই গ'ল, তোমাৰ
নিস্তেজ দুটি ওঁঠৰ কোণত।
তোমাৰ বৰ্ণময় জীৱন বন্তি
নুমাই গ'ল মা।

□□□

# শাৰদীয় নিশা আহিবানে মনিযা...?

বিশ্বজিৎ ডেকা
স্নাতক প্ৰথম বৰ্ষ

জোনাকে মোৰ চোতালত উমলা
শাৰদীয় নিশা, তুমি আহিবানে মনিষা?
তুমি আহিলে হৃদয়খনকে মেঘোলিন সজাই
মেঘমল্লা ৰাগৰ আখৰা কৰিম
তুমি আহিলে তেজবোৰ চিয়াঁহী সজাই
শাৰদীয় প্ৰেমৰ কবিতা লিখিম
আৰু নাহিলে 'মৰনৈ'ত জাপ দি মৰিম।
তোমাৰ আগমনত এন্ধাৰ গলি জোনাক হ'ব
জোনাকৰ বৰষুণ হ'ব
আমি দুয়ো তিতিম, বিষাদবোৰ দলিয়াই দিম
প্ৰাণ খুলি মুক্ত আকাশৰ তলত কথা পাতিম,
'ৰোমিঅ-জুলিয়েট' অথবা 'লাইলা-মজনু'ৰ
প্ৰেম কাহিনীৰ আখৰা কৰিম।
তুমি যদি আহা মই পুনৰ জী উঠিম
তোমাৰ বুকুৰ গোপন ঠাইত মই
ভালপোৱাবোৰ সিঁচি দিম
তেজৰ প্ৰতি কোঁহে কোঁহে
বিলাই দিম মোৰ উশাহৰ উত্তাপবোৰ
তোমাৰ কৰবীত গুজি দিম
শাৰদীয় জোনাকবোৰ।
তোমাৰ বাবেই শৰত বৈ আছে
তোমাৰ বাবেই নিয়ৰবোৰে দলিচা সাজিছে
তোমাৰ বাবেই স্নিগ্ধ শেৱালি ফুলিছে
মনিযা নহাকৈ নেথাকিবি
তোমাৰ বাবেই অপেক্ষা কৰি
কত পাৰ কৰিছো বিনিদ্ৰ ৰজনী।
এবাৰ চাই যোৱাহি মনিযা
কেনেদৰে ৰাতিবোৰ হত্যা কৰিছো
কলিজাটো ফালি চিৰা-চিৰ কৰিছো
নিস্তব্ধ নিশাৰ বুকুৰ পৰা কাঢ়ি আনি
নিয়ৰবোৰ দুচকুত সানি লৈছো
আলসুৱা প্ৰেমৰ শব্দবোৰেৰে
বিষাদৰ কবিতা লিখিছো।
মনিষা এবাৰ চুই যোৱাহি মোৰ কলিজা
জীয়াই থাকিবলৈ পাম কিঞ্চিত প্ৰেৰণা
তুমি আহিলে...
জোনাকে চুমা দিব ওঁঠত
শেৱালি ফুলিব মোৰ হৃদয়ত
নিয়ৰবোৰে খেলিব
ঢৌ খেলা তোমাৰ মেঘালী চুলিত
আৰু নাহিলে মনিযা
সাৱটি ল'ব মোক
এন্ধাৰে নতুবা 'মৰনৈ'য়ে
তুমি নাহিলে...
মোৰ বুকুৰ সাগৰত জোৱাৰৰ ঢৌ উঠে
মনিষা প্লিজ, নহাকৈ নাথাকিবা
শাৰদীয় নিশা... ।□□□



# মাজুলীৰ বাইজনী

বিপ্লৱ গোহাঁই
স্নাতক তৃতীয় বৰ্ষ

বাই, তই কুশলে আছনে?
বহু দিনেই হ'ল খবৰো পোৱা নাই
পোনাটি চাগে বহু ডাঙৰেই হল নহয়নে?
আজি দহ বছৰেই হ'ল
মানুহজন আঁতৰি যোৱাৰ
মাটিখিনিও চাগে বন্ধকতে আছে নহয়নে?
তই বাৰু বছৰেকীয়া শ্ৰাদ্ধখন পাতনে?
তই বাৰু আজিও ফুল তোলনে
ৰঙা পাৰি দিয়া মিচিং চাদৰত
তাকো তেনেহ'লে শিকাবি
মাটিৰ ফলিত সপোন ৰচিবলৈ,
বাই আজিও তহঁতৰ গাঁৱত বাজেনে
ঐ নিতমৰ বাগ আৰু
মিচিং ডেকাৰ চিফুং বাঁহীৰ সুৰ!
সেই যে লুইতৰ বুকুত জাহ যোৱা মাটিখিনি
ভাবিলে চাগে দুখেই লাগে তোৰ নহয়নে
কিবা পালিনে সৰ্বহাৰাৰ সাহাৰ্য্য?
ভগা জুপুৰিটোৰ তলত
আজিও মাজনিশাৰ নিৰৱতাত
ৰু-ৰুৱাই বাজি উঠা স্মৃতিৰ কৰুণ সুৰত
দপ্‌দপাই জ্বলেনে শৰবিদ্ধ হৃদয়খন?
তোৰ চিন্তাৰ আৰত বিলীন হৈ যায়নে
তিমিৰাছন্ন দুখৰ উপত্যকা
জোনটোৱে বাৰু ৰাতি চিৎকাৰ কৰি উঠেনে
তোৰ মনৰ আকাশত!
তোৰ বাৰু মনত নপৰেনে
উপজা গাঁৱত থকা বৃদ্ধা আয়েৰেলৈ
নে সংসাৰৰ চাকনৈয়াত
তই পাহৰিয়েই পেলালি
দয়া, মৰম, চেনেহ আৰু অনুভূতি।
সেয়ে তই এদিন হ'লেও আহিবিচোন
উপজা মাটিৰ সুঘ্ৰান লবলৈ
বাই, তই কুশলে আছনে?
□□□

# ভিন্ন শিল্প

*সম্পাদকলৈ চিঠি,*

নীলিম কুমাৰ, ০৬-০৯-২০০৮

মহাবিদ্যালয়সমূহৰ বাৰ্ষিক মুখপাত্ৰ সমূহতেই অধিক প্ৰতিভাবান নতুন লিখক-লেখিকাই আত্মপ্ৰকাশ কৰে। বাৰ্ষিক আলোচনীৰ এই ভূমিকা সদায় আদৰণীয়। আজিৰ হিংসা জৰ্জৰিত আৰু সংকট কালত মঙলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীয়ে অসমৰ প্ৰতিচ্ছবি দাঙি ধৰক। অসমক পথ দেখুৱাওক। নতুন প্ৰতিভা বিকাশৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ লগতে অসমৰ সৃষ্টিশীল সাহিত্য জগতখনত নতুন পৰীক্ষা-নিৰিক্ষাৰে সাৰ-পানী যোগাওক। এয়ে কামনাৰে এই আলোচনীৰ সমূহ লিখক লেখিকালৈ মই শুভেচ্ছা জনালোঁ।□□□

## অনুভৱী হৃদয়ৰ ভাষা

মনালিছা ডেকা,
স্নাতক তৃতীয় বৰ্ষ (কলা)

বহুত মৰমৰ

গীত,

কুশলেতো আছা ছাগৈ তুমি? তুমি মোক নিদিলা যি নিদিলা এটা সপোনো নিদিলা যাক সাৰটি আলফুলে মই বুলিলোহেঁতেন জীৱনৰ বাট। জানা, বৰ দুখত আছো অ' এতিয়া। এবাৰ যদি চুই চোৱা মোৰ বুকুৰ ঘাঁবোৰ। মই জানো তুমি নিষ্ঠুৰ নোহোৱা হবও নোৱাৰা। তুমি যদি নিজক ফাঁকি দি হৃদয়ক ফাঁকি দিব পাৰা তেনেহ'লে ময়ো তোমাক বাদ দি সুখী হব পাৰিম। আচলতে ময়ো কাৰোবাক হৃদয় উজাৰি ভালপাব বিচাৰিছিলো। কাৰোবাৰ প্ৰেমত আকণ্ঠ ডুবি যাবৰ মন গৈছিল। তোমাক লৈয়ে জীয়াই থাকিব বিচাৰিছিলো। কিন্তু তুমি নুশুনিলা মোৰ হৃদয়ৰ আহ্বান। আঁতৰি গ'লা মোৰ কাষৰ পৰা মোৰ জীৱনৰ পৰা। অথচ মই??? বহুত অভিমান সাঁচি থৈ মাথোঁ বাট চাই আছো তোমালৈ। যদি মোক নিবিচাৰাই তেনেহলে কিয় তুমি মোক এই সম্পৰ্কৰ মাজলৈ টানি আনিছিলা? এই পৰিণতিহীন সম্পৰ্কৰতো আৰম্ভণি তুমিয়েই কৰিছিলা। অথচ তাৰ আৰম্ভণিতে কৰা অংগীকাৰ তুমি ৰাখিব নোৱাৰিলা। মই যে আজিও সেই অংগীকাৰকে লৈ জীয়াই আছো। কেতিয়াবা ভাবো কিয় জোনাক বুলি ভুল কৰিছিলো? কিয়? কিয় একেখন নদীতে দুবাৰ গা ধুব নোৱাৰি বুলি জানিও মই স্নান কৰিব বিচাৰিচিলো তোমাৰ বুকুৰ উত্তাল জলপ্ৰপাতত। আচলতে দুখৰ যি অভিজ্ঞতা আছে সেয়া সুখৰ নাই। কিন্তু জীৱনৰ বিজ্ঞ দাৰ্শনিক হ'বলৈ মই তোমাৰ ভালপোৱাৰ বাবে আকুল হোৱা নাছিলো। মই তোমাক বিচাৰিছিলো, তোমাৰ ভালপোৱা বিচাৰিছিলো, বিচৰা নাছিলো যে তুমি মোৰ বাবে এৰি থৈ যাবা এটি অসুখৰ কবিতা, খুউব মৰমৰ উপহাৰ স্বৰূপে। মোৰ শীতৰ শুকান দিনবোৰৰ পিছত জীৱনক সজাব বিচাৰিছিলো আঘোনৰ পথাৰৰ দৰে। সঁচা কথা আকৌ এবাৰ আৰম্ভ কৰিবৰ মন যায় জীৱনত তোমাক দেখাৰ সেই প্ৰথম দিনটোৰ পৰা, এটি সন্ধ্যা বা আবেলি তোমাৰ সৈতে কটোৱাৰ হেপাঁহ জাগে ঠিক আগৰ দৰেই।

ভুল নুবুজিবা, হাজাৰ কলেও মই তোমাৰ সেই প্ৰাচীন প্ৰেমিকাজনীয়ে। তোমাক এসাগৰ ভাল পাব পৰা মই তোমাৰ প্ৰেমিকা....

সকলো যুগতে তোমাকে বিচাৰি-

তোমাৰ- পূজা

□□□

## নীলা খামৰ চিঠি

নিকুমণি ডেকা, স্নাতক প্ৰথম বাৰ্ষিক

শ্ৰী হৰি

প্ৰতি,

মৰম

এয়া প্ৰথম তোৰ কাৰণে লিখিবলৈ বহিছো। নাজানো মোৰ তৌলৈ লিখাৰ যোগ্যতাই বা আছে নে নাই। তথাপিও অবুজ মনক বুজাব নোৱাৰি বহিছো লিখিব। কেনে আছ বাৰু তই? আচলতে মই তোক কিবা এটা ক'বৰ বাবেই লিখিছো।

তই বাৰু ভাবিছ নেকি সদায় দেখি থাকিও, তোৰ স'তে কথা পাতিও মই তৌলৈ আকৌ কিয় লিখিব লগা হৈছে? আচলতে কি জান জীৱন বাটত কেতিয়াবা হঠাতেই কোনোবা নিজে নজনাকৈয়ে ভাল লাগি যায় অ'। মোৰ তেনেকুৱাই হৈছে। তইতো মোৰ শৈশৱৰেই খেলৰ লগৰী আছিলি। মোৰ দুখৰ পঁজাত বাৰু তোৰ সুখৰ হাঁহি উজ্জ্বলিবনে? বহু দুখ পালো অ' জীৱনত। ক'ৰবাত পঢ়িছিলো, 'সপোন ভাগি টুকুৰা টুকুৰ হ'লেও কেতিয়াও নিৰাশ হ'ব নালাগে। সেই ভগা সপোনৰ টুকুৰা বুটলিয়েই গঢ়িব লাগে সপোনৰ সৌধ। মইয়ো দুখ পোৱাৰ পিছতো তোক লৈয়েই পুনৰ সপোন ৰছিছো। তই ভাঙি নেপেলাবি পুনৰ।

মৰম, তই বাৰু ভাব নেকি মই তোক মিছা প্ৰতিশ্ৰুতি দিবলৈ ওলাইছো। তই তেনেকৈ কেতিয়াও নাভাবিবি দেই। আচলতে কি জান বিশ্বাসেৰে সহবাস কৰিব পৰাজনে জীৱনত প্ৰকৃততে সুখী হ'ব পাৰে। বিশ্বাস অবিহনে সুখী হ'ব নোৱাৰি।

গতিকে মোৰ বিশ্বাস তোৰ হাতত দিলো। মোৰ হৃদয় আত্মা বন্ধকত দিছো, পুনৰ কিন্তু তোৰ পৰা আৰু ঘূৰাই নলও বুলি ভাবিছো।

ইতি

তোৰ মন

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদনসমূহ



## উপসভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল বীৰ বীৰঙ্গনালৈ শ্ৰদ্ধা ও প্ৰণাম নিবেদিছো, যি সকলে নিজৰ প্ৰাণ ত্যাগ কৰি দেশ মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে শ্বহীদ হৈ গ'ল।

দৰং জিলাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ এজন বিষয়ববীয়া হোৱাৰ মোৰ সৰুৰে পৰা ইচ্ছা আছিল। মহাবিদ্যালয়খনত মোৰ যেন কিবা এটা কৰাৰ হাবিয়াস মই মনতে পুহি ৰাখিছিলো। ইচ্ছাই মানুহৰ জীৱনত হেনো এটা উজ্বল আৰু সুখী ভৱিষ্যতৰ দুৱাৰ মুকলি কৰি দিয়ে। যাত্ৰাৰ শেষত কৃতকাৰ্যতা আছে। যি আশাৰ জীৱনত সমস্ত কীৰ্ত্তি পিন্ধাই দি তাক পুৰস্কৃত কৰে। মোৰ জীৱনতো তেনে হ'ল। হঠাৎ যেন মোৰ মনত বহু দিনৰ পৰা পুহি ৰখা আশাৰ গজালি মেলিলে। মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত জয়ী হোৱা মাত্ৰকে নিজকে সকলোতকৈ সুখী ব্যক্তি হিচাপে মই ধৰিলো। কাৰণ মঙলদৈ মহাবিদ্যালয়ৰ দৰে অগ্ৰণী শিক্ষানুষ্ঠানত ছাত্ৰ একতা সভাৰ বিষয়বাৰ পোৱা ভাগ্যৰ কথা আৰু কিবা এটা ভাল গুণ থকা জনহে এনে সুযোগ লাভ কৰিব পাৰে। মোৰ জীৱনৰ যেন আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হৈ গ'ল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ কাৰ্যকালৰ দিন কেইটা। মোৰ যেন আনন্দৰ সীমা নোহোৱা হ'ল। প্ৰতিটো মুহূৰ্ততে এগৰাকী সৌভাগ্যবান ব্যক্তি হিচাপে গৌৰৱ কৰিছিলো আৰু এক আনন্দৰ হাঁহি মনৰ মাজতে সুমুৱাই ৰাখিছিলো।

কাৰ্যকাল ঃ মোৰ কাৰ্যকালত মাত্ৰ এটি অনুষ্ঠান পৰিচালনা কৰিছিলো শ্ৰীশ্ৰীসৰস্বতী পূজা। এই অনুষ্ঠানত কিমান দূৰ সফল হৈছো সেইটো আপোনালোকৰ বিচাৰ্য।

কৃতজ্ঞতা স্বীকাৰ ঃ কাৰ্যকালৰ খতিয়ান দিবলৈ যাওঁতে ছাত্ৰ একতা সভাৰ তত্বাবধায়ক ড০ কুমুদ চন্দ্ৰ শৰ্মা, বিচিত্ৰ মেধি, ড০ প্ৰণৱ শৰ্মা, কমলা বৰা ছাৰ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকলৰ লগতে মোৰ প্ৰতিটো কাৰ্যসূচীতে বিশেষ ভাৱে সহায় কৰা জয় প্ৰকাশ মহন্তলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অজানিত সকলো ভুল ভ্ৰান্তিৰ বাবে সবাৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ উত্তোৰত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

।। জয়তু ছাত্ৰ একতা সভা।।

শ্ৰদ্ধাৰে-

মোন্নাফ আলি,

উপসভাপতি, ছাত্ৰ একতা সভা



## সংগীত আৰু সাংস্কৃতিক বিভাগ

বৰ লুইতৰ বহল পাৰৰ কেচা মাটিৰ গোন্ধত বিয়াকুল অসমী আইৰ স্নেহত বন্দী হৈ অসমবাসীৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদ হোৱা মহান বীৰ সকললৈ, তথা মঙলদৈ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা বৰ্তমান সময়লৈ আগুৱাই আহোতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগ কৰিব লগা হৈছে, সেই মহান বীৰসকললৈ মোৰ হৃদয়ৰ নিভৃততম কোণৰ পৰা সহস্ৰ প্ৰণাম যাচিলোঁ।

দৰং জিলাৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিজকে চিনাকি দিবলৈ পাই, মই গৌৰৱবোধ কৰিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত বিপুল ভোটত জয়ী কৰালে তেখেত সকললৈ এই সুযোগতে মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৰ উন্নতি কৰিবলৈ মই চেষ্টাৰ কোনো ক্ৰটি কৰা নাছিলো। সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ চাৰিটা দিনৰ পিছতেই ২২-১২-২০০৭ তাৰিখৰ পৰা ২৬-১২-২০০৭ তাৰিখলৈ মহাবিদ্যালয়ৰ সপ্তাহ অনুস্থিত কৰিছিলো। মহাবিদ্যালয় সপ্তাহত আমি বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিযোগিতা অনুস্থিত কৰিছিলো। তাৰে ভিতৰত জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ সংগীত, বৰগীত, লোকগীত, বিহুগীত, আধুনিক গীত, জিকিৰ, আইনাম, দিহানাম আদি সংগীত কাৰ্য্যসূচীৰ লগতে বিহুনৃত্য, আধুনিক নৃত্য, শাস্ত্ৰীয় নৃত্য আৰু বাৰবৰণীয়া একাংকিকা নাট প্ৰতিযোগিতা অন্যতম।

সংস্কৃতি এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। যিয়ে এটা জাতিৰ মৰ্য্যদা নিৰুপণ কৰে। সংগীতবিহীন জীৱন পশুতকৈও তুচ্ছ। সংগীতে সকলোৰে অন্তৰত আলোড়নৰ সৃষ্টি কৰিব পাৰে, মানসিক শান্তি আনি দিব পাৰে। কিন্তু বৰ্তমান সময়ত শুনিবলৈ পোৱা অসমীয়া সংগীতৰ সৈতে পশ্চিমীয়া সংগীতৰ মিশ্ৰণত এক যি বিজতৰীয়া সংগীতৰ সৃষ্টি হোৱা দেখা গৈছে, সেয়াই অসমৰ সাংস্কৃতিক জগতখনক কিমান আগুৱাই নিব সেইয়া সময়েহে ক'ব। অসমৰ সাংস্কৃতিক জগতখনক আৰু অধিক প্ৰতিভাবান সাংস্কৃতিক শিল্পীৰ প্ৰয়োজন হৈছে। সেয়েহে মই আশা কৰো মঙলদৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকল ভৱিষ্যত অসমৰ সাংস্কৃতিক মহলৰ উচ্চ বিবেকবান তথা অতি প্ৰতিভাবান ব্যক্তি হৈ উঠিব। এই কথাখিনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই মই মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীখিনিক আৰু এখোজ আগুৱাই দিবলৈ সদায় চেষ্টা কৰি আহিছোঁ।

সৌভাগ্যৰ কথা যে, সদৌ অসম আন্তঃমহাবিদ্যালয় নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ মঙলদৈ মহাবিদ্যালয়ৰ পৰা এটি দল লৈ গৈছিলো। দলটিৰ প্ৰথম আখৰা কৰা দিনটোৰ পৰা আৰম্ভ কৰি কটন মহাবিদ্যালয়ত নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ যোৱালৈ যিখিনি দুখ তথা কষ্ট হৈছিল, সেই দুখ, কষ্ট নিমিষতে পাহৰি মোৰ নাট্য দলটিৰ বিভিন্নজনক সাৱটি ধৰি আনন্দত আত্মহাৰা হৈ পৰিছিলো, যেতিয়া নাটকৰ অন্তত বিচাৰকে ঘোষণা কৰে যে 'এইবছৰৰ শ্ৰেষ্ঠ নাট্যদল মঙলদৈ মহাবিদ্যালয়ৰ নাট্য দল'। উল্লেখযোগ্য যে শ্ৰেষ্ঠ নাটকৰ সন্মানৰ উপৰিও শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ অভিনেত্ৰী আৰু শ্ৰেষ্ঠ পৰিচালকৰ বঁটাও আমাৰ মহাবিদ্যালয়ে আনিবলৈ সক্ষম হৈছিল। সেই সময়ত মই নিজকে সংযত কৰিব পৰা নাছিলো। অসমৰ প্ৰবীণ অভিনেতা-অভিনেত্ৰী কেইগৰাকীমানে মোৰ লগতে আমাৰ মহাবিদ্যালয়ৰ নাট্য দলটিৰ সকলোকে ভূয়সী প্ৰশংসা কৰিছিল।

সদৌ শেষত মোৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক ড০ প্ৰণৱ কুমাৰ শৰ্মা ছাৰ, শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ সকলো ছাৰ-বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতাৰ শুৱাগাণ যাচিলোঁ। লগতে মোৰ কাৰ্যকালত মোক বাৰুকৈয়ে সহায়ৰ হাত আগবঢ়োৱা নয়নদা, প্ৰণৱদা, পিনাকি, মেহন্ত, চহিদুল, অঙ্কু আৰু বিভিন্নজন বন্ধুলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

শ্ৰদ্ধাৰে-
শ্ৰীভূপেন কলিতা,
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ

## খেল বিভাগ



আৰম্ভণিতে দেশৰ সেৱাত জীৱন দান দিয়া ব্যক্তিসকলৰ নামত শ্ৰদ্ধা নিবেদিছো। লগতে যি সকল ব্যক্তিয়ে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি জ্ঞানৰ চাকি জ্বলালে তেওঁলোকলৈও মোৰ হৃদয়ৰ শ্ৰদ্ধা জনাইছো।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৭-২০০৮ চনৰ নিৰ্বাচনত মোক খেল সম্পাদক পদত বিপুল ভোটত যি সকলে জয়ী কৰালে তেওঁলোকক এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। দায়িত্বভাৰ লোৱাৰ পিচৰে পৰা মই মহাবিদ্যালয়খন বিভিন্ন খেল অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিলো। সেই সূত্ৰে মই মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল অনুষ্ঠিত কৰি মহাবিদ্যায়খনত ক্ৰীড়াৰ এক পৰিবেশ সৃষ্টি কৰিছিলো। মই অনুস্থিত কৰা খেল সমূহ হ'ল- ল'ৰাৰ ১০০ মিটাৰ দৌৰ, ২০ মিটাৰ দৌৰ, ছোৱালীৰ ১০০ মিটাৰ দৌৰ, ২০০ মিটাৰ দৌৰ, ল'ৰা-ছোৱালীৰ উভয়ৰে ৪০০ মিটাৰ দৌৰ, ৮০০ মিটাৰ দৌৰ, জেবলিন থ্ৰ, ফুটবল, ভলীবল, লং জাম্প, হাই জাম্প, ১৬০০ মিটাৰ দৌৰ ইত্যাদি। এই খেল সমূহত ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি খেল সমূহ সূচাৰুৰূপে পৰিচালনা হোৱাত সহায় কৰিছিল। ইয়াৰ বাহিৰেও বিভিন্ন খেল মাহবিদ্যালয়ত অনুষ্ঠিত কৰাৰ চেষ্টা চলাইছিলো যদিও সীমিত পুজিৰ বাবে কিছু খেল অনুষ্ঠিত কৰিব পৰা নগ'ল।

<u>অভাৱ-অভিযোগ</u> ঃ যিটো মন লৈ খেল সম্পাদকৰ দায়িত্ব লৈছিলো, কিছুমান অভাৱৰ বাবে পিছ পৰি ৰ'ব বাধ্য হৈছিলো। তথাপিও কাটি কৰি থৈছিলো অভাৱ অভিযোগবোৰ আৰু মোৰ দায়িত্ব পালন কৰি গৈছো। দৰঙৰ এখন উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ খেল বিভাগৰ পুজিৰ ক্ষেত্ৰত আগবঢ়োৱা ধন পৰ্য্যাপ্ত নহয়। মই ইয়াৰ দ্বাৰাই কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যেন পুঁজি বৃদ্ধি কৰা হয়। মহাবিদ্যালয়খনত ক্ৰীড়াৰ আন্তঃগাথনি তথা সা-সজুলিও তেনেই নগন্য ধৰণৰ বৰ্তমানলৈকে। ইয়াৰ বাবে অদূৰ ভৱিষ্যতে পৰিকল্পনা হাতত লয় যেন। মোৰ কাৰ্য্যকালত বিভিন্ন জনে অসমৰ বাহিৰত খেল খেলি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ ছাত্ৰ জয়ন্ত কলিতাই ডিচ্‌কাড্ থ্ৰ'ত সোণৰ পদক বুটলি গৌৰব কঢ়িয়াই আনে।

<u>কৃতজ্ঞতা স্বীকাৰ</u> ঃ মোৰ কাৰ্য্য কালত প্ৰয়োজনীয় দিহা পৰামৰ্শৰে উপকৃত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ ছাজাদুৰ ৰহমান ছাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শ্ৰদ্ধাৰ হৰিমন ডেকা ছাৰ আৰু তত্বৱধায়ক শ্ৰদ্ধাৰ শশীন চহৰীয়া ছাৰলৈ লগতে মোৰ বন্ধু সকলৰ ওচৰত কৃতজ্ঞ হৈ ৰলো। শেষত সকলোৰে ওচৰত অজানিতে হোৱা ভুল-ক্ৰুটিৰ মাৰ্জনা বিচাৰিছো।

শ্ৰদ্ধাৰে-
শ্ৰীগৌতম ডেকা
সম্পাদক, খেল বিভাগ

## সাহিত্য বিভাগ



নতুন প্ৰজন্মৰ প্ৰতি,

"আঘোনৰ
ধানবোৰ
সোণালী
হৈ আহিল
আমি
পাহৰি যাওঁ
শাওনৰ সেউজীয়াখিনি
আবেগৰ বন্যাত আমি পাহৰি যাওঁ
বিবেকৰ সততাখিনি।
হিংসা, ঘৃণা, অপ্ৰীতি আৰু
কৰো ধৰ্মৰ নামত ৰাজনীতি
আমিবোৰ অভ্যস্ত হওঁ তেজৰ ফাকুখেলি
ইয়াকে জীৱনৰ সূত্ৰ বুলি মানি লওঁ আৰু
পাহৰি যাওঁ জন্মৰ সময়ত ভগৱানক দি
অহা প্ৰতিশ্ৰুতি।"


সঁচা অৰ্থত যি সময়ত আমাৰ

চাৰিওকাষ হত্যা, ধৰ্ষণ আদিৰে লুণ্ঠিত সেই সময়তো সাহিত্যৰ গতি স্তব্ধ হোৱা নাই। সাহিত্য মানৱ জাতিৰ দৰে সদায় গতিশীল। মানুহৰ জীৱন পৰিক্ৰমাৰ তথা প্ৰয়োজনীয় বিভিন্নতাই যুগে যুগে সাহিত্যৰ ওপৰত প্ৰভাৱ পেলায় আহিছে। কিন্তু ন-প্ৰজন্মৰ আড্ডাত সোমাবলৈ সাহিত্য তথা সৃষ্টিশীল কৰ্মৰাজিয়ে ঠাই নোপোৱাটো আমি এক ভয়ানক ভৱিষ্যতৰ পিনে ধাবিত হোৱাৰ ইংগিত বহন কৰিছে। আমাৰ স্বকীয়তা আৰু বাস্তৱতাক খামুচি ধৰি, ক্ষয়িষ্ণু সমাজ ব্যৱস্থাত শাৰীৰিক আৰু মানসিকভাৱে পংগু হৈ যাব ধৰা কেঁচা যৌৱনবোৰক প্ৰকৃত সত্বাৰ সৈতে পৰিচয় কৰোৱাৰ দায়িত্ব সাহিত্যৰো আছে। সেয়েহে সময়ৰ প্ৰাসংগিকতাত সাহিত্যত নতুন লহৰ, নতুন সুৰৰ সংযোজন অপৰিহাৰ্য আৰু তাৰ বাবে নবীন প্ৰবীণ সকলো সাহিত্যসেৱীৰ অক্লান্ত পৰিচৰ্যা নি:সন্দেহে কাম্য। শ্ৰদ্ধাঞ্জলি ঃ এটা জাতিক জীয়াই ৰখাৰ মহান সংগ্ৰামত যিসকলে তেজৰ বোলেৰে ইতিহাস ৰচিলে সেই বীৰ শ্বহীদসকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে শ্ৰদ্ধা নিবেদন কৰিছো, যিসকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাপে চিনাকি দিয়াৰ বাবে সাহিত্য সংস্কৃতিৰ ভেটি গঢ়িলে, সেইসকল সাহিত্য সংস্কৃতিৰ জনক, ধাৰক আৰু বাহক সকললৈ। কাৰ্যকালৰ প্ৰেক্ষাপট ঃ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত (২০০৭-০৮ বৰ্ষত) মই সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হওঁ। আৰ্থিকভাৱে দুৰ্বল এই বিভাগটো, সেয়েহে গতানুগতিকতাক মানি লোৱাৰ বাহিৰে গত্যন্তৰ নহ'ল। অৱশ্যে বিভাগীয় বাৰ্ষিক কাব্যসংকলন 'প্ৰেৰণা'ৰ পৰিসৰ এইবেলি কিছু বহল কৰিবলৈ সক্ষম হৈছিলো। তদুপৰি মহাবিদ্যালয় সপ্তাহৰ সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত বহুত সংখ্যক প্ৰতিযোগীৰ উপস্থিতিয়ে মোক আত্মসন্তুষ্টি দিছিল। কৃতজ্ঞতা স্বীকাৰ ঃ কাৰ্যকালৰ প্ৰতিটো খোজতেই পুত্ৰীব্য স্নেহেৰে অনুপ্ৰাণিত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধক্ষ্য মহোদয়, ড০ বিজয় কুমাৰ শৰ্মা চাৰ, সৰযুপ্ৰিয়া দেৱী বাইদেউ আৰু তত্বাৱধায়ক ডিম্বেশ্বৰ বৰুৱা চাৰলৈ মোৰ হিয়াৰ শত সহস্ৰ কৃতজ্ঞতা নিবেদন কৰিছো। ধন্যবাদ জ্ঞাপন কৰিছো ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা যিসকলৰ বিপুল সমৰ্থনত এই লিখনিৰ অধিকাৰী হব পাৰিলো। তদুপৰি মোৰ লগত ছাঁৰ দৰে লাগি থকা ত্ৰিদীৱ, দিলীপ, হৰেণ, ৰেশ্মা, পম্পি, গীতাশ্ৰী, দিপশিখা, নয়নদা আৰু ধনজিৎদালৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। সামৰণি ঃ সময় নিৰবধি- ই কালৈকো অপেক্ষা নকৰে। মোৰ দৰে বহু সাহিত্য বিভাগৰ সম্পাদক/ সম্পাদিকা আহিছে আৰু গৈছে। কোনে কিমান কৰিছে তাৰ আটাইবোৰ জোখ-মাখ মোৰ জ্ঞাত নহয়। তথাপি অপইতা কলম তথা মনেৰে যথাসাধ্য ভাষা জননীৰ উন্নতিৰ হকে কাম কৰি যাম। এয়াই মোৰ সংকল্প তথা উদ্দেশ্য। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ স্বত:স্ফূৰ্ত জীৱনীশক্তি, কৰ্মপ্ৰেৰণা তথা সৃজনী প্ৰতিভা মই আহ্বান কৰিছো। আহক আমি একত্ৰিত হৈ ভাষা জননীক সুদৃঢ় কৰো।

।। জয়তু মঙলদৈ মহাবিদ্যালয়।।

শ্ৰদ্ধাৰে-
শ্ৰীমৌচুমী কলিতা
সম্পাদিকা, সাহিত্য বিভাগ

## চাৰুকলা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ বীৰংগণালৈ শ্ৰদ্ধাৰে সোঁৱৰিছো লগতে মঙলদৈ মহাবিদ্যালয়ৰ উন্নতিত অবিহণা যোগোৱা মহান ব্যক্তি সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ পাতনি মেলিছো। ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত চাৰুকলা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰাত মই সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা তথা অভিনন্দন জনালোঁ। ক্ষুদ্ৰ এটা গুটিত ভৱিষ্যতে প্ৰকাণ্ড বৃক্ষ হোৱাৰ দৰে আমাৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ মাজত বহুতো প্ৰতিভা বিৰাজ কৰি থাকে কিন্তু সেইবোৰ উপযুক্ত সময়ত বিকাশায় তুলিব নোৱাৰাৰ ফলত সেইবোৰ বহুলাংশে ম্লান হোৱা পৰিলক্ষিত হয়। সেই প্ৰতিভাৰ ভিতৰত এটা হ'ল সুকুমাৰ কলা। কলা হ'ল এনে এক মাধ্যম যাৰ জৰিয়তে প্ৰকৃত সৌন্দৰ্য্যবোধৰ উদয় কৰিব পাৰি। কিন্তু আজি কালি ইয়াৰ প্ৰতি বিৰাগ জন্মাৰ পৰিলক্ষিত হয়। যিটো এই বৰ্ষতে সম্পূৰ্ণভৱে উপলব্ধি কৰিব পৰা গৈছে।

২০০৭-০৮ বৰ্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰি চাৰুকলা বিভাগৰ সম্পাদক হিচাপে কি বিকাশ কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। ২০০৭-০৮ বৰ্ষত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহ অন্য বছৰৰ দৰে এইবাৰো বিভিন্ন বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল চিত্ৰাংকন, কলাজ, বেটু পাট অংকন, চিলাই আদি প্ৰতিযোগিতা। ইয়াৰ উপৰিও এখনি প্ৰদৰ্শনী মূলক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল- বস্ত্ৰকৰ্ম, হস্তকৰ্ম, পেইণ্টিং, ফেব্ৰিক আৰু পুষ্পসজ্জা।

প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাখনিত অৱশ্যে কেইজনীমান ছোৱালীৰ বাহিৰে ছাত্ৰ এজনো দেখা পোৱা নগ'ল। ইয়াত ছোৱালী আছিল যদিও ইয়াৰ পৰিমাণ আছিল তাকৰ। বস্ত্ৰকৰ্মত প্ৰথম স্থান অধিকাৰ কৰিছিল শ্ৰীপম্পি ৰাজখোৱা আৰু দ্বিতীয় স্থান অধিকাৰ কৰিছিল শ্ৰীমুন্মী ৰাজখোৱা। হস্তকৰ্ম আৰু পুষ্পসজ্জাত প্ৰথম স্থান অধিকাৰ কৰিছিল শ্ৰীচুমি হাজৰিকাই। পেইংণ্টিত প্ৰথম স্থান অধিকাৰ কৰিছিল শ্ৰীপুৰৱী শইকীয়াই আৰু ফেব্ৰিকত প্ৰথম স্থান লাভ কৰিছিল শ্ৰীসবিতা বৰুৱাই। ইয়াৰ উপৰিও এখনি প্ৰদৰ্শনীমূলক কৰ্মশালাৰ আয়োজন কৰা হৈছিল। ইয়াৰ দ্বাৰ মুকলি কৰিছিল আমাৰ ইংৰাজী বিভাগৰ প্ৰবক্তা মাননীয় মণিমুগ্ধ বৰঠাকুৰ দেৱে। ইয়াত আমন্ত্ৰণ কৰা হৈছিল শ্ৰীশৰৎ চন্দ্ৰ নাথ, শ্ৰীগৌতম বৰুৱা, শ্ৰীপল্লৱ হাজৰিকা, শ্ৰীহিতেশ ডেকা দেৱক।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত সততে দিহা পৰমাৰ্শৰে লগতে মুক্ত মনে সকলো কাৰ্য্য কৰাৰ বাবে অনুপ্ৰেৰণা যোগোৱা চাৰুকলা বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীভৱেশ নাৰায়ণ চৌধুৰী ছাৰৰ ওচৰত চিৰকৃতজ্ঞ লগতে মাহবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু মোৰ প্ৰস্তাৱক শ্ৰীমনোজ ডেকা আৰু সমৰ্থক শ্ৰীকেশৱ ডেকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে চিৰন্তন, বুকুল, সঞ্জয়, নৃপেনৰ লগতে সমূহ বন্ধু বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ উপসভাপতি মোন্নাফৰ লগতে সমূহ বিষয় ববীয়া সকলৈ মোৰ আন্তৰিক শুভেচ্ছা তথা কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত ২০০৭-০৮ বৰ্ষত হোৱা বিভাগীয় কাম কাজত অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ আশা আৰু কামনাৰে মোৰ সম্পাদকীয় লিখনিৰ ইতিৰেখা টানিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

।। জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

শ্ৰদ্ধাৰে-

শ্ৰীজয় প্ৰকাশ মহন্ত,

সম্পাদক, চাৰুকলা বিভাগ

## ছাত্ৰ জিৰণি কোঠা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয় গঠিত হৈছে সেই সকল ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো আৰু লগতে প্ৰতিবেদন লিখনিৰ মাজেৰে মই সেই ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকল ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাৰ ফলস্বৰূপে মঙলদৈ মহাবিদ্যালয়ৰ ২০০৭-০৮ চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হোৱাৰ সুবিধাকণ পালো।

কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰ সকলৰ মাজত কেৰম, ডবা, বেডমিণ্টন আৰু টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাই মোক দুগুণে উৎসাহিত কৰি তুলিছিল। বিভিন্ন পৰামৰ্শ আগবঢ়াই মোক সহায়ৰ হাত আগবঢ়োৱা সকলৰ নাম লবলৈ গলে প্ৰথমেই নাম লব লাগিব মোৰ বিভাগৰ তত্বাৱধায়ক পবিত্ৰ কুমাৰ নাথ দেৱৰ। তাৰোপৰি ধৰ্মেন্দ্ৰ, তুলু, ভাস্কৰ, জগদীশ, লিয়ন, মলয়, ৰাকেশ, ৰূপ, পদ্মধৰ, দীপ, সুবৰ্ণ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আদিলৈও মোৰ আন্তৰিক ধন্যবাদ থাকিল। উপৰোক্ত সকলৰ উপৰি হয়তো আৰু বহুতৰ নাম লবলৈ থাকি গ'ল তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

আমাৰ কলেজৰ ছাত্ৰ জিৰণি কোঠাটো আৰু ইয়াৰ আন্তঃগাঠনি যথোপযুক্ত নোহোৱা হেতুকে ছাত্ৰ সকলৰ অলেখ অসুবিধা মই উপলব্ধি কৰিছো। মোৰ কাৰ্য্যকালত পুৰণা ছাত্ৰ জিৰণি কোঠাটো ভাঙি নতুন এটা ছাত্ৰ জিৰণি কোঠা সাজিবলৈ লোৱাত মই গৌৰৱবোধ কৰিছো, যদিও ইয়াৰ বাবে ছাত্ৰসকলৰ অসুবিধা বৃদ্ধি পোৱাত যথেষ্ট বেজাৰ পাইছো। আশাকৰো নতুন ছাত্ৰ জিৰণি কোঠাটোৰ কাম অনতি পলমে সম্পূৰ্ণ হৈ উঠিব। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়া স্বাৰ্থত যোৱা বছৰত মই এই পূণ্য শিক্ষানুষ্ঠানটিলৈ মোৰ নিঃস্বাৰ্থ সেৱা আগবঢ়োৱাত কোনো কৃপণালি কৰা নাছিলো। মাহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ আশা আকাঙ্খাসমূহ ৰূপায়িত কৰাত মনৰ মাজত পুহি ৰখা বহু পৰিকল্পনাই কাৰ্য্যক্ষেত্ৰত ৰূপায়ন কৰিব নোৱাৰিলো। ইয়াৰ বাবে মই নিজকে লগতে আৰ্থিক অভাৱকে দোষাৰোপ কৰো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰিলো আৰু এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ যাতে শুদ্ধ অৰ্থত উৎকৰ্য সাধন হয় তাৰে কামনা কৰিলোঁ।

* জয়তু মঙলদৈ মহাবিদ্যালয় *

শ্ৰদ্ধাৰে-

মহানন্দ চহৰীয়া

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

## সমাজ সেৱা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি ছহিদ হোৱা সেই সকল বীৰ বীৰঙ্গনালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে মই মোৰ বন্ধু-বান্ধৱী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনাও জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে ভেদভাৱ পৰিহাৰ কৰি সমাজৰ এজন সক্ৰিয় সদস্য হৈ সুস্থ সমাজ এখন গঢ়াৰ লগতে নিজৰ জীৱনৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰিবলৈ আমি সকলোৱেই বদ্ধ পৰিকৰ হওঁহক।

দৰং জিলাৰ ঐতিহ্য মণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৭-০৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকলে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি যি দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে নিজকে ধন্য মানি যৎসামান্য হলেও সেৱা আগবঢ়াবলৈ পাৰ্যমানে চেষ্টা কৰিছোঁ।

২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ছাত্ৰ একতা সভাৰ প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে মই সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰাই গছবোৰ আৰু সন্মুখৰ দেৱালত ৰং দিয়াৰ লগতে ছহিদ বেদীত ৰং দিয়াই মহাবিদ্যালয়খনিক সুন্দৰ কৰিবলৈ যত্ন কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত চাফাই প্ৰতিযোগিতা, বৃক্ষৰোপন কাৰ্যসূচী আদি অনুষ্ঠিত কৰা হয়। চাফাই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। ইয়াৰ ভিতৰত প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C. boys Division) আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S.) দলক বিবেচনা কৰা হয়। সেই মৰ্মে মহাবিদ্যালয় সপ্তাহৰ মুকলি আৰু বঁটা বিতৰণী সভাত এই দল দুটিক ট্ৰফি, নগদ ধন, মানপত্ৰ আৰু মেডেলেৰে সন্মানিত কৰা হয়। সমাজ সেৱা বিভাগৰ দ্বাৰা বিতৰণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আবণ্টিত কেৰাচিন তেলখিনি মোৰ কাৰ্যকালৰ আৰম্ভণিৰ পৰাই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সূচাৰু আৰু নিয়মীয়াকৈ বিতৰণ কৰাবলৈ সক্ষম হওঁ। ইয়াৰ উপৰিও কেৰাচিন তেল বিতৰণত কোনোবা সপ্তাহত হঠাৎ বিভিন্ন অজুহাতত ডিপোৰ পৰা তেল বন্ধ হব লগা হলেই মই বন্ধুবৰ সাধাৰণ সম্পাদক ঋতুপৰ্ণ কলিতাৰ সহযোগত খাদ্য আৰু যোগান বিভাগ বিষয়া, মঙলদৈৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সমূহে কেৰাচিন তেলৰ অভাৱত সন্মুখীন হব পৰা সমস্যাৰ প্ৰতি লক্ষ্য ৰখি ডিপোৰ পৰা যদিও সেই সপ্তাহত বা সেইটো বাৰত আন কোনো হ'কাৰক তেল নিদিলেও

মই মহাবিদ্যালয়ৰ হ'কাৰ চপন মণ্ডলক তেল অনাৰ ব্যৱস্থাকণ কৰাই দি মহাবিদ্যালয়ত তেল বিতৰণ কৰাবলৈ সক্ষম হৈছিলো।

মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো পদক্ষেপতে সু-পৰামৰ্শ তথা সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ ছাজাদুৰ ৰহমান, অধ্যাপক বিচিত্ৰ কুমাৰ মেধি আৰু বিভাগীয় তত্বাৱধায়ক অধ্যাপক দেৱজিৎ নাথ দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কৰ্ম ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়োৱাৰ বাবে মই চিৰ কৃতজ্ঞ হৈ ৰ'ম আন্ত:মঙলদৈ ছাত্ৰ সন্থাৰ সম্মানীয় সভাপতি মঃ জেহিৰুল ইছলাম, উপসভাপতি খনীন্দ্ৰ ৰাজবংশীৰ ওচৰত। সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো সাধাৰণ সম্পাদক, উপসভাপতি প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আৰু বন্ধুবৰ পলাশ ৰাজবংশী, জিতু, মহিবুল, হেমন্ত, মুন্না, চুমি, ৰেছমী, মেহেদ হাচান আৰু মহাবিদ্যালয়ৰ সমূহ বন্ধু বান্ধৱীলৈ।


সদৌ শেষত মোৰ কাৰ্যকালত হোৱা ভুল ভ্ৰান্তিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ।। জয়তু মঙলদৈ মহাবিদ্যালয় ।।

।। জয় আই অসম ।।

শ্ৰদ্ধাৰে-
মঃ মোস্তাফিজুৰ ৰহমান
সম্পাদক, সমাজ সেৱা বিভাগ

## ছাত্ৰী জিৰণি কোঠা বিভাগ

বাৰ্ষিক



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জাতীয় বীৰে দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে, সেই সকল দেশ প্ৰেমিকৰ লগতে যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন গঢ় দিলে সেই সকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত বিনা প্ৰতিযোগিতাৰে জয়ী হওঁ। সেয়েহে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধনবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল 'মহাবিদ্যালয় সপ্তাহ' ২২-১২-০৭ তাৰিখৰ পৰা ২৬-১২-০৭ তাৰিখলৈ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা। ইয়াৰ লগত সংগতি ৰাখি অন্তঃদ্বাৰ খেলসমূহ যেনে- বেডমিণ্টন, ডবা, কেৰম আদি অনুষ্ঠিত কৰা হয়। তদুপৰি এইবেলি প্ৰথমবাৰৰ বাবে নাৰীসম্পৰ্কীয় মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সা-সৰঞ্জাম, খেলৰ সামগ্ৰী সমূহ ভালদৰে সংৰক্ষণ কৰি ৰাখিব নোৱাৰাৰ বাবে প্ৰতিবছৰে বিভিন্ন সামগ্ৰী ক্ৰয় কৰিব লগা হয়। সেয়েহে পৰৱৰ্তী সম্পাদিকালৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যেন সেই বোৰৰ সংৰক্ষণৰ বিশেষভাৱে চকু দিয়ে। ছাত্ৰী জিৰণি কোঠাৰ সন্মুখত এখনি ফুলনি কৰাৰ লগতে নতুন পৰ্দা, বাল্টি, জগ, গিলাচ, বেডমিণ্টনৰ সামগ্ৰী, কেৰম, ডবা এইবোৰো কিনা হয়। ছাত্ৰী জিৰণি কোঠাত পানীৰ সুব্যৱস্থাৰ অভাৱ মই বাৰুকৈয়ে অনুভৱ কৰি আহিছো। গতিকে উক্ত দিশটোৰ প্ৰতি কৰ্তৃপক্ষক চকু দিবলৈ অনুৰোধ জনালোঁ।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ মহোদয় ছাৰ, তত্বাৱধায়ক লীনা শইকীয়া বাইদেউৰ লগতে শিৱশংকৰদা, মনীষা, মৌচুমী, অৰ্চনা, কৰবী, ৰেশ্মা, চুমি, দ্বীপশিখা, অনামিকা, হিমাক্ষী, দিপীকা আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ হিয়াৰ শত সহস্ৰ কৃতজ্ঞতা নিবেদিছো।

মানুহ মাত্ৰেই ভুল হয়। কাৰ্যকালৰ ভিতৰত জ্ঞাত অজ্ঞাত সকলো ভুলৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমা মাগিছো আৰু অনাগত দিনবোৰত আপোনালোকৰ আশীৰ্বাদ বিচাৰিছো। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইতি টানিলোঁ।

শ্ৰদ্ধাৰে-
শ্ৰীজয়শ্ৰী বৰঠাকুৰ
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## ব্যায়াম শালা বিভাগ

[illegible]



প্ৰথমে দেশ আৰু জাতিৰ সেৱাত জীৱন দান দি শ্বহীদ হোৱা ব্যক্তি সকললৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে সেই সকল ব্যক্তিলৈ অন্তৰৰ শ্ৰদ্ধা নিবেদন কৰিলো যি সকলে মহাবিদ্যালয়খনক গঢ়ি তুলি নিৰ্মাণ কৰি তুলিলে।

মঙলদৈ মহাবিদ্যালয়ৰ ২০০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যি সকলে মোক ব্যায়ামশালা সম্পাদক পদত জয়ী কৰাই সেৱা কৰাৰ সুযোগকণ দিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ধন্যবাদ জনালোঁ।

কাৰ্যকাল : নিৰ্বাচনত জয়ী হোৱাৰ পিছতে মহাবিদ্যালয়ত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত ব্যায়ামশালা বিভাগৰ উদ্যোগত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। উক্ত প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিয়ে প্ৰতিযোগিতা সমূহ সফল হোৱাত সহায় কৰিছিল।

অভাৱ অভিযোগ : ব্যায়াম শালা বিভাগত ধাৰ্য পুঁজিৰ ধন বহু কম। গতিকে কিছুমান কাম কৰাৰ ইচ্ছা থাকিও বহিত হ'বলগীয়া হৈছে একমাত্ৰ পুঁজিৰ অভাৱত। ইয়াৰ দ্বাৰা কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে, ব্যায়ামশালাৰ পুঁজিৰ ধন বৃদ্ধি কৰাৰ লগতে আৱশ্যকীয় সা-সজুলি সমূহৰ যোগান যেন বৃদ্ধি কৰে।

কৃতজ্ঞতা স্বীকাৰ : মোৰ বিভিন্ন কাৰ্যসূচীত সহায়ৰ হাত আগবঢ়োৱা ব্যক্তি সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। তেওঁলোকৰ ভিতৰত অধ্যক্ষ ছাৰ, তত্বাৱধায়ক ছাৰ, জয়ন্তদাৰ লগতে বন্ধুবৰ মুকুল, গৌতম, বাপুমণি, ঋতুলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অজানিতে হোৱা ভুল ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

শ্ৰদ্ধাৰে-
শ্ৰীজগদীশ শৰ্মা
সম্পাদক, ব্যায়াম শালা

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে, যি সকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে জাতিৰ নামত জীৱন উছৰ্গা কৰি শ্বহীদ হোৱা মহান ব্যক্তি সকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

বিগত বৰ্ষত (২০০৭০৮) অনুষ্ঠিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ছাত্ৰ-ছাত্ৰী সকলে বিপুল ভোটত জয়ী কৰালে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ লগতে ধন্যবাদ যাচিলো। এই সমস্যা বহুল অস্থিৰ সময়ত দেশ মাতৃৰ এগৰাকী সেৱক হিচাপে যিকণ সেৱা কৰাৰ সুযোগ পাইছো সেয়া হয়তো মনৰ ভাষাৰে বুজাব নোৱাৰো। কি কৰিব পাৰিছো, নোৱাৰিছো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

কাৰ্যকাল ঃ নিৰ্বাচনত জয়ী হোৱাৰ কিছুদিন পিছতে ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়া সকলৰ সৈতে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো। পোন প্ৰথমতে মই যোৱা ইং ২২-১২-০৭ তাৰিখৰ পৰা ২৭-১২-০৭ তাৰিখলৈ সপ্তাহযোৰা কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ সফলতাৰে উদ্‌যাপন কৰা হয়। অন্যান্য কাৰ্যসূচী ক্ৰমে সৰস্বতী পূজা উদ্‌যাপন, ফাতেহা দোৱাজ দহম আদি উলহ মালহৰে পালন কৰা হয়। আনহাতে যোৱা ইং ৬-০৯-০৮ তাৰিখে এই বৰ্ষৰ নবাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয় ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাহাৰৰে এক বৰ্ণাঢ্য পৰিবেশত এই সভা আনন্দ মুখৰ হৈ পৰে। মুকলি সভাত আসন শুৱনি কৰে বিশিষ্ট কবি নীলিম কুমাৰ দেৱ আৰু অভিনেতা ৰাজ কুমাৰে। লগতে তৰ্ক আৰু বক্তৃতা বিভাগৰ দায়িত্বলৈ যোৱা ইং ২০-০৯-০৮ তাৰিখে মহাবিদ্যালয়ত সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়।

সফলতাঃ মোৰ কাৰ্যকালত বিভিন্ন জনে বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। ইয়াৰ ভিতৰত মোৰ তত্বাবধানত কটন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ অভিনেতা, অভিনেত্ৰী, শ্ৰেষ্ঠ পৰিচালকৰ বঁটা দখল কৰি সুনাম আনে। ক্ৰীড়াৰ ক্ষেত্ৰতো ৰাষ্ট্ৰীয় পৰ্যায়ত সোণৰ পদক লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে। লগতে মহাবিদ্যালয় সপ্তাহ চলি থকা অৱস্থাত সাংস্কৃতিক অনুষ্ঠানৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ মোক মহাবিদ্যালয়ৰ সপ্তাহৰ শেষৰ দিনা লৈ যোৱা হয়। প্ৰথমে East Zoone. তাৰ পৰা National, শেষত South Universities Youth festival ত সুনাম কঢ়িয়াই আনো।

অভাৱ অভিযোগ ঃ দৰঙৰ উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ক বৰ্তমান কিছুমান অভাৱে জুৰুলা কৰি আহিছে। সেই অভাৱ বোৰ অতি শীঘ্ৰে নিৰ্মূল কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, ছাজাদুৰ ৰহমান চাৰ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড০ কুমুদ চন্দ্ৰ শৰ্মা চাৰ, ভাৰপ্ৰাপ্ত উপাধক্ষ্য, বিচিত্ৰ কুমাৰ মেধি চাৰ তথা অন্যান্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক/ অধ্যাপিকাবৃন্দ, মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰীবৃন্দ, মোক সকলো ক্ষেত্ৰতে সহায় সহযোগ কৰা বন্ধুবৰ্গ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল আৰু মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো তেওঁলোকৰ সহায়-সহযোগিতা তথা দিহা পৰামৰ্শৰ বাবে যাৰ বাবে মই মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

শ্ৰদ্ধাৰে-

শ্ৰীঋতুপৰ্ণ কলিতা,

সাধাৰণ সম্পাদক

## ৰাষ্ট্ৰীয় সেৱা আঁচনি অধিনায়কৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যি সকলে এই মহান অনুষ্ঠানটি গঢ়ি থৈ গ'ল লগতে এই সুযোগতে সেই সকল জাতীয় বীৰ শ্বহীদলৈ মোৰ অশ্ৰুঅঞ্জলি যাচিলো যি সকলে দেশৰ হকে নিজৰ জীৱন দান দি থৈ গ'ল।

বৰ্তমান পৰিস্থিতিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠানৰ গুৰুত্ব কিমান তাক পুনৰবাৰ দোহৰাৰ প্ৰয়োজন নাই। সমস্যাৰে জৰ্জৰিত মঙলদৈ মহাবিদ্যালয় ১৯৭২ চনতে এই সেৱা বিভাগটো আৰম্ভ হয় যদিও মাজতে কেইবছৰ মান ইয়াৰ গতি মন্থৰ আছিল। নকলেও হব যে এই অনুষ্ঠানটিৰ বাবে মঙলদৈ মহাবিদ্যালয় আজি নদীৰ গৰাহৰ পৰা ৰক্ষা পৰিছে। যাৰ বাবে আজি আমি শংকাবিহীন ভাৱে শিক্ষা গ্ৰহণ কৰিব পাৰিছো আৰু ছাত্ৰী নিবাসটোও নদীৰ কবলৰ পৰা ৰক্ষা পৰিছে। মই অধিনায়ক হোৱা কাৰ্যকালত ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে কৰা কামৰ বিৱৰণ দঙি ধৰিব বিচাৰিছো। ২০০৭ চনত হোৱা মঙলদৈ সনাতন ধৰ্ম মন্দিৰত অনুষ্ঠিত ৰাসোৎসৱত আমাৰ কলেজৰ পৰা ৭০ জনীয়া স্বেচ্ছা সেৱকৰ দল এটাই সেৱা আগবঢ়ায়। কলেজত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত ৩০ জনীয়া দল এটাই সেৱা আগবঢ়ায়। কলেজখন পৰিস্কাৰ কৰি ৰখাৰ বাবে মাহত দুটাকৈ কেম্প কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱস পতা হয়। নতুনকৈ এই অনুষ্ঠানত নামভৰ্তি কৰা সকলৰ প্ৰতিভা বিকাশৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ নৱাগত আদৰণি সভা পতা হয়। N.S.S. বুলি কলে সততে চিনাকি এই অনুষ্ঠানৰ অভাৱ অভিযোগ নাই বুলি কব নোৱাৰি। প্ৰথমতে প্ৰয়োজন এটি আহল-বহল আৰু স্থায়ী কোঠাৰ য'ত ছাত্ৰ ছাত্ৰীসকলে একেলগে বহি বিভিন্ন সামাজিক দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰি N.S.S. ক আগুৱাই নিয়াৰ প্ৰয়াস কৰিব পাৰে। ঔদ্যোগিক প্ৰশিক্ষণ, স্ব নিৰ্ভৰশীলতাৰ বাবে নানা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে কৰ্তৃপক্ষ আৰু N.S.S. ৰ স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকা সকলে উপযুক্ত পদক্ষেপ লব পাৰিব।

মই কৃতজ্ঞতা জ্ঞাপন কৰিলো N.S.S. ৰ সমূহ শুভাকাংখী, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, অধ্যক্ষ মহোদয়, উপাধক্ষ্য মহোদয়, কৰ্মচাৰীবৃন্দ, কাৰ্যসূচী বিষয়া মঃ জামালুদ্দিন আহমেদ দেৱ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে N.S.S. ৰ সমূহ কৰ্মী আৰু বিভিন্ন সহায় সহযোগ পোৱা লৱদা, সৌৰভ, শিৱ শংকৰ, মানস, ৰাজু, ৰাজকমল, কুশললৈ।


আশা কৰিছো মঙলদৈ মহাবিদ্যালয়ৰ N.S.S. এ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখি ঐকান্তিকতাৰে সমাজৰ বাবে কাম কৰি যাব। শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে উন্নতি কামনা কৰিলোঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয়।।

শ্ৰদ্ধাৰে-

শ্ৰীকৌশিক শৰ্মা,

অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি


MANGALDAI COLLEGE MAGAZINE
Editor : Joyanta Deka